## খণ্ড -১ (Block -1)

## গোট - ১ (Uniti -1)

# ঔদ্যোগিক সমাজতত্ত্বৰ প্ৰকৃতি, বিকাশ আৰু মূল অৱধাৰণাসমূহ

# (Nature Growth and Basic Concepts of Industrial Sociology)

**গঠন বিন্যাস ঃ**

১.০ উদ্দেশ্য
১.১ প্ৰস্তাৱনা
১.২ ঔদ্যোগিক সমাজতত্ত্বৰ ধাৰণা
১.২.১ ঔদ্যোগিক সমাজত্ত্বৰ সংজ্ঞা
১.২.২ ঔদ্যোগিক সমাজত্ত্বৰ প্ৰকৃতি
১.২.৩ ঔদ্যোগিক সমাজতত্ত্বৰ বিকাশ
১.২.৪ প্ৰাক ঔদ্যোগিক সমাজৰ প্ৰকৃতি
১.২.৫ ঔদ্যোগিক সমাজৰ প্ৰকৃতি

**আত্ম মূল্যায়ণ প্ৰশ্ন**

১.৩ সামৰণি
১. প্ৰধান শব্দসমূহ
২. পাঠ্য নিৰ্দেশনা
৩. আত্মমূল্যায়ণৰ প্ৰশ্নৰ উত্তৰ
৪. আৰ্হি প্ৰশ্ন
৫. প্ৰসঙ্গ পুথি

**খণ্ড নং - ১ (Block -1)**

**গোট - ১ (Unit -1)**

# ঔদ্যোগিক সমাজতত্ত্বৰ প্ৰকৃতি বিকাশ আৰু মূল অৱধাৰণাসমূহ (Nature Growth and Basic Concepts of Industrial Sociology)

**গঠন বিন্যাস (Unit Structure)**

১.০ উদ্দেশ্য
১.১ প্ৰস্তাৱনা
১.২ ঔদ্যোগিক সমাজতত্ত্বৰ প্ৰকৃতি
১.১.১ ঔদ্যোগিক সমাজতত্ত্বৰ বিকাশ
১.১.২ প্ৰাক ঔদ্যোগিক সমাজৰ প্ৰকৃতি
১.১.৩ ঔদ্যোগিক সমাজৰ প্ৰকৃতি

**আত্মমূল্যায়ণ প্ৰশ্ন**

**১.৩ সামৰণি (Conclusion)**

১. প্ৰধান শব্দসমূহ
২. পাঠ্য নিৰ্দেশনা
৩. আত্ম মূল্যায়ণ প্ৰশ্নৰ উত্তৰ
৪. আৰ্হি প্ৰশ্ন
৫. প্ৰসঙ্গ পুথি

## ১.০ উদ্দেশ্য (Objectives)

১ নম্বৰ খণ্ডৰ ১ নম্বৰ গোটটিত ঔদ্যোগিক সমাজতত্ব পাঠ্যক্ৰমখনিত অন্তভূক্ত থকা ঔদ্যোগিক সমাজতত্ত্বৰ বিভিন্ন বিষয় সমূহৰ সম্পৰ্কে আলোচনা কৰা হৈছে। এই গোটটি পঢ়াৰ পাছত তোমালোকে—

১) ঔদ্যোগিক সমাজতত্ত্বৰ প্ৰকৃতিৰ সম্পৰ্কে জানিব পাৰিবা।

২) ঔদ্যোগিক সমাজতত্ত্বৰ বিকাশৰ বিষয়ে বৰ্ণনা কৰিব পাৰিবা।

৩) প্ৰাক্-ঔদ্যোগিক সমাজৰ প্ৰকৃতিৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিবা।

৪) ঔদ্যোগিক সমাজৰ প্ৰকৃতিৰ সম্পৰ্কে বিশ্লেষণ কৰিব পাৰিবা।য

**১.১ প্ৰস্তাৱনা (Introduction) ঃ**

ঔদ্যোগিক সমাজতত্ত্ব আৰু শ্ৰমিক কল্যাণ নামৰ পাঠ্যক্ৰমখনিত ১ নম্বৰ খণ্ডৰ ১ নম্বৰ গোটটিত অন্তভুক্ত থকা কিছুমান গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত আলোচনা কৰিম। বৰ্তমান সময়ত ঔদ্যোগিক সমাজতত্ত্বৰ গুৰুত্ব অধিক বৃদ্ধি পাই অহাৰ লগে লগে মানৱ সমাজত ইয়াৰ অধ্যয়নৰ প্ৰয়োজনীয়তাত বৃদ্ধি পাই আহিছে। ঔদ্যোগিক সমাজতত্ত্বত উদ্যোগৰ লগত জড়িত সামাজিক সম্বন্ধ (Social relationship) ৰ বিষয়ে অধ্যয়ন কৰা হয়। ঔদ্যোগিক সমাজতত্ত্ব বিষয়টো মানৱ সমাজৰ বিভিন্ন দিশৰ লগত জড়িত হৈ আছে। যিহেতু ঔদ্যোগিক সংগঠন সমূহত মানৱীয় কৰ্ম জড়িত হৈ আছে আৰু ইয়াৰ লগত আধুনিক ঔদ্যোগিক সম্প্ৰসাৰণ, কাৰিকৰী দিশৰ বিকাশ, শ্ৰমিক সংঘবাদ, (Trade Unionism), গ্ৰাম্য অঞ্চলৰ পৰা নগৰীয়া অঞ্চলসমূহলৈ হোৱা জনসাধাৰণৰ ব্যাপক প্ৰবজন, নতুন প্ৰযুক্তিবিদ্যা, ধৰ্মঘট, হৰতাল আৰু বিভিন্ন শ্ৰমিক আইনসমূহ (Labour Act.) জড়িত হৈ থাকে। এই ঔদ্যোগিক সমাজতত্ত্বৰ জৰিয়তে উদ্যোগসমূহত নিয়োজিত হৈ থকা ব্যক্তিসমূহৰ বিভিন্ন সমস্যা, শ্ৰমিকৰ কৰ্মাৱস্থা, পাৰিশ্ৰমিক, জীৱন বীমা, শ্ৰমিকৰ জীৱন নিৰাপত্তা, শোষণ-উৎপীড়ন আদিৰ ওপৰত পুং খানুপুংখ ভাৱে অধ্যয়ন কৰা হৈছে। ইয়াৰোপৰি উদ্যোগ বা কলকাৰখানাসমূহত শ্ৰমিক আৰু নিয়োগকাৰীসকলৰ বাবে বিভিন্ন কল্যাণমূলক কাৰ্য সমূহৰ বিষয়েও বিশদ ভাৱে আলোচনা কৰা হৈছে। এই সকলো বিষয়ৰ বিষয়ে জানিব পৰাকৈ এই পাঠ্যক্ৰমখনি তোমালোকৰ বাবে প্ৰস্তুত কৰা হৈছে।

**১.২ ঔদ্যোগিক সমাজতত্ত্বৰ ধাৰণা**

ঔদ্যোগিক সমাজতত্ত্ব হৈছে সমাজতত্ত্বৰ অন্তৰ্গত এক প্ৰধান বিষয়। 'ঔদ্যোগিক সমাজতত্ত্ব' হৈছে সমাজতত্ত্বৰ এটা বিশেষাত্মক শাখা, যিটোৱে ঔদ্যোগিক সমাজ জীৱনৰ লগতে ঔদ্যোগিক সংগঠনসমূহৰ বিষয়ে অধ্যয়ন কৰে। ঔদ্যোগিক সমাজতত্ত্বৰ প্ৰধান অধ্যয়নৰ বিষয়বস্তু হৈছে 'উদ্যোগ' (Intustry)। এই বিভাগটোৱে ঔদ্যোগিক সংগঠনৰ লগত জড়িত ব্যক্তিসকলৰ ভূমিকা আন্তঃক্ৰিয়াৰ (Role Interaction) বিষয়ে অধ্যয়ন কৰাৰ উপৰিও তেওঁলোকৰ কৰ্মৰ ভূমিকাৰ সমগ্ৰ দিশসমূহ আৰু আন কেতবোৰ আনুষংগিক দিশসমূহৰ সম্পৰ্কেও বিশাদ ভাৱে অধ্যয়ন কৰে।

ঔদ্যোগিক সমাজতত্ত্বৰ ধাৰণাটো প্ৰধানকৈ দুটা শব্দৰ সংযোজন হৈ আছে; 'উদ্যোগ (Industry) আৰু 'সমাজতত্ত্ব' (Sociology)। এই দুয়োটা শব্দ লগ লাগি 'উদ্যোগ সমাজতত্ত্ব' গঠন হৈছে। সাধাৰণতে ঔদ্যোগিক সমাজতত্ত্বত উদ্যোগৰ লগত

জড়িত বিভিন্ন বিষয়সমূহৰ বিষয়ে অধ্যয়ন কৰা হয়। যিহেতু ঔদ্যোগিক সমাজতত্ত্বত উদ্যোগত নিয়োজিত হৈ থকা কৰ্মচাৰী সকলৰ বিভিন্ন দিশৰ লগতে তেওঁলোকৰ আন্তঃক্ৰিয়া সমূহৰ ওপৰত অধ্যয়ন কৰা হয় আৰু লগতে উদ্যোগ সম্বন্ধীয় বিভিন্ন দিশ যেনে - পৰিচালনা, উৎপাদন, বিতৰণ, আমদানি, ৰপ্তানি, শ্ৰম, শ্ৰমৰি ভাজন, কাৰিকৰী কৌশল, যন্ত্ৰপাতি, প্ৰযুক্তি আদি বিষয়ৰ ওপৰত অধ্যয়ন কৰা হয়। অন্যহাতে উদ্যোগত নিয়োজিত হৈ থকা শ্ৰমিকসকলৰ বিভিন্ন দিশসমূহৰ লগত জড়িত হৈ থকা বিষয় যেনে — মজুৰি, কৰ্মাৰস্থা, স্বাস্থ্য, শিক্ষা, নিৰাপত্তা, জীৱন বীমা, ভৱিষৎ নিধি, শ্ৰমিক আইন (Labour Act.) শ্ৰমিকৰ ধৰ্মঘট, বিবাদ, আন্দোলন আদি বিভিন্ন বিষয়ৰ ওপৰত অধ্যয়ন কৰা হয়। তাৰোপৰি উদ্যোগত নিয়োজিত হৈ থকা কৰ্মচাৰীসকলৰ লগত জড়িত হৈ থকা উদ্যোগিক সংগঠনসমূহ যেনে - কৰ্মচাৰী সন্থা, শ্ৰমিক সন্থা, শ্ৰমিক সংঘ বা বনুৱা সংঘ সৰ্বভাৰতীয় শ্ৰমিক সংগঠন (All India Labour Organization) আদিৰ বিষয়ে অধ্যয়ন কৰা হয়। গতিকে এই সকলোবোৰ বিষয় জড়িত হৈ থকা ক্ষেত্ৰখনেই হৈছে উদ্যোগ। গতিকে ঔদ্যোগিক সমাজতত্ত্ব বুলিলে ঔদ্যোগিক সংগঠন, শ্ৰমিক কৰ্মচাৰী, নিয়োগকৰ্তা আৰু ইয়াৰ মাজত কৰ্মৰ জড়িয়তে উদ্ভৱ হোৱা সামাজিক ক্ৰিয়া বা আন্তঃ ক্ৰিয়া আদি সকলোবোৰকে সাঙুৰি লৈ অধ্যয়ন কৰা বিষয়টোৱেই হৈছে ঔদ্যোগিক সমাজতত্ত্ব।

**১.২.১ ঔদ্যোগিক সমাজতত্ত্বৰ সংজ্ঞা (Definition of Industrial Sociology) ঃ**

ইতিমধ্যে ওপৰত তোমালোকক ঔদ্যোগিক সমাজতত্ত্বৰ ধাৰণা সম্পৰ্কে কিছু কথা অৱগত কৰিলো। এইখিনিতে তোমালোকক ঔদ্যোগিক সমাজতত্ত্ব সংজ্ঞাৰ বিষয়ে বিভিন্ন সমাজতত্ত্ববিদসকলে আগবঢ়োৱা কেইটামান সংজ্ঞা আগবঢ়াইছো। কাৰণ ঔদ্যোগিক সমাজতত্ত্বৰ প্ৰকৃত সংজ্ঞা বিষয়ে নাজানিলে ইয়াৰ আভ্যন্তৰীণ বিষয় সমূহক উপলব্ধি কৰিব পৰা নাযাব। তলত ঔদ্যোগিক সমাজতত্ত্বৰ কেইটামান সংজ্ঞা দাঙি ধৰা হৈছে।

চাৰ্লচ বি, স্পল্‌ডিঙ (Charles B. Spaulding) এ ঔদ্যোগিক সমাজতত্ত্বৰ সংজ্ঞা এনেদৰে আগবঢ়াইছে যে “ঔদ্যোগিক সমাজতত্ত্ববিদসকলে কৰ্মস্থানৰ সামাজিক সংগঠন আৰু কৰ্ম সংগঠনৰ লগত সম্পৰ্কিত ব্যক্তিসকলে কৰ্মৰ ভূমিকাৰ ওপৰত ভিত্তি কৰি সম্পাদন কৰা আন্তঃক্ৰিয়াৰ আৰ্হিৰ বা তেওঁলোকৰ ভূমিকাৰ দ্বাৰা প্ৰভাৱিত হোৱা আচৰণৰ ওপৰত তেওঁলোকৰ অভিৰুচী কেন্দ্ৰীভূত কৰে।”

পাৰ্কাৰ, ব্ৰাউন আৰু অন্যান্য (Parker, Brown and Others) ৰ মতে “অৰ্থনৈতিক উপপদ্ধতি আন উপপদ্ধতি সমূহৰ লগত কেনেকৈ জড়িত, এই

উপপদ্ধতি বিশেষ কৰ্ম সংগঠন আৰু ভূমিকাসমূহৰ লগত কেনেকৈ সংৰচিত আৰু কেনেকৈ ব্যক্তিসকল এই ভূমিকা সমূহৰ বাবে উপযুক্ত হয় আদি বিষয়সমূহৰ লগত ঔদ্যোগিক সমাজতত্ত্ব সম্পৰ্কিত।" ("Industrial Sociology is concerned with how the economic sub system is related with other sub systems, how the subsystem is structured in terms of particular work organization and roles and low persons fit into these roles")

জে.এইচ. স্মিথ (J.H. Smith) এ উল্লেখ কৰিছে যে "এটা সামাজিক পদ্ধতি হিচাবে উদ্যোগ (বা যি কোনো কৰ্ম সংগঠন)ৰ লগত যিবোৰ কাৰকে (প্ৰযুক্তিগত অৰ্থনৈতিক, ৰাজনৈতিক) ইয়াৰ সংৰচনা কাৰ্য আৰু পৰিবৰ্তনৰ দিশক প্ৰভাৱিত কৰে, সেই বিষয়সমূহৰ লগত 'ঔদ্যোগিক সমাজতত্ত্ব' বিষয়টো জড়িত।" (Industrial Sociology is concerned with Industry (or any form of work organization) as a Social system, including those factors (technical, economic, political) which affect the structure, the functions and the change in that system")

মিলাৰ আৰু ফৰ্ম (Miller and form) - এ এনেদৰে মন্তব্য কৰিছে যে "ঔদ্যোগিক সমাজতত্ত্ব হ'ল সাধাৰণ সমাজতত্ত্বৰ এক মৌলিক এলেকা যাক যথাৰ্থতে কৰ্ম সংগঠনৰ সমাজতত্ত্ব বা অৰ্থনৈতিক সমাজতত্ত্ব' ("Industrial Sociology is a substantive area of general sociology which might more accunately be termed the Sociology of work organization or Sociology of Economy.")

**১.২.২ ঔদ্যোগিক সমাজতত্ত্বৰ প্ৰকৃতি** (Nature of Industrial Sociology)

আমি ইতিপূৰ্বে প্ৰস্তাৱনাত উল্লেখ কৰি আহিছো যে বৰ্তমান সমাজতত্ত্বৰ বিষয়টিত ঔদ্যোগিক সমাজতত্ত্বক এক গুৰুত্বপূৰ্ণ বিষয় হিচাপে গণ্য কৰা হৈছে। যিহেতু ঔদ্যোগিক সমাজতত্ত্বই উদ্যোগৰ সকলোবোৰ দিশৰ সম্পৰ্কে বিজ্ঞান সন্মতভাৱে অধ্যয়ন কৰে। আনহাতে 'ঔদ্যোগিক সমাজতত্ত্ব'ক অৰ্থনৈতিক সমাজতত্ত্ব'ৰ এটা দিশ হিচাপে আখ্যা দিব পাৰি। অৰ্থনৈতিক সমাজতত্ত্বই অৰ্থনৈতিক বিষয়ৰ লগত মানুহৰ সামাজিক সম্বন্ধৰ আৰ্হি আৰু প্ৰক্ৰিয়াক সমাজতাত্ত্বিকভাৱে প্ৰয়োগ কৰে যেনেদৰে ব্যক্তিগত আন্তঃক্ৰিয়া, সম্বন্ধ আৰু বিভিন্ন অৰ্থনৈতিক সংস্থাই অৰ্থনৈতিক লেনদেনক প্ৰভাৱিত কৰে।

প্ৰত্যেক বিজ্ঞানৰে একো একোটা নিজস্ব চৰিত্ৰ বা প্ৰকৃতি আছে। এই প্ৰকৃতি বা চৰিত্ৰৰ দ্বাৰাই কোনটো বিজ্ঞানৰ কেনেধৰণৰ, চিনিব পাৰি। ঔদ্যোগিক সমাজতত্ত্বৰ মানৱ সমাজৰ এক গুৰুত্বপূৰ্ণ সমাজ বিজ্ঞান হিচাপে গণ্য কৰা হয় আৰু এই বিজ্ঞানৰো

কিছুমান বিশেষ প্ৰকৃতি বা চৰিত্ৰ পৰিলক্ষিত হয়। তলত ঔদ্যোগিক সমাজতত্ত্বৰ কিছুমান বিশেষ প্ৰকৃতি বা চৰিত্ৰ সম্পৰ্কে চমুকৈ ব্যাখ্যা কৰা হৈছে।

প্ৰথমতে, বহু সমাজতত্ত্ববিদে ঔদ্যোগিক সমাজতত্ত্বক এক বিজ্ঞানধৰ্মী সমাজতত্ত্ব বিষয় হিচাপে অভিহিত কৰিছে। যিহেতু বিজ্ঞানে যিকোনো এটা বিষয়ৰ ওপৰত বিজ্ঞানসন্মত পদ্ধতি বিজ্ঞানসন্মত জ্ঞান, নতুন-নতুন কলা কৌশল উদ্ভাৱন কৰি তাক বাস্তৱত ৰূপায়িত কৰাই হৈছে বিজ্ঞানৰ প্ৰধান উদ্দেশ্য। এই দৃষ্টি কোণৰ পৰা ক'বলৈ গ'লে ঔদ্যোগিক সমাজতত্ত্বয়ো একেবোৰ পদ্ধতি অৱলম্বন কৰে।

দ্বিতীয়তে, ঔদ্যোগিক সমাজতত্ত্বৰ অন্য এটা প্ৰধান প্ৰকৃতি হৈছে ঔদ্যোগিক সমাজতত্ত্বই সাংগঠনিক তথা উদ্যোগসমূহৰ লগত জড়িত হৈ থকা বিভিন্ন সংগঠন যেনে — আনুষ্ঠানিক আৰু অনানুষ্ঠানিক এই দুয়োটা সংগঠনৰ সাংগঠনিক কাৰ্যসমূহৰ সম্পৰ্কে আলোচনা কৰে।

তৃতীয়তে, ঔদ্যোগিক সমাজতত্ত্বৰ অন্য এটা উল্লেখনীয় প্ৰকৃতি বা বৈশিষ্ট্য হৈছে ঔদ্যোগিক সমাজতত্ত্বই উদ্যোগৰ আনুষ্ঠানিক সংৰচনাক আমোলাতান্ত্ৰিক সংগঠন হিচাপে অধ্যয়ন কৰে। এনে আমোলাতান্ত্ৰিক সংগঠন সমূহত উদ্যোগ পৰিচালনা কৰিবৰ বাবে কিছুমান প্ৰশাসনীয় গোট, নিৰ্দিষ্ট কাৰ্যপন্থা, নীতি-নিয়মাৱলী, সময় সূচী (Time Schedule) আদি সন্নিবিষ্ট হৈ থাকে আৰু এই বিলাকৰ জৰিয়তে একোটা উদ্যোগ পৰিচালিত হৈ থাকে।

চতুৰ্থতে ঔদ্যোগিক সমাজতত্ত্বই উদ্যোগৰ লগত জড়িত ঔদ্যোগিক সংঘাত (Industrial Conflict), আন্দোলন, ধৰ্মঘট (strik) শ্ৰমিক সংগঠনৰ এক সামাজিক প্ৰক্ৰিয়া হিচাপে অধ্যয়ন কৰে। তাৰোপৰি উদ্যোগ বা কল-কাৰখানা (Factory) ত পৰিচালক, শ্ৰমিক, কাৰিকৰী ব্যক্তি বা অন্যান্য অভিযন্ত্ৰাই তেওঁলোকৰ উৰ্দ্ধতম ব্যক্তিৰ আদেশ-নিৰ্দেশক্ৰমে কাম কৰিব লাগে, কাৰণ ই আনুষ্ঠানিক সংগঠনৰ এক আদৰ্শ নিয়মাৱলীৰ ভিতৰত পৰে। সেয়েহে এনে ক্ষেত্ৰত কেতিয়াবা উদ্ধতম বা উচ্চত্বম কতৃপক্ষৰ প্ৰতি নিয়োজিত হৈ থকা কৰ্মচাৰীসকলৰ ভয়, ঘৃণা, বা ভাল পোৱাৰ ভাৱ উদয় হয়। আনহাতে এই ক্ষেত্ৰত এইটো যুক্তিসংগত কাৰ্য বুলি বিবেচিত হ'ব যেতিয়া কৰ্মচাৰী বা শ্ৰমিকসকলে উচিত হাৰত মজুৰি লাভ কৰিছেনে নাই, সেই বিষয়ে অনুসন্ধান কৰি অধ্যয়ন কৰাটো ঔদ্যোগিক সমাজতত্ত্বৰ বাবে এক গুৰুত্বপূৰ্ণ বিষয়। ঔদ্যোগিক সমাজতত্ত্বই যুক্তিমূলক অনুসন্ধান প্ৰক্ৰিয়া (Process of Rational) ৰ দ্বাৰা অধ্যয়ন কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

পঞ্চমতে, ঔদ্যোগিক সমাজতত্ত্বৰ অন্য প্ৰধান চৰিত্ৰ বা প্ৰকৃতি হ'ল ই

সাংগঠনিক আচৰণ (Organisational Behaviour) ওপৰত প্ৰতিষ্ঠিত, সেয়ে উদ্যোগৰ লগত সমাজৰ সম্বন্ধ আৰু কিছুমান বিশেষ অৱস্থাত 'মধ্যপ্ৰসাৰ তত্ত্ব' (Middle Range Theory) ক প্ৰয়োগ কৰে।

ষষ্ঠতে, ঔদ্যোগিক সমাজতত্ত্বৰ অন্য এটা গুৰুত্বপূৰ্ণ প্ৰকৃতি বা বৈশিষ্ট্য হ'ল - ই প্ৰধানকৈ অৰ্থনৈতিক সংৰচনাৰ অধ্যয়নত সমাজতত্ত্বীয় নীতি প্ৰয়োগ কৰে আৰু সেই বাবেই ঔদ্যোগিক সংৰচনাসমূহৰ পৰিবৰ্তন আৰু ইয়াৰ লগত জড়িত মূল্যবোধ, আদৰ্শ আদিৰ লগত সম্পৰ্ক জড়িত হৈ থাকে। ঔদ্যোগিক সমাজতত্ত্বই প্ৰকৃততে বিভিন্ন সমস্যা সমাধানত পৰিচালক মণ্ডলীক সহায় কৰে, কিন্তু প্ৰকৃতাৰ্থত বিজ্ঞানৰ দৰে ই নিৰপেক্ষ নীতি গ্ৰহণ কৰে, কাৰণ ই পৰিচালক মণ্ডলী বা কোনো শ্ৰমিক সংগঠনক পক্ষপাতিত্ব নকৰে।

সপ্তমতে, ঔদ্যোগিক সমাজতত্ত্বৰ আন এটা উল্লেখনীয় প্ৰকৃতি বা চৰিত্ৰ হ'ল ঔদ্যোগিক সমাজতত্ত্বই ঔদ্যোগিক ঘটনাসমূহৰ কাৰক আৰু ফলাফলৰ সম্বন্ধ (Cause effect relationship) বিষয়ে বিশ্লেষণ কৰে। বিজ্ঞানৰ দৰে ইয়াৰ নীতিসমূহ সাৰ্বজনীন (universal) পৰিশুদ্ধ (Authentic) আৰু যথাৰ্থ (Valid)। ঔদ্যোগিক সমাজতত্ত্বই যিবিলাক সিদ্ধান্ত প্ৰকাশ কৰে সেইবিলাক সাধাৰণ সমাজতত্ত্বৰ দৰে সাৰ্বজনীন। উদাহৰণস্বৰূপে শ্ৰমিকসকলক মালিক বা নিয়োগকৰ্তাসকলে শোষণ-নিষ্পেষণ, অন্যায় অত্যাচাৰ কৰাৰ বাবেই ঔদ্যোগিক বিবাদ সূচনা হ'ব পাৰে। এই বিষয়টো এটা উদ্যোগ সম্বন্ধীয় সাৰ্বজনীন সিদ্ধান্ত। কিয়নো এই বিষয়টো সকলোৰেই স্বীকাৰ কৰিব যে মালিক বা নিয়োগকৰ্তাসকলে (Employer's) শ্ৰমিক সকলক বিভিন্ন সা-সুবিধাৰ পৰা বঞ্চিত কৰা বা অন্যান্য দিশত শোষণ বা উৎপীড়ন কৰাৰ ফলশ্ৰুতিতেই বা পৰিণতিতেই ঔদ্যোগিক বিবাদ (Industrial Dispute) ৰ আৱিভাৰ হয়।

ঔদ্যোগিক সমাজতত্ত্বৰ প্ৰকৃতি সম্বন্ধীয় উক্ত আলোচনাৰ পৰা দেখা গ'ল যে ঔদ্যোগিক সমাজতত্ত্বক এক বিজ্ঞানধৰ্মীয় বিষয় হিচাপে গণ্য কৰিব পাৰে। উদ্যোগ-প্ৰতিষ্ঠানৰ লগত জড়িত বিভিন্ন ঘটনা, সমস্যা আৰু নীতি নিয়মসমূহ আলোচনা কৰোতে ই বিজ্ঞানৰ নীতি সমূহ প্ৰয়োগ কৰে। গতিকে এই সকলোবোৰ নীতি আৰু আচৰণসমূহ লৈ লক্ষ্য কৰিলে দেখা যায় যে ঔদ্যোগিক সমাজতত্ত্বক প্ৰকৃততে এক বিজ্ঞান হিচাপেই গণ্য কৰিব পাৰি।

### ১.২.৩ ঔদ্যোগিক সমাজতত্ত্বৰ বিকাশ (Growth of Industiral Sociology) ঃ

ঔদ্যোগিক সমাজতত্ত্বৰ বিকাশৰ সম্পৰ্কে আলোচনা কৰাটো ঔদ্যোগিক সমাজতত্ত্বৰ বাবে এটা অতি গুৰুত্বপূৰ্ণ বিষয়। যিহেতু ঔদ্যোগিক সমাজতত্ত্বৰ বিকাশৰ

সম্পৰ্কে নাজানিলে ই ক'ত কেনেদৰে আৰু কি পৰিস্থিতিত বিকাশ লাভ কৰিলে সেই বিষয়ে তোমালোকে জ্ঞাত হ'ব নোৱাৰিবা। ঔদ্যোগিক সমাজতত্ত্ব বিকাশৰ সম্পৰ্কে যদি পৰ্যালোচনা কৰা হয়, তেনেহ'লে দেখা যায় যে বহু সমাজতত্ত্ববিদ আৰু অৰ্থনীতিবিদসকলৰ চিন্তা-চৰ্চাৰ ফলত ঔদ্যোগিক সমাজতত্ত্বই বিকাশ লাভ কৰিবলৈ সক্ষম হয়। বিশেষকৈ ঔদ্যোগিক সমাজতত্ত্বৰ বিকাশৰ ক্ষেত্ৰত অৰিহণা যোগোৱা এটা প্ৰধান কাৰণ হ'ল উদ্যোগিক বিপ্লৱ। ঔদ্যোগিক বিপ্লৱৰ ফলত সামাজিক জীৱনলৈ এক অভূতপূৰ্ণ পৰিৱৰ্তনৰ সূচনা হয়। এই বিপ্লৱৰ ফলস্বৰূপে পৰম্পৰাগত উৎপাদন পদ্ধতি বিলাক জটিল পদ্ধতিলৈ ৰূপান্তৰিত হ'ল। যাৰ ফলত সামাজিক জীৱনলৈ বহু পৰিৱৰ্তন আহিল। এই উদ্যোগ ব্যৱস্থাৰ পৰিৱৰ্তনৈ সমাজতত্ত্ববিদ, অৰ্থনীতিবিদ আৰু মনঃস্তত্ত্ববিদসকলক চিন্তাৰ উৎকৰ্ষ সাধন কৰিলে।

মানৱ সভ্যতা ক্ৰমবিকাশৰ লগে লগে সহজ সৰল সমাজৰ পৰা জটিল সমাজলৈ, মানৱীয় শক্তিৰ পৰা যান্ত্ৰিক শক্তিলৈ পৰিৱৰ্তন হোৱাৰ ফলত যিকোনো বস্তু উৎপাদন পদ্ধতিত ব্যাপকতা পৰিসৰ আহি পৰিল। উদ্যোগসমূহ বিকাশ হোৱাৰ লগে লগে সমাজতত্ত্ববিদ সকলে আধুনিক ঔদ্যোগিক (Modern Industrial) ক্ষেত্ৰত বিভিন্ন কাৰ্যপন্থাত প্ৰধান সংস্থাসমূহৰ ভূমিকাৰ বিষয়ে অধ্যয়ন কৰিবলৈ প্ৰয়াস কৰে। তাৰোপৰি অৰ্থনীতি বিজ্ঞানী আৰু মনোবিজ্ঞানৰ অধ্যয়নেও ঔদ্যোগিক সমাজতত্ত্ব বিকাশত বিশেষভাৱে অৰিহণা যোগালে। ঔদ্যোগিক বিকাশৰ লগে লগে সমাজতত্ত্ববিদসকলে আধুনিক ঔদ্যোগিক ক্ষেত্ৰৰ কাৰ্যকৰণত ঔদ্যোগিক সংস্থাসমূহৰ ভূমিকাৰ বিষয়ে অধ্যয়ন কৰিবলৈ অতি আগ্ৰহী হয়। ঔদ্যোগিক সমাজতত্ত্বৰ বিকাশৰ বিষয়ে তলত কেইটামান বিশেষ দিশৰ সম্পৰ্কে চমুকৈ আলোচনা কৰা হৈছে।

ঔদ্যোগিক সমাজতত্ত্ব বিকাশৰ ক্ষেত্ৰত অৰিহণা যোগোৱা এটা প্ৰধান দিশ হৈছে অষ্টাদশ শতিকাৰ প্ৰায় মাজ ভাগত ইংলেণ্ডত উদ্ভৱ হোৱা শিল্প বিপ্লৱ। এই 'শিল্প বিপ্লৱ' অৱধাৰণাটো বিখ্যাত ইংৰাজ ঐতিহাসিক আনল্ড টয়নবী (Arnold Toyanbee) য়ে পোন প্ৰথমে ব্যৱহাৰ কৰিছিল। শিল্প বিপ্লৱে মানৱ সভ্যতাক ক্ষিপ্ৰ গতিত আগবঢ়াই নিয়াত বিশেষ অৰিহণা যোগাইছিল। ঔদ্যোগিক সমাজতত্ত্ব বিকাশৰ ক্ষেত্ৰত শিল্প বিপ্লৱ আৰু ফ্ৰান্স বিপ্লৱ এই দুয়োটাই উনবিংশ শতিকাৰ দুৱাৰ মুকলি কৰি এক নতুন যুগৰ সূচনা কৰিলে। শিল্প বিপ্লৱৰ এটা বিশেষ বৈশিষ্ট্য হৈছে ই এক অৰ্থনৈতিক বিপ্লৱ। এই বিপ্লৱে নতুন নতুন কাৰিকৰী (Technical) যন্ত্ৰৰ উদ্ভাৱনে অৰ্থনৈতিক উৎপাদন ক্ষেত্ৰত এক যুগান্তকাৰী পৰিৱৰ্তনৰ সূচনা কৰিলে।

শিল্প বিপ্লৱ পোন প্ৰথমে ইংলেণ্ডতেই আৰম্ভ হৈছিল আৰু সেয়েহে ইংলেণ্ডবাসীয়ে ইয়াৰ সুফল ভোগ কৰিবলৈ সক্ষম হৈছিল। এই শিল্প বিপ্লৱৰ

জৰিয়তে অৰ্থনৈতিক উৎপাদন পদ্ধতিত খৰতকীয়া আৰু গুণগত পৰিৱৰ্তনৰ সূচনা কৰে। শিল্প বিপ্লৱ বা উদ্যোগ বিপ্লৱৰ ফলশ্ৰুতিতেই বস্ত্ৰ আৰু বয়ন শিল্প, কয়লা, লো, কৃষি পৰিবহন আদি বিভিন্ন দিশত নতুন নতুন বস্তু প্ৰয়োগ আৰু আৱিস্কাৰ কৰা হ'ল। এই উদ্ভাৱন বিলাকে অৰ্থনৈতিক আৰু ঔদ্যোগিক ক্ষেত্ৰখনক দ্ৰুত গতিত পৰিৱৰ্তনৰ সুচনা  কৰিলে। ইংলেণ্ডত শিল্প বিপ্লৱৰ সূচনা হৈছিল বস্ত্ৰ আৰু বয়ন শিল্পৰ ওপৰত ভিত্তি কৰি। এই বস্ত্ৰ আৰু বয়ন শিল্প সম্বন্ধীয় কেইজনমান বিখ্যাত আৱিস্কাৰকৰ নাম হৈছে — স্পিনিং জেনী, ৰিচাৰ্ড আৰ্কৰাইট (Richard Arkwright), জেমছ্ হাৰগ্ৰীভ্‌ছ্ (James Hargreves), ৱাটাৰ ফ্ৰেম' ছেমুৱেল ক্ৰমটন (Samuel Crompton), স্পিনিং মিউল, জন কেৰ (John Key), উৰণীয়া মাকো উদ্ভাৱক এডমাণ্ড কাৰ্টৰাইট (Edmund Cartwright) 'শক্তিশালী তাঁতশাল' (Power Loom) আদি উল্লেখযোগ্য।

এইদৰে ঔদ্যোগিক বা শিল্প বিপ্লৱৰ ফলস্বৰূপে কিছুমান খনিজাত শিল্প উৎপাদনৰ ক্ষেত্ৰতো নতুন-নতুন মন্ত্ৰ (Machine) আৱিস্কাৰ হ'ল। এই ক্ষেত্ৰত ইংলেণ্ডৰ বিজ্ঞানীসকলে কাঠ বা খৰিৰ পৰিৱৰ্তে ইন্ধন হিচাপে কয়লা আৱিস্কাৰ কৰি এক যুগান্তকাৰী পৰিৱৰ্তনৰ সূচনা কৰে। ইয়াৰোপৰি জেমছ ৱাটে আৱিস্কাৰ কৰা 'ষ্টীম ইঞ্জিনৰ' দ্বাৰা কয়লা উৎপাদন কৰাৰ ক্ষেত্ৰত বিশেষ সহায় কৰিলে। হামফ্ৰি ডেভিয়ে আৱিস্কাৰ কৰা 'ছেফটি লেম্প (Safety lamp) বা নিৰাপদ চাকিয়ে কয়লাখনিৰ গভীৰ আৰু অন্ধকাৰ নাদত সোমাই কাম সম্পাদন কৰাৰ ক্ষেত্ৰত বিশেষভাৱে সুবিধা প্ৰদান কৰিলে।

ঔদ্যোগিক শিল্প বিপ্লৱে যাতায়ত আৰু যোগাযোগ (Transport and Communication) ক্ষেত্ৰটো পৰিৱৰ্তনৰ সূচনা কৰিলে যাৰ ফলত উন্নত ৰাস্তা-ঘাট আৰু দ্ৰুত গতিত চলা যান-বাহনৰ আৱিস্কাৰ হ'ল। এই ক্ষেত্ৰত বহু বিজ্ঞানীয়ে কিছুমান গুৰুত্ব পূৰ্ণ যান-বাহন আৱিস্কাৰ কৰি ঔদোগিক ক্ষেত্ৰখনক উন্নয়ন বা বিকাশৰ ভিতৰত জন মেকাডাম (John Maladam), আৰু টেলিফৰ্ড (Teleford) এ পকা আলি তৈয়াৰ কৰা কৌশল উদ্ভাৱন কৰিলে। ১৮০৭ খ্ৰীষ্টাব্দত বিখ্যাত বিজ্ঞানী ৰবাৰ্ট ফ্লুটনে (Robert Fluiton) 'ভাপ জাহাজ' আৱিস্কাৰ কৰিলে ইয়াৰ উপৰিও যান-বাহন নিৰ্মাণৰ ক্ষেত্ৰত এক নতুন যুগৰ অধ্যায় পাতনি মেলা জৰ্ড ষ্টিফেনচ (George Stephenson) নামৰ বিজ্ঞানীজনে বাষ্পচালিত ৰেল ইঞ্জিন নিৰ্মাণ কৰি যাতায়ত আৰু যোগাযোগ ব্যৱস্থাক উন্নত কৰিলে। এইদৰে ইংলেণ্ডত উদ্ভৱ হোৱা শিল্প বিপ্লৱে সমগ্ৰ বিশ্বতেই বৃহৎ বৃহৎ উদ্যোগ স্থাপন কৰাত সহায় কৰিলে। বৃহৎ বৃহৎ উদ্যোগ জন্ম বা স্থাপন কহোৱাৰ লগে লগে উদ্যোগ সমূহত বিভিন্ন দ্ৰব্য সামগ্ৰী উৎপাদন লগে লগে উদ্যোগ সমূহত

বিভিন্ন দ্ৰব্য সামগ্ৰী উৎপাদন কৰা হ'ল। নতুন নতুন উদ্যোগ স্থাপনে ঔদ্যোগিক সমাজ স্থাপন কৰা পৰিপ্ৰেক্ষিত উদ্যোগ আৰু ঔদ্যোগিক সমাজৰ সমস্যা সমূহৰ ওপৰত বিভিন্ন সমাজদাৰ্শনিক আৰু অৰ্থনীতিবিদসকলে ঔদ্যোগিক সমাজৰ বিভিন্ন সমস্যাসমূহ সমাধান কৰিবৰ বাবে চিন্তা-চৰ্চা কৰিবলৈ ধৰিলে।

ঔদ্যোগিক সমাজতত্ত্ব বিকাশত বৰঙণি যোগোৱা মূখ্য ব্যক্তিজন হ'ল এলটন মেয় (Elton Mayo) যাক ঔদ্যোগিক সমাজতত্ত্বৰ পিতৃ হিচাবে গণ্য কৰা হয়। আচলতে এলটনমেয় এজন প্ৰকৃত সমাজতত্ত্ববিদ নাছিল যদিও তেওঁ ঔদ্যোগিক সমাজতত্ত্বৰ ওপৰত অধ্যয়ন আৰু গৱেষণা কাৰ্য্য চলোৱাৰ বাবেই তেওঁক ঔদ্যোগিক সমাজতত্ত্বৰ (Father of Industrial Sociology) পিতৃ বুলি অভিহিত কৰা হয়। ঔদ্যোগিক সমাজতত্ত্বৰ জন্ম তথা বিকাশৰ ইতিহাসৰ পাতনি (Historical Background) এলটন মেয়ই তেওঁৰ সহকৰ্মী সকলৰ লগত ১৯২৪ চনৰ পৰা ১৯৩২ চনৰ সময়ছোৱাত চিকাগোত সমাপন কৰা 'হথ্ৰন পৰীক্ষা বা 'Howthrone Works of Experiment' বুলি জনা যায়। এই হথ্ৰনৰ পৰীক্ষাই ঔদ্যোগৰ ক্ষেত্ৰত মানৱ সম্পৰ্কৰ অধ্যয়ন সম্পৰ্কীয় দিশ উন্মোচন কৰাত সহায় কৰিলে।

ঔদ্যোগিক সমাজতত্ত্ব বিকাশত অৱিহণা যোগোৱা অন্য এজন বিশিষ্ট সমাজতত্ত্ববিদ হৈছে জাৰ্মানীৰ মে' ৱেবাৰ (Max Weber)। মে' ৱেবাৰে প্ৰধানকৈ "আমোলাতন্ত্ৰৰ" ওপৰত অধ্যয়ন কৰিছিল। তেওঁৰ মতে উদ্যোগ আৰু ঔদ্যোগিক সংগঠনৰ লগত আমোলাতন্ত্ৰ (Bureaucracy)ৰ এক নিবিড় সম্পৰ্ক জড়িত হৈ আছে। উদ্যোগসমূহৰ সৰ্বাঙ্গীন সফলতা তথা উন্নতি নিৰ্ভৰ কৰে আমোলাসকলৰ জ্ঞান বৃদ্ধি আৰু পাৰদৰ্শিতাৰ ওপৰত। সেয়েহে ঔদ্যোগিক সমাজতত্ত্বৰ বাবে ঔদ্যোগিক আমোলাতন্ত্ৰৰ অধ্যয়নৰ বিশেষ প্ৰয়োজন আছে।

ওপৰৰ আলোচনাৰ পৰা দেখা গ'ল যে বিশিষ্ট সমাজতত্ত্ববিদসকলৰ অনবদ্য অধ্যয়নৰ প্ৰচেষ্টা, বিভিন্ন সামাজিক সংগঠন, সামাজিক আন্দোলন, শিল্প, বিপ্লৱ, বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ উন্নতিয়ে ঔদ্যোগিক সমাজতত্ত্ব বিকাশৰ ক্ষেত্ৰত এক অভুতপূৰ্ণ বৰঙণি আগবঢ়ালে।

### ১.২.৪ প্ৰাক্ ঔদ্যোগিক সমাজৰ প্ৰকৃতি বা চৰিত্ৰ (Nature of Pre-Industrial Society) ঃ

সময় আৰু উন্নতিৰ মাপৰ ওপৰত ভিত্তি কৰি সমাজক প্ৰধানকৈ দুটা ভাগত ভাগ কৰা হৈছে আৰু এই ভাগ দুটা হৈছে, প্ৰাক্ ঔদ্যোগিক (Pre-Industrial) আৰু ঔদ্যোগিক (Industrial) সমাজ। তোমালোকক এই গোটটিত প্ৰাক ঔদ্যোগিক সমাজ আৰু ঔদ্যোগিক সমাজৰ প্ৰকৃতি সম্পৰ্কে অৱগত কৰা হ'ব।

সাধাৰণতে আধুনিক উদ্যোগ বা কল কাৰখানা সৃষ্টিৰ পূৰ্বৰ অৱস্থাৰ সমাজখনকেই প্ৰাক ঔদ্যোগিক সমাজ বুলি কোৱা হয়। প্ৰাক ঔদ্যোগিক সমাজৰ অধিক সংখ্যক মানুহেই প্ৰধানকৈ প্ৰাথমিক উৎপাদন (Primary Production) আৰু প্ৰাথমিক বৃত্তিৰ লগত জড়িত হৈ থাকে। যেনে — কৃষি, বনানীকৰণ, মীন শিল্প, পোহনীয় জীৱ-জন্তু পোহ-পালন, ঘৰুৱা শিল্পৰ লগত জড়িত থকাৰ লগতে ব্যক্তিসকলে কৰ্ম সম্পাদনৰ বাবে ঘাইকৈ মানৱ শক্তিৰ ওপৰত অধিক নিৰ্ভৰশীল কৰে কিছুমান কাম বাঁহ-বেত আৰু জীৱ জন্তুক কৃষি কৰ্মত নিয়োজিত কৰে। প্ৰাক-ঔদ্যোগিক সমাজৰ প্ৰকৃতিৰ সম্পৰ্কে জানিবলৈ বা বুজিবলৈ হ'লে ইয়াৰ কিছুমান বৈশিষ্ট্য উল্লেখ কৰাটো অতি প্ৰয়োজন। এই বৈশিষ্ট্যসমূহ তলত চমুকৈ আলোচনা কৰা হৈছে।

**(১) প্ৰাথমিক উৎপাদন ব্যৱস্থা (Primary Production System) ঃ**

প্ৰাক-ঔদ্যোগিক সমাজৰ এটা প্ৰধান বৈশিষ্ট্য হ'ল সমাজৰ ব্যক্তিসকল প্ৰাথমিক উৎপাদন ব্যৱস্থাৰ লগত জড়িত থাকে, অথাৎ তেওঁলোকৰ জীৱন নিৰ্বাহৰ উপায় হৈছে কৃষি ভিত্তিক অৰ্থনীতি। এই সমাজৰ ব্যক্তিসকলৰ অৰ্থনৈতিক জীৱন কৃষি, পশুপালন, চিকাৰ ইত্যাদিৰ ওপৰত নিৰ্ভৰশীল। অন্যহাতে ঘৰুৱা কুটীৰ শিল্পকো তেওঁলোকে বৃত্তি হিচাবে অৱলম্বন কৰে।

**(২) সৰল জীৱন যাপন (Simple Living) ঃ**

প্ৰাক ঔদ্যোগিক সমাজৰ অন্য এটা বৈশিষ্ট্য হৈছে মানুহ জীৱন যাপন পদ্ধতি অতি সহজ-সৰল আৰু কম বিচিত্ৰতা। এনে সমাজৰ ব্যক্তিসকলে পুৱাৰ পৰা গধূলিলৈকে ঘৰুৱা কাম কাজত ব্যস্ত হৈ পৰিয়ালৰ সদস্যসকলৰ সৈতে কেৱল খাই বৈ জীয়াই থাকিবৰ বাবে শাৰিৰীক পৰিশ্ৰম কৰিবলগীয়া হয়। প্ৰকৃতিৰ বিভিন্ন অৱদান বিলাকৰ ওপৰত নিৰ্ভৰ কৰি এক সাধাৰণ জীৱন নিৰ্বাহৰ কথাহে চিন্তা কৰে।

**(৩) উৎপাদন পদ্ধতিত মানৱীয় শক্তি ব্যৱহাৰ** (Use of Mannual Force in Production Systems)

উৎপাদন পদ্ধতিত মানৱীয় শক্তি প্ৰয়োগ কৰাই হৈছে প্ৰাক ঔদ্যোগিক সমাজৰ এটা অন্যতম বৈশিষ্ট্য। এনে সমাজত আধুনিক যান্ত্ৰিক (Mechanical) শক্তি ব্যৱহাৰ নকৰি মানুহৰ শাৰীৰিক শক্তিৰে যিকোনো বস্তু উৎপাদন বা সম্পাদন কৰা হয়। যেনে — মানৱ দেহৰ বিভিন্ন অংগৰ দ্বাৰা তৈয়াৰ কৰা ব্যৱহৃত সঁজুলি আৰু

সাধাৰণ সজুলি যেনে — দা, কুঠা, কোৰ, নাঙল জুঁৰলী, ধেণু-কাড়, জৰকা, মৈ ইত্যাদি। গতিকে প্ৰাক্ ঔদ্যোগিক সমাজত যন্ত্ৰচালিত শক্তি ব্যৱহাৰতকৈ মানৱীয় শক্তিৰ ওপৰত অধিক গুৰুত্ব দিয়া হয়।

**(৪) প্ৰকৃতিৰ ওপৰত নিৰ্ভৰশীল (Depend upon on Nature) ঃ**

প্ৰাক ঔদ্যোগিক সমাজৰ অন্য এটা প্ৰধান বৈশিষ্ট্য হৈছে যিকোনো ঘৰুৱা কাৰ্য্য, উৎপাদন প্ৰক্ৰিয়া আৰু অৰ্থনৈতিক অৱস্থাসমূহ প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰে। মানুহে জীয়াই থাকিবৰ বাবে, ৰ'দ, বতাহ, বৰষুণ সূৰ্যৰ তাপ শীত আদিৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়। অন্যহাতে অৰ্থনৈতিক অৱস্থা উন্নত হ'বলৈ হ'লে প্ৰাকৃতিক অৱস্থা অনুকুল হ'ব লাগিব। প্ৰাক্ ঔদ্যোগিক সমাজত মানুহে এই প্ৰাকৃতিক অৱস্থাৰ ওপৰতেই তেওঁলোকৰ কৃষি কায্য আৰু ঘৰুৱা বিভিন্ন কাৰ্য সম্পাদন কৰিব লাগে। উদাহৰণস্বৰূপে ধান ৰুবৰ কাৰণে প্ৰকৃতিৰ বৰষুণৰ ওপৰত নিৰ্ভৰ কৰিব লাগে বা ধান শস্য আৰু অন্যান্য অত্যাৱশ্যকীয় শস্য শুকোৱাবৰ বাবে সূৰ্যৰ তাপ বা ৰ'দৰ প্ৰয়োজন হয়। এইদৰে প্ৰাক ঔদ্যোগিক সমাজৰ মানুহ বিলাকে দৈনন্দিন জীৱন নিৰ্বাহৰ অৱস্থাসমূহ প্ৰকৃতিৰ ওপৰত নিৰ্ভৰশীল হ'ব লগা হয়।

**(৪) সৰল শ্ৰম বিভাজন (Simple Division of Labour) ঃ**

সৰল শ্ৰম বিভাজন প্ৰাক-ঔদ্যোগিক সমাজৰ অন্য এটা উল্লেখযোগ্য বৈশিষ্ট্য। এনে সমাজ ব্যৱস্থাত বিশেষকৈ লিংগ (Sex) আৰু বয়স (Age) ৰ ওপৰত ভিত্তি কৰি কামৰ বিভাজন কৰা হয়। পৰিয়ালৰ কাৰ্যসমূহ পৰিচালনা কৰোতে বা সম্পাদন কৰোতে সকলো সদস্যই সামুহিকভাৱে সম্পন্ন কৰে। উদাহৰণস্বৰূপে এজন কৃষকে ঘৰৰ সকলো কাম সম্পাদন কৰিব পাৰে। ইয়াত শ্ৰমৰ কোনো জটিলতা নাই আৰু বিশেষীকৰণ (Specialization)ৰ ব্যৱস্থা নাথাকে। এই শ্ৰম বিভজান একোটা সমূহ বা পৰিয়ালৰ ভিতৰতেই আবদ্ধ হৈ থাকে।

**(৫) ভৰণ-পোষণ অৰ্থনীতি (Substance Economy) ঃ**

সাধাৰণ জীৱন-যাপন আৰু ভৰণ-পোষণ অৰ্থনীতি হৈছে প্ৰাক্ ঔদ্যোগিক সমাজৰ এটা গুৰুত্বপূৰ্ণ চৰিত্ৰ। এই সমাজ ব্যৱস্থাত ব্যক্তিসকলে কেৱল খাই বৈ জীয়াই থকাটোকহে অধিক গুৰুত্ব আৰোপ কৰে। ব্যক্তিসকলে উৎপাদনৰ বা আয়ৰ অধিকাংশক কেৱল খোৱা-বোৱা, পিন্ধন-উৰণ আৰু কিছু অংশ অতিথিক দান বৰঙণি আদিত ব্যৱহাৰ কৰে, কিন্তু লাভৰ বা ৰাহি অংশ সমূহ মজুত কৰাৰ ক্ষেত্ৰত গুৰুত্ব নিদিয়ে।

**(৬) সামাজিক সংগঠন (Social Organization) ঃ**

প্ৰাক-ঔদ্যোগিক সমাজৰ আন এটা বৈশিষ্ট্য হ'ল ইয়াত সামাজিক সংগঠনসমূহৰ গঠন প্ৰক্ৰিয়া অতি সহজ-সৰল, স্বজন পদ্ধতি আৰু বয়সৰ ভিত্তিত গঠিত হয়। সাধাৰণতে এনে সমাজ ব্যৱস্থাত জটিল সংগঠন বা অন্যান্য কোনো অৰ্থনৈতিক, ৰাজনৈতিক বা বৈপ্লৱিক (Revolutionary) সংগঠনসমূহ জড়িত হৈ নাথাকে। ইয়াত স্বজন পদ্ধতিৰ দ্বাৰা বৈবাহিক সম্বন্ধৰ বান্ধোনেৰে ব্যক্তিক এক গোট কৰি ৰাখে আৰু বয়সৰ ওপৰত ভিত্তি কৰি সমাজৰ ব্যক্তিসকলক বিভিন্ন পদত নিয়োজিত থাকি অধিকাৰ আৰু দায়িত্ব সাব্যস্ত কৰে।

**(৭) প্ৰত্যক্ষ সামাজিক নিয়ন্ত্ৰণ (Direct Social Control) ঃ**

প্ৰাক ঔদ্যোগিক সমাজৰ অন্য এটা লক্ষণ হ'ল ইয়াত ব্যক্তিসকলৰ মাজত প্ৰত্যক্ষ সামাজিক নিয়ন্ত্ৰণৰ সুবিধা থাকে। এনে সহজ-সৰল সামাজিক ব্যক্তিসকলে পৰিয়ালৰ অন্যান্য সদস্যসকলক পোনপটীয়াভাৱে নিয়ন্ত্ৰণ বা পৰিচালনা কৰিব পাৰে, যাতে সমাজত কোনো ব্যক্তিয়ে অসামাজিক কাম-কাজ যেনে - অবৈধ যৌনসম্পৰ্ক, অপৰাধ (Crime), দুৰ্নীতি (Corruption), অন্যায়-অত্যাচাৰ, চুৰি ডকাইতি, আদি কামত লিপ্ত হ'ব নোৱাৰে তাৰ প্ৰতি সতৰ্ক কৰি ৰাখে। গতিকে নিয়ন্ত্ৰণ পদ্ধতিও আনুষ্ঠানিক নাছিল। এনে ক্ষেত্ৰত পৰিয়াল, ওচৰ-চুবুৰীয়া আৰু অন্যান্য আত্মীয় স্বজন (Relative Kinship) সমূহে সদস্য সকলক দুষ্কাৰ্য্য, সামাজিক আচৰণ আৰু অন্যান্য কাৰ্য কলাপৰ ওপৰত নিয়ন্ত্ৰণ কৰিছিল। এই সমাজত ব্যক্তিসকলে তেওঁলোকৰ ওপৰত আৰোপ কৰা প্ৰতি মান আৰু আচৰণৰ আৰ্হি বিলাক অতি কঠোৰভাৱে মানি চলিবলগীয়া হৈছিল।

**(৮) সামাজিক স্তৰীকৰণ (Social Stratification) ঃ**

সামাজিক স্তৰীকৰণ হৈছে প্ৰত্যেক সমাজৰ এটা প্ৰধান বৈশিষ্ট্য। সমাজৰ ব্যক্তিসকল বা কোনো এটা শ্ৰেণী, জাতিসমূহক উচ্চ মধ্যম আৰু নিম্ন হিচাবে কিছুমান প্ৰস্থিতিত বিভক্ত কৰা হয়। এনে সমাজত প্ৰধানকৈ সামাজিক স্তৰীকৰণৰ ব্যৱস্থা অতি কঠোৰ আৰু বন্ধ স্তৰীকৰণ প্ৰক্ৰিয়া বেছি প্ৰচলন আছিল।

এই সমাজত ব্যক্তি সকলক বয়স, ধৰ্মীয়, ভূমিপতি (Landlord), অৰ্থনৈতিকভাৱে ক্ষমতাশালী ব্যক্তিসকলৰ স্থান উচ্চ মৰ্যদা সম্পন্ন প্ৰস্থিতি হিচাবে গণ্য কৰা হৈছিল। এনে ক্ষেত্ৰত এজন ব্যক্তিৰ প্ৰস্থিতি বা সামাজিক স্থান জন্মসূত্ৰে লাভ কৰে আৰু এই প্ৰস্থিতি মৃত্যু পৰ্যন্ত চলি থাকে।

**(৯) সীমিত বৃত্তি গতিশীলতা (Limited Occupation Mobility) ঃ**

সীমিত বৃত্তি গতিশীলতা প্ৰাক ঔদ্যোগিক সমাজৰ অন্য এটা প্ৰধান বৈশিষ্ট্য। এনে সমাজত সাধাৰণতে ব্যক্তিয়ে কেৱল দুই এটা বৃত্তি অৱলম্বন কৰিবলগীয়া হয় আৰু তাতেই সন্তুষ্ট থাকিবলগীয়া হয়। এনে সমাজৰ প্ৰধান বৃত্তি হ'ল কৃষি। প্ৰাক ঔদ্যোগিক সমাজৰ ব্যক্তিসকলে তেওঁলোকৰ পৰম্পৰা অনুসৰি নিজস্ব জাতিগত বৃত্তিতেই সীমাবদ্ধ থাকিব লগা হয়। এটা জাতিয়ে নিজৰ জাতিৰ বৃত্তিৰ বাহিৰে অন্য বৃত্তি অৱলম্বন বা গ্ৰহণ কৰিব নোৱাৰে।

ওপৰত প্ৰাক ঔদ্যোগিক সমাজৰ বৈশিষ্ট্য বা প্ৰকৃতিৰ সম্পৰ্কে আলোচনা কৰিলোহঁক। এই প্ৰকৃতি বা চৰিত্ৰ বিলাকৰ ওপৰিও অন্য কিছুমানৰ বৈশিষ্ট্যও পৰিলক্ষিত হয় যেনে - নিম্ন স্বাস্থ্য, যাতায়ত আৰু যোগাযোগৰ অনুন্নত অৱস্থা (Underdevelopment Conditions of Transport and Commiunication), সীমিত নগৰীয়া জনসাধাৰণ, কাৰিকৰী শিক্ষাৰ অভাৱ (Lack of Technical Eduction), হস্তনিৰ্মিত উৎপাদন কেন্দ্ৰ, অধিক একতাৰ মনোভাৱ, সাদৃশ্যতা (similarity) ইত্যাদি।

**১.২.৫ ঔদ্যোগিক সমাজৰ প্ৰকৃতি বা চৰিত্ৰ (Nature of Industiral Society) ঃ**

ঔদ্যোগিক সমাজতত্ত্বৰ পাঠ্যক্ৰমখনিত অন্তভুক্ত থকা অন্য এটা গুৰুত্বপূৰ্ণ অধ্যয়নৰ বিষয়বস্তু হৈছে 'ঔদ্যোগিক সমাজ'। প্ৰকৃততে ক'বলৈ গলে প্ৰাক ঔদ্যোগিক সমাজৰ ৰূপান্তৰিত বা পৰিৱৰ্তিত সমাজখনেই হ'ল ঔদ্যোগিক সমাজ। অন্য কথাত ক'বলৈ গলে উদ্যোগীকৰণৰ ফলশ্ৰুতিত বা পৰিণতিত গঢ়ি উঠা আধুনিক সমাজখনেই হৈছে ঔদ্যোগিক সমাজ। বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ ফলস্বৰূপে বিভিন্ন কল-কাৰখানা, উৎপাদনত নতুন-নতুন কলা কৌশলৰ ব্যৱহাৰ, শ্ৰম বিভাজন (Division Labour), উন্নত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ প্ৰয়োগ, বিভিন্ন ব্যৱসায়-বাণিজ্য প্ৰতিষ্ঠান স্থাপন আক মানৱীয় শক্তি (Mannual forces) ৰ পৰিৱৰ্তে মন্ত্ৰচালিত শক্তি ব্যৱহাৰ কৰা সমাজকেই ঔদ্যোগিক সমাজ বোলা হয়। ই এক জটিল সমাজ। তদুপৰি এনে সমাজত উৎপাদন কৰিবৰ বাবে বিশেষীকৰণ (Specialization) আৰু শ্ৰম বিভাজনৰ প্ৰয়োজন হয়। ঔদ্যোগিক সমাজৰ ব্যক্তিসকল যুক্তিবাদী চিন্তাধাৰা আৰু সামাজিক গতিশীলতাৰ দিশত প্ৰাক-ঔদ্যোগিক সমাজতকৈ অধিক আগবঢ়া। এইখিনিতে তোমালোকক ঔদ্যোগিক সমাজৰ কিছুমান গুৰুত্বপূৰ্ণ প্ৰকৃতি বা বৈশিষ্ট্য বিষয়ে অৱগত কৰিম।

**(১) বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ প্ৰভাৱ (Impact of Science and Technology) ঃ**

ঔদ্যোগিক সমাজৰ প্ৰথম আৰু প্ৰধান চৰিত্ৰ হৈছে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰা। যিহেতু যিকোনো উৎপাদন পদ্ধতিত মানৱীয় শক্তিৰ বিপৰীতে বা সলনি যান্ত্ৰিক শক্তি প্ৰয়োগ কৰা হয়। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা কৌশলগত পদ্ধতি অৱলম্বন কৰাৰ বাবে ইয়াত উন্নতমানৰ উৎপাদন আৰু যিকোনো কাম সহজেই সম্পন্ন কৰিব পাৰি।

ঔদ্যোগিক সমাজত সাধাৰণতে উৎপাদনৰ সকলো কাৰ্য্য বিজ্ঞান আৰু প্ৰযুক্তিগত সা সৰঞ্জাম ব্যৱহাৰ কৰা হয়। এনে ক্ষেত্ৰত মন্ত্ৰচালিত শক্তি প্ৰয়োগ কৰাৰ লগে লগে কম সময়ৰ ভিতৰত অধিক সংখ্যক বস্তু বা সামগ্ৰী (Material) উৎপাদন কৰা হয় আৰু উৎপাদন বৃদ্ধি পোৱাৰ লগে-লগেই ব্যক্তিৰ জীৱন ধাৰণাৰ মানদণ্ডত উন্নত হয়। তদুপৰি মানুহৰ শাৰীৰিক পৰিশ্ৰম (Physical Labour) বহু পৰিমানে লাঘৱ হয়।

**(২) আধুনিক পৰিয়ালৰ ওপৰত গুৰুত্ব (Importance on Modern Family) ঃ**

ঔদ্যোগিক সমাজৰ অন্য এটা গুৰুত্বপূৰ্ণ চৰিত্ৰ বা প্ৰকৃতি হৈছে, এই সমাজৰ ব্যক্তিসকলে আধুনিক তথা একক পৰিয়ালৰ ওপৰত গুৰুত্ব দিয়ে। ইয়াত যুটীয়া পৰিয়ালক গুৰুত্ব দিয়া নহয়। এনে পৰিয়ালে সমাজলৈ সুস্থিৰ পৰিবেশ, শিক্ষা গ্ৰহণত, আয় বৃদ্ধি, সামাজিক বাতাবৰণ, সুস্থ স্বাস্থ্য কঢ়িয়াই অনাত বিশেষভাৱে সহায় কৰে। এনে সমাজত ব্যক্তিসকলে এক সুন্দৰ পৰিৱেশ গঢ়ি উঠাৰ লগতে পৰ্য্যাপ্ত পৰিমাণৰ অৰ্থ উপাৰ্জন আৰু ল'ৰা-ছোৱালীক পোহ-পাল দিয়াৰ কথা চিন্তা কৰে। সেয়েহে আধুনিক পৰিয়ালক ঔদ্যোগিক সমাজত এক আদৰ্শ পৰিয়াল হিচাপে গণ্য কৰা হয়।

**(৩) বিভিন্ন বৃত্তিৰ ওপৰত নিৰ্ভৰ (Depend on different occupations) ঃ**

ঔদ্যোগিক সমাজৰ অন্য এটা প্ৰধান প্ৰকৃতি হ'ল ইয়াত ব্যক্তি সকলে বিভিন্ন বৃত্তিৰ ওপৰত ভিত্তি কৰি জীৱন নিৰ্বাহ কৰে। সাধাৰণতে এই সমাজত ব্যক্তিসকলে কৃষিৰ ওপৰত নিৰ্ভৰশীল নহয়। ইয়াত ব্যক্তি সকলে ভিন ভিন বৃত্তি অৱলম্বন কৰি কৰে আৰু অৰ্থ উপাৰ্জন কৰি জীৱন নিৰ্বাহ কৰে। সাধাৰণতে এনে সমাজত প্ৰধানকৈ দুটা বৃত্তিত ব্যক্তি নিয়োজিত হৈ থাকে, যেনে - দ্বিতীয়ক বৃত্তি (Secondary Occupation) যিসকলে ব্যৱসায়-বাণিজ্য, মিস্ত্ৰী, দৰ্জি, দোকানী, গাড়ীচালক ইত্যাদি বৃত্তিত নিয়োজিত হৈ থাকে। অন্যহাতে তৃতীয় শ্ৰেণী বৃত্তি (Tertiarry Occupation), যিসকলে চৰকাৰী চাকৰি বা অন্যান্য কোনো উচ্চ পদস্থ অনুষ্ঠান প্ৰতিষ্ঠান আদি

পদত নিয়োজিত হৈ থাকে। গতিকে এনে প্ৰকাৰৰ সমাজত ব্যক্তিয়ে ভিন ভিন কৰ্মত বা বৃত্তিত জড়িত হৈ জীৱন নিৰ্বাহ কৰি থাকে।

**(৪) স্ব-লব্ধ-প্ৰস্থিতিৰ অগ্ৰাধিকাৰ (Preference of Achieved Status) ঃ**

ঔদ্যোগিক সমাজত বিশেষকৈ ব্যক্তিৰ প্ৰস্থিতি জন্মৰ ওপৰত নিৰ্ধাৰিত বা প্ৰতিষ্ঠিত নহয়। এনে সমাজত ব্যক্তিয়ে প্ৰস্থিতি লাভ কৰে নিজৰ শিক্ষাগত যোগ্যতা অৰ্হতা আৰু নিজৰ পাৰদৰ্শিতাৰ ওপৰত। এই সমাজৰ ব্যক্তিসকলে শিক্ষা আৰু কাৰিকৰী জ্ঞান (Technical Knowledge) ৰ দ্বাৰা নিজৰ প্ৰস্থিতি আহৰণ কৰে। উদাহৰণস্বৰূপে এজন দৰিদ্ৰ পৰিয়ালৰ ব্যক্তিয়ে নিজৰ শিক্ষাগত অৰ্হতা (Educational Qualification), ব্যক্তিগত কৰ্মদক্ষতা ওপৰত নিৰ্ভৰ কৰি এখন মহাবিদ্যালয়ৰ অধ্যক্ষ পদতো অধিষ্ঠিত হ'ব পাৰে বা অধ্যক্ষ পদ লাভ কৰিব পাৰে। এনেদৰে এখন নগৰ বা চহৰৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানসমূহত নিয়োজিত হৈ থকা কৰ্মচাৰীসকলে স্ব-লব্ধ প্ৰস্থিতিৰ জৰিয়তে যিকোনো প্ৰস্থিতি লাভ কৰিব পাৰে। ইয়াত বংশানুক্ৰমিক বা জন্ম-লব্ধ (Ascribed) প্ৰস্থিতিৰ দ্বাৰা সামাজিক প্ৰস্থিতি নিৰ্ণয় কৰা নহয়।

**(৫) জটিল শ্ৰম বিভাজন (Complex Division of Labour) ঃ**

জটিল শ্ৰম বিভাজন হৈছে ঔদ্যোগিক সমাজৰ অন্য এটা উল্লেখযোগ্য বৈশিষ্ট্য। সাধাৰণতে এনে সমাজত বৃত্তি ভিন্নতা হোৱাৰ কথা প্ৰতিটো কামতে বিশেষ কিছুমান অৰ্হতা সম্পন্ন ব্যক্তিৰ প্ৰয়োজন হয় আৰু প্ৰত্যেকটো কাম অৰ্হতাৰ ভিত্তিত একো একোজন ব্যক্তি নিযুক্তি দিয়াৰ ফলত শ্ৰম বিভাজনৰ ক্ষেত্ৰত বিশেষ সুবিধা হয়। এনে সমাজত অনুপযুক্ত (insufficient), অদক্ষতা (unskilled), প্ৰশিক্ষণবিহীন (Traingless) ব্যক্তিক নিযুক্তি দিয়া নহয়। কিয়নো এনে লোকক নিযুক্তি দিলে কাৰ্য সম্পাদন কৰাৰ ক্ষেত্ৰত কিছু সমস্যা আহি পৰে। সেয়েহে অৰ্হতা আৰু বিশেষীকৰণ (Specialization) হ'ল ঔদ্যোগিক সমাজৰ শ্ৰম বিভাজনৰ প্ৰথম নীতি আৰু সেই কাৰণে এনে ধৰণৰ শ্ৰম বিভাজনক বিজ্ঞানসন্মত শ্ৰম বিভাজন (Scientific Division of Labour) বোলা হয়।

**৬) উদ্যোগ আৰু বাণিজ্যিক ভিত্তিক অৰ্থনীতি (Industry and Trade based Economy) ঃ**

ঔদ্যোগীকৰণেই হ'ল ঔদ্যোগিক সমাজৰ অৰ্থনীতিৰ মূল ভেটি। দেশত বিভিন্ন উদ্যোগ বা কল-কাৰখানা স্থাপন হোৱাৰ লগে লগেই উদ্যোগত উৎপাদন

হোৱা বিভিন্ন সামগ্ৰীসমূহ বিক্ৰী কৰিবৰ বাবে বজাৰৰ সৃষ্টি হ'ল। উদ্যোগত উৎপাদিত হোৱা বস্তু বা সামগ্ৰীবোৰ লাভৰ বাবে বাণিজ্য অৰ্থনীতি গঢ় লৈ উঠে। ইয়াত উৎপাদিত হোৱা সামগ্ৰীসমূহ উপভোগ কৰাৰ পৰিৱৰ্তে বজাৰত বিক্ৰীৰ ওপৰতহে অধিক গুৰুত্ব দিয়ে। উদ্যোগত উৎপাদিত বস্তু বা সামগ্ৰীসমূহ বিক্ৰী লাভৰ অংশ উদ্যোগ প্ৰতিষ্ঠানৰ উচ্চতম পদস্থ বিষয়া বা মালিকসকলে তাৰোপৰি উৎপাদিত বিভিন্ন সামগ্ৰীসমূহ বিক্ৰী কৰিবৰ বাবে দুখন দেশৰ মাজত আমদানি আৰু ৰপ্তানি (Export) কৰা হয় যাৰ ফলত বাণিজ্যিক ব্যৱস্থা অধিক কাৰ্যক্ষম হৈ উঠে।

**৭) সামাজিক গতিশীলতাৰ বৃদ্ধি (Increased of Social Mobility) ঃ**

সাধাৰণতে প্ৰাক ঔদ্যোগিক সমাজতকৈ ঔদ্যোগিক সমাজত গতিশীলতাৰ মাত্ৰা বেছি হয়। ঔদ্যোগিক সমাজত ব্যক্তিসকলে বিভিন্ন বৃত্তি (Different occupation) অৱলম্বন কৰাৰ পৰিপ্ৰেক্ষিতত গতিশীলতা ক্ষীপ্ৰ হৈ উঠে। এনে সমাজ ব্যৱস্থাত ব্যক্তিসকলে নিজৰ ইচ্ছানুসৰি বিভিন্ন বৃত্তি, ব্যৱসায়-বাণিজ্য গ্ৰহণ কৰিব পাৰে। এই কাৰণে এনে সমাজত ব্যক্তিসকলৰ উন্নতি ক্ষিপ্ৰ গতিত আগবাঢ়ে। এনে ধৰণৰ সমাজত মানুহৰ চিন্তাশক্তি, দক্ষতা, যুক্তিসম্পন্ন, বিজ্ঞানসন্মত, অভিজ্ঞতা থকাৰ বাবে ক্ৰমাগতভাৱে উন্নতিৰ পথলৈ আগবাঢ়ে আৰু ৰক্ষণশীল মনোভাৱক প্ৰশয় নিদিয়ে যাৰ কাৰণে ঔদ্যোগিক সমাজবোৰ সামাজিক গতিশীলতাত আগবাঢ়ি যাবলৈ সুবিধা হয়।

**৮) নগৰীকৰণৰ বৃদ্ধি (Increased of urbanization) ঃ**

নগৰীকৰণ ঔদ্যোগিক সমাজৰ অন্য এটা প্ৰধান বিশেষত্ব। যিহেতু ঔদ্যোগীকৰণৰ ফলত নগৰীকৰণৰ সৃষ্টি হয়। কোনো এখন ঠাইত বিভিন্ন উদ্যোগ প্ৰতিষ্ঠান বা কল-কাৰখানা স্থাপন হোৱাৰ লগে লগে নগৰীকৰণৰ সৃষ্টি হয়। যিমানেই উদ্যোগ প্ৰতিষ্ঠান, কল-কাৰখানা, ব্যৱসায়-বাণিজ্য বৃদ্ধি পাব সিমানেই নগৰীকৰণ প্ৰক্ৰিয়া বৃদ্ধি পাব। যাৰ ফলস্বৰূপে বিভিন্ন দোকান-বজাৰ, ব্যৱসায়-বাণিজ্য, চৰকাৰী কাৰ্যালয়, পকী ৰাস্তা নিৰ্মাণ, জনবসতি ঘন, প্ৰশাসনিক কাৰ্যালয় ইত্যাদিয়ে নগৰীকৰণ সৃষ্টি কৰাত বিশেষভাৱে অৰিহণা যোগায়। সেই কাৰণে ঔদ্যোগিক সমাজৰ নগৰীকৰণক এক অপৰিহাৰ্য উপাদান হিচাপেও গণ্য কৰা হয়।

**৯) আমোলাতন্ত্ৰৰ সৃষ্টি (Emergence of Bureaucracy) ঃ**

ঔদ্যোগিক সমাজৰ অন্য এটা উল্লেখনীয় প্ৰকৃতি হ'ল আমোলাতান্ত্ৰিক ব্যৱস্থা। ঔদ্যোগীকৰণৰ লগে লগে আমোলাতান্ত্ৰিক পৰিচালনা পদ্ধতিৰ সৃষ্টি হয়। ঔদ্যোগীকৰণৰ সম্প্ৰসাৰণৰ লগে লগে যিবোৰ বৃহৎ উদ্যোগ তথা কল-কাৰখানাৰ সৃষ্টি হ'ল, এইবোৰ পৰিচালনাৰ বাবে কিছুমান প্ৰশাসনিক গোটৰ সৃষ্টি হ'ল যাক

আমোলাতন্ত্র বুলি কোৱা হয়। এনে প্ৰশাসনীয় কাম-কাজ পৰিচালনাৰ বাবে কিছুমান বিশেষ দক্ষতাসম্পন্ন অৰ্হতাসম্পন্ন আৰু প্ৰস্থিতিসম্পন্ন ব্যক্তিক নিযুক্তি দিয়া হয় য'ত উদ্যোগ প্ৰতিষ্ঠানসমূহ সঠিকভাৱে পৰিচালনা কৰিব পাৰে। গতিকে ঔদ্যোগিক সমাজত ঔদ্যোগিক আমোলাতন্ত্ৰৰ গুৰুত্ব কোনো প্ৰকাৰে অস্বীকাৰ কৰিব নোৱাৰি।

**১০) সামাজিক শ্ৰেণীৰ ব্যাপকতা (Multiplicity of Social Classes) ঃ**

ঔদ্যোগিক সমাজৰ অন্য এটা প্ৰধান বিশেষত্ব হৈছে বিভিন্ন সামাজিক শ্ৰেণী মানহ্ দেখিবলৈ পোৱা যায়। এনে সমাজ ব্যৱস্থাত সমাজৰ ব্যক্তিসকলৰ স্থান অথবা প্ৰস্থিতি আদি বিভিন্ন স্তৰত ভাগ কৰা হয় যেনে - উচ্চ, মধ্যম আৰু নিম্ন শ্ৰেণী। এনে শ্ৰেণীসমূহৰ ব্যক্তিসকলৰ প্ৰস্থিতি শিক্ষা, অভিজ্ঞতা, দক্ষতা আদিৰ ওপৰত নিৰূপণ কৰা হয়। তাৰোপৰি এনে প্ৰকাৰ সমাজত ব্যৱসায় শ্ৰেণী, সামাজিক সংগঠন, ঔদ্যোগিক সংগঠন, বনুৱা সংঘ (Labour Association), নাৰী সংগঠন (Women Association), চৰকাৰী কৰ্মচাৰী সংগঠন আদি বিভিন্ন সামাজিক সংগঠন দেখিবলৈ পোৱা যায়।

**১১) সামাজিক সংগঠনৰ বহুলতা (Multiplicity of Social Organizations) ঃ**

সামাজিক সংগঠনৰ ব্যাপকতা হৈছে ঔদ্যোগিক সমাজৰ অন্য এক উল্লেখযোগ্য বৈশিষ্ট্য। ঔদ্যোগিকৰণৰ দ্ৰুত সম্প্ৰসাৰণৰ ফলস্বৰূপে ঔদ্যোগিক সমাজত বিভিন্ন ধৰণৰ ঔদ্যোগিক সংগঠন (Industrial Organizations) গঢ় লৈ উঠে, যিবিলাকে ব্যক্তিৰ জীৱন নিৰাপত্তাৰ লগতে ব্যৱসায় বাণিজ্যিক ক্ষেত্ৰত সহায় কৰে। এনেবোৰ ঔদ্যোগিক সংগঠনসমূহ হ'ল - শ্ৰমিক সংঘ (Labour Union), বাণিজ্যিক সংঘ (Trade Union), শ্ৰমিক কল্যাণ সংঘ (Labour Welfare Union), অইল ইণ্ডিয়া লিমিটেড (Oil India Limited), আন্তৰ্জাতিক বাণিজ্যিক সংঘ (International Trade Union), বিশ্ব বাণিজ্যিক সংঘ (World Trade Union) ইত্যাদি। এই সংগঠনবিলাকে ব্যক্তিগত স্বাৰ্থৰ লগতে সামাজিক স্বাৰ্থ পূৰণ কৰাৰ ক্ষেত্ৰত বিশেষভাৱে সহায় কৰে।

**১২) বস্তুবাদী সংস্কৃতিৰ ওপৰত গুৰুত্ব (Importance of Material Culture) ঃ**

ঔদ্যোগিক সমাজৰ অন্য এটা বিশেষত্ব হৈছে এই সমাজত বস্তুবাদী সংস্কৃতিৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এনে সমাজত জীৱন নিৰ্বাহৰ সকলো ক্ষেত্ৰতেই ব্যক্তিয়ে অনেক যাৱতীয় বয়-বস্তু ব্যৱহাৰ কৰে। প্ৰযুক্তিবিদ্যা উদ্ভাৱনৰ বিভিন্ন কলা-কৌশল, নতুন নতুন সা-সৰঞ্জাম আৱিস্কাৰৰ ফলস্বৰূপে মানুহে নানা ধৰণৰ ঘৰুৱা আচবাব ব্যৱহাৰ কৰিবলৈ ধৰিছে। বৰ্তমান সময়ত দূৰদৰ্শন, টেলিফোন, কম্পিউটাৰ

বা পৰিকলন যন্ত্ৰ, প্লাষ্টিক চকী, টেবুল, লোহাৰ বিচনা, আলমাৰি আৰু অন্যান্য সামগ্ৰীসমূহে মানুহৰ জীৱনলৈ এক অতুলনীয় পৰিৱৰ্তন আনিছে। গতিকে দেখা যায় যে এনেবোৰ ঘৰুৱা আচবাব বিশেষকৈ আধুনিক সমাজ অধিক প্ৰচলন হয় যাক আমি ঔদ্যোগিক সমাজ হিচাবে গণ্য কৰিব পাৰোঁ।

**আত্ম মূল্যায়নৰ প্ৰশ্ন ঃ**

ক) কাক ঔদ্যোগিক সমাজতত্ত্বৰ পিতৃ হিচাবে অভিহিত কৰা হয়?
খ) উদ্যোগ শব্দটো কি ভাষাৰ পৰা উৎপত্তি হৈছে?
গ) প্ৰাক ঔদ্যোগিক সমাজৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা?
ঘ) ঔদ্যোগিক সমাজৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

**সামৰণি (Conclusion) ঃ**

আমি এই গোটটিত ঔদ্যোগিক সমাজৰ প্ৰকৃতি বিকাশ, প্ৰাক-ঔদ্যোগিক সমাজৰ প্ৰকৃতি আৰু ঔদ্যোগিক সমাজৰ প্ৰকৃতিৰ সম্পৰ্কে আলোচনা কৰিলোঁ। এই পাঠটিৰ যোগেদি তোমালোকে ঔদ্যোগিক সমাজতত্ত্বৰ বিভিন্ন অৱধাৰণাৰ ওপৰত এটি থূলমূল আভাস সম্পৰ্কে জানিব পাৰিলা। যিহেতু সমাজতত্ত্বৰ ছাত্ৰ-ছাত্ৰী হিচাবে ঔদ্যোগিক সমাজতত্ত্বৰ বিভিন্ন বিষয় সম্পৰ্কে জনাটো অতি আৱশ্যকীয় বিষয়। আধুনিক সমাজ ব্যৱস্থাত ঔদ্যোগিক সম্বন্ধীয় বিভিন্ন বিষয়সমূহৰ বিষয়ে পুংখানুপুংখভাৱে আলোচনা কৰাটো ঔদ্যোগিক সমাজতত্ত্বৰ বাবে এক গুৰুত্বপূৰ্ণ কাৰ্য।

**প্ৰধান শব্দসমূহ (Key Words) ঃ**

ঔদ্যোগিক, প্ৰকৃতি, প্ৰাক-ঔদ্যোগিক সমাজ, ঔদ্যোগিক সমাজ, প্ৰযুক্তিবিদ্যা, আধুনিক, সা-সৰঞ্জাম, কল-কাৰখানা, উদ্যোগীকৰণ, নগৰীকৰণ, অতুলনীয়, আৱশ্যকীয়, শ্ৰমিক সংঘ, বাণিজ্যিক সংঘ।

**পাঠ্য নিৰ্দেশনা (Suggested Readings) ঃ**

ড° বীৰেন্দ্ৰনাথ বৰঠাকুৰ, ড° ৰূপৰেখা বৰদলৈ, 'ঔদ্যোগিক সমাজতত্ত্ব আৰু শ্ৰমিক কল্যাণ, বিদ্যা ভৱন, যোৰহাট।
ড° গিয়াছউদ্দিন আহমেদ, হিমান্ত বৰগোহাঁই, দিলীপ চুতীয়া, 'ঔদ্যোগিক সমাজতত্ত্ব', বনলতা, গুৱাহাটী- ডিব্ৰুগড়।
ড° জয়ন্ত দুৱৰা, 'উদ্যোগৰ সমাজতত্ত্ব', দত্ত প্ৰকাশন, লক্ষীমপুৰ।

ড° ৰাজেন বৰা, অখিল বৰা, 'উদ্যোগৰ সমাজতত্ত্ব, বিদ্যাভৱন, যোৰহাট।

**আত্ম মূল্যায়ন প্ৰশ্নৰ উত্তৰ ঃ**

ক) উত্তৰ ঃ- এলটন মেয়ৰক ঔদ্যোগিক সমাজতত্ত্বৰ পিতৃ হিচাবে অভিহিত কৰা হয়।

খ) উত্তৰ ঃ- উদ্যোগ শব্দটো 'লেটিন' 'Industria' শব্দৰ পৰা উদ্ভৱ হৈছে।

গ) উত্তৰ ঃ- প্ৰাক-ঔদ্যোগিক সমাজৰ দুটা বৈশিষ্ট্য হ'ল - ১) সৰল শ্ৰম বিভাজন ২) প্ৰকৃতিৰ ওপৰত নিৰ্ভৰশীল।

ঘ) উত্তৰ ঃ- ঔদ্যোগিক সমাজৰ দুটা বৈশিষ্ট্য হৈছে - ১) উদ্যোগ আৰু বাণিজ্যিক ভিত্তিক অৰ্থনীতি

২) জটিল শ্ৰম বিভাজন।

**আৰ্হি প্ৰশ্ন (Model Questions) ঃ**

১) ঔদ্যোগিক সমাজতত্ত্বৰ প্ৰকৃতি আৰু সংজ্ঞা লিখা।

২) ঔদ্যোগিক সমাজতত্ত্বৰ প্ৰকৃতি আৰু বিকাশৰ সম্পৰ্কে চমুকৈ আলোচনা কৰা।

৩) প্ৰাক ঔদ্যোগিক সমাজৰ বৈশিষ্ট্যসমূহ আলোচনা কৰা।

৪) ঔদ্যোগিক সমাজৰ চৰিত্ৰসমূহৰ বিষয়ে বৰ্ণনা কৰা।

**প্ৰসঙ্গ পুথি (References) ঃ**

1. Gilbert, P. (1972), Fundementals of Industrial Sociology, Mc Graw Hills, New Delhi.
2. Parker, S.R., Brown, R.K. B (1967), The Sociology of Industry, Allen & Unwin, London.
3. Schncider, E.V. (1979),, Industrial Sociology, Mc, Graw Hill Publishing Co.Ltd. New Delhi.
4. Sharma, P.N., Sharma, R.K - Introductory Industrial Sociology, Meerut University.

-

## খণ্ড নম্বৰ - ৩

## ঔদ্যোগিক সমাজতত্ব আৰু শ্ৰমিক কল্যাণ

## গোট নম্বৰ - ২

# শ্ৰমিক সংঘ ঃ অৰ্থ, প্ৰকাৰ, উদ্দেশ্য আৰু কাৰ্য্যৱলী

গঠন বিন্যাস ঃ

২.০ উদ্দেশ্য
২.১ প্ৰস্তাৱনা
২.২ শ্ৰমিক সংঘৰ অৰ্থ ও সংজ্ঞা
অগ্ৰগতি নিৰীক্ষণ
২.৩ শ্ৰমিক সংঘৰ প্ৰকাৰ
২.৩.১ শিল্প শ্ৰমিক বা খনিকৰ সংঘ
২.৩.২ ঔদ্যোগিক শ্ৰমিক সংঘ
২.৩.৩ সাধাৰণ শ্ৰমিক সংঘ
২.৩.৪ যৌথ শ্ৰমিক সংঘ বা বনুৱা পৰিষদ
২.৩.৫ প্ৰাথমিক সংঘ
২.৩.৬ ঔদ্যোগিক যৌথ সংঘ।
২.৩.৭ জাতীয় কেন্দ্ৰ বা সংঘ
অগ্ৰগতি নিৰীক্ষণ
২.৪ শ্ৰমিক সংঘৰ লক্ষ্য বা উদ্দেশ্যসমূহ
২.৪.১ শ্ৰমিকৰ অৰ্থনৈতিক নিৰাপত্তা
২.৪.২ শ্ৰমিকৰ অধিকাৰ ৰক্ষনা-বেক্ষন
২.৪.৩ ঐক্য-সংহতি স্থাপন
২.৪.৪ ঔদ্যোগিক ন্যায় প্ৰতিষ্ঠা
২.৪.৫ শ্ৰমিকৰ কল্যাণমূলক আঁচনি গ্ৰহণ।
২.৪.৬ ঔদ্যোগিক উন্নতি
২.৪.৭ ঔদ্যোগিক প্ৰশাসন আৰু পৰিচালনাত অংশগ্ৰহণ
২.৪.৮ ৰাজনৈতিক প্ৰস্থিতিৰ উন্নতি
অগ্ৰগতি নিৰীক্ষণ
২.৫ শ্ৰমিক সংঘৰ কাৰ্য্যাৱলী
২.৫.১ অন্তঃ গাঁথনিমূলক কাৰ্য্যৱলী

২.৫.২ বৰ্হিঃ গাঁথনি মূলক কাৰ্য্যৱলী
২.৫.৩ ৰাজনৈতিক কাৰ্য্যৱলী
অগ্ৰগতি নিৰীক্ষণ

২.৬ সামৰণি
১. ঘাই শব্দসমূহ
২. পাঠ্য নিৰ্দেশনা
৩. আহি: প্ৰশ্ন
৪. প্ৰসংগ পুথি।

**২.০ উদ্দেশ্য ঃ**

- এই গোটটি পঢ়িলে তোমালোকে শ্ৰমিক সংঘৰ অৰ্থ সম্পৰ্কে জানিব পাৰিবা।
- শ্ৰমিক সংঘৰ বিভিন্ন প্ৰকাৰসমূহৰ বিষয়ে জানিব পাৰিবা।
- শ্ৰমিক সংঘৰ লক্ষ্য ও উদ্দেশ্য সমূহৰ বিষয়ে জানিব পাৰিবা।
- শ্ৰমিক সংঘই সম্পাদন কৰা কায্যাৱলীৰ বিষয়ে জানিব পাৰিবা।

**২.১ প্ৰস্তাৱনা ঃ**

এই খণ্ডৰ প্ৰথম গোটটিত ঔদ্যোগিক বিবাদ সম্পৰ্কে আলোচনা কৰোতে প্ৰসংগ ক্ৰমে শ্ৰমিক সংঘৰ বিষয়ে উল্লেখ কৰি অহা হৈছে। ঔদ্যোগিক বিবাদত শ্ৰমিক সংঘৰ ভূমিকা কি সেই বিষয়েও কিছু আলোচনা কৰা হৈছিল। কিন্তু, শ্ৰমিক সংঘ কি বা ইয়াৰ লক্ষ্য, প্ৰকাৰ কায্যৱলী সম্পৰ্কত কোনো ধৰণৰ আলোচনা কৰা হোৱা নাছিল। আনহাতে, ঔদ্যোগিক সমাজতত্বৰ মূল অধ্যয়ন ক্ষেত্ৰ ঔদ্যোগিক সমাজৰ বিষয়ে আলোচনা কৰোতে শ্ৰমিক সংঘৰ বিষয়েও আলোচনাৰ প্ৰয়োজন আছে। গতিকে, এই গোটটিত শ্ৰমিক সংঘৰ অৰ্থ, প্ৰকাৰ, উদ্দেশ্য আৰু কাৰ্য্যৱলী সম্পৰ্কে বিস্তৃতভাৱে আলোচনা কৰিবলৈ লোৱা হৈছে।

**২.২ শ্ৰমিক সংঘৰ অৰ্থ ও সংজ্ঞা ঃ**

শ্ৰমিক সংঘ আধুনিক ঔদ্যোগিক সমাজৰ এক অভিন্ন অংশ। যেতিয়াৰ পৰাই ঔদ্যোগ প্ৰতিষ্ঠানবোৰত শ শ শ্ৰমিক কাম কৰিবলৈ আৰম্ভ কৰিলে তেতিয়াই শ্ৰমিক সংগঠনৰ প্ৰশ্ন উত্থাপিত হ'ল। কিয়নো ইয়াৰ আগতে শ্ৰমিক সকলৰ কল্যাণৰ কথা

একেবাৰে চিন্তা কৰা নাছিল। শ্ৰমিকসকলক তেওঁলোকৰ শ্ৰম অনুযায়ী মজুৰী প্ৰদান কৰা নহৈছিল। একেদৰে, তেওঁলোকৰ স্বাস্থ্য আৰু নিৰাপত্তা বিষয়তো কোনো ব্যৱস্থা গ্ৰহণ কৰা নাছিল। আনহাতে, যিকোনো সময়তে মালিকসকলে শ্ৰমিকসকলক কামৰ পৰা আঁতৰাই দিব পাৰিছিল যাৰ ফলত তেনে শ্ৰমিক সকলক অকালতে নিবনুৱালৈ পৰিৱৰ্তন হ'ব লগাত পৰিছিল। বেমাৰ-আজাৰ বা অন্যান্য আকস্মিক কিবা কাৰণত কামত উপস্থিত থাকিব নোৱাৰিলে মজুৰী কৰ্তনৰ লগত কাম কৰাৰ সঠিক পৰিৱেশ, থকা ঘৰ, শ্ৰমৰ অৱসাদ আতৰাবৰ বাবে আমোদ প্ৰমোদৰ কোনো ব্যৱস্থা কৰা নাছিল। এনে অৱস্থাত শ্ৰমিকসকলৰ জীৱন অতিশয় কষ্টকৰ হৈছিল। গতিকে শ্ৰমিকৰ এই দুখৰ অৱস্থাৰ অৱসান ঘটাবৰ বাবে শ্ৰমিকসকলে একগোট হোৱাৰ মানসেৰে তেওঁলোকৰ এক সংগঠন গঠন কৰাৰ পোষকতা কৰিছিল। ফলশ্ৰুতিত শ্ৰমিক সংঘৰ জন্ম হ'ল।

ইতিমধ্যে পূৰ্বৰ গোটটিত উল্লেখ কৰি অহা হৈছে যে - ঔদ্যোগ প্ৰতিষ্ঠান সমূহত প্ৰধানকৈ দুই শ্ৰেণীৰ মানুহ দেখিবলৈ পোৱা যায়। এক শ্ৰেণী হৈছে পুঁজিপতি বা ঔদ্যোগপতি আৰু আনটো হৈছে বনুৱা বা শ্ৰমিক শ্ৰেণী। এই দুয়োটা শ্ৰেণীৰ মাজত সামাজিক আৰু অৰ্থনৈতিক উভয় দিশতে পাৰ্থক্য বা ব্যৱধান থাকে। পুঁজিপতি সকলে শ্ৰমিক সকলক নিযুক্তি দিয়ে আৰু ইচ্ছামতে তেওঁলোকক ব্যৱহাৰ কৰে। আনহাতে, শ্ৰমিকসকলে শাৰীৰিক শ্ৰম কৰি জীৱন নিৰ্বাহ কৰিব লগা হয়। অৱশ্যে, তেওঁলোকৰ জীৱন সুখদায়ক নহয়। কাৰণ শ্ৰমৰ বিনিময়ত তেওঁলোকে উচিত মজুৰী লাভ নকৰে। অৰ্থাৎ, শ্ৰমিকসকল পুঁজিপতি সকলৰ শোষণৰ বলি হ'ব লগা হয়। এটা সময়ত শ্ৰমিকসকলে তেওঁলোকৰ ওপৰত চলা শোষণ-নিষ্পেশনৰ কথা বুদ্ধি উঠে আৰু তাৰ পৰা মুক্ত হবলৈ তেওঁলোক একগোট হোৱাৰ চেষ্টা চলাই। ফলশ্ৰুতিত তেওঁলোকৰ মাজত এক সংগঠনৰ জন্ম হ'ল যিটোকে শ্ৰমিক সংঘ নামেৰে জনা যায়।

গতিকে, শ্ৰমিক সংঘ বুলিলে শ্ৰমিকসকলে তেওঁলোকৰ মালিক বা নিয়োগকৰ্তা সকলৰ শোষণ নিষ্পেষণৰ পৰা মুক্তি লাভ কৰি নিজৰ নিৰাপত্তা আৰু অস্তিত্ব ৰক্ষাৰ বাবে যি সংগঠন গঢ়ি তোলে তাকে বুজা যায়। আনকথাত, শ্ৰমিক সকলৰ স্বাৰ্থ ৰক্ষা কৰিবলৈ শ্ৰমিক সকলক লৈ গঠিত সংগঠনকে শ্ৰমিক সংঘ বুলি কোৱা হয়।

শ্ৰমিক সংঘৰ অৰ্থ সম্পৰ্কত আমি বিভিন্ন অৰ্থনীতিবিদ, সমাজতত্ত্ববিদ আগবঢ়োৱা সংজ্ঞা লাভ কৰো। তাৰে দুটা মান তলত আলোচনা কৰা হ'ল—

অধ্যাপক .......... ৰ মতে, "শ্ৰমিক সংঘ হ'ল এটা বা অধিক বৃত্তিত কাম কৰি থকা শ্ৰমিক সকলৰ অৰ্থনৈতিক স্বাৰ্থ আৰু উন্নত কৰাৰ উদ্দেশ্যে গঠন কৰা সংঘ।" তেওঁৰ মতে, বেলেগ বেলেগ কাম বা বৃত্তিত কাম কৰি থকা শ্ৰমিকসকলে সন্মিলিতভাৱে শ্ৰমিক সংঘ গঠন কৰিব পাৰে।

ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ...... ৰ মতে, "সামূহিক প্ৰচেষ্টাৰে শ্ৰমিক সকলৰ স্বাৰ্থ ৰক্ষাৰ বাবে শ্ৰমিকসকলে স্বইচ্ছাই গঠন কৰা সংগঠনেই মূল শ্ৰমিক সংঘ।"

...... আৰু ...... ৰ মতে, "শ্ৰমিক সংঘ হৈছে মজুৰী অৰ্জন কৰাতো সকলে তেওঁলোকৰ কৰ্ম জীৱনৰ অৱস্থা উন্নত কৰাৰ মানসেৰে গঢ়ি তোলা এক ধাৰাবাহিক সস্থা। ইয়াৰ মৌলিক উদ্দেশ্য হ'ল ইচ্ছাকৃতভাৱে নিয়োগৰ বিধিসমূহ নিয়ন্ত্ৰণ কৰা যাতে ঔদ্যোগিক প্ৰতিযোগিতাৰ ফলত উদ্ভৱ হোৱা বিৰূপ প্ৰতিক্ৰিয়াবোৰৰ পৰা দৈহিক শক্তিৰ দাৰা দ্ৰব্য উৎপাদনকাৰী সকলক ৰক্ষা কৰিব পাৰি।"

সমাজবিজ্ঞানী ...... ৰ মতে, "শ্ৰমিক সংঘ হ'ল একোটা সংগঠিত কেন্দ্ৰ। ই শ্ৰমিক শ্ৰেণীক সংগঠিত কৰে আৰু সমাজৰ সংৰচনাৰ পৰিবৰ্তনৰ বাবে ই সঞ্চাৰ পথ দেখুৱাই। তেওঁৰ মতে, মধ্যযগুৰ পৌৰসভাবিলাক যিধৰণে পুঁজিপতিৰ সংগঠিত কেন্দ্ৰ আছিল, আধুনিক শ্ৰমিক সংঘও বৰ্তমানৰ সৰ্বসাৰা সকলৰ কাৰণে সৃষ্টি কৰা একোটা সংগঠিত কেন্দ্ৰ।"

গতিকে, ওপৰৰ সংজ্ঞা সমূহৰ পৰা এটা কথা স্পষ্ট হ'ল যে - শ্ৰমিক সংঘ হৈছে শ্ৰমিক সকলৰ এক স্বেচ্চাসেৱী সংগঠন। শ্ৰমিকসকলে সমূহীয়াভাৱে এই সংগঠনৰ জন্ম দি তেওঁলোকৰ আৰ্থ-সামাজিক, ৰাজনৈতিক সুৰক্ষা নিশ্চিত কৰিবলৈ চেষ্টা কৰে। যিহেতু শ্ৰমিক সংঘ এক স্বেচ্ছাকৃত সংঘ গতিকে সকলো শ্ৰমিকে ইয়াৰ সদস্য হোৱাতো বাধ্যতামূলক নহয়।

অগ্ৰগতি নিৰীক্ষণ ঃ

. শ্ৰমিক সংঘ কি ?

. কি পৰিস্থিতিত শ্ৰমিক সংঘ সৃষ্টি কৰিব লগা হ'ল ?

. শ্ৰমিক সংঘৰ সংজ্ঞা দিয়া।

**২.৩ শ্ৰমিক সংঘৰ প্ৰকাৰ ঃ**

শ্ৰমিক সংঘৰ গঠন, প্ৰকৃতি আৰু উদ্দেশ্য অনুযায়ী মূলতে চাৰিটাৰ প্ৰধান ভাগত ভাগ কৰা হয়। যেনে —

১) শিল্প শ্ৰমিক বা খনিকৰ সংঘ।

২) ঔদ্যোগিক শ্ৰমিক সংঘ।

৩) সাধাৰণ শ্ৰমিক সংঘ আৰু

৪) যৌথ শ্ৰমিক সংঘ।

এই কেইটা তলত চমুকৈ আলোচনা কৰা হ'ল —

**২.৩.১ শিল্প শ্ৰমিক বা খনিকৰ সংঘ (Craft Union) ঃ**

শিল্প শ্ৰমিক বা খনিকৰ সংঘ হ'ল এক ঠেক পৰিসৰৰ শ্ৰমিক সংগঠন। কিয়নো, এই সংগঠন কোনো এটা বিশেষ বৃত্তি বা একোটা নিৰ্ধাৰিত অৰ্হতাযুক্ত বৃত্তিত নিয়োজিত কৰ্মী সকলক লৈ গঠিত হয়। দেখা যায় একোটা ঔদ্যোগিক প্ৰতিষ্ঠানত বিভিন্ন ধৰণৰ দক্ষতা সম্পন্ন শ্ৰমিক বিভিন্ন বৃত্তিত নিয়োজিত হৈ থাকে আৰু এনে একে বৃত্তিৰ শ্ৰমিকসকলৰ কিছুমান উমৈহতীয়া সদস্য সমাধানৰ বাবে এনে সংগঠনে কাম কৰে। অৱশ্যে, কেতিয়াবা, দুটা বা তিনিটা বৃত্তিত আত্মনিয়োগ কৰা শ্ৰমিক সকলকলৈও এনে সংঘৰ সৃষ্টি হ'ব পাৰে। যি কি নহওঁক, চাৰিত্ৰগত দিশলৈ লক্ষ্য কৰি আমি ক'ব পাৰো যে, একোটা ঔদ্যোগ প্ৰতিষ্ঠানৰ একেসময়তে কেইবাটাও শিল্প শ্ৰমিক বা খনিকৰ সংঘ থাকিব পাৰে।

**২.৩.২ ঔদ্যোগিক শ্ৰমিক সংঘ (Industrial Union )**

শিল্প শ্ৰমিক বা খনিকৰ সংঘত কৈ এই সংঘৰ পৰিসৰ কিছু বহল। কিয়নো এনে সংঘবোৰ একে জাতীয় ঔদ্যোগৰ শ্ৰমিক সকলক লৈ গঠিত হয়। একে ধৰণৰ বা একে প্ৰকৃতিৰ ঔদ্যোগত কাম কৰা সকলো শ্ৰমিকেই ইয়াৰ সদস্য হ'ব পাৰে। যেনে — তেল শোধনাগাৰ, কয়লাখনি ইত্যাদিত নিয়োজিত শ্ৰমিকসকলৰ সংঘৰ কথা এই প্ৰসংগত উল্লেখ কৰিব পাৰি। কোনো এখন ৰাজ্য বা দেশত যিমানবোৰ তেলশোধনাগাৰ বা কয়লা খনি থাকে তেনে সকলো ঔদ্যোগতে নিয়োজিত শ্ৰমিক সকলক লৈ তেলশোধনাগাৰ শ্ৰমিক সংঘ বা কয়লাখনি শ্ৰমিক সংঘ গঠিত হ'ব পাৰে। মুঠতে, একে প্ৰকৃতিৰ ঔদ্যোগৰ শ্ৰমিকক লৈ এনে শ্ৰমিক সংঘ গঠন কৰা হয়।

**২.৩.৩ সাধাৰণ শ্ৰমিক সংঘ (General Labour Union) ঃ**

সাধাৰণ শ্ৰমিক সংঘত কোনো বিশেষ বৃত্তি বা ঔদ্যোগক লৈ গঠিত নহয়। ইয়াৰ বিপৰিতে, এখন দেশৰ যিকোনো বৃত্তি বা ঔদ্যোগত নিয়োজিত শ্ৰমিকক লৈ সাধাৰণ শ্ৰমিক সংঘ গঠন হ'ব পাৰে। এনে সংঘত একোজন সাধাৰণ শ্ৰমিকেই সদস্যপদ গ্ৰহণ কৰিব পাৰে। ইয়াৰ বাবে তেওঁ কি বৃত্তি বা কেনে প্ৰকৃতিৰ ঔদ্যোগত নিয়োজিত সেইটো বিচাৰ্য্যৰ বিষয় নহয়। মূলত সকলো শ্ৰমিকৰ উমৈহতীয়া স্বাৰ্থ ৰক্ষাৰ বাবেই এনে সাধাৰণ শ্ৰমিক সংঘ গঠন কৰা হয়। যেনে - All India Trade Union Congress ৰ কথা আমি উল্লেখ কৰিব পাৰো।

**২.৩.৪ সংযুক্ত বা যৌথ শ্ৰমিক সংঘ (Federal Trade Union)ঃ**

সমগ্ৰ দেশৰ শ্ৰমিক সকলৰ স্বাৰ্থ সুৰক্ষাৰ বাবে এই সংঘ গঠন কৰা হয়। যৌথ শ্ৰমিক সংঘৰ মূল বৈশিষ্ট্য হ'ল যে - বিভিন্ন শ্ৰমিক সংঘক লৈ এই সংঘ গঠন কৰা হয়। ইতিমধ্যে উল্লেখ কৰা মতে, একে বৃত্তিত নিয়োজিত শ্ৰমিকক লৈ গঠিত সংঘ আৰু একে প্ৰকৃতিৰ ঔদ্যোগক লৈ গঠিত সংঘ বা সাধাৰণ শ্ৰমিক সংঘ - এই সকলো শ্ৰেণীৰ শ্ৰমিক সংঘক লৈ সংযুক্ত বা যৌথ শ্ৰমিক সংঘ গঠন কৰা হয়। অৰ্থাৎ, এই সংঘত বেলেগ বেলেগ ঔদ্যোগত কাম কৰা শ্ৰমিকৰ দাৰা গঠিত বেলেগ বেলেগ সংঘই সংযুক্ত ভাৱে কাম কৰি থাকে। অৱশ্যে, এনে সংঘ বিলাকে নিজৰ নাম, কৰ্ম আঁচনি, কতৃত্ব আদি বজাই ৰাখে। মাত্ৰ শ্ৰমিক সংগঠনবোৰে যাতে একত্ৰিতভাৱে সংগ্ৰাম কৰিবৰ উদ্দেশ্যে সংযুক্ত শ্ৰমিক সংঘ গঠন কৰে। Indian Trade Union Congress, All India Trade Union Congress, United Trade Union Congress, National labour Organization আদি সংযুক্ত বা যৌথ শ্ৰমিক সংঘৰ উদাহৰণ।

অৱশ্যে, ওপৰত উল্লেখ কৰা ভাগ কেইটাৰ ওপৰিও শ্ৰমিক সংঘবোৰক আৰু তিনিটা ভাগত ভাগ কৰিব পাৰি। যেনে (১) প্ৰাথমিক সংঘ, (২) ঔদ্যোগিক সংযুক্ত সংঘ আৰু (৩) জাতীয় কেন্দ্ৰ বা সংঘ। এইকেইটা চমুকৈ তলত আলোচনা কৰা হ'ল।

**২.৩.৫ প্ৰাথমিক সংঘ (Primary Union)ঃ**

শ্ৰমিক সংঘ সমূল প্ৰধানকৈ তিনিটা পৰ্য্যায়ত গঠন কৰা হয়। ইয়াৰ প্ৰথম পয্যায়টোকে প্ৰাথমিক সংঘ বোলা হয় আৰু ইয়াকে এটা সংঘৰ আৰম্ভণি বুলি ধৰা হয়। শ্ৰমিক সংঘৰ এই পয্যায়ত ঔদ্যোগিক প্ৰতিষ্ঠানত কাম কৰা শ্ৰমিকসকলৰ সংঘৰ সদস্য হিচাপে নামভৰ্ত্তি কৰিবলৈ লয়। সংঘৰ এইটো পয্যায়ৰে পোনপটীয়াকৈ নিয়োগকাৰী বা পৰিচালক মণ্ডলীৰ লগত শ্ৰমিকৰ সমস্যা সম্পৰ্কত আলোচনাত মিলিত হয় আৰু সেয়া সমাধানৰ বাবে চেষ্টা কৰে।

**২.৩.৬ ঔদ্যোগক যৌথ সংঘ (Industrial Federal Union )ঃ**

ঔদ্যোগিক যৌথ সংঘ হ'ল প্ৰাথমিক সংঘবোৰৰ এক সন্মিলিত সংঘ। উল্লেখযোগ্য যে, একেধৰণৰ ঔদ্যোগত কাম কৰা শ্ৰমিকসকলৰ কিছুমান উমৈহতীয়া সমস্যা থাকে। এনে সমস্যাবোৰ সমাধা কৰিবৰ বাবে একেধৰণৰ ঔদ্যোগত কাম কৰা শ্ৰমিকসকল সংঘবদ্ধ হয়। গতিকে, বিভিন্ন ঠাইত স্থাপিত তেনে ঔদ্যোগৰ শ্ৰমিক সংঘবোৰে গোটখাই আঞ্চলিক সংঘ গঠন কৰে। এইদৰে গঠন হোৱা সংঘবোৰক ঔদ্যোগিক যৌথ সংঘ বুলি কোৱা হয়।

**২.৩.৭ জাতীয় কেন্দ্ৰ বা সংঘ (National Centre or Union) ঃ**

শ্ৰমিক সংঘৰ আটাইতকৈ সৰ্ব্বোচ্চ সংঘটোৱেই হ'ল জাতীয় কেন্দ্ৰ বা সংঘ। ইতিমধ্যে উল্লেখিত প্ৰাথমিক সংঘ, আঞ্চলিক সংঘ, বা ঔদ্যোগভিত্তিক সংঘসমূহ জাতীয় বা কেন্দ্ৰীয় সংঘৰ স্বীকৃতি প্ৰাপ্ত হৈ থাকে আৰু ইয়াৰ নিৰ্দেশ মতে কাম কৰি থাকে। জাতীয় কেন্দ্ৰ বা সংঘই দেশৰ শ্ৰমিক সকলৰ বিভিন্ন সমস্যা সমূহৰ বিষয়ে আলোচনা কৰি সেইবোৰ সমাধানৰ বাবে চৰকাৰৰ ওচৰত দাবী আৰু পৰামৰ্শ আগবঢ়াই।

**অগ্ৰগতি নিৰীক্ষণ ঃ**

- শ্ৰমিক সংঘৰ বিভিন্ন ভাগ সমূহ কি কি?
- শিল্প শ্ৰমিক বা খনিকৰ সংঘ কি?
- ঔদ্যোগিক শ্ৰমিক সংঘৰ অৰ্থ প্ৰকাশ কৰা।
- সাধাৰণ শ্ৰমিক সংঘ মানে কি?
- যৌথ শ্ৰমিক সংঘ বা বনুৱা পৰিষদ কেনেকৈ গঠন হয়।
- প্ৰাথমিক সংঘ কি?
- ঔদ্যোগিক যৌথ সংঘ মানে কি বুজা?
- জাতীয় কেন্দ্ৰ বা সংঘ কি?

**২.৪ শ্ৰমিক সংঘৰ লক্ষ্য বা উদ্দেশ্যসমূহ ঃ**

শ্ৰমিক সংঘৰ অৰ্থ সম্পৰ্কত ইতিমধ্যে কৰা আলোচনাত শ্ৰমিক সংঘৰ উদ্দেশ্য বা লক্ষ্যৰ সম্পৰ্কেও কিছু আভাস দি অহা হৈছে। সাধাৰণতে দেখা যায় যে শ্ৰমিকসকলৰ বিভিন্ন সমস্যা সমাধানৰ বাবে দাবী জনাবৰ বাবেই শ্ৰমিক সংঘৰ সৃষ্টি হয় আৰু সেই উদ্দেশ্যে বিভিন্ন সময়ত শ্ৰমিক সংঘবোৰে বিভিন্ন কাৰ্য্যসূচী ৰূপায়ন কৰে। কিন্তু, কেৱল শ্ৰমিকৰ সমস্যা সমাধানৰ উদ্দেশ্যেই এটা শ্ৰমিক সংঘ প্ৰতিষ্ঠা হয় বুলি কলে ভুল হ'ব। কিয়নো, এই মূল উদ্দেশ্যটোৰ লগতে আনুসংগিক আন কিছুমান উদ্দেশ্য আগত ৰাখিও শ্ৰমিক সংঘ গঠন কৰা হয়। শ্ৰমিক সংঘৰ প্ৰধান উদ্দেশ্য তলত আলোচনা কৰা হ'ল —

**২.৪.১ শ্ৰমিকৰ অৰ্থনৈতিক নিৰাপত্তা ঃ**

শ্ৰমিক সংঘৰ প্ৰথম আৰু প্ৰধান উদ্দেশ্য হ'ল শ্ৰমিক সকলৰ অৰ্থনৈতিক নিৰাপত্তা প্ৰদান কৰা। শ্ৰমিকৰ অৰ্থনৈতিক নিৰাপত্তা বুলিলে সঠিক মজুৰী সময়মতে

লাভ কৰা, বনাচ, ক্ষতিপূৰণ, চিকিৎসাৰ খৰচ, মজুৰীসহ চুটী ইত্যাদিৰ কথাকে বুজায়। নিয়োগকাৰীয়েই হওঁক বা চৰকাৰেই হওঁক, শ্ৰমিকসকলে যাতে তেওঁলোকৰ পৰা সঠিকভাৱে অৰ্থনৈতিক নিৰাপত্তা লাভ কৰে তাক নিশ্চিত কৰাটো শ্ৰমিক সংঘৰ এটা প্ৰধান উদ্দেশ্য।

**২.৪.২ শ্ৰমিকৰ অধিকাৰ ৰক্ষণা-বেক্ষণ ঃ**

শ্ৰমিক সংঘৰ আন এটা প্ৰধান উদ্দেশ্য হ'ল শ্ৰমিক সকলৰ অধিকাৰ ৰক্ষণা-বেক্ষণ দিয়া। শ্ৰমিকৰ অৰ্থনৈতিক নিৰাপত্তা লাভ কৰাৰ লগতে, কাম কৰাৰ উপযুক্ত পৰিবেশ, কামৰ মাজত জিৰণি, সঠিক আমোদ-প্ৰমোদৰ ব্যৱস্থা, স্বাস্থ্য সেৱা, ইত্যাদিবোৰ শ্ৰমিকসকলৰ প্ৰাপ্য অধিকাৰ। কিন্তু, শ্ৰমিকসকলৰ অজ্ঞতা বা অসচেতনাৰ সুযোগ লৈ চৰকাৰ বা নিয়োগকৰ্তাই শ্ৰমিকসকলক এনে অধিকাৰ সমূহৰ পৰা বঞ্চিত কৰি আহিছে। গতিকে, শ্ৰমিকসকলে তেওঁলোকৰ অধিকাৰ সমূহ যাতে থিকমতে লাভ কৰে সেইটো নিশ্চিত কৰিবৰ বাবেও শ্ৰমিক সংঘৰ সৃষ্টি হয়।

**২.৪.৩ ঐক্য-সংহতি স্থাপন ঃ**

ঔদ্যোগ প্ৰতিষ্ঠান সমূহত অনেক বত্তিত নিয়োজিত হৈ থকা শ্ৰমিক সকলৰ মাজত ঐক্য-সংহতি স্থাপন কৰাটো শ্ৰমিক সংঘৰ আন এটা প্ৰধান উদ্দেশ্য। উল্লেখযোগ্য যে - পুজিপতি বা নিয়োগকৰ্তাৰ শোষণৰ পৰা মুক্তি পাবলৈ শ্ৰমিকসকলে একত্ৰিত হৈ নিয়োগকৰ্তাৰ বিৰুদ্ধে থিয় দিব লাগিব। অন্য বা নিয়োগকৰ্তাই শ্ৰমিকৰ সমস্যা সমাধানৰ বাবে ব্যৱস্থা গ্ৰহণ কৰাৰ পৰা বিৰত থাকিব। সেইদৰে কম শিক্ষিত শ্ৰমিকসকল সকলোবোৰ দিশতে সচেতন নহয় আৰু সেয়েহে ঔদ্যোগপতি সকলে তেওঁলোকক না না কৌশলেৰে প্ৰাপ্য অধিকাৰৰ পৰা বঞ্চিত কৰে। গতিকে, এই ক্ষেত্ৰত শ্ৰমিকসকল একত্ৰিত হোৱাতো প্ৰয়োজন। সেয়েহে, শ্ৰমিক সংঘসমূহে এই প্ৰয়োজনীয়তা অনুভৱ কৰি সকলো শ্ৰমিককে একত্ৰিত কৰিবৰ বাবে চেষ্টা কৰে।

**২.৪.৪ ঔদ্যোগিক ন্যায় প্ৰতিষ্ঠা ঃ**

শ্ৰমিক সংঘৰ অন্যান্য উদ্দেশ্য সমূহৰ ভিতৰত ঔদ্যোগ ক্ষেত্ৰত ন্যায় প্ৰতিষ্ঠা কৰাতো এটা প্ৰধান উদ্দেশ্য। শ্ৰমিকৰ প্ৰতি নিয়োগকৰ্তা সকলে কৰা শোষণ, অন্যায় - অবিচাৰ আদি নাইকিয়া কৰি শ্ৰমিক সকলেও যাতে ন্যায্য প্ৰাপ্তি লাভ কৰে সেই

উদ্দেশ্যে শ্ৰমিক সংঘই চেষ্টা চলাই। শ্ৰমিক শ্ৰেণীক নিয়োগকৰ্তাৰ শোষণৰ পৰা মুক্ত কৰাৰ লগতে নিজৰ অধিকাৰৰ সৈতে জীৱন নিৰ্বাহ কৰি সমিল -মিলে কৰ্ম কৰি থাকিব পৰা অৱস্থা সৃষ্টি হ'লেই ঔদ্যোগিক প্ৰতিষ্ঠানত ন্যায় প্ৰতিষ্ঠা কৰিব পৰা যায়।

**২.৪.৫ শ্ৰমিক কল্যাণমূলক আঁচনি গ্ৰহণ ঃ**

শ্ৰমিক সংঘৰ কল্যাণমূলক উদ্দেশ্যই শ্ৰমিক শ্ৰেণীৰ কল্যাণৰ বাবে গ্ৰহণ কৰা কাৰ্য্য ব্যৱস্থাক বুজায়। সাধাৰণতে শ্ৰমিক সংঘৰ কল্যাণমূলক কায্যৰ ভিতৰত দুই ধৰণৰ কথা অন্তভূক্ত হয়। প্ৰথমতে, শ্ৰমিক সংঘই নিয়োগকাৰীৰ পৰা শ্ৰমিকৰ কল্যাণৰ বাবে কিছু কাম কৰাতো বিছাৰে। যেনে - উপযুক্ত কাম কৰাৰ পৰিৱেশ, স্বাস্থ্য সেৱা, আমোদ প্ৰমোদৰ সুবিধা, লৰা-ছোৱালীৰ শিক্ষা ইত্যাদি। আনহাতে দ্বিতীয়তে, শ্ৰমিক সংঘই নিজাববীয়াকৈ শ্ৰমিকৰ কল্যাণৰ বাবে কিছুমান কাম কৰে। গতিকে, শ্ৰমিকৰ কল্যাণ সাধন শ্ৰমিক সংঘৰ এটা প্ৰধান উদ্দেশ্য।

**২.৪.৬ ঔদ্যোগিক উন্নতি ঃ**

শ্ৰমিক সংঘৰ উদ্দেশ্য কেৱল শ্ৰমিকৰ কল্যাণ বা শ্ৰমিকৰ হকে কাম কৰাতোকে বুলি কলে ভুল হ'ব। কিয়নো, শ্ৰমিকৰ কল্যাণ সাধনৰ বাবে চেষ্টা কৰাৰ লগতে ঔদ্যোগিক উন্নতি সাধনৰ বাবেও শ্ৰমিক সংঘই কিছুমান কাৰ্য্য সম্পাদন কৰা দেখা যায়। শ্ৰমিকসকল এটা কথাৰ প্ৰতি সদাসচেতন যে ঔদ্যোগৰ উন্নতি অবিহনে শ্ৰমিকৰ উন্নতি সম্ভৱ নহয়। গতিকে, শ্ৰমিক সংঘসমূহে ঔদ্যোগৰ উন্নতি কামনা কৰে আৰু ইয়াক এক অন্যতম উদ্দেশ্য বুলি গণ্য কৰে। শ্ৰমিক সংঘই শ্ৰমিক সকলক নিয়মানুবৰ্তি আৰু সময়ানুবৰ্তি কৰি গঢ়ি তুলিবলৈ যত্ন কৰে যিটোৱে ঔদ্যোগিক উন্নতিত সহায় কৰে। আনহাতে, ঔদ্যোগিক প্ৰতিষ্ঠান সমূহত উদ্ভৱ হোৱা বিবাদ নিৰাময়ৰ ক্ষেত্ৰতো শ্ৰমিক সংঘ সমূহে আগ-ভাগ লৈ তাক নিষ্পতি কৰিবলৈ চেষ্টা কৰে। ইয়ো ঔদ্যোগিক উন্নতিত সহায় কৰে।

**২.৪.৭ ঔদ্যোগিক প্ৰশাসন ও পৰিচালনাত অংশ গ্ৰহণ ঃ**

শ্ৰমিক সংঘৰ আন এটা প্ৰধান উদ্দেশ্য হ'ল ঔদ্যোগিক প্ৰশাসন আৰু পৰিচালনাত অংশগ্ৰহণ। ঔদ্যোগ প্ৰতিষ্ঠান এটা উৎপাদন বৃদ্ধি, মুনাফা বৃদ্ধি আদি নিৰ্ভৰ কৰে সঠিক প্ৰশাসন আৰু পৰিচালনাৰ ওপৰত। কিন্তু, ঔদ্যোগ প্ৰতিষ্ঠান এটা পৰিচালনাৰ যদি শ্ৰমিকসকলে সহযোগ নকৰে তেন্তে তাক সঠিক ৰূপে পৰিচালনা কৰিব পৰা নাযাব। গতিকে, ঔদ্যোগিক প্ৰতিষ্ঠান এটা সঠিক কৈ পৰিচালনা কৰাত সহায় কৰাটোও শ্ৰমিক সংঘৰ এটা প্ৰধান লক্ষ্য।

**২.৪.৮ ৰাজনৈতিক প্ৰস্থিতি উন্নতি ঃ**

আৰ্থ-সামাজিক উদ্দেশ্যৰ লগতে ৰাজনৈতিক উদ্দেশ্যৰ হকেও শ্ৰমিক সংঘই কিছুমান কায্য কৰা দেখা যায়। শ্ৰমিকৰ আৰ্থ-সামাজিক উন্নতিৰ বাবে শ্ৰমিকসকল ৰাজনৈতিক ভাৱে যে সবল হ'ব লাগিব সেইটো অস্বীকাৰ কৰিব নোৱাৰি। কিন্তু, শ্ৰমিকসকল তেওঁলোকৰ ৰাজনৈতিক স্থিতিৰ প্ৰতি বিশেষ সচেতন নহয়। সেয়েহে, শ্ৰমিক সংঘই শ্ৰমিকসকলক এই দিশত সচেতন কৰি তুলিবলৈ যত্ন কৰে।

**অগ্ৰগতি নিৰীক্ষণ ঃ**

- শ্ৰমিক সংঘ প্ৰতিষ্ঠাৰ প্ৰধান উদ্দেশ্যসমূহ কি কি? আলোচনা কৰা।
- শ্ৰমিক সংঘৰ ৰাজনৈতিক উদ্দেশ্য বুলিলে কি বুজা?
- ঔদ্যোগিক উন্নতিৰ বাবে শ্ৰমিক সংঘই কিয় লক্ষ্য বান্ধি লয় আলোচনা কৰা।

**২.৫ শ্ৰমিক সংঘৰ কাৰ্য্যৱলী ঃ**

ইতিমধ্যে পূৰ্বৰ আলোচনাত শ্ৰমিক সংঘৰ সৃষ্টিৰ উদ্দেশ্য ও লক্ষ্য সমূহ আলোচনা কৰা হ'ল। সেই আলোচনাৰ পৰা এইটো স্পষ্ট হ'ল যে শ্ৰমিক সংঘৰ উদেশ্য সমূহত উপনীত হ'বলৈ এনে সংঘ সমূহে বিভিন্ন কাৰ্য্য সম্পাদন কৰিব লাগিব। ওপৰোৱা দৃষ্টিত যদিও শ্ৰমিক সংঘৰ প্ৰধান কাম শ্ৰমিক সকলৰ স্বাৰ্থ ৰক্ষা কৰা আৰু তেওঁলোকৰ ভৱিষ্যৎ উন্নতিৰ বাবে কাম কৰা শ্ৰমিক সংঘই এক সংগঠিত গোট হিচাপে মালিক আৰু শ্ৰমিক বা শ্ৰমিক আৰু শ্ৰমিকৰ বা মালিক আৰু মালিকৰ মাজৰ সম্পৰ্ক সুদৃঢ় কৰি ৰাখিবলৈও চেষ্টা কৰে আৰু তাৰ বাবে কিছু কাৰ্য্য সম্পাদন কৰে। অৱশ্যে, শ্ৰমিক সংঘৰ কায্য সমূহক বহল দৃষ্টিভংগীত তিনিটা মূল ভাগত ভাগ কৰা হয়। সেই কেইটা হ'ল—

১) অন্তঃ গাঁঠনিমূলক কাৰ্য্যৱলী

২) বৰ্হিঃ গাঁথনিমূলক কাৰ্য্যৱলী আৰু

৩) ৰাজনৈতিক কাৰ্য্যৱলী।

এইসমূহ তলত চমুকৈ আলোচনা কৰা হ'ল।

**২.৫.১ অন্তঃ গাঁথনিমূলক কাৰ্য্যৱলী (Indramural Activities) ঃ**

শ্ৰমিক সংঘৰ যিবিলাক কাৰ্য্য ঔদ্যোগিক প্ৰতিষ্ঠানটোৰ চৌহদৰ ভিতৰত সীমিত বা তেওঁলোকৰ নিয়োগ সম্পৰ্কীয় তেনে কাৰ্য্যৱলীসমূহক অন্তঃ গাঁথনি মূলক কাৰ্য্য বুলি কোৱা হয়। শ্ৰমিকসকলে কাম কৰা ঔদ্যোগ প্ৰতিষ্ঠানটোৰ ভিতৰত বা

তেওঁলোকৰ নিয়োগ সম্পৰ্কীয় বহুতো সমস্যা থাকে। উচিত মজুৰী লাভ নকৰাৰ লগতে কাম কৰাৰ সঠিক পৰিবেশ, উপযুক্ত বনাচ, কৰ্মৰ মাজত জিৰণি, বা জিৰণি লবৰ বাবে যথোপযুক্ত সুবিধা, হাত-মুখ পখালিবৰ বাবে পানীৰ ব্যৱস্থা, খাবৰ বাবে কেন্টিন ইত্যাদি না না সমস্যা একোটা ঔদ্যোগ প্ৰতিষ্ঠানৰ ভিতৰত দেখিবলৈ পোৱা যায়। গতিকে, এইবিলাক সমস্যা সমাধানৰ বাবে শ্ৰমিক সংঘই বিভিন্ন কাৰ্য্য কৰা দেখা যায়। যি কি নহওঁক, অন্তঃ গাঁথনি মূলক কাৰ্য্যৱলীত অন্তভূক্ত হোৱা কাৰ্য্যসমূহ তলত দিয়াৰ দৰে শ্ৰেণীকৰণ কৰিব পাৰি।

(ক) শ্ৰমিক সকলৰ উপযুক্ত মজুৰী নিশ্চিত কৰা।
(খ) নিয়োগ আৰু কাম কৰাৰ উপযুক্ত পৰিবেশ সৃষ্টি কৰা।
(গ) কাম কৰাৰ সময়।
(ঘ) নিয়োগকৰ্তাৰ পৰা উচিত ব্যৱহাৰ নিশ্চিত কৰা।
(ঙ) উপযোক্ত বনাচ নিশ্চিত কৰা।
(চ) ঔদ্যোগৰ প্ৰশাখনিক ও পৰিচালনাৰ দিশত অংশগ্ৰহণ নিশ্চিত কৰা।
(ছ) পদোন্নতি, অৰ্থনৈতিক লাভা লাভৰ পৰিকল্পনা ইত্যাদি।

**২.৫.২ বৰ্হিঃ গাঁথনিমূলক কায্যৱলী (Extramural Activities)**

যিবিলাক কায্যৰ দ্বাৰা শ্ৰমিক সংঘই শ্ৰমিকৰ প্ৰয়োজনীয় সময়ত সহায় আগবঢ়াই, তেনে কায্যকে বৰ্হিঃ গাঁথনিমূলক কাৰ্য্য বোলা হয়। শ্ৰমিক সংঘই শ্ৰমিকৰ ৰোগগ্ৰস্ততা, দূৰ্ঘটনা ইত্যাদিৰ সময়ত সহায় আগবঢ়াই। ইয়ৰোপৰি নিবনুৱা অৱস্থা, ধৰ্মঘট আদিৰ সময়তো শ্ৰমিক সকলক আৰ্থিক সাহায্য আগবঢ়াই। ইয়াৰোপৰি, শ্ৰমিক সংঘই শ্ৰমিকৰ কল্যাণৰ বাবে বিদ্যালয়, পুথি ভড়াল, আন্তঃ আৰু বহিঃ খেল-ধেমালি, অৱসৰ বিনোদন ইত্যাদিৰ ক্ষেত্ৰত কায্যসূচী গ্ৰহণ কৰে। বহিঃ গাঁথনি মূলক কায্যৱলীৰ ভিতৰত অন্তভূক্ত হোৱা কায্যসমূহ তলত দিয়া হ'ল —

(ক) শ্ৰমিকৰ ৰোগীয়া বা নিৱনুৱা অৱস্থাৰ বাবে নিধি (Fund) গঠনৰ ব্যৱস্থা কৰা।
(খ) শ্ৰমিকৰ সকলৰ বাবে আইনগত সাহায্যৰ ব্যৱস্থা কৰা।
(গ) শ্ৰমিকসকলৰ মাজত বন্ধুত্ব সুলভ মনোভাৱ গঢ়ি তোলা।
(ঘ) শ্ৰমিকৰ সন্তান-সন্ততিৰ বাবে শিক্ষাৰ ব্যৱস্থা কৰা।
(ঙ) অন্তঃ আৰু বহিঃ খেল-ধেমালিৰ সুবিধা কৰা।
(চ) থাকিবৰ বাবে আবাস গৃহৰ ব্যৱস্থা কৰা।
(ছ) পৰিবহন আৰু যাতায়তৰ ব্যৱস্থা কৰা।
(জ) শ্ৰমিকসকলৰ শিক্ষা আৰু প্ৰশিক্ষণৰ ব্যৱস্থা কৰা। ইত্যাদি।

**২.৫.৩ ৰাজনৈতিক কাৰ্য্যৱলী (Political Activities) ঃ**

অন্তঃ গাঁথনি আৰু বৰ্হিঃ গাঁথনি মূলক কাৰ্য্যৱলীৰ লগতে শ্ৰমিক সংঘই ৰাজনৈতিক কাৰ্য্যৱলীও সম্পাদন কৰা দেখা যায়। শ্ৰমিক সংঘসমূহে দেশৰ নিৰ্বাচনত তেওঁলোকৰ মনোনীত প্ৰাৰ্থী থিয় কৰায় আৰু সংসদ আৰু ৰাজ্যিক বিধান সভাসমূহত তেওঁলোকৰ প্ৰতিনিধি প্ৰেৰণ কৰিবলৈ চেষ্টা কৰে। আনকি বহুতো দেশত শ্ৰমিক সংঘসমূহ ৰাজনৈতিকভাৱে সংগঠিত হৈ থকাও দেখা যায়। শ্ৰমিক সংঘৰ ৰাজনৈতিক কায্যৰ উদ্দেশ্য হ'ল শ্ৰমিকৰ ৰাজনৈতিক প্ৰস্থিতি উন্নত কৰা।

অগ্ৰগতি নিৰীক্ষণ ঃ

- শ্ৰমিক সংঘৰ অন্তঃ গাঁথনি মূলক কায্যৱলী বুলিলে কি বুজা?
- শ্ৰমিক সংঘৰ দুটামান অন্তঃ গাঁথনি মূলক কাৰ্য্যৱলী উল্লেখ কৰা।
- শ্ৰমিক সংঘৰ বৰ্হিঃ গাঁথনি মূলক কায্যৱলী বুলিলে কি বুজা?
- শ্ৰমিক সংঘৰ দুটামান বৰ্হিঃ গাঁথনি মূলক কায্যৱলী লিখা।
- শ্ৰমিক সংঘৰ ৰাজনৈতিক কাৰ্য্যৱলীৰ প্ৰধান উদ্দেশ্য কি?

**২.৬ সামৰণি ঃ**

ঔদ্যোগিক সমাজতত্ত্বৰ এই গোটটিত শ্ৰমিক সংঘৰ বিষয়ে আলোচনা কৰা হ'ল। শ্ৰমিক সংঘ কি, বা কি উদ্দেশ্যেৰে শ্ৰমিক সংঘ গঠন কৰা হয়, শ্ৰমিক সংঘৰ ভাগবোৰ কি কি ইত্যাদিৰ লগতে শ্ৰমিক সংঘৰ বিভিন্ন কায্যৱলী সমূহৰ বিষয়ে এই গোটটিত আলোচনা কৰা হ'ল। গতিকে, এই গোটটি পঢ়ি শ্ৰমিক সংঘৰ বিষয়ে বিস্তৃত স্থান অৰ্জন কৰিব পৰা হ'ব।

**১) ঘাই শব্দসমূহ ঃ**

শ্ৰমিক সংঘ, নিয়োগকৰ্তা, পুজিপতি, শ্ৰমিক, ঔদ্যোগিক ন্যায়, শ্ৰমিকৰ নিৰাপত্তা, অন্তঃ গাঁথনি, বৰ্হিঃ গাঁথনি, শিল্প শ্ৰমিক, বনুৱা পৰিষদ।

**২. পাঠ্য নিৰ্দেশনা ঃ**


1. Archana Despande, Industrial Sociology, Sun India Publication, New Delhi, 2010
2. B.P. Tyagi, Labour Economics and Social Welfare, Jari Prakash Nath and Co., Meerut, 2000
3. Charles B. Spaulding, An Introducation to Industrial Sociology, D.B. Taraporevals and Company, 1970.

4. Delbeat C. Miller and W.H. Form, Industrial Sociology of Work organization, Harper and Row Publisher, New York, 1967

### ৩. আৰ্হি প্ৰশ্ন ঃ

- শ্ৰমিক সংঘ বুলিলে কি বুজা ? আলোচনা কৰা
- শ্ৰমিক সংঘৰ বিভিন্ন ভাগসমূহ চমুকৈ আলোচনা কৰা।
- শ্ৰমিক সংঘৰ বিভিন্ন উদ্দেশ্যসমূহ আলোচনা কৰা।
- অন্তঃ গাঁথনিমূলক কাৰ্য্য বুলিলে কি বুজা ? শ্ৰমিক সংঘৰ অন্তঃ গাঁথনিমূলক কাযসমূহ আলোচনা কৰা।
- শ্ৰমিক সংঘৰ বৰ্হিঃ গাঁথনিমূলক কাযা বুলিলে কি বুজা। কেইটামান প্ৰধান বহিঃগাঁথনিমূলক কাৰ্য্য আলোচনা কৰা।

### প্ৰসংগ পুথি ঃ

1. Borah, R. and A. Borah, “Udyogor Samjtatta”, Bidya Bhawan, Jorhat, Assam, 2014.
2. Borthakur, B.N. and R. Bordoloi, “Udyogik Samajtatta aru Sarmik Kalyan”, Bidya Bhaban, Jorhat, 2008-09.
3. Deshpande, Archana, “ Jndustrial Sociology”, Sun India Publications, New Delhi, 2010.
4. Doley, D. “Udyogik Samajtatta”, Students’ Emporium, Dibrugarh, Assam, 2004
5. Tyagi, B.P. “Labour Economics and Scoial Welfare’, Jai Prakash Nath and Co, Meerut, 2000.

**সমাজতত্ত্ব**

**পাঠ্যক্ৰম ঃ সমাজতত্ত্ব - ৩০৫**

**খণ্ড নম্বৰ - ৩**

**ঔদ্যোগিক সমাজতত্ত্ব আৰু শ্ৰমিক কল্যান**

## বিষয়সূচী

**গোট ১ ঃ ঔদ্যোগিক বিবাদ ঃ** অৰ্থ, স্বৰূপ আৰু কাৰণ। উদ্দেশ্য, প্ৰস্তাৱনা, ঔদ্যোগিক বিবাদৰ অৰ্থ ও সংজ্ঞা, ঔদ্যোগিক বিবাদৰ স্বৰূপ বা প্ৰকাৰ, ঔদ্যোগিক বিবাদৰ কাৰণ, ঔদ্যোগিক বিবাদ নিৰাময়ৰ পদ্ধতি, সামৰণি।

**গোট ২ ঃ শ্ৰমিক সংঘ ঃ** অৰ্থ, প্ৰকাৰ, উদ্দেশ্য আৰু কাৰ্য্যৱলী।
উদ্দেশ্য, প্ৰস্তাৱনা, শ্ৰমিক সংঘৰ অৰ্থ ও সংজ্ঞা, শ্ৰমিক সংঘৰ প্ৰকাৰ, শিল্প শ্ৰমিক বা খনিকৰ সংঘ, ঔদ্যোগিক শ্ৰমিক সংঘ, সাধাৰণ শ্ৰমিক সংঘ, যৌথ শ্ৰমিক সংঘ বা বনুৱা পৰিষদ, প্ৰাথমিক সংঘ, ঔদ্যোগিক যৌথ সংঘ, জাতীয় কেন্দ্ৰ বা সংঘ, শ্ৰমিক সংঘৰ লক্ষ্য বা উদ্দেশ্য, শ্ৰমিক সংঘৰ কাৰ্য্যৱলী, অন্তঃগাঁথনিমূলক কাৰ্য্যৱলী, বহিঃ গাঁথনিমূলক কাৰ্য্যৱলী, ৰাজনৈতিক কাৰ্য্যৱলী, সামৰণি।

**গোট ৩** ঃ ভাৰতবৰ্যত শ্ৰমিক সংঘৰ বিকাশ। উদ্দেশ্য, প্ৰস্তাৱনা, ভাৰতবৰ্যত শ্ৰমিক সংঘ, ভাৰতবৰ্যত শ্ৰমিকসংঘৰ ইতিহাস আৰু বিকাশ, ????

## খণ্ড নম্বৰ - ৩
## ঔদ্যোগিক সমাজতত্ব আৰু শ্ৰমিক কল্যান
## গোট নম্বৰ -১
## ঔদ্যোগিক বিবাদ ঃ অৰ্থ, স্বৰূপ আৰু কাৰণ

**গঠন বিন্যাস ঃ**

১.০ উদ্দেশ্য
১.১ প্ৰস্তাৱনা
১.২ ঔদ্যোগিক বিবাদৰ অৰ্থ ও সংজ্ঞা, অগ্ৰগতি নিৰীক্ষণ
১.৩ ঔদ্যোগিক বিবাদৰ স্বৰূপ বা প্ৰকাৰ অগ্ৰগতি নিৰীক্ষণ
১.৪ ঔদ্যোগিক বিবাদৰ কাৰণ অগ্ৰগতি নিৰীক্ষণ
১.৫ ঔদ্যোগিক বিবাদ নিৰাময়ৰ পদ্ধতি অগ্ৰগতি নিৰীক্ষণ
১.৬ সামৰণি
১. ঘাই শব্দসমূহ
২. পাঠ্য নিৰ্দেশনা
৩. আৰ্হি প্ৰশ্ন
৪. প্ৰসঙ্গ পুথি।

খণ্ড নম্বৰ ৩ ঃ ঔদ্যোগীক সমাজতত্ব আৰু শ্ৰমিক সংঘ
গোট নম্বৰ ১ ঃ ঔদ্যোগীক বিবাদ ঃ অৰ্থ, স্বৰূপ আৰু কৰাণ।

**১.০ উদ্দেশ্য ঃ**

- এই গোটটি পঢ়িলে তোমালোকে উদ্যোগিক বিবাদ অৱধাৰণা সম্পৰ্কে বুজিব পাৰিব।
- ঔদ্যোগিক বিবাদৰ বিভিন্ন স্বৰূপ বা ভাগ সমূহৰ বিষয়ে অৱগত হ'ব পাৰিবা।
- ঔদ্যোগিক বিবাদৰ বিভিন্ন কাৰণসমূহ জানিব পাৰিবা।
- ঔদ্যোগিক বিবাদ নিৰাময়ৰ পদ্ধতি সম্পৰ্কে অনুধাৱন কৰিব পাৰিবা।

**১.১ প্ৰস্তাৱনা ঃ**

ঔদ্যোগিক সমাজতত্ব আৰু শ্ৰমিক কল্যাণ সম্পৰ্কত পূৰ্বৰ খণ্ড সমূহত

ইতিমধ্যে তোমালোকে ঔদ্যোগিক সমাজতত্বৰ অৰ্থ, প্ৰকৃতি আৰু ইয়াৰ বিকাশ সম্পৰ্কে অধ্যয়ন কৰি আহিলা। এই গোটটিত ঔদ্যোগিক সমাজতত্বৰ এটা অন্যতম অৱধাৰণা ঔদ্যোগিক বিবাদ সম্পৰ্কে আলোচনা কৰিবলৈ লোৱা হৈছে। উল্লেখযোগ্য যে, ঔদ্যোগিক বিবাদ ঔদ্যোগিক সমাজৰ এক সচৰাচৰ ঘটনা। গতিকে ঔদ্যোগিক সমাজৰ বিষয়ে বিস্তৃতভাৱে অধ্যয়ন কৰিবলৈ যাওঁতে আমি এই ঔদ্যোগিক বিবাদ সম্পৰ্কেও জনাতো প্ৰয়োজন। সেয়েহে এই গোটটিত ঔদ্যোগিক বিবাদৰ অৰ্থ স্বৰূপ, কাৰণ আৰু ইয়াৰ নিৰাময়ৰ পদ্ধতি সম্পৰ্কে বিতংকৈ আলোচনা কৰিবলৈ লোৱা হৈছে।

**১.২ ঔদ্যোগিক বিবাদৰ অৰ্থ ও সংজ্ঞা ঃ**

ঔদ্যোগিক সমাজতত্ত্ব সাধাৰণ সমাজতত্বৰ এটা গুৰুত্বপূৰ্ণ শাখা। সমাজতত্বৰ এটা শাখা হিচাপে ঔদ্যোগিক সমাজতত্বইও ঔদ্যোগিক সমাজৰ সামাজিক সমন্ধৰ স্বৰূপ সম্পৰ্কে আলোচনা কৰে, যিদৰে সমাজতত্বই মানৱ সমাজৰ সামাজিক সমন্ধৰ দিশটো আলোচনা কৰে। গতিকে, ঔদ্যোগিক সমাজৰ সামাজিক সম্বন্ধৰ স্বৰূপ আলোচনা কৰিবলৈ যাওঁতে ঔদ্যোগিক সমাজতত্বই ঔদ্যোগিক বিবাদ সম্পৰ্কেও আলোচনা কৰিব লগা হয়। কিয়নো ঔদ্যোগিক সমাজৰ সামাজিক সম্বন্ধত দেখা দিয়া কেৰুণৰ ফলতেই ঔদ্যোগিক বিবাদৰ সৃষ্টি হয়।

এইখিনিতে প্ৰশ্ন হয়, ঔদ্যোগিক বিবাদ কি? সাধাৰণ অৰ্থত ঔদ্যোগিক বিবাদ হ'ল পুজিপতি আৰু শ্ৰমিক শ্ৰেণীৰ মাজৰ সংঘাট। আমি ইতিমধ্যে পূৰ্বৰ খণ্ড এটাত ঔদ্যোগিক সমাজৰ বিষয়ে আলোচনা কৰোতে এইটো উল্লেখ কৰি আহিছো যে ঔদ্যোগিক সমাজত জটিল ৰূপত শ্ৰমৰ বিভাজন ঘটে। এনে জটিল শ্ৰম বিভাজনৰ ফলত উদ্যোগ প্ৰতিষ্ঠানত নিয়োজিত শ্ৰমিক সকলৰ মাজত লগতে শ্ৰমিক আৰু নিয়োগকৰ্তাৰ মাজত সম্পৰ্ক অধিক নৈব্যক্তিক হ'বলৈ আৰম্ভ কৰে। ফলস্বৰূপে ঔদ্যোগিক সমাজ পুজিপতি বা নিয়োগকৰ্তা আৰু শ্ৰমিক সকল ক্ৰমান্বয়ে নিজ স্বাৰ্থৰ সকে চিন্তা ও কাম কৰিবলৈ লয়। এনে পৰিস্থিতিত নিয়োগকৰ্তা সকলে অধিক মুনাফা আদায়ৰ চেষ্টা কৰে আৰু শ্ৰমিক সকলে এক সুস্থ আৰু সবল আৰ্থিক অৱস্থাৰ বাবে অধিক মজুৰী দাবী কৰে। ফলস্বৰূপে দুয়ো শ্ৰেণীৰ মাজত সম্পৰ্কৰ ব্যৱধান ঘটে আৰু পৰিণতিত ঔদ্যোগিক বিবাদৰ সৃষ্টি হয়।

ঔদ্যোগিক বিবাদে এটা ঔদ্যোগত নিয়ো.জিত কৰ্মীসকলৰ অসন্তুষ্টিৰ পৰিণতিত সৃষ্টি হোৱা জটিল অৱস্থা আৰু বিবাদময় সমস্যাৰ বুজায়। উল্লেখযোগ্য যে ঔদ্যোগিক প্ৰতিষ্ঠানৰ কৰ্মীসকল বিভিন্ন কাৰণত অসন্তুষ্ট হ'ব পাৰে। তাৰ ভিতৰত নিয়োগকৰ্তা সকলে শ্ৰমীক সকলক কৰা শোষণ ইয়াৰ এক প্ৰধান কাৰণ বুলিব পাৰি।

আমি জানো যে, আধুনিক ঔদ্যোগিক ব্যৱস্থাত মূলধন আৰু শ্ৰমক পৃথকভাৱে গণ্য কৰা হয় আৰু দুয়োটাৰে নিয়ন্ত্ৰণ সুকীয়া সুকীয়া ধৰণৰ হয়। অৰ্থাৎ পুজিপতি সকলে মূলধন যোগান আৰু নিয়ন্ত্ৰণ কৰে আৰু শ্ৰমিক সকলে শ্ৰমৰ যোগান ধৰে। ইতিমধ্যে উল্লেখ কৰি অহা মতে, যিহেতু এই দুয়োটা শ্ৰেণীৰ স্বাৰ্থ সুকীয়া সেইবাবে দুৰ্বল সকলক শোষণ কৰি অধিক মুনাফা অৰ্জনৰ চেষ্টা পুজিপতি সকলে কৰা দেখা যায়। আনহাতে শ্ৰমৰ অধিকাৰী যদিও শ্ৰমিক সকল তথাপি তেওঁলোকে নিজৰ ইচ্ছা মতে নিজৰ শ্ৰম বিক্ৰী কৰিবলৈ সুবিধা নাপায়। যাৰবাবে তেওঁলোক পুজিপতি বা নিয়োগকৰ্তাৰ ওপৰত নিৰ্ভৰ কৰিব লগা হয়। শ্ৰমিক সকলৰ এনে নিৰ্ভৰশীলতাই নিয়োগকৰ্তা সকলক অধিক শক্তিশালী কৰি তোলে আৰু সেই শক্তি প্ৰয়োগেৰে শ্ৰমিক সকলক শোষণ কৰিবলৈ যত্ন কৰে। এনেদৰে শ্ৰমিক আৰু পুজিপতি বা নিয়োগকৰ্তা সকলৰ মাজত মতভেদৰ সৃষ্টি হয় আৰু ঔদ্যোগিক বিবাদে গা কৰি উঠে।

গতিকে ওপৰোক্ত আলোচনাৰ পৰা এইটো স্পষ্ট হ'ল যে ঔদ্যোগিক বিবাদ ঔদ্যোগিক প্ৰতিষ্ঠানত সৃষ্টি হোৱা এক সংঘাত। ঔদ্যোগিক প্ৰতিষ্ঠানৰ বিভিন্ন শ্ৰেণী মানুহৰ নিজৰ স্বাৰ্থ সুৰক্ষিত কৰিবলৈ কৰা প্ৰচেষ্টাৰ ফলতেই এনে সংঘাত সৃষ্টি হয় বুলিব পাৰি। ঔদ্যোগিক বিবাদৰ ফলত কেৱল বিবাদৰ নিয়োজিত লোকসকলৰে যে লোকচান হয় এনে নহয়, সমগ্ৰ সমাজত ইয়াৰ প্ৰত্যক্ষ বা পৰোক্ষ প্ৰভাৱ দেখিবলৈ পোৱা যায়।

Industrial Dispute Act, Section 2 (k) ত উল্লেখ কৰা মতে, "ঔদ্যোগিক বিবাদ মানে হ'ল নিয়োগকৰ্তা আৰু নিয়োগকৰ্তা বা নিয়োগকৰ্তা আৰু কৰ্মচাৰী বা কৰ্মচাৰী আৰু কৰ্মচাৰীৰ মাজত হোৱা যিকোনো বিবাদ বা পাৰ্থক্য যি নিয়োগ বা অনানিয়োগ বা নিয়োগৰ ক্ষেত্ৰত বা শ্ৰমিকৰ অৱস্থাৰ লগত জড়িত।" গতিকে, দেখা গ'ল যে, ঔদ্যোগিক বিবাদ কেৱল শ্ৰমিকৰ আৰ্থিক অৱস্থাৰ লগতে জড়িত নহয় বা কেৱল শ্ৰমিক আৰু নিয়োগকৰ্তাৰ মাজতে এই বিবাদ সীমিত নাথাকে। পৰিস্থিতি সাপেক্ষে একে স্বাৰ্থৰ নিয়োগকৰ্তা আৰু নিয়োগকৰ্তা বা শ্ৰমিক আৰু শ্ৰমিকৰ মাজতো এনে বিবাদ হ'ব পাৰে। আনহাতে, এনে বিবাদ মূলত নিয়োগ বা অনা-নিয়োগ সংক্ৰান্তিয় হয় যদিও প্ৰায়বোৰ বিষাদেই শ্ৰমিকৰ অৱস্থা বুলি কওঁতে কেৱল শ্ৰমিকৰ আৰ্থিক অৱস্থাৰ কথাকে বুজোৱা নাই। আৰ্থিক অৱস্থাৰ লগতে, তেওঁলোকৰ কাম কৰাৰ অৱস্থা, মজুৰী, ইত্যাদি অৱস্থা সমূহৰ বাবেও ঔদ্যোগিক বিবাদ সৃষ্টি হ'ব পাৰে। এনেদৰে, নিয়োগ বিষয়ক কিছুমান পৰিস্থিৰ বাবে নিয়োগকৰ্তা আৰু নিয়োগ কৰৰ্তা বা নিয়োগকৰ্তা আৰু শ্ৰমিকৰ মাজতে সময়ে সময়ে বিবাদ হোৱাও পৰিলক্ষিত হয়। মুঠতে, ঔদ্যোগিক বিবাদ এক বিবাদময় পৰিস্থিতি যিটো নিয়োগকৰ্তা, শ্ৰমিক

বা উভয় শ্ৰেণীৰ মাজত আৰ্থিক, বা অনাআৰ্থিক বা নিয়োগ সংক্ৰান্তিয় বা ৰাজনৈতিক বিষয়ক লৈ সৃষ্টি হয়। এনে বিবাদৰ ফলত শ্ৰমিক আৰু নিয়োগকৰ্তাৰ অনিষ্ট হোৱাৰ লগতে সমাজৰ সকলো শ্ৰেণী লোককে প্ৰভাৱিত কৰে আৰু দেশৰ আৰ্থিক অৱস্থাত বিৰূপ প্ৰভাৱ পেলায়।

**অগ্ৰগতি নিৰীক্ষণ ঃ**

- ঔদ্যোগিক বিবাদ কি?
- ঔদ্যোগিক বিবাদ আইন মতে ইয়াৰ সংজ্ঞা দিয়া।
- ঔদ্যোগিক বিবাদ শ্ৰমিকৰ আৰ্থিক অৱস্থাৰ লগত কেনেদৰে জড়িত আলোচনা কৰা।
- ঔদ্যোগিক বিবাদ কোন কোন শ্ৰেণীৰ মাজত হ'ব পাৰে?

**১.৩ ঔদ্যোগিক বিবাদৰ স্বৰূপ বা প্ৰকাৰ ঃ**

ঔদ্যোগিক বিবাদৰ স্বৰূপ বা প্ৰকাৰ বিভিন্ন ধৰণৰ হোৱা দেখা যায়। সাধাৰণতে ইয়াৰ ভাগসমূহ বিবাদত জড়িত থকা শ্ৰেণী সমূহৰ ওপৰত ভিত্তি কৰি কৰা হয়। যি কি নহওঁক, ঔদ্যোগিক বিবাদৰ প্ৰধান ভাগ সমূহ তলত চমুকৈ আলোচনা কৰা হ'ল —

**১. ধৰ্মঘট ঃ** ধৰ্মঘট হ'ল শ্ৰমিক শ্ৰেণীৰ অসন্তোষ্টি ফলত শ্ৰমিক সকলৰ পক্ষৰ পৰা আৰম্ভ কৰা এক প্ৰতিবাদ। সাধাৰণতে দেখা যায় যে, নিয়োগকৰ্তা বা মালিকপক্ষ বা পুজিপতিৰ শোষণৰ বিৰুদ্ধে প্ৰতিবাদ কৰিবলৈ গৈ শ্ৰমিকসকলে ধৰ্মঘটৰ দৰে কাৰ্য্যসূচী গ্ৰহণ কৰে। মজুৰী বৃদ্ধি, কৰ্ম অৱস্থাৰ উন্নতি আদি বিভিন্ন কাৰণত শ্ৰমিক সকলে ধৰ্মঘট কৰা দেখা যায়। আনকথাত, ধৰ্মঘট হ'ল নিয়োগকাৰী সকলক শ্ৰমিক সকলে কৰা অসহযোগীতাক আমি ধৰ্মঘট বুলিব পাৰো। লক্ষ্য কৰিলে দেখা যায় যে ধৰ্মঘটৰ প্ৰথম অৱস্থাত শ্ৰমিক সকলে কৰ্মত অসহযোগীতা কৰে। পৰৱৰ্তী পৰ্য্যায়ত বিভিন্ন সভা-সমিতিৰ আয়োজন, শোভাযাত্ৰা ইত্যাদিৰ দ্বাৰা জনসাধাৰণ আৰু নিয়োগকাৰীৰ লগতে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ চেষ্টা কৰে আৰু শ্ৰমিক শ্ৰেণীৰ নেতৃবৰ্গৰ দ্বাৰা তেওঁলোকৰ দাবীসমূহ নিয়োগকৰ্তা আৰু চৰকাৰৰ ওচৰত উত্থাপন কৰিবলৈ বিচাৰে।

ইতিমেধ্য উল্লেখ কৰি অহা হৈছে যে, নিয়োগকৰ্তাৰ শোষণৰ প্ৰতিবাদ কৰ্লেই ধৰ্মঘটৰ আৰম্ভণি হয়। অৰ্থাৎ, যেতিয়া কোনো নিয়োগকাৰীয়ে শ্ৰমিকৰ

প্রয়োজনীয়তাখিনি পুৰণ কৰাত ব্যৰ্থ হয় বা শ্ৰমিকসকলৰ প্ৰয়োজনীয়তাখিনিৰ প্ৰতি সজাগ নহয় বা সেইখিনি পুৰণৰ বাবে কোনো ব্যৱস্থা গ্ৰহণ নকৰে তেতিয়াই ধৰ্মঘট সৃষ্টি হয়। গতিকে, শ্ৰমিকৰ সমস্যা যদি নিয়োগকাৰীয়ে আওকান কৰে বা তেওঁলোকৰ অভাৱ অভিযোগৰ প্ৰতি গুৰুত্ব প্ৰদান নকৰে তেতিয়া ধৰ্মঘট আৰম্ভ হয়।

যি কি নহওঁক প্ৰকৃতি অনুযায়ী ধৰ্মঘটক কিছুমান ভাগত ভাগ কৰিব পাৰি। সেই তলত দিয়া ধৰণৰ —

(ক) সহানুভূতিসূচক ধৰ্মঘট
(খ) ৰাজনৈতিক ধৰ্মঘট
(গ) সাধাৰণ ধৰ্মঘট
(ঘ) অনশন ধৰ্মঘট
(ঙ) হঠাৎ উদ্ভৱ হোৱা ধৰ্মঘট
(চ) ধৰ্মঘট বাহাল।

**(ক) সহানুভূতিসূচক ধৰ্মঘট (Sympathetic Strike) ঃ**

যদি কোনো ঔদ্যোগিক প্ৰতিষ্ঠানৰ শ্ৰমিকৰ ধৰ্মঘটৰ প্ৰতি সমৰ্থন আগবঢ়াই আন কোনো ঔদ্যোগৰ শ্ৰমিকে ধৰ্মঘট কাৰ্য্যসূচী হাতত লয় তেন্তে তেনে ধৰ্মঘটক সহানুভূতিসূচক ধৰ্মঘট বোলা হয়। এনে ধৰ্মঘটত তেওঁলোকৰ নিজৰ ঔদ্যোগ নিয়োগকৰ্তাৰ প্ৰতি কোনো দাবী নাথাকে, কেৱল সহানুভূতিক ভাৱে সমৰ্থন জনাই এনে ধৰ্মঘট কৰে।

**(খ) ৰাজনৈতিক ধৰ্মঘট (Political Strike) ঃ**

এনে ধৰ্মঘটৰ উদ্দেশ্য ঔদ্যোগিক নহয়। কেৱল ৰাজনৈতিক উদ্দেশ্যৰে এই ধৰ্মঘট কৰা হয়। চৰকাকৰ বা ৰাজহুৱা কতৃত্বক ৰাজনৈতিক হেঁচা দিয়াৰ উদ্দেশ্যে এনে আন্দোলন কৰা হয়।

**(গ) সাধাৰণ ধৰ্মঘট (General Strike) ঃ**

যেতিয়া কোনো শ্ৰমিক গোটে সাধাৰণভাৱে কিছুমান দাবী উত্থাপন কৰিবলৈ ধৰ্মঘটৰ আহ্বান জনায় তেনে ধৰ্মঘটক সাধাৰণ ধৰ্মঘট বোলে। হৰতাল বা বন্ধ কাৰ্য্যসূচী সমূহ এনে ধৰ্মঘটৰ ভিতৰত পৰে। অৱশ্যে এনে ধৰ্মঘটৰ অন্তৰালত ৰাজনৈতিক উদ্দেশ্যও থাকিব পাৰে।

**(ঘ) অনশন ধৰ্মঘট (Hunger Strike) ঃ**

যেতিয়া শ্ৰমিক সকলে তেওঁলোকৰ দাবী পুৰণ কৰিবৰ বাবে কৰ্মস্থলীৰ

ওচৰত এক বিশেষ সময়ৰ বাবে উপবাসে থাকি প্ৰতিবাদ কৰে তেনে ধৰ্মঘটক অনশন ধৰ্মঘট বোলে।

**(ঙ) হঠাৎ উদ্ভৱ হোৱা ধৰ্মঘট (Lightning Strike) ঃ**

আগতিয়াকৈ কোনো জাননী নিদিয়াকৈ যেতিয়া কোনো শ্ৰমিকগোটে ধৰ্মঘট কাযসূচী গ্ৰহণ কৰে তেনে ধৰ্মঘটক হঠাৎ উদ্ভৱ হোৱা ধৰ্মঘট বোলে। এনে ধৰ্মঘটৰ মূল উদ্দেশ্য ৰাজহুৱা উপযোগীতা বুলিব পাৰি।

**(চ) ধৰ্মঘট বাহাল (Stay-in-Strike) ঃ**

এনে ধৰ্মঘটত কৰ্মচাৰী সকলে কৰ্মস্থলীত উপস্থিত থাকি কৰ্মৰ পৰা বিৰত থাকে। গতিকে এনে ধৰ্মঘটক ধৰ্মঘট বাহাল বুলি কোৱা হয়।

**২. তলাবন্ধ ঃ** ইতিমধ্যে ধৰ্মঘট সম্পৰ্কত আলোচনাও উল্লেখ কৰি অহা হৈছে যে শ্ৰমিকৰ অসন্তুষ্টিৰ ফলত শ্ৰমিক পক্ষৰ পৰা ধৰ্মঘট কাৰ্য্যসূচী গ্ৰহণ কৰে। আনহাতে, তলাবন্ধ হ'ল এনে এক কাৰ্য্যসূচী যিটো মালিকপক্ষ বা নিয়োগকৰ্তাৰ পক্ষৰ পৰা গ্ৰহণ কৰা হয়। আগতেই উল্লেখ কৰি অহা হৈছে যে, ঔদ্যোগ প্ৰতিষ্ঠান এটাত শ্ৰমিক বা মালিক পক্ষৰ স্বাৰ্থ সুকীয়া সুকীয়া হয়। যাৰ বাবে নিজৰ স্বাৰ্থ সুৰক্ষিত কৰিবৰ বাবে দুয়ো পক্ষই অপ্ৰাণ চেষ্টা চলায়। ধৰ্মঘট শ্ৰমিকৰ স্বাৰ্থ সুৰক্ষিত কৰিবৰ বাবে গ্ৰহণ কৰা এক কাৰ্য্যসূচী বুলি ইতিমধ্যেই আলোচনা কৰি অহা হৈছে। কিন্তু, সকলো সময়তে মালিকপক্ষই শ্ৰমিক শ্ৰেণীৰ সকলো দাবী মানি লোৱাত বা পুৰণ কৰাত অপাৰগ হয়। তেনে পৰিস্থিতিত নিয়োগকাৰীয়ে তলাবন্ধৰ দৰে কাৰ্য্যসূচী গ্ৰহণ কৰিব লগা হয়।

অনুমান কৰিব পাৰি যে - তলাবন্ধ হ'ল এনে এক কাৰ্য্যসূীচ যত কৰ্মক্ষেত্ৰ বা ঔদ্যোগ প্ৰতিষ্ঠান এটা কামৰ বাবে বন্ধ কৰি দিয়া হয়। শ্ৰমিক সকলে ধৰ্মঘটৰ জৰিয়তে কৰা দাবীসমূহ পুৰণ কৰিবলৈ অপাৰগ হ'লে নিয়োগকৰ্তাই শ্ৰমিকসকলৰ প্ৰতি কিছুমান চৰ্ত আৰূপ কৰে। কিন্তু, শ্ৰমিক সকলেও নিজৰ দাবীত অটল থাকি নিয়োগকৰ্তাৰ চৰ্ত সমূহ মানিবলৈ অস্বীকাৰ কৰে। তেনে পৰিস্থিতিত নিয়োগকৰ্তাৰ ফালৰ পৰা তলাবন্ধ কাৰ্য্যসূচী গ্ৰহণ কৰা হয়। অৰ্থাৎ, যেতিয়া লৈকে শ্ৰমিকসকলে নিয়োগকৰ্তাই বান্ধি দিয়া চৰ্তসমূহ মানি নলয় তেতিয়ালৈকে নিয়োগকাৰীয়ে কাৰাখানা বা উদ্যোগৰ কাম বন্ধ কৰা পদ্ধতি গ্ৰহণ কৰিব পাৰে। এনে অৱস্থাত শ্ৰমিক আৰু কৰ্মচাৰীকৰ ঔদ্যোগত প্ৰৱেশ নিষিদ্ধ কৰা হয়।

তলাবন্ধৰ ফলত কেতিয়াবা শ্ৰমিকে হিংসাত্মক পৰিস্থিতিৰ সৃষ্টি কৰে, যাৰ ফলত ঔদ্যোগৰ ক্ষতি হয় আৰু শ্ৰমিক সকলৰো জীৱিকাৰ উপায় বন্ধ হয়। সেইদৰে, এনে তলাবন্ধৰ ফলত দেশৰ অৰ্থনৈতিক অৱস্থাৰো অনিষ্ট সাধন কৰে। আনহাতে, আধুনিক ঔদ্যোগসমূহ যিহেতু আন বহু ঔদ্যোগ প্ৰতিষ্ঠানৰ লগত জৰিত হৈ থাকে, গতিকে এটা ঔদ্যোগৰ তলাবন্ধ কাৰ্য্যসূচীয়ে আন আন সম্পৰ্কযুক্ত ঔদ্যোগতো প্ৰভাৱিত কৰে। সেইদৰে, ঔদ্যোগৰ লগত জৰিত মধ্যবৰ্তী লোকসকলৰো ক্ষতি হয়। গতিকে, ধৰ্মঘটৰ দৰে তলাবন্ধও ৰোধ কৰাতো প্ৰয়োজন।

**অগ্ৰগতি নিৰীক্ষণ ঃ**

- ঔদ্যোগিক বিবাদৰ প্ৰধান ভাগ দুটা কি কি?
- ধৰ্মঘটৰ বিভিন্ন ভাগ সমূহ কি কি?
- ধৰ্মঘট কোনটো পক্ষৰ পৰা আৰম্ভ কৰা হয়।
- তলাবন্ধ কোনটো পক্ষৰ পৰা আৰম্ভ হয়।
- কি পৰিস্থিতিত তলাবন্ধ কাৰ্য্যসূচী গ্ৰহণ কৰিব লগা হয়।
- ধৰ্মঘট বা তলাবন্ধই কিদৰে দেশৰ অৰ্থনীতি অনিষ্ট কৰে আলোচনা কৰা।

**১.৪ ঔদ্যোগিক বিবাদৰ কাৰণ ঃ**

ধৰ্মঘট আৰু তলাবন্ধ সম্পৰ্কে ইতিমধ্যে কৰা আলোচনাত ঔদ্যোগিক বিবাদৰ কিছুমান কাৰণ উল্লেখ কৰি অহা হৈছে। কিন্তু, কেৱল সেইসমূহ কাৰণৰ বাবেই ঔদ্যোগিক বিবাদ হয় বুলি কব নোৱাৰি। অৰ্থাৎ, ঔদ্যোগিক বিবাদৰ আৰু বহুতো কাৰণ আছে। সেই সমূহ চমুকৈ আলোচনা কৰা হ'ল—

**১. নিম্ন মজুৰি (Low Wages) ঃ** ইতিমধ্যে পূৰ্বৰ আলোচনাত উল্লেখ কৰি অহা হৈছে যে — অৰ্থনৈতিক কাৰণতো ঔদ্যোগিক বিবাদ হ'ব পাৰে। কামৰ বিনিময়ত শ্ৰমিক সকলে লাভ কৰা মজুৰি সংক্ৰান্তটো ঔদ্যোগিক বিবাদ সৃষ্টি হ'ব পাৰে। শ্ৰমিকৰ মজুৰি যদি দৈনন্দিন জীৱন-যাপনৰ বাবে পয্যাপ্ত নহয় তেনেস্থলত ঔদ্যোগিক বিবাদ হোৱাতো স্বাভাৱিক। কিয়নো, শ্ৰমিকৰ মজুৰিৰ ওপৰতেই পৰিয়ালৰ ভৰণ-পোষণ, সন্তান-সন্ততিৰ শিক্ষা, স্বাস্থ্য আদি নিৰ্ভৰ কৰে। গতিকে, এই সমূহ ক্ষেত্ৰত যদি শ্ৰমিক সকলে নিজৰ মজুৰিৰে যথোপযুক্তভাৱে পৰিচালনা কৰিব নোৱাৰে তেন্তে মজুৰি বৃদ্ধিৰ দাবীত ধৰ্মঘট কৰা দেখা যায়। গতিকে, কম মজুৰি ঔদ্যোগিক বিবাদৰ

এটা প্ৰধান কাৰণ বুলিব পাৰি।

**২. মূল্য বৃদ্ধি (Rising Price) ঃ**

সামগ্ৰীৰ মূল্যবৃদ্ধিও শ্ৰমিকৰ মজুৰিৰ লগতে জৰিত এটা বিষয় আৰু ইও ঔদ্যোগিক বিবাদৰ এটা অন্যতম কাৰণ। দেখা যায় যে, খাদ্য সামগ্ৰীকে আদি কৰি অন্যান্য নিত্য ব্যৱহিত সামগ্ৰীৰ অত্যাধিক মূল্য বৃদ্ধিৰ লগত ৰজিতা খায় চলিবলৈ হ'ল সময়ে সময়ে শ্ৰমিকৰ লগতে অন্যান্য কৰ্মচাৰীৰ মজুৰি বৃদ্ধি হোৱাটোও প্ৰয়োজন। কিন্তু, এটা দিশৰ পৰা ঔদ্যোগপতি সকলে উৎপাদিত সামগ্ৰীৰ মূল্যবৃদ্ধি কৰি নিজৰ মুনাফা বৃদ্ধি কৰে যদিও তেওঁলোকে শ্ৰমিকৰ মজুৰি বৃদ্ধিত কিন্তু গুৰুত্ব নিদিয়ে। ফলত, শমিকসকলে সামগ্ৰীৰ বৰ্ধিত মূল্যবৃদ্ধি নিজৰ সীমিত মজুৰিৰে মোকাবিলা কৰিব নোৱৰা হয়। গতিকে, সামগ্ৰীৰ মূল্য বৃদ্ধিৰ প্ৰতিবাদত বা নিজৰ মজুৰি বৃদ্ধিৰ দাবীত শ্ৰমিকসকলে ধৰ্মঘটৰ দৰে কাৰ্য্যসূচী গ্ৰহণ কৰে।

**৩. অসন্তোষজনক কামৰ অৱস্থা (Unsatisfactory Working Condition) ঃ**

শ্ৰমিকসকলে ঔদ্যোগিক প্ৰতিষ্ঠানত কাম কৰা অৱস্থা সংক্ৰান্তটো ঔদ্যোগিক বিবাদ সৃষ্টি হ'ব পাৰে। উল্লেখযোগ্য যে, ঔদ্যোগিক প্ৰতিষ্ঠানৰ উৎপাদন বৃদ্ধিৰ লগতে ঔদ্যোগপতি সকলৰ অধিক মুনাফাৰ লগত শ্ৰমিকৰ কাম কৰাৰ অৱস্থাৰ ওতঃপ্ৰোত সম্পৰ্ক আছে। কিয়নো, উপযুক্ত পৰিৱেশ অবিহনে শ্ৰমিকে সঠিকভাৱে কাম কৰিব নোৱাৰিব আৰু এনে পৰিপেক্ষিতত উৎপাদন হ্ৰাস পাব। আনহাতে, শ্ৰমিকৰ সুস্বাস্থ্য ৰক্ষা কৰি চলিবলৈও এটা সুস্থ কৰ্ম অৱস্থাৰ প্ৰয়োজন। কৰ্ম ক্ষেত্ৰত সঠিক পোহৰ, কৰ্মৰ মাজত জিৰণিৰ ব্যৱস্থা, হাত-মুখ ধোবৰ বাবে পানীৰ ব্যৱস্থা, বিপদ সংকুল কামৰ ক্ষেত্ৰত উচিত প্ৰতিৰক্ষা, আদিৰ যোগানে সঠিক কৰ্ম অৱস্থাক বুজায়। গতিকে, এনেবোৰ সুবিধাৰ পৰা বঞ্চিত শ্ৰমিকে এইবোৰৰ দাবীত ধৰ্মঘটৰ কাৰ্য্যসূচী গ্ৰহণ কৰা দেখা যায়।

**৪. মজুৰী সহ ছুটীৰ দাবী (Demand for Leave with Pay) ঃ**

ঔদ্যোগিক বিবাদৰ আন এটা প্ৰধান কাৰণ হ'ল মজুৰীৰ সৈতে ছুটীৰ দাবী। আকস্মিক দুৰ্ঘটনা বা আন কিবা কাৰণত শ্ৰমিকে ছুটী ল'ব লগা হ'লে সেই ছুটীৰ দিনটোক যাতে শ্ৰমিক সকলে মজুৰী লাভ কৰে তাৰ দাবীত কেতিয়াবা ধৰ্মঘট হোৱা দেখা যায়, যদিহে নিয়োগকৰ্তাই '....' নীতি গ্ৰহণ কৰে। আনহাতে, সাপ্তাহিক ছুটীৰ দাবীও এই শ্ৰেণীৰ ভিতৰতে অন্তৰ্ভূক্ত কৰিব পাৰি।

**৫. বিষয়া বা নিয়োগকৰ্তাৰ দুৰ্ব্যৱহাৰ (Misconduct of Officers) ঃ**

বৰ্তমান সময়ৰ শ্ৰমিক সকল যিদৰে নিজৰ অধিকাৰৰ প্ৰতি সচেতন সেইদৰে

নিজৰ মান-সন্মানৰ প্ৰতিও সচেতন হোৱা দেখা যায়। সেইবাবে বিষয়াসকলে শ্ৰমিকসকলক কৰা যিকোনো দুৰ্ব্যৱহাৰ আৰু অপমানে তেওঁলোকক উত্তেজিত কৰি তোলে আৰু ইয়াৰ প্ৰতিবাদ স্বৰূপে বিভিন্ন সময়ত ঔদ্যোগিক বিবাদৰ সুত্ৰপাত হোৱা দেখা যায়। তেনে ক্ষেত্ৰত শ্ৰমিকসকলে ঘেৰাও বা নিৰ্দিষ্ট বিষয়াৰ উচিত শাস্তি দাবী কৰে।

**৬. উপযুক্ত বনাচৰ দাবী (Demand for Adequate Bonus) ঃ**

বিভিন্ন উৎসৱ-পাৰ্বনৰ আগে আগে শ্ৰমিক সকলক বনাচ প্ৰদান কৰাতো এটা প্ৰচলিত নিয়ম। এনে বনাচ প্ৰদানে শ্ৰমিক সকলক অধিক উৎসাহেৰে কাম কৰিবলৈ অনুপ্ৰেৰণা যোগায়। ফলত ঔদ্যোগিক উৎপাদন বৃদ্ধি হোৱাৰ লগতে নিয়োগকৰ্তা বা ঔদ্যোগপতি সকলৰো অধিক মুনাফাৰ পথ প্ৰশস্ত হয়। কিন্তু বহু ক্ষেত্ৰত দেখা যায় যে শ্ৰমিক সকলক বনাচৰ নামত সামান্য এটা অংশ প্ৰদান কৰি মালিক পক্ষই শোষণ কৰিবলৈ বিছাৰে। এনে ক্ষেত্ৰত শ্ৰমিক সকলে উচিত বনাচ দাবী কৰে। ফলস্বৰূপে বিবাদৰ সূত্ৰপাত হয়।

**৭. অত্যাধুনিক যন্ত্ৰপাতি প্ৰয়োগ আৰু শ্ৰমিকৰ কৰ্তন (Retrenchment of Labour due to Instalation of Sophisticated Mchine) ঃ**

বৰ্তমান সময়ত বিজ্ঞান প্ৰযুক্তিৰ বিকাশৰ ফলত ঔদ্যোগ ক্ষেত্ৰত প্ৰয়োগ কৰিব পৰাকৈ না না যন্ত্ৰপাতি উদ্ভাৱন হৈছে, যিবোৰ প্ৰয়োগৰ ফলত কম সময়ত আৰু খৰচত অধিক উৎপাদন সম্ভৱ হয়। কিন্তু, এনে অত্যাধুনিক যন্ত্ৰ-পাতি যিমানে প্ৰয়োগ কৰা হয় সিমানে শ্ৰমিকৰ প্ৰয়োজনীয়তা কমি আহে। ফলস্বৰূপে, পূৰ্বৰ পৰা নিয়োজিত বহু শ্ৰমিক ঔদ্যোগ প্ৰতিষ্ঠানৰ পৰা ছাটাই কৰিব লগা হয়। কিন্তু, এনে শ্ৰমিক সকলৰ পৰিয়াল পৰিচালনাৰ কোনো উপায় প্ৰদান নকৰে। গতিকে, এনে শ্ৰমিক সকলৰ পুনঃ নিয়োগ বা পুনঃ সংস্থাপনৰ বাবে শ্ৰমিক সংঘই দাবী জনাই আৰু তেওঁলোকৰ দাবী গ্ৰহণ নকৰিলে বিবাদৰ সূত্ৰপাত হয়। গতিকে, অত্যাধুনিক যন্ত্ৰ পাতি প্ৰয়োগ ঔদ্যোগিক বিবাদৰ এটা প্ৰধান কাৰণ বুলিব পাৰি।

৮. শ্ৰমিক সংঘক স্বীকৃতি প্ৰদান নকৰা (Non-recognition of Trade Union) ঃ

এইটো সকলোৰে জ্ঞাত যে শ্ৰমিক সকলৰ নিজৰ স্বাৰ্থ সুৰক্ষিত কৰি ৰাখিবলৈ বিভিন্ন সংগঠনৰ জন্ম দিয়ে। শ্ৰমিক বিষয়ৰ যিকোনো বিষয়ত শ্ৰমিক সংঘৰ জৰিয়তে সমাধান কৰিবলৈ চেষ্টা কৰা হয়। আনহাতে, শ্ৰমিক কল্যাণ মূলক বিভিন্ন কাৰ্য্যসূচীও শ্ৰমিক সংগঠনৰ জৰিয়তে গ্ৰহণ কৰা হয়। অৱশ্যে, শ্ৰমিক সংগঠনৰ জৰিয়তে এনেবোৰ কাম কৰিবলৈ তেনে সংগঠন স্বীকৃতিপ্ৰাপ্ত হোৱাতো প্ৰয়োজন। কিন্তু,

কেতিয়াবা কেতিয়াবা নিয়োগকাৰী বা চৰকাৰী পক্ষৰ পৰা শ্ৰমিকৰ এনে সংগঠন সমূহ স্বীকৃতি প্ৰদান কৰিবলৈ নিবিচাৰে। মালিকপক্ষৰ মনত এনে মনোভাৱ দেখা দিলে শ্ৰমিক সকলে ধৰ্মঘটৰ দৰে কাৰ্য্যসূচী গ্ৰহণ কৰে আৰু ইয়াৰ ফলস্বৰূপে বিবাদৰ সূত্ৰপাত হয়।

**৯. মধ্যস্থতাকাৰীৰ দুৰ্ব্যহাৰ (Misconduct of Intermediaries) ঃ**

বহুতো ঔদ্যোগ প্ৰতিষ্ঠানত মালিক আৰু শ্ৰমিকৰ মাজত প্ৰত্যক্ষ যোগাযোগ নাথাকে। এনেক্ষেত্ৰত দুই পক্ষৰ মাজত যোগাযোগ ৰক্ষা কৰিবৰ বাবে মধ্যস্ততাকাৰী নিয়োগ কৰা হয়। ঔদ্যোগ প্ৰতিষ্ঠান সমূহত এনে মধ্যস্থতাকাৰী সকলৰ ভূমিকা অসীম। বিশেষকৈ শ্ৰমিক সকলৰ নিয়োগ ব্যৱস্থা আৰু ঔদ্যোগপতি সকলৰ লগত শ্ৰমিক সকলক সম্বন্ধ স্থাপনত এনে মধ্যস্থতাকাৰী সকলে যথেষ্ট ভূমিকা গ্ৰহণ কৰে। কিন্তু, মধ্যস্থতাকাৰীসকলে এনে ভূমিকা পালন কৰিবলৈ যাওঁতে যদি শ্ৰমিক সকলক আওঁকান কৰি মালিকপক্ষৰ স্বাৰ্থ ৰক্ষা কৰিবলৈ যায় বা পক্ষপাতিত্যমূলক আচৰণ কৰে তেন্তে ইয়াৰ প্ৰতিবাদত শ্ৰমিক সকলে বিবাদ সৃষ্টি কৰিব পাৰে। গতিকে, মধ্যস্থতাকাৰী সকল সদায় নিৰপেক্ষ হ'ব লাগে।

**১০. ৰাজনৈতিক কাৰণ (Political Causes) ঃ**

বৰ্তমান সময়ত ঔদ্যোগিক বিবাদৰ এটা অন্যতম কাৰণ হ'ল ৰাজনৈতিক কাৰণ। দেখা যায় যে, বিভিন্ন ৰাজনৈতিক দল সমূহে নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবে শ্ৰমিক সকলক ব্যৱহাৰ কৰে আৰু যিকোনো বিষয়ত শ্ৰমিক অধিকাৰৰ প্ৰশ্ন আনি শ্ৰমিক সকলক আন্দোলন কৰিবলৈ উৎসাহ জন্মাই। ফলস্বৰূপে শ্ৰমিকসকলেও তেনে ৰাজনৈতিক দল সমূহৰ সমৰ্থনত আন্দোলনৰ কাৰ্য্যসূচী গ্ৰহণ কৰে।

উপৰোক্ত কাৰণসমূহ পয্যালোচনা কৰি চালে দেখা যায় যে - শ্ৰমিকৰ অসন্তুষ্টিয়েই হ'ল ঔদ্যোগিক বিবাদৰ মূল কাৰণ। শ্ৰমিকৰ অৰ্থনৈতিক, ৰাজনৈতিক, সামাজিক, মানসিক আদি অধিকাৰ সমূহৰ পৰা বঞ্চিত হ'লৈই এনে অসন্তুষ্টি দেখা দিয়ে আৰু পৰিণতিত ঔদ্যোগিক বিবাদৰ সুচনা হয়। গতিকে, শ্ৰমিক আৰু মালিক বা চৰকাৰী পক্ষৰ মাজত উপযুক্ত সম্পৰ্ক ৰক্ষা কৰি এনে বিবাদ নাইকিয়া কৰিব পৰা যায় বুলি ক'ব পাৰি।

**অগ্ৰগতি নিৰীক্ষণ ঃ**

- ঔদ্যোগিক বিবাদৰ কাৰণসমূহ কি কি?

- কম মজুৰী ঔদ্যোগিক বিবাদৰ এটা কাৰণ হ'ব পাৰে নে?
- মধ্যস্থতাকাৰীৰ ভূমিকাই কেনেদৰে ঔদ্যোগিক বিবাদ সৃষ্টি কৰিব পাৰে?

**১.৫ ঔদ্যোগিক বিবাদ নিৰাময়ৰ পদ্ধতি ঃ**

ইতিমধ্যে ঔদ্যোগিক বিবাদৰ অৰ্থ, স্বৰূপ, কাৰণ আদি সম্পৰ্কে কৰা আলোচনাৰ পৰা এটা কথা নিশ্চিত হ'ল যে - ঔদ্যোগিক বিবাদ এক অনিষ্টকাৰক প্ৰক্ৰিয়া। ঔদ্যোগিক বিবাদে কেৱল শ্ৰমিক বা মালিক পক্ষৰে অনিষ্ট সাধন কৰে বুলি কলে ভুল হ'ব। কিয়নো মালিক আৰু শ্ৰমিকৰ অনিষ্ট কৰাৰ লগতে সামগ্ৰীকভাৱে ই দেশৰ অৰ্থনীতিটো পেলায় প্ৰভাৱ। কাৰণ, ঔদ্যোগিক বিবাদৰ বাবে যদি শ্ৰমিক পক্ষই নিজৰ দাবীৰ সমৰ্থনত ধৰ্মঘট কৰি কাম কৰাৰ পৰা বিৰত থাকে আৰু মালিকপক্ষইও যদি শ্ৰমিকৰ দাবী পুৰণ কৰিবলৈ অপৰাগতা প্ৰকাশ কৰি ঔদ্যোগ প্ৰতিষ্ঠান তলাবন্ধ কৰি ৰাখে তেন্তে দেশৰ অৰ্থনীতিত ই বেয়াকৈ প্ৰভাৱ পেলাব। গতিকে, ঔদ্যোগিক বিবাদ অৰ্থনৈতিক উন্নয়নৰ পৰিপন্থি। সেইকাৰণে, বৃহত্তৰ স্বাৰ্থৰ খাতিৰত এনে বিবাদ নিৰাময় কৰাতো প্ৰয়োজন।

ঔদ্যোগিক বিবাদ বিশ্বৰ সকলো সমাজতে দেখিবলৈ পোৱা যায়। সেয়েহে এক বিশ্বজনীন সমস্যা হিচাপে অৰ্থনীতিবিদ, সমাজতত্ববিদ আদিৰ লগতে মনস্তত্ববিদ সকলেও ইয়াক নিৰাময় কৰাৰ বাবে বিভিন্ন চিন্তা-চৰ্চা কৰি কিছুমান সমাধান সূত্ৰ আগবঢ়াইছে। একেদৰে ১৯৪৭ চনত গ্ৰহণ কৰা Industrial Dispute Act. য়েও ঔদ্যোগিক বিবাদৰ মাত্ৰা কমাবলৈ কিছুমান ব্যৱস্থা গ্ৰহণ কৰিছে। এই আইন মতে চাৰিটা প্ৰধান উপায়েৰে ঔদ্যোগিক সম্বন্ধ অটুট ৰাখি ঔদ্যোগিক বিবাদ নিৰাময় কৰিব পাৰি। সেইকেইটা হ'ল — (ক) পৰামৰ্শ বা আলোচনা-বিবেচনা (Conciliation), (খ) শান্তি প্ৰতিষ্ঠা বা ক্ষান্তকৰণ (Conciliation), (গ) মেল বা মীমাংসা (Arbitration) আৰু (ঘ) আইনগত বিচাৰ (Adjudication)। আনহাতে, উপৰুক্ত চাৰি প্ৰকাৰৰ উপায় প্ৰয়োগ কৰিবৰ বাবে মুঠতে সাত প্ৰকাৰৰ বেলেগ বেলেগ কতৃপক্ষৰ কথা ওপৰুক্ত আইনখনে উল্লেখ কৰিছে। এইখিনিতে উল্লেখ কৰিব লাগিব যে - ঔদ্যোগিক বিবাদ নিৰাময়ৰ বাবে গ্ৰহণ কৰা উপৰোক্ত ব্যৱস্থা সমূহক মূলতে দুটা ভাগত ভাগ কৰা হয়। যেনে - বৈধ বা আইনগত (Statutory) আৰু স্বেচ্ছাকৃত (Voluntary)। সেইদৰে, বৈধ বা আইনগতভাৱে ঔদ্যোগিক বিবাদ নিৰাময়ৰ আৰু দুটা উপায় বা কৌশল আছে। সেই দুটা হৈছে — কেন্দ্ৰীয় পৰ্য্যায়ৰ কৌশল আৰু ৰাজ্যিক পৰ্য্যায়ৰ কৌশল। যি কি নহওঁকIndustrial Dispute Act, 1947 ত উল্লেখ কৰা ঔদ্যোগিক বিবাদ নিৰাময়ৰ বাবে গ্ৰহণ কৰা ব্যৱস্থা সমূহ তলত চমুকৈ আলোচনা কৰা হ'ল—

**ক) কৰ্মধাৰ সমিতি (Works Committee)**

কৰ্মধাৰ সমিতি ঔদ্যোগিক বিবাদ নিষ্পত্তি কৰিবৰ বাবে গঠন কৰা এনে এখন সমিতি যি বিস্তৃত আলোচনাৰ মাধ্যমেৰে বিবাদ নিষ্পত্তি কৰিবলৈ চেষ্টা কৰে। উল্লেখযোগ্য যে- যিবোৰ ঔদ্যোগত এশ বা তাতোধিক শ্ৰমিক কৰ্মচাৰীয়ে কাম কৰে তেনে ঔদ্যোগত এনে সমিতি থকাতো বাধ্যতামূলক। এই সমিতি শ্ৰমিক আৰু নিয়োগকৰ্তা — দুয়ো পক্ষৰ প্ৰতিনিধি লৈ গঠিত হয় আৰু নিয়োগকৰ্তাতকৈ শ্ৰমিকৰ প্ৰতিনিধিৰ সংখ্যা কোনো গুনে কম হ'ব নোৱাৰিব। কৰ্মধাৰ সমিতিৰ মূখ্য কাম হৈছে শ্ৰমিক আৰু নিয়োগকৰ্তাৰ মাজৰ সম্পৰ্ক সুদৃঢ় কৰি ৰখা যাতে দুয়ো পক্ষৰ মাজত কোনো মতানৈক্যৰ সৃষ্টি হৈ কোনো ধৰণৰ বিবাদৰ সৃষ্টি নহয়। এই সমিতিয়ে শ্ৰমিক আৰু নিয়োগকৰ্তাৰ উমৈহতীয়া স্বাৰ্থৰ বাবে কাম কৰে। ভাৰতবৰ্ষৰ সৰ্বোচ্চ ন্যায়ালয়ে উল্লেখ কৰা মতে, কৰ্মধাৰ সমিতিৰ কোনো সিদ্ধান্তকে সাধাৰণভাৱে লোৱা নহয়। গতিকে বিবাদ নিষ্পতি কৰাৰ ক্ষেত্ৰটো এই সমিতিৰ ভূমিকা অসীম।

**(খ) শান্তি প্ৰতিষ্ঠা বা শান্তাকৰণ বৰ্ড / বিষয়া (Conciliation Borard/Officer) ঃ**

ঔদ্যোগিক বিবাদ আইনত উল্লেখ কৰা মতে শান্তি প্ৰতিষ্ঠা বা শান্তকৰণ বৰ্ড বা বিষয়াৰ দাৰাও ঔদ্যোগিক বিবাদ নিষ্পত্তি কৰিব পৰা যায়। এই ব্যৱস্থাত ৰাজ্যিক পৰ্য্যায়ত শ্ৰম আয়ুক্ত, অতিৰিক্ত শ্ৰম আয়ুক্ত, উপায়ুক্ত ইত্যাদি বিষয়া সকলক শান্তকৰণ বিষয়া হিচাপে ধৰা হয়। আনহাতে, তুলনামুলকভাৱে সৰু ঔদ্যোগ সমূহৰ বিবাহ নিষ্পত্তিৰ বাবে শ্ৰম বিষয়া সকলক শান্তকৰণ বিষয়া হিচাপে ধৰা হয়। এই ব্যৱস্থাটো আলোচনাৰ মাধ্যমেৰে বিবাদ নিষ্পত্তি কৰিবৰ বাবে চেষ্টা কৰা হয়।

**(গ) অনুসন্ধান আদালত (Court of Enquiry)**

১৯৪৭ চনৰ ঔদ্যোগিক বিবাদ আইনে চৰকাৰক একো একোখন অনুসন্ধান আদালত গঠন কৰিবৰ বাবে ক্ষমতা প্ৰদান কৰিছে আৰু ইয়াৰ জৰিয়তে ঔদ্যোগিক বিবাদ সম্বন্ধীয় যিকোনো বিষয় পৰীক্ষা নিৰীক্ষা কৰা হয়। আনহাতে, ইয়াৰ জৰিয়তে প্ৰকৃততে ঔদ্যোগিক বিবাদ হৈছেনে নাই সেইঅ সম্বন্ধে অনুসন্ধান কৰিব লাগে আৰু ছমাহৰ ভিতৰত চৰকাৰক প্ৰতিবেদন দলিল কৰিব লাগে আৰু ত্ৰিশ দিনৰ ভিতৰত আদালত ৰিৰ্পটসমূহ চৰকাৰে প্ৰকাশ কৰি লাগে। গতিকে, এনে অনুসন্ধান আদালতৰ দৰে ব্যৱস্থাইও ঔদ্যোগিক বিবাদৰ পৰিমান কিছু কমাব পাৰি বুলি ধৰা হয়।

**(ঘ) ৰাষ্ট্ৰীয় বিচাৰালয় (National Tribunal)**

ঔদ্যোগিক বিবাদ আইনমতে ৰাষ্ট্ৰীয় বিচাৰালয় কেন্দ্ৰীয় চৰকাৰৰ দাৰা গঠিত এটা ব্যৱস্থা। এই ব্যৱস্থাৰ জৰিয়তে ঔদ্যোগিক বিবাদ নিষ্পত্তি কৰা হয়।

ওপৰত উল্লেখ কৰা ঔদ্যোগিক বিবাদ নিষ্পত্তিৰ ব্যৱস্থা সমূহৰ উপৰিও স্বেচ্ছাকৃতভাৱে আন কিছুমান ব্যৱস্থাত এই উদ্দেশ্যেৰে গ্ৰহণ কৰা হয়। তাৰে কিছুমান ব্যৱস্থা তলত আলোচনা কৰা হ'ল—

**(ক) শ্ৰমিক সংঘৰ বিকাশ (Growth of Trade Union)** ঃ শ্ৰমিক সংগঠনৰ স্বীকৃতি প্ৰদান নকৰাৰ বাবে ঔদ্যোগিক বিবাদ সৃষ্টি হোৱাৰ বিষয়ে ইতিমধ্যে আলোচনা কৰি অহা হৈছে। গতিকে, এনে পৰিপেক্ষিতত শ্ৰমিক সংঘলৈ স্বীকৃতি প্ৰদান কৰিও এনে বিবাদ ৰুধ কৰিব পাৰি। শ্ৰমিক সংঘ সমূহে শ্ৰমিক সকলৰ অৱস্থাৰ ওপৰত চকু ৰাখে আৰু বিভিন্ন দিশত তেওঁলোকৰ গুৰুত্ব বৃদ্ধিৰ কাৰণে চেষ্টা কৰে। গতিকে, বিবাদ সৃষ্টিৰ কোনো সুৰুঙা সৃষ্টি হ'লে শ্ৰমিক সংঘই নিয়োগকৰ্তাৰ লগত সেই বিষয়ত আলোচনা কৰি মীমাংসা কৰিব পাৰে আৰু এটা নতুন বিবাদ সৃষ্টিৰ পৰা ৰক্ষা পাব পাৰি।

**(খ) শ্ৰমিক আৰু নিয়োগকৰ্তাৰ প্ৰত্যক্ষ যোগাযোগ (Direct Contact Between and Employees)** ঃ শ্ৰমিক আৰু মালিক পক্ষৰ প্ৰত্যক্ষ যোগাযোগৰ জৰিয়তে ঔদ্যোগিক বিবাদ কিছু পৰিমাণে কমাব পাৰি। এনে পৰিস্থিতিত শ্ৰমিকসকলে প্ৰত্যক্ষভাৱে নিয়োগকৰ্তাৰ ওচৰত তেওঁলোকৰ দাবীসমূহ উপথাপন কৰা সুবিধা পায় আৰু নিয়োগকৰ্তাইও শ্ৰমিক সকলৰ পৰা প্ৰত্যক্ষভাৱে তেওঁলোকৰ দাবী সমূহ গ্ৰহণ কৰিব পাৰে। আনহাতে, মধ্যস্ততাকাৰীয়ে কোনো পক্ষপাত মূলক আচৰণ কৰিবলৈ ইয়াত সুবিধা নাপায়।

**(গ) যৌথ সমিতি গঠন (Establishment of Joint Committee)** ঃ শ্ৰমিক আৰু নিয়োগকৰ্তাৰ মাজৰ বিবাদ নিষ্পত্তিৰ বাবে সাধাৰণতে প্ৰয়োগ কৰা আন এটা ব্যৱস্থা হ'ল যৌথ সমিতি গঠন। এই যৌথ সমিতি নিয়োগকৰ্তা, শ্ৰমিক আৰু ৰাইজৰ প্ৰতিনিধিক লৈ গঠিত হয় আৰু শ্ৰমিক-নিয়োগকৰ্তাৰ মাজত সৃষ্টি হোৱা যিকোনো বিবাদ নিষ্পত্তি কৰিবৰ বাবে ইয়াৰ দ্বাৰা চেষ্টা কৰা হয়।

**(ঘ) শ্ৰমিক আদালত (Labour Court)** ঃ ঔদ্যোগিক বিবাদে কেতিয়াবা এনে ৰূপ ধাৰণ কৰে যে ইতিমধ্যে উল্লেখ কৰি অহা কোনো এটা ব্যৱস্থাইও সেই বিবাদ নিষ্পত্তি কৰিবলৈ সক্ষম নহয়। এনে অৱস্থাত চৰকাৰে শ্ৰমিক আদালত স্থাপন

কৰে আৰু আইনৰ যোগেদি বিহিত ব্যৱস্থা গ্ৰহণ কৰে। গতিকে, শ্ৰমিক আদালত এক বিধিসন্মন ব্যৱস্থা বুলিব পাৰি।

**(ঙ) তিনিতৰণীয়া সমিতি গঠন (Establishment of Tripartiate Committee) ঃ** এই ব্যৱস্থাত শ্ৰমিক, নিয়োগকৰ্তাৰ উপৰিও চৰকাৰী পক্ষক জৰিত কৰা হয়। এনে কমিতিত শ্ৰমিক আৰু নিয়োগকৰ্তা সকলে মনোনীত কৰা ব্যক্তিসকলক অন্তভূক্ত কৰা হয়। তিনিতৰণীয়া সমিতিয়েও আলোচনাৰ মাধ্যমেৰে ঔদ্যোগিক বিবাদ নিষ্পত্তি কৰিবলৈ চেষ্টা কৰে।

**(চ) ঔদ্যোগিক সন্ধি (Industrial Truce) ঃ** ঔদ্যোগিক বিবাদ নিৰাময় বাবে গ্ৰহণ কৰা আন এটা উপায় হৈছে ঔদ্যোগিক সন্ধি। অতি জৰুৰী অৱস্থাত চৰকাৰে এক নিৰ্দিষ্ট সময়ৰ কাৰণে এনে ঔদ্যোগিক সন্ধি ঘোষণা কৰে। সন্ধিৰ সময়ছোৱাত ঔদ্যোগ ক্ষেত্ৰত কোনো আন্দোলনত, ধৰ্মঘট, তলাবন্ধ আদি কাৰ্য্যসূচী চলিব নোৱাৰে। গতিকে, এনে ব্যৱস্থাৰ জৰিয়তে ঔদ্যোগিক শান্তি প্ৰতিষ্ঠা কৰিব পৰা যায়।

গতিকে, দেখা গ'ল যে, ঔদ্যোগিক বিবাদ নিৰাময়ৰ বাবে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰে। অৱশ্যে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰা হৈছে যদিও ইয়াৰ ফলাফল আজিকোপতি সন্তোষজনক বুলিব নোৱাৰি। শ্ৰমিক সকলে নিজৰ পছন্দৰ এক সন্তোষজনক অৱস্থা লাভ কৰিবলৈ সক্ষম হোৱা নাই। গতিকে ইয়াৰ দাবীত তেওঁলোকে সময়ে সময়ে ধৰ্মঘটৰ দৰে কাৰ্য্যসূচী গ্ৰহণ কৰি আহিছে।

**অগ্ৰগতি নিৰীক্ষণ ঃ**

ঔদ্যোগিক বিবাদৰ নিষ্পত্তি বাবে গ্ৰহণ কৰা দুটামান ব্যৱস্থা আলোচনা কৰা।

- ঔদ্যোগিক বিবাদ আইন কেতিয়া গ্ৰহণ কৰা হৈছিল।
- ঔদ্যোগিক বিবাদ নিৰাময়ৰ বাবে দুটামান আইনগত ব্যৱস্থা উল্লেখ কৰা।

**১.৬ সামৰণি ঃ**

ঔদ্যোগিক সমাজতত্বৰ এক গুৰুত্বপূৰ্ণ অৱধাৰণা হিচাপে ঔদ্যোগিক বিবাদ সম্পৰ্কে ইতিমধ্যে কৰা আলোচনাৰ ভিত্তিত আমি কব পাৰো যে — ঔদ্যোগ প্ৰতিষ্ঠানত জড়িত দুটি প্ৰধান শ্ৰেণী শ্ৰমিক আৰু মালিক পক্ষৰ সম্বন্ধৰ অৱনতিৰ ফলশ্ৰুতিকেই আমি ঔদ্যোগিক বিবাদ বুলিব পাৰো। তুলনামূলকভাৱে সবল শ্ৰেণীয়ে দুৰ্বল শ্ৰেণীক কৰা শোষণৰ বাবে দুৰ্বল শ্ৰেণীৰ শ্ৰমিকসকলে আৰ্থিক, সামাজিক, ৰাজনৈতিক, মনস্তাত্বিক আদি বিভিন্ন সমস্যাৰ সন্মুখীন হয়। পৰিণতিত শ্ৰমিক,

মালিকপক্ষৰ লগতে দেশৰ সামগ্ৰীক অৰ্থনৈতিক অৱস্থাত ইয়া বিৰূপ প্ৰভাৱ পৰে। গতিকে, এখন দেশৰ অৰ্থনৈতিক উন্নয়ন হ'বলৈ এনে ঔদ্যোগিক বিবাদ নিয়ন্ত্ৰণৰ প্ৰয়োজন।

**ঘাই শব্দসমূহ ঃ**

ঔদ্যোগিক বিবাদ, শ্ৰমিক, নিয়োগকৰ্তা, ঔদ্যোগপতি, ধৰ্মঘট, তলাবন্ধ, মজুৰী, বনাছ, কৰ্মধাৰ সমিতি, যৌথ সমিতি, ঔদ্যোগিক সন্ধি।

**পাঠ্য নিৰ্দেশনা ঃ**

- Archana Deshpande, Industrial Sociology, Sun India Publication, New Delhi, 2010.
- B.P. Tyagi, Laboure Economics and Social Welfare, Jai Prakash Nath and Co., Meerut, 2000.
- C.B. Mamoria, Dynamics of Industrial Relations, Hinmalaya Publishing Hourse, Mumbai and Delhi, 2010.
- Delbert C. Miller and W.H. Form, Industrial Sociology, Haaper and Row Publisher, New York, 1964
- W.E. Moore, Industrial Relations and Social order, Macmillan, New York, 1951.

**আৰ্হি প্ৰশ্ন ঃ**

- ঔদ্যোগিক বিবাদ বুলিলে কি বুজা? ইয়াৰ কেইটামান বৈশিষ্ট্য নিৰ্ণয় কৰা।
- ঔদ্যোগিক বিবাদৰ মূল প্ৰকাৰ সমূহ কি কি? চমুকৈ আলোচনা কৰা।
- ঔদ্যোগিক বিবাদৰ প্ৰধান কাৰণ সমূহ কি কি? আলোচনা কৰা।
- ঔদ্যোগিক বিবাদ নিষ্পত্তি কৰিব পাৰিনে? যদি পাৰি, ইয়াৰ নিষ্পত্তিৰ পদ্ধতি সম্পৰ্কে আলোচনা কৰা।
- ঔদ্যোগিক বিবাদ আইন কোন চনত গ্ৰহণ কৰা হৈছিল? ঔদ্যোগিক বিবাদ নিষ্পত্তি সম্পৰ্কত এই আইন উল্লেখ কৰা ব্যৱস্থা সম্পৰ্কে আলোচনা কৰা।

**প্ৰসংগ পুথি ঃ**

. Borthakur, B.N. and R.Bordoloi, “Udyogik Samajtatta aru Suanik Kalyan”, Bidya Bhaban, Jorhat, 2008-09

. Bouah Rajen and A.Borah, “Udyogor Samajtatta”, Bidya Bhawan, Jorhat, Assam, 2014

. Doley, D. “Udyogik Samajtatta”, Students’ Empolium, Dibrugarh, Assam, 2004

. Deshpande, Archana, “Industrial Sociology”, Sun India Publications, New Delhi, 2010.

. Tyagi, B.P. “Laboure Economic and Social Welfare”, Joi Prakash Nath and Co., Meeaut, 2000.

# সমাজতত্ব

## পাঠ্যক্ৰম ঃ সমাজতত্ব - ৬০২

## খণ্ড - ৫

## ভাৰতবৰ্ষত ঔদ্যোগিক পৰিকল্পনা, ঔদ্যোগিকৰণ, শ্ৰমিক কল্যাণ আৰু সামাজিক পৰিবৰ্তন

### বিষয়সূচী

**গোট ১ঃ** উত্তৰ পূব ভাৰতৰ প্ৰসংগত পৰিয়াল, শিক্ষা আৰু পৰিৱেশত ঔদ্যোগিকৰণৰ প্ৰভাৱ ঃ

উদ্দেশ্য, প্ৰস্তাৱনা, ঔদ্যোগিকৰণৰ অৰ্থ, ঔদ্যোগিকৰণৰ সংজ্ঞা, ঔদ্যোগীকৰণ আৰু ইয়াৰ বহুমূখী প্ৰভাৱ, পৰিয়ালৰ ওপৰত ঔদ্যোগীকৰণৰ প্ৰভাৱ, পৰিৱেশৰ ওপৰত ঔদ্যেগীকৰণৰ প্ৰভাৱ, অগ্ৰগতিৰ নিৰীক্ষণ, সামৰণি।

**গোট ২ঃ** ঔদ্যোগীক পৰিকল্পনা আৰু সামাজিক পৰিবৰ্তন ঃ

উদ্দেশ্য, প্ৰস্তৱনা, ঔদ্যোগিক পৰিকল্পনা, ঔদ্যোগিক পৰিকল্পনাৰ বৈশিষ্ট্য ঔদ্যোগিক পৰিকল্পনাৰ লক্ষ্য, ঔদ্যোগিক আইন, ঔদ্যোগিক আইনৰ ইতিহাস আৰু বিকাশ, কাৰখানা আইন ১৯৪৮, বাগিচা শ্ৰমিক আইন ১৯৫১, অগ্ৰগতিৰ নিৰীক্ষণ, সামৰণি।

## গোট নম্বৰ ঃ ১

## ভাৰতবৰ্ষত ঔদ্যোগিক পৰিকল্পনা, ঔদ্যোগীকৰণ, শ্ৰমিক কল্যাণ আৰু সামাজিক পৰিৱৰ্তন ঃ

**গঠন বিন্যাস ঃ**

১.০ উদ্দেশ্য

১.১ প্ৰস্তাৱনা

১.২ ঔদ্যোগীকৰণ

১.২.১ ঔদ্যোগীকৰণৰ অৰ্থ

১.২.২ ঔদ্যোগীকৰণৰ সংজ্ঞা

১.২.৩ ঔদ্যোগীকৰণ আৰু ইয়াৰ বহুমুখী প্ৰভাৱ

১.২.৪ পৰিয়ালৰ ওপৰত ঔদ্যোগীকৰণৰ প্ৰভাৱ

১.২.৫ শিক্ষাৰ ওপৰত ঔদ্যোগীকৰণৰ প্ৰভাৱ

১.২.৬ পৰিবেশৰ ওপৰত ঔদ্যোগীকৰণৰ প্ৰভাৱ

অগ্ৰগতি নিৰীক্ষণ

১.৩ সামৰণি

১. ঘাই শব্দসমূহ

২. পাঠ্য নিৰ্দেশনা

৩. আৰ্হি প্ৰশ্ন

৪. প্ৰসঙ্গ পুথি

**১.০ উদ্দেশ্য**

- এই গোটটি পঢ়িলে তোমালোকে ঔদ্যোগীকৰণ অৱধাৰণটোৰ বিষয়ে অৱগত হ'ব পাৰিবা।
- ঔদ্যোগীকৰণে মানৱ সমাজৰ বিভিন্ন দিশত কেনেদৰে প্ৰভাৱ পেলাইছে সেই বিষয়ে জানিব পাৰিবা।
- পৰিয়াল ব্যৱস্থাৰ ওপৰত ঔদ্যোগীকৰণৰ প্ৰভাৱ সম্পৰ্কে জানিব পাৰিবা।
- শিক্ষা ব্যৱস্থাৰ ওপৰত ঔদ্যোগীকৰণৰ প্ৰভাৱ সম্পৰ্কে জানিব পাৰিবা।
- পৰিবেশৰ ওপৰত ঔদ্যোগীকৰণে কিদৰে প্ৰভাৱ পেলাইছে সেয়া জানিব পাৰিবা।

**১.১ প্ৰস্তাৱনা ঃ**

স্নাতক তৃতীয় বৰ্ষৰ ছাত্ৰ-ছাত্ৰী হিচাপে তোমালোকে ইতিমধ্যে ঔদ্যোগিক সমাজতত্ত্ব অধ্যয়ন কৰিছা। এই ঔদ্যোগিক সমাজতত্ত্বৰ এটা প্ৰধান অৱধাৰণা হ'ল ঔদ্যোগীকৰণ। বৰ্তমান সময়ত সমাজ পৰিবৰ্তনৰ এটা উল্লেখযোগ্য কাৰক হ'ল ঔদ্যোগীকৰণ। ঔদ্যোগীকৰণে মানৱ সমাজৰ বিভিন্ন ক্ষেত্ৰত যথেষ্ট প্ৰভাৱ পেলাইছে। ঔদ্যোগিক সমাজতত্ত্বৰ এই গোটটিত বিশেষকৈ পৰিয়াল অৱস্থা, শিক্ষা ব্যৱস্থা আৰু পৰিৱেশৰ ওপৰত ঔদ্যোগীকৰণে কেনেদৰে প্ৰভাৱ পেলাইছে সেয়া আলোচনা কৰিবলৈ লোৱা হৈছে। গতিকে, এই গোটটি অধ্যয়নৰ পাতে তোমালোকে মানৱ সমাজৰ এই তিনিটা মূল দিশত উদ্যোগীকৰণৰ প্ৰভাৱ সম্পৰ্কে উদাহৰণ সহ বুজিব পাৰিবা।

**১.২ ঔদ্যোগীকৰণ ঃ**

মানৱ সমাজ পৰিবৰ্তনশীল। বিভিন্ন প্ৰক্ৰিয়াৰ দ্বাৰা সামাজিক পৰিবৰ্তন সংঘটিত হোৱা দেখা যায় আৰু এনে প্ৰক্ৰিয়াসমূহৰ ভিতৰত ঔদ্যোগীকৰণ এক উল্লেখযোগ্য প্ৰক্ৰিয়া। ঔদ্যোগিক বিপ্লৱৰ লগে লগে পূৰ্বৰ হস্ত উৎপাদনৰ ক্ষেত্ৰসমূহ নতুন প্ৰযুক্তিগত উৎপাদন ব্যৱস্থালৈ পৰিবৰ্তন হবলৈ ধৰিলে আৰু দেশৰ অৰ্থনৈতিক অৱস্থালৈ আমূল পৰিবৰ্তন আহিল। গতিকে, ঔদ্যোগীকৰণক যিদৰে সামাজিক পৰিবৰ্তনৰ এক প্ৰক্ৰিয়া বুলি কোৱা হয়, একেদৰে ইয়াক সামাজিক পৰিবৰ্তনৰ এক প্ৰধান কাৰক হিচাপেও অভিহিত কৰা হয়।

**১.২.১ ঔদ্যোগিকৰণৰ অৰ্থ ঃ**

ঔদ্যোগীকৰণৰ অৰ্থ দুই ধৰণে প্ৰকাশ কৰিব পাৰি। ঠেক অৰ্থত ঔদ্যোগীকৰণে ফে''ৰী উৎপাদন পদ্ধতিক বুজায়। যেতিয়া এখন ঠাইৰ উৎপাদন সম্পূৰ্ণৰূপে কিছুমান ঔদ্যোগৰ ওপৰত নিৰ্ভৰশীল হৈ যায় তেতিয়া তাক ঔদ্যোগীকৰণ বুলি কোৱা হয়। অৰ্থাৎ, এক নিৰ্দিষ্ট এলেকাত ঔদ্যোগৰ সম্প্ৰসাৰণকে ঔদ্যোগীকৰণ বুলি কোৱা হয়। কিন্তু, আৰ্থসামাজিক দিশৰ পৰা ঔদ্যোগীকৰণৰ অৰ্থ যথেষ্ট ব্যাপক। এই দৃষ্টিভংগীৰে ঔদ্যোগীকৰণ হ'ল এক জটিল প্ৰক্ৰিয়া য'ত ঔদ্যোগৰ উৎপাদন প্ৰক্ৰিয়াৰ লগতে সামাজিক সংৰচনা আৰু ব্যক্তিৰ মানসিক দৃষ্টিভংগীলৈও পৰিবৰ্তন আনে। গতিকে, সমাজ ব্যৱস্থাত ঔদ্যোগিকৰণৰ মাত্ৰা বৃদ্ধিৰ অৰ্থ হ'ল উৎপাদন বৃদ্ধিৰ বাবে উৎপাদন ক্ষেত্ৰত যান্ত্ৰিক শক্তিৰ ব্যাপকভাৱে ব্যৱহাৰ হোৱা। সেইদৰে, শ্ৰমবিভাজন, ধৰ্মনিৰপেক্ষতা, সৰু পৰিয়াল, ব্যক্তিবাদিতা,

বিজাতীয়তা আদি দিশসমূহৰ অন্তভূক্তিৰে সমাজৰ সংৰচনাগত পৰিবৰ্তনসমূহৰো ঔদ্যোগিকৰণে সামৰি লয়। ঔদ্যোগীকৰণে, সামাজিক-সাংস্কৃতিক দিশৰ পৰিবৰ্তন সমূহকো বুজায়। অৰ্থনৈতিক দিশৰ পৰিবৰ্তনৰ লগে লগে পুঁজিবাদী, যুক্তিবাদী, বিনিয়োগ, সংগঠিত উৎপাদন, বজাৰ অৰ্থনীতি, আদিক বুজায় আৰু ইয়াত সমাজ সংস্কৃতিৰ সকলো দিশ অন্তভূক্ত হয়।

**১.২.৩ ঔদ্যোগীকৰণ সংজ্ঞা ঃ**

সামাজিক পৰিবৰ্তনৰ এক প্ৰক্ৰিয়া আৰু কাৰক হিচাপে আলোচনা কৰিবলৈ যাওঁতে সমাজতত্ববিদসকলে ঔদ্যোগিকৰণৰ বিষয়ে বিভিন্ন ধৰণে সংজ্ঞা আগবঢ়াইছে। ঔদ্যোগিকৰণৰ অৰ্থ বুজিবলৈ এই সংজ্ঞা সমূহ আলোচনা কৰাতো প্ৰয়োজন।

ষ্টেন্‌লীৰ (Stanley) মতে, “ঔদ্যোগিকৰণ আৰু উচ্চ উৎপাদিকা শক্তি পৰস্পৰে পৰস্পৰৰ লগত সম্পৰ্কযুক্ত। উচ্চ উৎপাদিকা শক্তিয়ে ঔদ্যোগিকৰণ সৃষ্টি কৰে আৰু ঔদ্যোগিকৰণে উচ্চ উৎপাদিকা শক্তিৰ সৃষ্টি কৰে।” (Industrialization and high productivity are closely velated with each other. He observes, high productivity produces industrialization and that industrialization produces high productivity.)

পাই কাং-চাং (Pai Kang-Chang) ৰ মতে, “ঔদ্যোগিকৰণ হৈছে এক প্ৰক্ৰিয়া য’ত লেথাৰিকৈ কৌশলগত উৎপাদন ব্যৱস্থাৰ কাৰ্য্যসমূহৰ পৰিবৰ্তন সাধন হয়। ই সেইবিলাক প্ৰাথমিক পৰিবৰ্তনক সূচাইছে, যি ঔদ্যোগত যন্ত্ৰীকৰণ, এক নতুন ঔদ্যোগক গঢ় দিয়া, এখন নতুন বজাৰ প্ৰতিষ্ঠা কৰা আৰু এক নতুন ভৌগোলিক এলেকাৰ সফলৰূপে বৃদ্ধিখটাই কাৰ্য্যকৰণ কৰা ইত্যাদিক সাঙুৰি লয়। এই প্ৰক্ৰিয়াটোৱে এক অৰ্থত পুঁজি সম্প্ৰসাৰণ আৰু পুঁজিৰ ওপৰত নিৰ্ভৰ কৰাটোকে বুজাইছে।” (Industrialization is a process in which changes of a series of strategical production functions are taking place. It involves those basic changes that accompany mechanization of an enterprise, the building of a new industry, the opening of a new market and the exploitation of a new teritory. This is in a way, a process of depending as well as widening of capital.”)

ৰাষ্ট্ৰসংঘ (UNESCO) ই ঔদ্যোগিকৰণৰ সংজ্ঞা আগবঢ়াই কৈছে যে, “ঔদ্যোগিকৰণে ফে”ৰী বা কলকাৰখানা, খনি, শক্তি প্ৰকল্প, ৰেলসেৱা, উৎপাদন ব্যৱস্থাৰ লগত সম্পৰ্কযুক্ত আধুনিক অৰ্থনৈতিক আন্তঃগাঠনিৰ চৰম আৰু আপেক্ষিক

বিকাশক বুজায়।” (Industrialzation means an absolute and relative growth in the importance of factories, milles, mines, power plants, railways and so on of manufacturing and closely related activities involved in the building and operation of modern economic infrastructure.”)

ঔদ্যোগিকৰণ সম্পৰ্কে ওপৰত উল্লেখ কৰা সংজ্ঞাসমূহৰ পৰা এইটো স্পষ্ট হ'ল যে, ঔদ্যোগিকৰণ এনে এক প্ৰক্ৰিয়া য'ত উৎপাদনৰ আহিলাসমূহ উন্নত প্ৰযুক্তিবিদ্যা প্ৰয়োগেৰে পৰিচালিত হয় আৰু উৎপাদন ক্ষেত্ৰত যান্ত্ৰিক শক্তিৰ ব্যৱহাৰৰ যোগেদি অধিক উৎপাদন কৰিবলৈ বিচৰা হয়। ইয়াৰ দ্বাৰা সামগ্ৰী উৎপাদন বৃদ্ধি হোৱাৰ লগে লগে বাণিজ্য বা বজাৰ অৰ্থনীতি গঢ় লয়, যি ব্যক্তিসকলৰ জীৱনত পোৱা সা-সুবিধা আৰু জীৱনধাৰণ প্ৰণালীত প্ৰভাৱ পেলায়। এই ব্যৱস্থাই সামাজিক, অৰ্থনৈতিক, সাংস্কৃতিক দিশত পৰিবৰ্তন আনে আৰু সমাজৰ সংগঠন, মূল্যবোধ, সংস্থা আৰু মতাদৰ্শৰ পৰিবৰ্তন সাধন হয়। গতিকে, ঔদ্যোগিকৰণ হ'ল এক প্ৰক্ৰিয়া, যি প্ৰক্ৰিয়া বৃহৎ উৎপাদন ক্ষেত্ৰত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা প্ৰয়োগ কৰি উৎপাদন বৃদ্ধি হোৱাৰ পৰা সমাজৰ সকলো দিশতে পৰিবৰ্তন অনা এক আন্তঃক্ৰিয়া আৰু আন্তঃ সম্পৰ্কক বুজায়। ফলস্বৰূপে সমাজত ঔদ্যোগবাদে গঢ় লয়।

### ১.২.৩ ঔদ্যোগিকৰণ আৰু ইয়াৰ বহুমুখী প্ৰভাৱ ঃ

ঔদ্যোগিকৰণৰ অৰ্থ প্ৰকাশ কৰোঁতে ইতিমধ্যে উল্লেখ কৰি অহা হৈছে যে ঔদ্যোগিকৰণ সামাজিক পৰিবৰ্তনৰ এটা প্ৰধান কাৰক। আনহাতে, যদিও ঔদ্যোগিকৰণৰ অৰ্থই এটা অঞ্চলৰ উৎপাদন ব্যৱস্থাত আমূল পৰিবৰ্তন হোৱাটোক বুজাই তথাপি ইয়াৰ প্ৰভাৱ কেৱল অৰ্থনৈতিক উৎপাদন ব্যৱস্থাতে সীমাবদ্ধ কৰিব নোৱাৰি। এক প্ৰকাৰে ক'বলৈ গ'লে মানৱ সমাজৰ বিভিন্ন ক্ষেত্ৰত ঔদ্যোগিকৰণে প্ৰভাৱ পেলাই বুলিব পাৰি। এখন সমাজৰ উৎপাদন ব্যৱস্থাৰ লগতে সমাজ ব্যৱস্থা, সাংস্কৃতিক, ৰাজনৈতিক, শৈক্ষিক ইত্যাদি সকলো দিশতে ঔদ্যোগিকৰণৰ প্ৰভাৱ দেখা যায়। এক কথাত মানৱ সমাজ সামগ্ৰিক পৰিবৰ্তনৰ এক কাৰক হিচাপে ঔদ্যোগিকৰণক অভিহিত কৰিব পাৰি। তলত ঔদ্যোগিকৰণে পৰিয়াল, শিক্ষা আৰু পৰিবেশৰ ওপৰত কেনেদৰে প্ৰভাৱ পেলাইছে আৰু আলোচনা কৰা হ'ল —

### ১.২.৪ পৰিয়ালৰ ওপৰত ঔদ্যোগিকৰণৰ প্ৰভাৱ ঃ

তোমালোকে ইতিমধ্যে পাই আহিছা যে, পৰিয়াল মানৱ সমাজৰ মূল ভেটি। এখন সমাজৰ প্ৰধান সংস্থা সমূহৰ ভিতৰত পৰিয়াল অন্যতম। এক কথাত

কৰবলৈ গলে পৰিয়াল অবিহনে আমি সামাজিক জীৱন কল্পনাই কৰিব নোৱাৰো। কিয়নো, পৰিয়ালতে সামাজিক জীৱনৰ আদিপাঠ গ্ৰহণ কৰা হয়। এটি শিশুক শিক্ষা দিক্ষা, সমাজৰ প্ৰচলিত ৰীতি-নীতি, সংস্কৃতি, অনুশাসন আদি পৰিয়ালতে শিকোৱা হয়। গতিকে, মানুহক সামাজিক প্ৰাণী হিচাপে গঢ় দিয়াত পৰিয়ালৰ ভূমিকা অসীম।

আনহাতে, প্ৰকৃতিৰ ফালে চালে পৰিয়ালৰ বিভিন্ন প্ৰকাৰ দেখা যায়। পৰিয়ালৰ একক আৰু যুটীয়া প্ৰকৃতিৰ ওপৰিও পিতৃপ্ৰধান, মাতৃপ্ৰধান, একবিবাহী, বহুবিবাহী আদি বিভিন্ন প্ৰকৃতিৰ পৰিয়াল বিভিন্ন মানৱ সমাজত দেখিবলৈ পোৱা যায়।

ঔদ্যোগিকৰণে পৰিয়াল ব্যৱস্থাত কিদৰে প্ৰভাৱ পেলাইছে সেয়া আলোচনা কৰিবলৈ যাওঁতে আমি প্ৰধানকৈ দুটা দিশ উল্লেখ কৰিব লাগিব। সেয়া হ'ল পৰিয়াল ব্যৱস্থাৰ সংৰচনা আৰু কায্য। অৰ্থাৎ ঔদ্যোগিকৰণে পৰিয়াল ব্যৱস্থাৰ সংৰচনাত্মক আৰু কাৰ্য্যাত্মক দিশত মূলত প্ৰভাৱ পেলোৱা দেখা যায়। তলত এই বিষয়ে পৃথকে পৃথকে আলোচনা কৰা হ'ল।

**১) যুটীয়া পৰিয়ালৰ বিঘটন ঃ** পৰিয়াল ব্যৱস্থাৰ সংৰচনাত্মক দিশত পৰিবৰ্তন বুলিলে ইয়াৰ গঠনৰ ক্ষেত্ৰত পৰিবৰ্তন হোৱাকে বুজায়। এইটো সকলোৰে জ্ঞাত যে ভাৰতৰ দৰে এখন গ্ৰাম্য প্ৰধান দেশত যুটীয়া পৰিয়ালৰ প্ৰাধান্য অধিক। ইয়াৰ মূলতে কৃষিভিত্তিক গ্ৰাম্য অৰ্থনীতি বুলি দাবী কৰিব পাৰি। একেদৰে, ভাৰতৰ উত্তৰ পূৰ্বাঞ্চললৈ যদি লক্ষ্য কৰো তেতিয়াহে ইয়াৰ সত্যতা অধিককৈ দেখিবলৈ পোৱা যায়। কিন্তু ঔদ্যোগিকৰণৰ প্ৰভাৱত ভাৰতৰ অৰ্থনীতি ক্ৰমান্বয়ে ঔদ্যোগৰ ওপৰত নিৰ্ভৰশীল হ'বলৈ ধৰিছে। ঔদ্যোগিকৰণৰ ফলস্বৰূপে ভাৰতবৰ্ষৰ ঔদ্যোগৰ সংখ্যা বৃদ্ধি পোৱাৰ লগে লগে সমাজত নতুন নতুন বৃত্তিৰ সৃষ্টি হৈছে আৰু মানুহে কেৱল কৃষিকেই বৃত্তি হিচাপে গ্ৰহণ কৰি নাথাকি তেনে বৃত্তি সমূহো গ্ৰহণ কৰিবলৈ ধৰিছে। ফলত গ্ৰাম্য অঞ্চলৰ পৰা নগৰ অঞ্চল বা ঔদ্যোগিক এলেকালৈ মানুহৰ প্ৰব্ৰজন হবলৈ ধৰিছে। ফলস্বৰূপে, গ্ৰাম্য অঞ্চলৰ যুটীয়া পৰিয়ালত বিঘটন হ'বলৈ ধৰিছে। আনহাতে, নগৰীয়া বা ঔদ্যোগিক এলেকাত এটা ডাঙৰ পৰিয়াল লৈ জীৱন নিৰ্বাহ কৰিবলৈ যথেষ্ট অসুবিধা। গতিকে, যুটীয়া পৰিয়ালৰ পৰিবৰ্তে সৰু আনবিক পৰিয়ালত অধিক গুৰুত্ব দিয়া দেখা যায়। সম্প্ৰতি, ভাৰত তথা উত্তৰ পূৰ্বাঞ্চলত যুটীয়া পৰিয়ালৰ অস্তিত্ব প্ৰায় নাইকিয়া হ'বলৈ ধৰিছে। গতিকে, পৰিয়ালৰ পৰম্পৰাগত বৃহৎ আকাৰৰ পৰিবৰ্তন হৈ সৰু আনবিক পৰিয়াল সৃষ্টিত ঔদ্যোগিকৰণক জগৰীয়া কৰিব পাৰি।

**২) পৰিয়ালৰ কাৰ্য্যৰ পৰিবৰ্তন ঃ** ঔদ্যোগীকৰণৰ ফলত পৰিয়ালৰ কাৰ্য্যৰ ক্ষেত্ৰতো বহুতো পৰিবৰ্তন আহিছে। পৰম্পৰাগত ভাৰতীয় সমাজৰ পৰিয়াল ব্যৱস্থালৈ লক্ষ্য কৰিলে দেখা যায় যে পৰিয়ালে মানৱ সমাজত বিভিন্ন কায্য সম্পাদন কৰিছিল। উদাহৰণস্বৰূপে, সন্তান জন্ম, প্ৰতিপালন, শিক্ষাৰ প্ৰাণকেন্দ্ৰ আছিল পৰিয়াল। সেইদৰে, সামাজিকৰণ, সামাজিক নিয়ন্ত্ৰণ, বৃদ্ধলোকৰ আশ্ৰয় প্ৰদান, বিনোদনমূলক কাৰ্য্য ইত্যাদিও পৰিয়ালে সম্পাদন কৰিছিল। কিন্তু ঔদ্যোগীকৰণে পৰিয়ালৰ সংৰচনাত পৰিবৰ্তন অনাৰ লগে লগে এই কাৰ্য্য সমূহলৈ পৰিবৰ্তন আনিছে। বৰ্তমান সময়ত শিশু জন্ম হয় চিকিৎসালয়ত। সেইদৰে, প্ৰতিপালন, শিক্ষা আনকি সামাজিকৰণো বেলেগ সংস্থাৰ দ্বাৰা পৰিচালিত হয়। পৰিয়ালৰ সকলো সদস্য কৰ্মব্যস্ত হোৱা বাবে বিনোদনমূলক কোনো কাৰ্য্য পৰিয়ালত দেখা নাযায়। অতীততে বৃদ্ধ লোকসকলৰ বাবে যুটীয়া পৰিয়ালে যি আশ্ৰয় প্ৰদান কৰিছিল সেয়া আনবিক পৰিয়ালে প্ৰদান কৰিবলৈ সক্ষম হোৱা নাই। যাৰ বাবে, আজিৰ নগৰীয়া বা ঔদ্যোগিক সমাজত সমূহত গঢ় লৈ উঠা বৃদ্ধাশ্ৰম সমূহে সেই ভূমিকা গ্ৰহণ কৰিব লগা হৈছে। সেইদৰে, সামাজিক নিয়ন্ত্ৰণৰ ক্ষেত্ৰতো যুটীয়া পৰিয়ালে পালন কৰা ভূমিকা আনৱিক পৰিয়ালে পালন কৰিব পৰা নাই। গতিকে, দেখা গ'ল যে ঔদ্যোগিকৰণে সমাজ ব্যৱস্থালৈ পৰিবৰ্তন অনাৰ লগে লগে পৰিয়ালৰ আকাৰ, কাৰ্য্য সকলো দিশতে পৰিবৰ্তন হ'বলৈ ধৰিছে।

**৩) পৰিয়ালৰ লক্ষ্যত পৰিবৰ্তন ঃ** প্ৰাচীন ভাৰতবৰ্ষৰ পৰিয়ালবিলাক এক আধ্যাত্মিক আৰু ধৰ্মীয় ভাৱৰ দ্বাৰা পৰিচালিত হৈছিল। ভাৰতীয় সংস্কৃতিয়ে পুৰুষৰ আধিপত্য স্বীকাৰ কৰিছিল আৰু সেয়া পৰিয়াল ব্যৱস্থাতো প্ৰতিফলিত হৈছিল। গতিকে, ভাৰতীয় পৰিয়াল ব্যৱস্থাতো পুৰুষৰ আধিপত্য আছিল। ফলস্বৰূপে, ভাৰতীয় পৰিয়াল মূলত পিতৃ প্ৰধান আৰু পিতৃয়াত্মক আছিল। ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলো ইয়াৰ ব্যতিক্ৰম নাছিল। উত্তৰ পূৰ্বাঞ্চলৰ মেঘালয়ক বাদ দি বাকী ৰাজ্যসমূহৰ পৰিয়াল ব্যৱস্থাও পিতৃপ্ৰধান আছিল। কিন্তু, ঔদ্যোগিকৰণৰ ফলস্বৰূপে পৰিয়ালৰ এই ভাৱধাৰাত পৰিবৰ্তন আহিল। আধুনিক পৰিয়াল ব্যৱস্থাত পুৰুষ-মহিলা সকলোৰে স্থান সমপৰ্য্যায়ৰ। ঔদ্যোগিকৰণে পুৰুষ মহিলা সকলোলৈকে জীৱিকা নিৰ্বাহৰ সমান সুবিধা প্ৰদান কৰাত পৰিয়ালৰ কোনো সদস্য কাৰোৰে ওপৰত নিৰ্ভৰশীল হ'ব লগা নহয়। সেয়ে, পৰিয়ালৰ কোনো সদস্যৰ কতৃত্ব কোনোৱে মানি লব নিবিছাৰে। মুঠতে, পৰম্পৰাগত পৰিয়াল ব্যৱস্থাত পৰিয়ালৰ যি লক্ষ্য আছিল ঔদ্যোগিকৰণৰ প্ৰভাৱত সেই লক্ষ্যৰ পৰিবৰ্তন সাধন হোৱা পৰিলক্ষিত হৈছে।

**৪) পৰিয়ালৰ নাৰীৰ প্ৰস্থিতিৰ পৰিৱৰ্তন ঃ** ঔদ্যোগিকৰণৰ ফলস্বৰূপে ল'ৰা-ছোৱালী সকলোৱে সমানে শিক্ষা গ্ৰহণৰ সুবিধা লাভ কৰিলে। ফলস্বৰূপে, অতীতৰ নাৰীৰ যি নিম্ন প্ৰস্থিতি আছিল সেয়া পৰিবৰ্তন কৰাত ঔদ্যোগিকৰণে সহায় কৰিলে। পৰিবৰ্তিত পৰিয়াল ব্যৱস্থাত উচ্চ শিক্ষিত নাৰীয়ে পুৰুষৰ সমানে বৃত্তি লাভ কৰিবলৈ উপযুক্ত হ'ল আৰু সামাজিক, অৰ্থনৈতিক দিশত পুৰুষৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস পালে। মুঠতে, অৰ্থনৈতিক ভাৱে স্বাৱলম্বী হোৱাৰ লগে লগে নাৰীয়ে পুৰুষৰ সম-প্ৰস্থিতি বা কেতিয়াবা পুৰুষতকৈ উচ্চ প্ৰস্থিতি লাভ কৰিবলৈ সক্ষম হ'ল।

**৫) পৰিয়াল বিঘটন ঃ** ঔদ্যোগিকৰণৰ ফলত ঔদ্যোগিক সমাজত ব্যক্তিবাদিতাই গঢ় লয়। প্ৰত্যেকেই স্ব-নিৰ্ভৰশীল হোৱাৰ বাবে পৰিয়ালত সংহতি বিনষ্ট হয়। কাৰণ পৰিয়ালৰ সদস্যসকলৰ মাজত মানসিক চিন্তা আৰু সংঘৰ্ষৰ সুত্ৰপাত হয়। গতিকে, পৰিয়ালত ভাঙুনমূখী অৱস্থাৰ সৃষ্টি হয়। পৰিয়াল বিঘটনো ঔদ্যোগিকৰণৰ প্ৰভাৱ বুলিব পাৰি।

গতিকে, দেখা গ'ল যে, ঔদ্যোগিকৰণে পৰিয়ালৰ ওপৰত সুদুৰ প্ৰসাৰী প্ৰভাৱ পেলায়। ঔদ্যোগিক সমাজত পৰিয়ালৰ সকলো দিশেই পৰম্পৰাগত সমাজৰ পৰা পৃথক। আনহাতে, ভাৰতবৰ্ষৰ আন আন অঞ্চলসমূহৰ তুলনাত উত্তৰ পূৰ্বাঞ্চলত ঔদ্যোগিকৰণৰ প্ৰভাৱ কম যদিও উপৰুক্ত সকলোবোৰ দিশতে ঔদ্যোগিকৰণে প্ৰভাৱ পেলোৱা পৰিলক্ষিত হয়।

**১.২.৫ শিক্ষাৰ ওপৰত ঔদ্যোগিকৰণৰ প্ৰভাৱ ঃ**

ঔদ্যোগিকৰণে মানৱ সমাজৰ যিসমূহ সংস্থাৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিছে তাৰ ভিতৰত শিক্ষা এক অন্যতম সংস্থা। ঔদ্যোগিকৰণ আৰু শিক্ষাৰ মাজত ওতঃপ্ৰোত সম্পৰ্ক আছে। ঔদ্যোগিকৰণৰ বাবে যিদৰে শিক্ষাৰ প্ৰয়োজন সেইদৰে ঔদ্যোগিকৰণেও শিক্ষাৰ প্ৰসাৰত সহায় কৰিছে।

শিক্ষাৰ ওপৰত ঔদ্যোগিকৰণৰ প্ৰভাৱ লক্ষ্য কৰিলে দেখা যায় যে ঔদ্যোগিকৰণে শিক্ষাক্ষেত্ৰত আমূল পৰিবৰ্তন আনিছে। শিক্ষাৰ অৱস্থাৰ পৰা পদ্ধতিলৈ, পাঠ্যক্ৰমৰ পৰা পাঠ্যপুথিলৈ ঔদ্যোগিকৰণৰ প্ৰভাৱ পৰিলক্ষিত হয়। উদাহৰণস্বৰূপে, পূৰ্বৰ ধৰ্মীয়, আধ্যাত্মিক বিষয়ৰ পৰা কাৰিকৰি শিক্ষালৈ, টুল ব্যৱস্থাৰ পৰা অত্যাধুনিক শ্ৰেণীকোঠালৈ শিক্ষা ব্যৱস্থা আৰু পদ্ধতিৰ যি আমূল পৰিবৰ্তন সেয়া ঔদ্যোগিকৰণ প্ৰভাৱ বুলি কলে অত্যুক্তি কৰা নহব। যি কি নহওঁক, তলত শিক্ষাৰ ওপৰত ঔদ্যোগিকৰণৰ প্ৰভাৱ সম্পৰ্কে পৃথকে পৃথকে আলোচনা কৰা হ'ল—

**১) বিজ্ঞান, প্ৰযুক্তি আৰু বৃত্তিমূখী শিক্ষাৰ ওপৰত গুৰুত্ব ঃ** ঔদ্যোগিকৰণ প্ৰক্ৰিয়া সম্প্ৰসাৰণৰ লগে লগে বিজ্ঞান, প্ৰযুক্তি আৰু বৃত্তিমূখী শিক্ষাৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰা হৈছে। ঔদ্যোগিকৰণৰ ফলত ঔদ্যোগক্ষেত্ৰত যি ধৰণৰ বৃত্তিৰ সৃষ্টি হয় সেইবোৰত নিযুক্তি পাবলৈ পূৰ্বৰ আধ্যাত্মিক বিষয়ত শিক্ষিত হোৱাতকৈ বৃত্তিমূখী শিক্ষাৰ অধিক প্ৰয়োজন। গতিকে, সাম্প্ৰতিক কালত বিজ্ঞান-প্ৰযুক্তিৰ লগতে বৃত্তিমূখী শিক্ষাৰ অধিক সম্প্ৰসাৰণ হৈছে। ফলত, শিক্ষা ব্যৱস্থাৰ পাঠ্যক্ৰমত আমূল পৰিবৰ্তন আহিছে। ভাৰতবৰ্ষৰ আন আন অঞ্চলৰ তুলনাত উত্তৰ পূৰ্বাঞ্চলত ঔদ্যোগিকৰণৰ হাৰ কম যদিও এই অঞ্চলত শিক্ষাৰ ওপৰত ঔদ্যোগিকৰণৰ প্ৰভাৱ কম বুলিব নোৱাৰি। বৰঞ্চ কাৰিকৰি শিক্ষা প্ৰদানৰ উদ্দেশ্যে এই অঞ্চলতো বহুটো শিক্ষানুষ্ঠান গঢ় লৈ উঠা পৰিলক্ষিত হয়।

**২) গৱেষণামূলক শিক্ষাত গুৰুত্ব ঃ** ঔদ্যোগিকৰণে শিক্ষাৰ প্ৰসাৰতাৰ বিভিন্ন দিশত গুৰুত্ব আৰোপ কৰে। ঔদ্যোগত আত্মনিয়োগ কৰা ব্যক্তিসকলে নতুন উৎপাদন আৰু কৌশলৰ অন্বেষণ কৰে আৰু তাৰ বাবে গৱেষণা মূলক শিক্ষাত গুৰুত্ব আৰোপ কৰে। উত্তৰ পূৰ্বাঞ্চলতো প্ৰযুক্তি কৌশলৰ ওপৰত গুৰুত্ব প্ৰদান কৰি কিছুমান গৱেষণামূলক প্ৰতিষ্ঠান গঢ়লৈ উঠিছে। উদাহৰণস্বৰূপে - যোৰহাটস্থিত উত্তৰ পূব বিজ্ঞান আৰু প্ৰযুক্তি প্ৰতিষ্ঠান, চাহ গৱেষণা কেন্দ্ৰ, বৰ্ষা অৰণ্য গৱেষণা প্ৰতিষ্ঠান, ডিব্ৰুগড়স্থিত আঞ্চলিক চিকিৎসা গৱেষণা প্ৰতিষ্ঠান আদি উল্লেখযোগ্য।

**৩) ব্যৱস্থাপনা শিক্ষাত গুৰুত্ব ঃ** ঔদ্যোগিক প্ৰতিষ্ঠানসমূহ পৰিচালনাৰ বাবে ব্যৱস্থাপনা শিক্ষাৰ প্ৰয়োজন। গতিকে, এনে প্ৰয়োজনতাৰ প্ৰতি লক্ষ্য কৰি সাম্প্ৰতিক সময়ত ব্যৱস্থাপনা শিক্ষা সম্প্ৰসাৰণত অধিক গুৰুত্ব দিয়া দেখা যায়। ফলস্বৰূপে, দেশৰ আগশাৰীৰ শিক্ষানুষ্ঠানসমূহ ব্যৱস্থাপনা শিক্ষা অন্তভূক্ত কৰা পৰিলক্ষিত হৈছে। গতিকে, ব্যৱস্থাপনা শিক্ষাৰ সম্প্ৰসাৰণ ঔদ্যোগিকৰণৰ প্ৰভাৱ বুলি কব পাৰি।

**৪) শিক্ষাব্যৱস্থাত প্ৰযুক্তিগত কৌশলৰ ব্যৱহাৰ ঃ** শিক্ষাৰ ক্ষেত্ৰত ঔদ্যোগিকৰণৰ প্ৰভাৱ সম্পৰ্কে আলোচনা কৰিবলৈ যাওঁতে শিক্ষা ব্যৱস্থাত প্ৰযুক্তিগত কৌশল প্ৰয়োগৰ বিষয়ে উল্লেখ কৰিব লাগিব। ঔদ্যোগিকৰণৰ দ্ৰুত বিকাশৰ ফলত নতুন নতুন প্ৰযুক্তিৰ উদ্ভাৱনৰ লগে লগে শিক্ষাব্যৱস্থাত সেয়া প্ৰয়োগ সম্ভৱ হৈছে। ফলস্বৰূপে শিক্ষাব্যৱস্থাত যথেষ্ট পৰিবৰ্তন সাধন হৈছে।

ওপৰৰ আলোচনাৰ পৰা দেখা গ'ল যে এখন সমাজ ঔদ্যোগীকৰণত আগবঢ়াৰ লগে লগে বিজ্ঞান আৰু কাৰিকৰী শিক্ষাৰ সম্প্ৰসাৰনো বেছিকৈ হবলৈ ধৰিছে। বৰ্তমান সময়ত দৰ্শন, ভাষা, সাহিত্য আৰু অন্যান্য সমাজবিজ্ঞান সমূহৰ গুৰুত্ব আছে যদিও বিজ্ঞান আৰু কাৰিকৰী শিক্ষাৰ প্ৰতি মানুহ বেছি ধাৱমান হয়। এনেদৰে, শিক্ষাৰ ক্ষেত্ৰত ঔদ্যোগিকৰণে যথেষ্ট প্ৰভাৱ পেলায়। আনহাতে, ভাৰতবৰ্ষৰ আন আন ৰাজ্যসমূহৰ দৰে উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহতো পৰম্পৰাগত শিক্ষাৰ গুৰুত্ব হ্ৰাস কৰি আধুনিক বিজ্ঞান আৰু প্ৰযুক্তিমূলক শিক্ষা, গৱেষণামূলক শিক্ষা, ব্যৱস্থাপনা শিক্ষা, ইত্যাদিৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে। ইয়াকো ঔদ্যোগিকৰণৰ ফল বুলিব পাৰি। এক কথাত, ভাৰতবৰ্ষত যিমানে ঔদ্যোগিকৰণৰ প্ৰসাৰ ঘটিছে সিমানে বিজ্ঞান আৰু কাৰিকৰী শিক্ষাৰ প্ৰয়োজনীয়তা বৃদ্ধি পাইছে। ফলস্বৰূপে, সমগ্ৰ শিক্ষা ব্যৱস্থাটোত পৰিবৰ্তন হবলৈ ধৰিছে।

**১.২.৬ পৰিবেশৰ ওপৰত ঔদ্যোগিকৰণৰ প্ৰভাৱ ঃ**

ঔদ্যোগিকৰণ আৰু পৰিবেশৰ মাজত ওতঃপ্ৰোত সম্পৰ্ক আছে। পৰিবেশ বুলি কওঁতে আমি যদি কেৱল প্ৰাকৃতিক পৰিবেশৰ প্ৰতি লক্ষ্য ৰাখো তেন্তে ঔদ্যোগিকৰণে পৰিবেশৰ ওপৰত ঋণাত্মক প্ৰভাৱহে বেছিকৈ পেলাইছে বুলিব পাৰি। যেনে - ঔদ্যোগিকৰণৰ ফলত বায়ু প্ৰদোষণ, জলবায়ু পৰিবৰ্তন, পানী প্ৰদোষণ আদিও ঔদ্যোগিকৰণৰ ঋণাত্মক প্ৰভাৱ পৰিলক্ষিত হয়। কিন্তু পৰিবেশৰ অৰ্থ কেৱল প্ৰাকৃতিক পৰিবেশতে সীমাবদ্ধ কৰাতো উচিত নহয়। ইয়াৰ অৰ্থ যথেষ্ট ব্যাপক। সামাজিক, অৰ্থনৈতিক দিশতো পৰিবেশৰ অৰ্থ প্ৰকাশ কৰিব পাৰি। উদাহৰণস্বৰূপে, কোনো এটা অঞ্চলত ঔদ্যোগিকৰণ গঢ় লৈ উঠাৰ লগে লগে সেই অঞ্চলত নগৰ চহ গঢ় লৈ উঠে, ব্যৱসায় বাণিজ্য কেন্দ্ৰৰ সৃষ্টি হয় যাৰ ফলত সেই অঞ্চলৰ সামাজিক, অৰ্থনৈতিক পৰিবেশৰ পৰিবৰ্তন হয়।

আনহাতে, প্ৰাকৃতিক পৰিবেশৰ ওপৰত নিৰ্ভৰ কৰিও ঔদ্যোগিকৰণ হয়। কোনো এক অঞ্চল প্ৰাকৃতিক আৰু ভৌগোলিকভাৱে সুচল হ'লে ঔদ্যোগিকৰণত সহায়ক হয়। একেদৰে, প্ৰাকৃতিক সম্পদত চহকী হলেও এটা অঞ্চলত ঔদ্যোগিকৰণ হ'ব পাৰে। গতিকে, পৰিবেশ আৰু ঔদ্যোগিকৰণ আৰু পৰিবেশ দুয়োটা বিষয়েই উভয়ে উভয়ৰ লগত জড়িত।

উত্তৰ পূৰ্বাঞ্চলৰ পৰিপেক্ষিতত আলোচনা কৰিলে দেখা যায় যে - ঔদ্যোগিকৰণৰ বাবে ইয়াৰ ভৌগোলিক পৰিবেশ সুচল নহয়। গতিকে, প্ৰাকৃতিক সম্পদত যথেষ্ট চহকী যদিও এই অঞ্চলত ঔদ্যোগিকৰণৰ গতি যথেষ্ট লেহেমীয়া।

অসমক বাদ দি উত্তৰ পূৰ্বাঞ্চলৰ বাকী ৰাজ্যসমূহৰ ঔদ্যোগিকৰণৰ গতি একেবাৰে লেহেমীয়া বুলি কলেও অজুতি কৰা নহব। যি কি নহওঁক, ঔদ্যোগিকৰণে পৰিবেশৰ ওপৰত বহুতো দিশত প্ৰভাৱ পেলায়। তলত এই সম্পৰ্কে পৃথকে পৃথকে আলোচনা কৰা হ'ল।

**১) জলবায়ুৰ পৰিবৰ্তন ঃ** বৰ্তমান সময়ত জলবায়ু পৰিবৰ্তন এটা প্ৰধান সমস্যা। জলবায়ু পৰিবৰ্তনৰ ফলত কোনো কোনো অঞ্চলত অতিপাত বৰষুণ হোৱাৰ বিপৰিতে কোনো কোনো অঞ্চলত খৰাং অৱস্থা সৃষ্টি হোৱা দেখা যায়। একেদৰে গোলকীয় উষ্ণতা বৃদ্ধি জলবায়ু পৰিবৰ্তনৰ বাবেই হৈছে বুলিব পাৰি। এই জলবায়ু পৰিবৰ্তনত ঔদ্যোগিকৰণৰ প্ৰভাৱ নুই কৰিব নোৱাৰি। ঔদ্যোগীকৰণ ফলত উদ্যোগৰ সংখ্যা বৃদ্ধি হোৱাৰ লগে লগে ঔদ্যোগৰ পৰা নিৰ্গত হোৱা ধোৱাঁ, দুখীত পানী আদিয়ে জলবায়ু পৰিবৰ্তনত নেতিবাচক প্ৰভাৱ পেলায়।

**২) পৰিবেশ প্ৰদূষণ ঃ** ঔদ্যোগীকৰণৰ ফলস্বৰূপে কেৱল যে ঔদ্যোগৰ সংখ্যাই বৃদ্ধি হয় এনে নহয়। ইয়াৰ ফলত নগৰ চহৰ সৃষ্টি হয় আৰু যান বাহনৰ সংখ্যাও বৃদ্ধি হয়। এই সকলোবোৰ বায়ু, পানী, শব্দ প্ৰদূষণত প্ৰভাৱ পেলায়। ঔদ্যোগ বা কলকাৰখানা, যান-বাহন আদিৰ পৰা নিৰ্গত ধোৱাঁ আৰু বিষাক্ত পদাৰ্থই বায়ু আৰু পানী প্ৰদূষণ সৃষ্টি কৰে। আনহাতে, কলকাৰখানা আৰু যানবাহনৰ শব্দই শব্দ প্ৰদূষণৰ সৃষ্টি কৰে। পৰিবেশ প্ৰদূষণে প্ৰাকৃতিক পৰিবেশ ধংস কৰাৰ লগতে মানুহ তথা জীৱকুলৰ ওপৰত ইয়াৰ প্ৰভাৱ পৰিছে।

**৩) নগৰ চহৰৰ সৃষ্টি ঃ** ঔদ্যোগিকৰণ ফলত নগৰ চহৰৰ সৃষ্টি সংখ্যা বৃদ্ধি পায়। কাৰণ, ঔদ্যোগ এটা গঢ় লৈ উঠাৰ লগে লগে সেই অঞ্চলৰ বাট পথ উন্নত হোৱাৰ লগতে বজাৰ, আফিচ-কাচাৰী আদি গঢ় লৈ উঠে। ফলস্বৰূপে, ঔদ্যোগৰ আশপাশ অঞ্চল নগৰ বা চহৰলৈ পৰিবৰ্তন হয়। আনহাতে, নগৰ চহৰ সৃষ্টি হোৱাৰ লগে লগে মানুহৰ জীৱিকাৰ পথো সুকীয়া হৈ পৰে আৰু নগৰীয়া জীৱনৰ আচাৰ ব্যৱহাৰ, ৰীতি-নীতি, চিন্তা-ভাৱনা, কাম-কাজ আদি গ্ৰাম্য সমাজৰ পৰা পৃথক ৰূপে গঢ় লৈ উঠে এক বেলেগ পৰিবেশৰ সৃষ্টি কৰে।

**৪) বস্তি অঞ্চলৰ সৃষ্টি ঃ** ইতিমধ্যে উল্লেখ কৰি অহা হৈছে যে ঔদ্যোগিকৰণৰ লগে লগে ঔদ্যোগিক এলেকাত নতুন নতুন বৃত্তিৰ সৃষ্টি হয় যিবোৰ গ্ৰহণ কৰিবৰ বাবে গাঁও অঞ্চলৰ পৰা ঔদ্যোগিক এলেকালৈ মানুহৰ প্ৰব্ৰজন হয়। ফলস্বৰূপে

ঔদ্যোগিক এলেকাত মানুহৰ সমাগত বৃদ্ধি হয়। আনহাতে, ঔদ্যোগীক এলেকাসমূহত জীৱন যাপনৰ খৰচো যথেষ্ট বেছি হয়। সেয়ে, এনে অঞ্চলত সাধাৰণ বৃত্তি গ্ৰহণ কৰা লোকসকলে অতি সাধাৰণভাৱে বস্তি অঞ্চলত জীৱন নিৰ্বাহ কৰিব লগা হয়। বস্তি অঞ্চলসমূহ সাধাৰণতে অস্বাস্থ্যকৰ হয় আৰু এনে অঞ্চলত বতাহ চলাচল, পানী নিস্কাষণৰ ব্যৱস্থা, খোৱা পানীৰ সমস্যা আদিয়ে দেখা দিয়ে। এক কথাত বস্তি অঞ্চলে সমাজৰ পৰিবেশ দূষিত কৰে।

**৫) অপৰাধ বৃদ্ধি ঃ** ঔদ্যোগিকৰণৰ লগত অপৰাধমূলক কায্যৰ সম্পৰ্কও আছে। এক কথাত কবলৈ গলে ঔদ্যোগিকৰণে অপৰাধমূলক কায্যকলাপ বৃদ্ধি কৰি সামাজি বাতাবৰণ নষ্ট কৰে। ঔদ্যোগিক চহৰসমূহত হত্যা, ধৰ্ষণ আদিৰ দৰে দুস্কায্যবোৰ সঘনে ঘটা দেখা যায়। এনে অপৰাধমূলক কায্যই সামাজিক পৰিবেশ বিনষ্ট কৰে।

ওপৰোক্ত আলোচনাৰ পৰা দেখা গল যে পৰিবেশৰ ক্ষেত্ৰত ঔদ্যোগীকৰণৰ ইতিবাচক আৰু নেতিবাচক দুয়োটা প্ৰভাৱেই দেখা যায়। ঔদ্যোগ, কলকাৰখানা প্ৰতিষ্ঠা, নগৰ চহৰৰ সংখ্যা বৃদ্ধি আদি দিশসমূহক যিদৰে ঔদ্যোগিকৰণৰ ইতিবাচক প্ৰভাৱ বুলিব পাৰি সেইদৰে পৰিবেশ প্ৰদূষণ, বস্তি অঞ্চল সৃষ্টি, গোলকীয় উষ্ণতা বৃদ্ধি, অপৰাধ বৃদ্ধি, ইত্যাদি নেতিবাচক প্ৰভাৱো ঔদ্যোগিকৰণৰ পৰা সৃষ্টি হয়। গতিকে দেখা যায় যে ঔদ্যোগিকৰণে সমাজৰ প্ৰতিটো দিশতে প্ৰভাৱ পেলায়।

**অগ্ৰগতি নিৰীক্ষণ ঃ**

১) ঔদ্যোগিকৰণৰ অৰ্থ প্ৰকাশ কৰা।

২) ঔদ্যোগিকৰণৰ সংজ্ঞা দিয়া।

৩) ঔদ্যোগিকৰণৰ বহুমূখী প্ৰভাৱ সম্পৰ্কে লিখা।

৪) ঔদ্যোগিকৰণে পৰিয়াল ব্যৱস্থাত কিদৰে প্ৰভাৱ পেলায়ছে লিখা।

৫) ঔদ্যোগিকৰণে শিক্ষা ব্যৱস্থাত পেলোৱা প্ৰভাৱ সম্পৰ্কে লিখা।

৬) পৰিবেশৰ ওপৰত ঔদ্যোগিকৰণৰ ইতিবাচক আৰু নেতিবাচক প্ৰভাৱ সম্পৰ্কে লিখা।

**১.৩ সামৰণি ঃ**

খণ্ড নং ৫ ৰ গোট নম্বৰ ১ ৰ অন্তগত উত্তৰ পূব ভাৰতৰ পৰিপেক্ষিতত পৰিয়াল, শিক্ষা আৰু পৰিবেশৰ ওপৰত ঔদ্যোগিকৰণে কিদৰে প্ৰভাৱ পেলাইছে

সেয়া বিশদভাৱে আলোচনা কৰা হৈছে। তোমালোকৰ সুবিধাৰ্থে অতি সৰলভাৱে উদাহৰণসহ এই আটাইকেইটা দিশ আলোচনা কৰা হৈছে। গতিকে, এই সম্পৰ্কত হ'ব পৰা সম্ভাব্য সকলো প্ৰশ্নৰ উত্তৰ কৰাত তোমালোকৰ নিশ্চয় অসুবিধা নহ'ব।

**১) ঘাই শব্দসমূহ ঃ**

ঔদ্যোগিকৰণ, পৰিয়াল, শিক্ষা, পৰিবেশ প্ৰদূষণ, জলবায়ু পৰিবৰ্তন, গোলকীয় উষ্ণতা, প্ৰযুক্তিবিদ্যা ইত্যাদি।

**২) পাঠ্য নিৰ্দেশনা ঃ**

1) E.V. Schueider, Industrial Sociology, Mc Grow Hill Pblishing Co.Ltd., New Delhi, 1979.
2) Gisbert, Fundamentals of Industrial Sociology, Tata Mc Graw-Hill Publishing Co.Ltd., New Delhi, 1978.
3) J.H. Smith, Industrial Sociology, UNESCO publication, 1961.
4) Sharma and Pandey, Industrial Sociology, Surajeet Publications, New Delhi, 2005.
5) V.V. Giri, Labour Problems in Indian Industry, Asia Publishing House, 1962.
6) Yogendra Singh, Modernization of Indian Tradition, Rawat Publi cations, Jaipur, 1986.

**৩) আৰ্হি প্ৰশ্ন ঃ**

১) ঔদ্যোগিকৰণৰ অৰ্থ প্ৰকাশ কৰা। মানৱ সমাজত ঔদ্যোগিকৰণৰ বহুমূখী প্ৰভাৱ সম্পৰ্কে আলোচনা কৰা।

২) ঔদ্যোগিকৰণৰ সংজ্ঞা দিয়া। পৰিয়াল ব্যৱস্থাত ঔদ্যোগিকৰণে কিদৰে প্ৰভাৱ পেলাইছে আলোচনা কৰা।

৩) শিক্ষা ব্যৱস্থাত ঔদ্যোগীকৰণৰ প্ৰভাৱৰ বিষয়ে আলোচনা কৰা।

৪) পৰিবেশৰ ওপৰত ঔদ্যোগীকৰণৰ ইতিবাচক আৰু নেতিবাচক প্ৰভাৱ সম্পৰ্কে আলোচনা কৰা।

৪) **প্ৰসংগ পুথি ঃ**

১) আহমদ, বৰগোহাঁই, চুতীয়া, "ঔদ্যোগিক সমাজতত্ত্ব", বনলতা, ডিব্ৰুগড়, ২০০৪, পৃষ্ঠা - ৯৭-১০৬

২) বৰা, ৰাজেন আৰু অখিল বৰা, "উদ্যোগৰ সমাজতত্ত্ব", বিদ্যাভৱন, যোৰহাট, ২০১৪, পৃষ্ঠা, ২৫৪-২৭৪

৩) বৰঠাকুৰ, বি.এন আৰু ৰূপৰেখা বৰদলৈ, "ঔদ্যোগিক সমাজতত্ত্ব আৰু শ্ৰমিক কল্যাণ", বিদ্যা ভৱন, যোৰহাট, ২০০৮, পৃষ্ঠা ১০৭-১১৫

৪) দলে, দুৰ্গেশ্বৰ, "ঔদ্যোগিক সমাজতত্ত্ব" ষ্টুডেন্টচ এম্পৰিয়াম, ডিব্ৰুগড়, ২০০৪, পৃষ্ঠা ৭৮-৮২

৫) R.N. Sharma and R.K. Sharma, "Introductory Industrial Sociology" Media Promoters and Publishers Pvt. Ltd., Bombay.

**খণ্ড নম্বৰ - ২ (Block 2)**

**গোট - ৪ (Unit -4)**

# ঔদ্যোগিক আমোলাতন্ত্ৰ

**(Industrial Bureaucracy)**

**গঠন বিন্যাস ঃ**

৪.০ উদ্দেশ্য
৪.১ প্ৰস্তাৱনা
৪.২ আমোলাতন্ত্ৰৰ ধাৰণা
৪.২.১ ঔদ্যোগিক আমোলাতন্ত্ৰৰ বৈশিষ্ট্য
৪.২.২ ঔদ্যোগিক আমোলাতন্ত্ৰৰ গুৰুত্ব আত্মমূল্যায়নৰ প্ৰশ্ন
৪.৩ সামৰণি
৪.৩.১ ঘাই শব্দসমূহ
৪.৩.২ আত্মমূল্যায়নৰ প্ৰশ্নৰ উত্তৰ
৪.৩.৩ পাঠ্য নিৰ্দেশনা
৪.৩.৪ আৰ্হি প্ৰশ্ন
৪.৩.৫ প্ৰসংগ পুথি

## ৪.০ উদ্দেশ্য (Objectives) ঃ

'ঔদ্যোগিক সমাজতত্ত্ব আৰু শ্ৰমিক কল্যাণ' শীৰ্ষক বিষয়ৰ পাঠ্যক্ৰমখনিত ঔদ্যোগিক আমোলাতন্ত্ৰ'ৰ বিষয়ে উল্লেখ কৰা হৈছে। এই গোটটি পঢ়িলে তোমালোকে—

১) ঔদ্যোগিক আমোলাতন্ত্ৰৰ ধাৰণা সম্পৰ্কে জ্ঞাত হ'বা।

২) ঔদ্যোগিক আমোলাতন্ত্ৰৰ বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰিব পাৰিবা।

৩) ঔদ্যোগিক আমোলাতন্ত্ৰৰ গুৰুত্ব সম্পৰ্কে বিশ্লেষণ কৰিব পাৰিবা।

## ৪.১ প্ৰস্তাৱনা ঃ

'ঔদ্যোগিক সমাজতত্ত্ব আু শ্ৰমিক কল্যাণ শীৰ্ষক বিষয়ৰ পাঠ্যক্ৰমৰ ২ নম্বৰ খণ্ডৰ ৪ নম্বৰ গোটটিত ঔদ্যোগিক আমোলাতন্ত্ৰ সম্পৰ্কে উল্লেখ কৰা হৈছে। দ্ৰুত উদ্যোগীকৰণ তথা উদ্যোগক্ষেত্ৰৰ সম্প্ৰসাৰণৰ লগে লগে প্ৰতিষ্ঠা হোৱা সৰু বৰ উদ্যোগ পৰিচালনাৰ বাবে এক পদ্ধতিগত প্ৰশাসনিক সংগঠনৰ প্ৰয়োজন হ'ল। উদ্যোগসমূহ পৰিচালনাৰ বাবে সুদক্ষ প্ৰশাসন পৰিচালক আৰু অন্যান্য শ্ৰমিক কৰ্মচাৰীৰ প্ৰয়োজন হয়। গতিকে, উদ্যোগ পৰিচালনাৰ এনে প্ৰয়োজনীয়তাৰ ফলতেই ঔদ্যোগিক আমোলাতন্ত্ৰৰ সৃষ্টি হৈছে।

আমোলাতন্ত্ৰৰ অৰ্থ আৰু সংজ্ঞা—

আমোলাতন্ত্ৰ মানে এটা বিশেষ অৱধাৰণাক বুজা যায়। মূল ফৰাচী শব্দ Burea ৰ পৰা Bureaucracy শব্দটো আহিছে আৰু এই Burea শব্দৰ অৰ্থ হ'ল কাৰ্যালয়। যিকোনো প্ৰশাসনীয় ব্যৱস্থাত আমোলাতন্ত্ৰৰ প্ৰভাৱ আমি নুই কৰিব নোৱাৰো। আমোলাতন্ত্ৰ মানে হৈছে কৰ্মচাৰীৰ দ্বাৰা পৰিচালিত এটা প্ৰশাসন ব্যৱস্থা য'ত কাৰ্যালয়ৰ কৰ্মচাৰীসকলক উচ্চ, মধ্য, নিম্ন আদি বিভিন্ন সংস্তৰণত ভাগ কৰা হয়।

আমোলাতন্ত্ৰৰ সংজ্ঞা—

(Definitions of Bureaucracy)

১) মে' ৱেবাৰৰ মতে — 'আমোলাতন্ত্ৰ হৈছে দক্ষতা, নিৰপেক্ষতা আৰু মানৱীয় অনুভূতি অভাৱৰ বৈশিষ্ট্যৰ এক প্ৰশাসন পদ্ধতি।' (Bureaucracy is a system of administration characterised by expertress in partiality and absence of humanity) ৱেবাৰৰ এই সংজ্ঞাৰ মতে, আমোলাতন্ত্ৰ এনে এক প্ৰশাসন ব্যৱস্থা যিটো কৰ্ম সম্পাদনৰ ক্ষেত্ৰত দক্ষতা আৰু নিৰপেক্ষতাৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হয়।

২) ৰবাৰ্ট কে মাৰটন ৰ মতে, 'আমোলাতন্ত্ৰ হৈছে এনে এক দ্বিতীয়ক সংৰচনা যি সমূহে প্ৰাথমিক সমূহৰ নিয়মেৰে সমাধা কৰিব নোৱাৰা কামবোৰ সমাপন কৰিব পাৰে। (Bureaucracy is a Secondary group structures designed to carry on certatin activities whcih cannot be performed on the basis of primary group critiria) মাৰটনৰ এই সংজ্ঞামতে আমোলাতন্ত্ৰ দ্বিতীয়ক সমূহৰ সংৰচনাৰ আৰ্হিত প্ৰতিষ্ঠিত।

ওপৰত আলোচনা কৰা সংজ্ঞাকেইটাৰ পৰা স্পষ্ট হ'ল যে আমোলাতন্ত্ৰ মানে হ'ল এক প্ৰশাসন ব্যৱস্থা যাৰদ্বাৰা দক্ষতাপূৰ্ণ আৰু নিৰপেক্ষভাৱে কৰ্মচাৰীসকলৰ দ্বাৰা ঔদ্যোগিক প্ৰশাসন চলোৱা হয়।

ঔদ্যোগিক আমোলাতন্ত্ৰৰ বৈশিষ্ট্য (Characteristics of Industrial Bureaucracy)

মে' ৱেবাৰে ঔদ্যোগিক আমোলাতন্ত্ৰৰ কেইটামান মূল বৈশিষ্ট্যৰ কথা উল্লেখ কৰিছে। সেইকেইটা হৈছে—

১) আইনসঙ্গভাৱে কৰ্তৃত্ব আৰু ক্ষমতাৰ বিকেন্দ্ৰীকৰণ ঃ (Division of Authority and Power According to Law)

ঔদ্যোগিক আমোলাতন্ত্ৰত কৰ্মচাৰীসকলক বিভিন্ন শ্ৰেণীত ভাগ কৰা হয়। প্ৰতিজন কৰ্মচাৰীৰ দায়িত্ব আৰু পদমৰ্যাদা বেলেগে বেলেগ হয়। কৰ্মচাৰীসকলে কৰ্ম সম্পাদন কৰিবলৈ যাওঁতে নিৰ্দিষ্ট প্ৰশাসনীয় নীতি-নিয়মসমূহ মানি চলিবলগীয়া হয়। প্ৰতিজন কৰ্মচাৰীৰ দায়িত্ব আৰু কৰ্তৃত্ব সীমাবদ্ধ। কৰ্মচাৰীসকলৰ বাবে বিশেষ আইনৰ ব্যৱস্থা আছে।

**২) সংস্তৰণ (Hierarchy) ঃ**

প্ৰতিটো ঔদ্যোগিক প্ৰতিষ্ঠানৰ পদসমূহ সংস্তৰণাত্মক। কল-কাৰখানা,

ঔদ্যোগিক প্ৰতিষ্ঠানসমূহ সুচাৰুৰূপে পৰিচালনা কৰিবৰ কাৰণে উচ্চ পৰ্যায়ৰ বিষয়াৰ পৰা নিম্ন পৰ্যায়ৰ কৰ্মচাৰীলৈকে কামৰ দায়িত্ব বিলাক স্পষ্টভাৱে নিৰ্দ্ধাৰিত হৈ থাকে। ফলস্বৰূপে কৰ্মচাৰীসকলে নিজৰ দায়িত্বসমূহ স্তৰ অনুসৰি সমাপন কৰিব পাৰে।

**৩) লিখিত নথিপত্ৰ (Writting Documents) ঃ**

আমোলাতান্ত্ৰিক ব্যৱস্থাত সকলো কাম-কাজ লিখিত নথি-পত্ৰৰ ওপৰত নিৰ্ভৰ কৰি সম্পাদন হয়। কৰ্মচাৰীসকলৰ নিযুক্তি, বেতন, পদোন্নতি আৰু অন্যান্য কাম-কাজৰ প্ৰয়োজনীয় তথ্যবোৰ নথি-পত্ৰৰ যোগেদি লিপিবদ্ধ কৰি ৰখা হয়।

**৪) পৰিচালক আৰু বিষয়াসকলৰ বিশেষীকৰণ কাৰ্য (Specialized Work of Officers) ঃ**

বৰ্তমান ঔদ্যোগিক প্ৰতিষ্ঠানসমূহত নতুন নতুন মেচিন আৰু অন্যান্য সা-সৰঞ্জাম ব্যৱহাৰ কৰা হয়। গতিকে কৰ্মচাৰীসকলে যাতে বিভিন্ন কৌশল আৰু জ্ঞান আহৰণ কৰিব পাৰে তাৰবাবে সময়ে সময়ে প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিব লগা হয়।

**৫) নিৰ্দ্ধাৰিত নিয়মাৱলী (Special rules and regulation) ঃ**

ঔদ্যোগিক প্ৰতিষ্ঠানসমূহত প্ৰশাসনিক কাৰ্যাৱলী সম্পাদন কৰিবৰ কাৰণে নিৰ্দিষ্ট নিয়মাৱলী প্ৰস্তুত কৰিব লগা হয়। প্ৰতিজন কৰ্মচাৰীয়ে নিজৰ কৰ্ম সম্পাদন কৰোতে এই নিয়মসমূহ মানি চলিবলগীয়া হয়। ফলস্বৰূপে, বিষয়াসকলে ক্ষমতাৰ অপব্যৱহাৰ কৰিব নোৱাৰে।

**৬) নিয়োগ ব্যৱস্থা (Appointment of Candidates) ঃ**

ঔদ্যোগিক আমোলাতন্ত্ৰত কৰ্মচাৰী নিযুক্তিৰ ক্ষেত্ৰত এখন বাছনি সমিতিয়ে শিক্ষাগত অৰ্হতা আৰু যোগ্যতাৰ ভিত্তিত কৰ্মচাৰীসকলক বাছনি কৰে। বাছনি সমিতিৰ সদস্যসকলক সীমিত পাৰিশ্ৰমিক দিয়াৰ ব্যৱস্থা আছে।

**ঔদ্যোগিক আমোলাতন্ত্ৰৰ গুৰুত্ব (Significance of Industrial Bureaucracy)**

বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ প্ৰসাৰৰ ফলস্বৰূপে বিশ্বত বিভিন্ন বৃহৎ বৃহৎ উদ্যোগৰ সৃষ্টি হৈছে। গতিকে, উদ্যোগক্ষেত্ৰখন দিনক দিনে জটিল হৈ পৰিছে আৰু এনে উদ্যোগবোৰ সুচাৰুৰূপে পৰিচালনাৰ বাবে এক দক্ষ প্ৰশাসক তথা পৰিচালকৰ প্ৰয়োজন হয়। এনে দক্ষ প্ৰশাসকসকলক লৈয়েই ঔদ্যোগিক আমোলাতন্ত্ৰ গঢ়ি উঠিছে। আধুনিক ঔদ্যোগিক সমাজ ব্যৱস্থাত ঔদ্যোগিক আমোলাতন্ত্ৰৰ গুৰুত্ব আমি তলত দিয়া ধৰণে আলোচনা কৰিব পাৰো।

১) ঔদ্যোগিক আমোলাতন্ত্ৰৰ শাসন ব্যৱস্থাটো হ'ল এক পদ্ধতিগত শাসন ব্যৱস্থা। এই ব্যৱস্থাত নিৰ্দ্ধাৰিত নীতি নিয়মৰ মাজত প্ৰশাসনীয় কাম-কাজবোৰ সমাপন কৰা হয়। যিহেতুকৰ বিষয়া কৰ্মচাৰীসকলক বিভিন্ন সংস্তৰণত ভাগ কৰি কৰ্তৃত্ব আৰু দায়িত্ব দিয়া হয়। গতিকে, ঔদ্যোগিক প্ৰশাসনৰ ক্ষেত্ৰত বেমেজালিয়ে দেখা নিদিয়ে।

২) ঔদ্যোগিক আমোলাতন্ত্ৰত দক্ষ, অভিজ্ঞ আৰু তীক্ষ্ণ বুদ্ধি সম্পন্ন ব্যক্তিসকলক নিয়োগ কৰা হয়। তেওঁলোকে যিকোনো জটিল পৰিস্থিতিকো সুন্দৰ ভাৱে সমাধা কৰিব পাৰে। দক্ষ লোকৰ  দ্বাৰা গঠিত সংগঠন বাবেই ঔদ্যোগিক আমোলাতান্ত্ৰিক সংগঠনৰ প্ৰয়োজনীয়তা উপলব্ধি কৰিব পৰা যায়।

৩) ঔদ্যোগিক আমোলাতন্ত্ৰ কেৱল উদ্যোগৰ উৎপাদন তথা পৰিচালনাতে জড়িত নহয়। এই আমোলাতন্ত্ৰই এখন দেশ তথা সমাজৰ অৰ্থনৈতিক সংৰচনাৰো পৰিবৰ্তন আনিব পাৰে। যেতিয়া দক্ষ আমোলাসকলৰ পৰিচালনাৰে বৃহৎ ঔদ্যোগ সমূহ উৎপাদন বৃদ্ধি কৰা হয় তেন্তে এখন সমাজ বা দেশত অৰ্থনৈতিক উন্নয়ন বৃদ্ধি পায়।

৪) ঔদ্যোগিক আমোলাতন্ত্ৰত নিয়াৰিকৈ আৰু সুনিপুনভাৱে উদ্যোগ পৰিচালনাৰ বাবে আমোলাসকলক প্ৰশিক্ষণ দিয়া হয়। এনে প্ৰশিক্ষণপ্ৰাপ্ত আৰু অভিজ্ঞতাসম্পন্ন লোকৰ উপস্থিতিৰ বাবে ঔদ্যোগিক আমোলাতন্ত্ৰৰ গুৰুত্ব লেখত লবলগীয়া।

ইতিমধ্যে উল্লেখিত বিভিন্ন দিশসমূহৰ কাৰণে ঔদ্যোগিক আমোলাতন্ত্ৰক এক উল্লেখনীয় প্ৰশাসনিক সংগঠন হিচাপে চিহ্নিত কৰা হয়।

**আত্মমূল্যায়ৰ প্ৰশ্ন**

১) Bureaucracy শব্দটো ক'ৰ পৰা আহিছে?

২) আমোলাতন্ত্ৰৰ সংজ্ঞা দিয়া

**৪.৩ সামৰণি** (Conclusion)

শিল্প বিপ্লৱ আৰু দ্ৰুত উদ্যোগীকৰণৰ ফলত বিভিন্ন উদ্যোগ গঢ় লৈ উঠিল। এই উদ্যোগসমূহ সুচাৰুৰূপে পৰিচালনাৰ বাবে প্ৰয়োজন হ'ল এক পদ্ধতিগত প্ৰশাসন ব্যৱস্থা। এই ক্ষেত্ৰত ঔদ্যোগিক আমোলাতন্ত্ৰৰ প্ৰয়োজনীয়া নুই কৰিব নোৱাৰি।

**৪.৩.১ ঘাইশব্দসমূহ** (Key Words) ঃ

আমোলতন্ত্ৰ, ঔদ্যোগিক আমোলাতন্ত্ৰ, সংস্তৰণ, কৰ্তৃত্ব

**৪.৩.২ আত্মমূল্যায়নৰ প্ৰশ্নৰ উত্তৰ**

১) উত্তৰ ঃ- Bureaucracy শব্দটো মূল ফৰাচী শব্দ Burea পৰা আহিছে।

২) উত্তৰ ঃ- আমোলাতন্ত্ৰ হ'ল এনে এক প্ৰশাসন ব্যৱস্থা কৰ্ম সম্পাদনৰ ক্ষেত্ৰত দক্ষতা আৰু নিৰপেক্ষতাৰ ওপৰত গুৰুত্ব দিয়া হয়।

**২.৩ পাঠ্য নিৰ্দেশনা ঃ**

| | | | |
|---|---|---|---|
| ১) | Miller Delbert C. | : | Industrial Sociology of Works Organisation, New Work, Harber 1967 |
| ২) | Gilbert P. | : | Fundamentals of Industrial Sociology, New Delhi, Mcgrow Hills, 1972 |

**৪.৩.৪ আৰ্হি প্ৰশ্ন**

১) ঔদ্যোগিক আমোলাতন্ত্ৰৰ বৈশিষ্ট্যসমূহ লিখা।

২) ঔদ্যোগিক আমোলাতন্ত্ৰৰ গুৰুত্ব সম্পৰ্কে আলোচনা কৰা।

**৪.৩.৫ প্ৰসংগ পুথি**

১. Borthakur, B.N. and R. Bordoloi, 'Udyagik Samajtatte aru Sramik Kalyan', Bidya Bhawan, Jorhat, 2008-09

২. Despande, Archana, "Industrial Sociology Sun India Publication, New Delhi, 2010

# খণ্ড নম্বৰ - ৪ শ্ৰমিক কল্যাণ (Block - 4)

## গোট -১ (Unit -1)

## সংজ্ঞা, উদ্দেশ্য, প্ৰয়োজনীয়তা আৰু পৰিসৰ

**গঠন বিন্যাস ঃ**


৪.০ উদ্দেশ্য

৪.১ প্ৰস্তাৱনা

৪.২ শ্ৰমিক কল্যাণৰ সংজ্ঞা

৪.২.১ শ্ৰমিক কল্যাণৰ উদ্দেশ্য

৪.২.২ শ্ৰমিক কল্যাণৰ প্ৰয়োজনীয়তা

৪.২.৩ শ্ৰমিক কল্যাণৰ পৰিসৰ

আত্মমূল্যায়ণৰ প্ৰশ্ন

৪.৩ সামৰণি

১) প্ৰধান শব্দসমূহ

২) পাঠ্য নিৰ্দেশনা

৩) আত্মমূল্যায়ণৰ প্ৰশ্নৰ উত্তৰ

৪) আৰ্হি প্ৰশ্ন

৫) প্ৰসংগ পুথি

## ৪.০ উদ্দেশ্য (Objectives)

'ঔদ্যোগিক সমাজতত্ত্ব আৰু শ্ৰমিক কল্যাণ' এই পাঠ্যক্ৰমখনি সমাজতত্ত্বৰ এক গুৰুত্বপূৰ্ণ বিষয় হিচাবে গণ্য কৰা হৈছে 'ঔদ্যোগিক সমাজতত্ত্ব আৰু শ্ৰমিক কল্যাণ' এই পাঠ্যক্ৰমখনিৰ ৪ নম্বৰ খণ্ডৰ প্ৰথম গোটটি অধ্যয়ন কৰাৰ পাছত তোমালোকে তলৰ বিষয় কেইটাৰ সম্পৰ্কে ভালকৈ জানিব পাৰিবা —

(ক) শ্ৰমিক কল্যাণৰ সংজ্ঞা সম্পৰ্কে ব্যাখ্যা কৰিব পাৰিবা।

(খ) শ্ৰমিক কল্যাণৰ উদ্দেশ্যৰ বিষয়ে বৰ্ণনা কৰিব পাৰিবা।

(গ) শ্ৰমিক কল্যাণৰ প্ৰয়োজনীয়তা বা আৱশ্যকতা সম্পৰ্কে বিশ্লেষণ কৰিব পাৰিবা।

(ঘ) শ্ৰমিক কল্যাণৰ পৰিসৰৰ বিষয়ে বহলাই আলোচনা কৰিব পাৰিবা।

## ৪.১ প্ৰস্তাৱনা (Introduction) ঃ

তোমালোক 'ঔদ্যোগিক সমাজতত্ত্ব আৰু শ্ৰমিক কল্যাণ" গ্ৰন্থখনিত আটাইকেইটা গোটত অন্তভূক্ত থকা বিভিন্ন বিষয় সম্পৰ্কে অধ্যয়ন কৰিলা। এতিয়া আমি এই ৪ নম্বৰ খণ্ডৰ ৰ নম্বৰ গোটত সন্নিবিষ্ট থকা 'শ্ৰমিক কল্যাণৰ' বিভিন্ন অৱধাৰণাৰ সম্পৰ্কে আলোচনা কৰিম। যিহেতু ঔদ্যোগিক সমাজতত্ত্বত 'শ্ৰমিক কল্যাণ' সম্পৰ্কে জনাতো সমাজতত্ত্বৰ ছাত্ৰ-ছাত্ৰী সকলৰ বাবে অতি প্ৰয়োজন। কাৰণ বিভিন্ন চৰকাৰী বা অন্যান্য বেচৰকাৰী উদ্যোগ প্ৰতিষ্ঠান বা অন্যান্য কলকাৰখানত নিয়োজিত হৈ থকা শ্ৰমিকসকলৰ সৰ্বাহীন কল্যাণ সাধন কৰাটো চৰকাৰৰ লগতে অন্যান্য ব্যক্তিগত প্ৰতিষ্ঠানসমূহৰ বাবে অতি প্ৰয়োজনীয় বিষয়। এই 'শ্ৰমিক কল্যাণ' বিষয়টি শ্ৰমিকসকলৰ সৰ্বাঙ্গীন উন্নতিৰ লগতে শ্ৰমিকসকলৰ জীৱনৰ নিৰাপত্তাৰ বিষয়টো জড়িত হৈ আছে। এই গোটটিত শ্ৰমিকসকলৰ কল্যাণৰ বাবে হাতত লোৱা বিভিন্ন কল্যাণমূলক কাৰ্যাৱলী, আঁচনি, শ্ৰমিক কল্যাণৰ প্ৰয়োজনীয়তা, পৰিধি আদি বিভিন্ন দিশৰ ওপৰত আলোচনা কৰা হৈছে।

## ৪.২ শ্ৰমিক কল্যাণৰ সংজ্ঞা (Definition of Labour Welfare)

'শ্ৰমিক কল্যাণ' হ'ল ঔদ্যোগিক সমাজতত্ত্বৰ অন্তগত এটা অন্যতম আলোচ্য বিষয়। ঔদ্যোগিক সমাজতত্ত্বত শ্ৰমিক কল্যাণ বিষয়টো আলোচনা কৰাটো অতি প্ৰয়োজনীয়। সাধাৰণতে কৰ্মৰতসকলো মানুহকেই শ্ৰমিক হিচাপে গণ্য কৰা হয়। প্ৰকৃততে মানুহে সকলো খণ্ডতে বা বিভিন্ন উৎপাদনৰ ক্ষেত্ৰসমূহত যেতিয়া শ্ৰম প্ৰদান বা শ্ৰম দান কৰে তেতিয়া সেই শ্ৰম প্ৰদান কৰা মানুহবিলাকক 'শ্ৰমিক' হিচাবে অভিহিত কৰা হয়। গতিকে শ্ৰমিক কেৱল উদ্যোগ প্ৰতিষ্ঠানত কাম কৰা

মানুহবিলাকেই নুবুজায়, ই কাম কৰা সকলো মানুহকেই বুজায়। কিন্তু এই গোটটিত ‘শ্ৰমিক’ শব্দটো কোনো চৰকাৰ বা বেচৰকাৰী উদ্যোগ বা কলকাৰখানত যিসকল ব্যক্তিয়ে শ্ৰম দান কৰে সেই ব্যক্তিসকলকহে বুজোৱা হৈছে।

এতিয়া আমি শ্ৰমিক কল্যাণ মানেনো কি আৰু শ্ৰমিক কল্যাণ সংজ্ঞাৰ ওপৰত মত পোষণ কৰা বিভিন্ন সমাজতত্ত্ববিদ, অৰ্থনীতিবিদসকলৰ মতামত আগবঢ়ায়। শ্ৰমিক হৈছে যিকোনো বস্তু নিৰ্মাণ আৰু উৎপাদনৰ এক ধৰণীস্বৰূপ। শ্ৰমিকৰ অবিহনে যিকোনো উদ্যোগ বা কলকাৰখানাৰ কাম কাজ বিলাক সম্পাদন কৰাতো সম্ভৱ নহয়। সেয়ে, শ্ৰমিকসকলৰ উদ্যোগত বা কলকাৰখানাসমূহত কৰ্মৰত অৱস্থাত তেওঁলোকৰ সৰ্বাঙ্গীন উন্নতিৰ বাবে চৰকাৰে বা ব্যক্তিগত উদ্যোগখণ্ডৰ কতৃপক্ষই বিভিন্ন উন্নয়ণমূলক ব্যৱস্থা গ্ৰহণ কৰে আৰু যাক আমি ‘শ্ৰমিক কল্যাণ’ (Labour Welfare) বুলি অভিহিত কৰিব পাৰো। শ্ৰমিককল্যাণ অৱধাৰণাই শ্ৰমিক শ্ৰেণীৰ বিভিন্ন দিশত উন্নয়ণৰ বাবে লোৱা বিভিন্ন সংগঠন আৰু চৰকাৰে লোৱা কল্যাণমূলক কাৰ্যসমূহক অন্তভুক্ত কৰিব পাৰি। শ্ৰমিক কল্যাণ বিষয়টোৰ প্ৰকৃতাৰ্থত অতি ব্যাপক পৰিসৰ আৰু ই শ্ৰমিক সম্প্ৰদায়ক বা শ্ৰমিক শ্ৰেণীক সামাজিক, অৰ্থনৈতিক, বৌদ্ধিক আৰু নৈতিক এই আটাইবোৰ দিশত অগ্ৰসৰ কৰিবৰ বাবে কোনো চৰকাৰী/ বেচৰকাৰী বিভাগ/ সংগঠন /ৰাজহুৱা বা ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠান আদিয়ে হাতত লোৱা উন্নয়ণমূলক কৰ্ম ব্যৱস্থাসমূহক সাঙুৰি লয়। এখন ৰাষ্ট্ৰৰ অৰ্থনৈতিক উন্নয়ণৰ পৰিধি আৰু সমাজ ব্যৱস্থাৰ চৰিত্ৰৰ ওপৰত নিৰ্ভৰ কৰিৰ সেই ৰাষ্ট্ৰৰ শ্ৰমিক কল্যাণৰ অৱধাৰণা উদ্ভৱ হয়। সেয়েহে শ্ৰমিক কল্যাণ অৱধাৰণাটো সকলো ৰাষ্ট্ৰতে একে নহয়। সাধাৰণতে কোনো কৰ্ম ক্ষেত্ৰত নিয়োজিত হৈ থকা শ্ৰমিকসকলৰ কৰ্ম অৱস্থা উন্নত, সুখী, সন্তোষজনক, সংৰক্ষণ তথা নিৰাপত্তা আৰু মানৱ সম্পদসমূহ উন্নয়ণ (Development of Human Resource) কৰা এই বিষয় কেইটা জড়িত হৈ থাকে।

শ্ৰমিক কল্যাণৰ সংজ্ঞা সম্পৰ্কে বিভিন্ন অৰ্থনীতিবিদ, সমাজতত্ত্ববিদ, সংগঠন, সমিটিয়ে বিভিন্ন ধৰণেৰে মতামত আগবঢ়াইছে। তোমালোকে ‘শ্ৰমিক কল্যাণ’ সম্পৰ্কত কেইটামান সংজ্ঞা জানিবৰ বাবে তলত উল্লেখ কৰা হৈছে।

অধ্যাপক ৰিছাৰ্ডচন (Prof. Richardson) ৰ মতে, “শ্ৰমিক কল্যাণ মানে হ’ল কামৰ সু-ব্যৱস্থা কৰা, সামাজিক আৰু খেল-ধেমালিৰ সংঘ সংঘবদ্ধ কৰা, ব্যৱসায় প্ৰতিষ্ঠানসমূহৰ দ্বাৰা নিধি স্থাপন কৰা। তাৰোপৰি শ্ৰমিকসকলৰ স্বাস্থ্য, সুৰক্ষিত আৰু আৰামদায়ক, উপযুক্ত অৰ্থনৈতিক নিৰাপত্তা প্ৰদান কৰা, শিক্ষা আৰু বিনোদনত বৰঙণি যোগায়।”

ই.এচ প্ৰাউদৰ (E.S. Proud) ৰ মতে, "শ্ৰমিক কল্যাণ হৈছে নিজৰ উদ্যোগত শ্ৰমিকসকলৰ উদ্যোগিক পদ্ধতি আৰু নিয়োগ ব্যৱস্থা উন্নতিৰ কাৰণে কৰা স্বেচ্ছামূলক প্ৰচেষ্টা।" (Labour welfare refers to the efforts on the part of employess to improve, with in the existing industrial system the conditions of employment in their own factories)

ড° পানাদিকৰ মতে "শ্ৰমিক আইনৰ দ্বাৰা উদ্যোগৰ কৰ্মী সকলক স্বাস্থ্য, নিৰাপত্তা আৰু উন্নতিৰ কাৰণে পূণ্যতম মানদণ্ডৰ উন্নতি সাধন কৰাই হ'ল শ্ৰমিককল্যাণ।"

আন্তজাতিক শ্ৰমিক সংগঠন (International Labour organization) ৰ মতে "শ্ৰমিক কল্যাণ বুলিলে সেই বিলাক সেৱা, সুবিধা আৰু সুচলতাকে বুজাই যিবিলাক এটা প্ৰতিষ্ঠানৰ ভিতৰত বা ইয়াৰ ওচৰে-পাজৰে প্ৰতিষ্ঠা কৰি সেই অনুষ্ঠান প্ৰতিষ্ঠানত সংস্থাপিত ব্যক্তিসকলক নিৰোগী আৰু উপযোগী পৰিৱেশত কৰ্ম সাধন কৰিবলৈ সমৰ্থবান কৰা আৰু তেওঁলোকৰ সুস্বাস্থ্য আৰু উচ্চ নৈতিক সম্ভাৰৰ উৎকৰ্ষ সাধনৰ বাবে সুচলতা আগবঢ়োৱা।"

শ্ৰমিক অনুসন্ধান কমিটিয়ে শ্ৰমিক কল্যাণৰ সংজ্ঞা এনেদৰে আগবঢ়াইছে যে 'চৰকাৰী বা বেচৰকাৰী প্ৰতিষ্ঠানৰ উভয় শ্ৰমিকসকলৰ বৌদ্ধিক, শাৰীৰিক, নৈতিক (Moral) আৰু অৰ্থনৈতিক উন্নতিৰ কাৰণে আইনৰ দ্বাৰা প্ৰস্তুত থকা শ্ৰমিকসকলৰ চুক্তিগত লাভৰ কাৰণে আশা কৰিব পৰা ধৰণৰ ব্যৱস্থাৱলীসমূহকেই শ্ৰমিক কল্যাণ বুলি কোৱা হয়।"

শ্ৰমিক কল্যাণ কমিটিৰ মতে "শ্ৰমিকসকলৰ শাৰীৰিক, মানসিক আৰু সাধাৰণ উন্নতিৰ বাবে ল'ব পৰা সমাধান, যিবিলাকে শ্ৰমিকসকলক উন্নতিৰ সাধন কৰে।"

Oxford Dictionary ত উল্লেখ কৰা মতে "শ্ৰমিক কল্যাণ হৈ শ্ৰমিকসকলৰ কাৰণে মূল্যবান জীৱন গঢ়াৰ প্ৰচেষ্টা (Labour welfare is efforts to make life worthliving for workers)

গতিকে ওপৰোক্ত সংজ্ঞা সমূহৰ পৰা দেখা গ'ল যে শ্ৰমিক কল্যাণে শ্ৰমিকৰ বাসগৃহ, স্বাস্থ্য (Health), শ্ৰমিকসকল কৰ্মৰস্থা সুচল, বাসস্থানৰ উপযোগী, নিয়োগ ব্যৱস্থা,

শৌচালয় ব্যৱস্থা, জীৱন বীমা সুবিধা, ভৱিষ্যত নিধি ব্যৱস্থা, অৱসৰ ভাট্টা, অসুখী আৰু প্ৰসূঁতিৰ বাবে লোৱা উপযুক্ত ব্যৱস্থা বা সেৱা সমূহকেই শ্ৰমিক কল্যাণ বুলি অভিহিত কৰিব পাৰি।

**৪.২.১ শ্ৰমিক কল্যাণৰ উদ্দেশ্য (Objectives of Labour Welfare) ঃ**

তোমালোকে ইতিমধ্যে আগত উল্লেখ কৰি অহা শ্ৰমিক কল্যাণৰ অৰ্থ আৰু সংজ্ঞাৰ বিষয়ে কিছু কথা জানিলা। এতিয়া তোমালোকক শ্ৰমিক কল্যাণৰ প্ৰধান উদ্দেশ্যসমূহৰ বিষয়ে অৱগত কৰিম। শ্ৰমিক কল্যাণক সাধাৰণতে মানৱহিতবাদী, উন্নয়নকামী কাৰ্য হিচাপে গণ্য কৰা হয়। ইয়াক মানৱহিতবাদী বুলি এই কাৰণেই কোৱা হৈছে যে ই শ্ৰমিকসকলৰ জীৱনলৈ কিছুমান বিশেষ সুবিধা আৰু কল্যাণমূলক সেৱা আগবঢ়ায়। প্ৰকৃতাৰ্তত, উদ্যোগ বা কলকাৰখানা বা অন্যান্য চৰকাৰী আৰু বেচৰকাৰী সেৱা খণ্ডত শ্ৰমিকসকলে তেওঁলোক কৰ্মৰত হৈ থকাৰ সময়ত বিভিন্ন সমস্যাৰ সন্মুখীন হ'বলগা জীৱন-যাপনৰ সা-সুবিধাসমূহ উপযুক্ত ভাৱে নাপায়। বহু ক্ষেত্ৰত শ্ৰমিকসকলে জীৱন নিৰ্বাহৰ সামান্যতম সুবিধাৰ পৰাও বঞ্চিত হ'ব লগাত পৰে। শ্ৰমিক সকলে শ্ৰমদান কৰাৰ পৰিপ্ৰেক্ষিতত যি মজুৰি লাভ কৰে সেই সামান্যতম মজুৰি লাভ কৰিবলৈকো হাঁহাকাৰ কৰিব লগা হয়। তাৰোপৰি শ্ৰমিকসকলে কিছুমান অতি অস্বাস্থ্যকৰ পৰিৱেশত কাম কৰিব লাগে যাৰ কাৰণে তেওঁলোকে বিভিন্ন বেমাৰ-আজাৰত আক্ৰান্ত হ্বলগীয়াত পৰে। অন্যহাতে শ্ৰমিকসকলৰ জীৱনৰ কোনো নিৰাপত্তা ব্যৱস্থা নাথাকে। গতিকে এনেবোৰ দিশলৈ লক্ষ্য কৰি শ্ৰমিকসকলৰ জীৱনৰ নিৰাপত্তাৰ বিভিন্ন উদ্দেশ্য আগত ৰাখি শ্ৰমিক কল্যাণৰ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। দেশ বা অঞ্চল অনুযায়ী শ্ৰমিক কল্যাণৰ উদ্দেশ্য ভিন ভিন হ'লেও ইয়াৰ কেতবোৰ সাৰ্বজনীন উদ্দেশ্যও আছে।

শ্ৰমিক কল্যাণৰ উদ্দেশ্যসমূহক প্ৰধানকৈ তিনিতা উদ্দেশ্যত ভাগ কৰা হৈছে। এই তিনিটা উদ্দেশ্য হৈছে মানৱহিতকাৰী, আৰ্থিক আৰু শ্ৰমিক কল্যাণৰ উদ্দেশ্য আংশিকভাৱে মানৱ হিতকাৰী, আংশিকভাৱে আৰ্থিক আৰু আংশিক ভাৱে নাগৰিক বা পৌৰ সম্বন্ধীয়। তলত এই তিনিওটা প্ৰধান উদ্দেশ্যৰ বিষয়ে তোমালোকক চমুকৈ ব্যাখ্যা কৰা হৈছে।

শ্ৰমিক কল্যাণৰ প্ৰথমটো উদ্দেশ্য হৈছে আংশিকভাৱে মানৱহিতকাৰী উদ্দেশ্য। এই প্ৰকাৰ উদ্দেশ্যত শ্ৰমিকসকলৰ বাবে কিছুমান বিশেষ সা-সুবিধা আৰু সুচলতা আগবঢ়াই, যিবিলাক শ্ৰমিক সকলে নিজে আহৰণ কৰিবলৈ সমৰ্থ নহয়। শ্ৰমিক কল্যাণৰ কাৰ্য্যসমূহৰ জৰিয়তে শ্ৰমিকসকলৰ দুৰৱস্থা আঁতৰাই তেওঁলোকক নিৰাপত্তা প্ৰদান কৰাটো উদ্যোগ কৰ্তৃপক্ষৰ প্ৰধান উদ্দেশ্য। বহু শ্ৰমিক দুৰ্গম বা বস্তি (slums) অঞ্চলত ভগা-ছিগা ঘৰ-দুৱাৰ বা বাসগৃহত আৰু অস্বাস্থ্যকৰ পৰিৱেশত বাস কৰে। তাৰোপৰি জীৱন নিৰ্বাহৰ অত্যাৱশ্যকীয় বা প্ৰয়োজনীয় সা-সামগ্ৰীসমূহ যোগাৰ কৰা ক্ষেত্ৰত অপাৰগ। গতিকে শ্ৰমিকসকলৰ এই সকলোবোৰ সমস্যা তথা

দুৰ্দশা আঁতৰাই প্ৰগতি অৰ্থাৎ কল্যাণ সাধন কৰাটো শ্ৰমিক কল্যাণ কাৰ্য্যৰ এক অন্যতম উদ্দেশ্য। শ্ৰমিক কল্যাণ কাৰ্য্যসমূহৰ জৰিয়তে শ্ৰমিকসকলৰ দুৰৱস্থা আতৰাই নিৰাপত্তা প্ৰদান কৰাটো অন্যতম উদ্দেশ্য।

শ্ৰমিক কল্যাণৰ দ্বিতীয়টো উদ্দেশ্য হৈছে আংশিকভাৱে আৰ্থিক উদ্দেশ্য। আংশিকভাৱে আৰ্থিক বুলি এই কাৰণেই কোৱা হৈছে যে এই শ্ৰমিক কল্যাণ কাৰ্য্যসমূহে শ্ৰমিকসকলক যাতে বিভিন্ন দিশত আৰ্থিকভাৱে নিৰাপত্তা প্ৰদান কৰাত বিশেষ ভূমিকা পালন কৰে। এই শ্ৰমিক কল্যাণ কাৰ্য্যৰ আৰ্থিক উদ্দেশ্যসমূহৰ যোগেদি শ্ৰমিক আৰু উদ্যোগসমূহৰ মালিক পক্ষৰ মাজত সম্পৰ্ক সুদৃঢ় কৰি ৰাখিবলৈ যত্ন কৰা হয় যাতে শ্ৰমিকসকলৰ আৰ্থিক লাভালাভৰ ক্ষেত্ৰত কোনো বিশৃংখলতা বা বেমেজালিৰ সৃষ্টি নহয়। শ্ৰমিকসকলৰ কাৰ্য দক্ষতা বৃদ্ধি কৰাৰ ক্ষেত্ৰতো আৰ্থিক উদ্দেশ্যসমূহে সহায় কৰে যাতে শ্ৰমিকসকলে নিজৰ দক্ষতাৰে উপাৰ্জন বৃদ্ধি কৰিব পাৰে।

শ্ৰমিক কল্যাণৰ তৃতীয়টো উদ্দেশ্য হৈছে আংশিকভাৱে নাগৰিক বা পৌৰ। এই উদ্দেশ্যৰ জৰিয়তে শ্ৰমিকসকলৰ নিজৰ দায়িত্ব আৰু কৰ্তব্যৰ প্ৰতি দায়বদ্ধতা আৰু মৰ্যদা বৃদ্ধি কৰি শ্ৰমিকসকলক সু-নাগৰিক হিচাপে গঢ়ি তুলিবলৈ চেষ্টা কৰা হয়।

### ৪.২.২ শ্ৰমিক কল্যাণৰ প্ৰয়োজনীয়তা বা আৱশ্যকতা (Need of Labour Welfare) ঃ

আমি ইতিপূৰ্বে শ্ৰমিক কল্যাণৰ উদ্দেশ্যসমূহৰ বিষয়ে তোমালোকক কিছু কথা অৱগত কৰিলো। এতিয়া তোমালোকক ভাৰতবৰ্ষত শ্ৰমিক কল্যাণৰ প্ৰয়োজনীয়তা বা আৱশ্যকতা সম্পৰ্কে আলোচনা কৰিম। বিশ্বৰ অন্যান্য দেশসমূহৰ তুলনাত ভাৰতবৰ্ষত শ্ৰমিকসকলৰ উন্নতিৰ স্বাৰ্থত তেওঁলোকৰ বাবে কল্যাণমূলক কাৰ্যসূচী গ্ৰহণ কৰাতো অতি প্ৰয়োজনীয় পদক্ষেপ। কাৰণ বিশ্বৰ আন আন দেশৰ তুলনাত আমাৰ ভাৰতবৰ্ষত শ্ৰমিকসকলে এক অতি দুখলগা পৰিৱেশত আৰু অস্বাস্থ্যকৰ পৰিৱেশত কাম কৰিব লগা হয়। তেওঁলোকে বহু সময় ধৰি এক অস্বাস্থ্যকৰ পৰিৱেশত কাম কৰিব লগীয়া হোৱা এক বিৰক্তিজনক সময় অতিবাহিত কৰিব লাগে। গাঁৱৰ সম্প্ৰদায়ৰ পৰা আঁতৰি গৈ এক আচহুৱা আৰু অস্বাস্থ্যকৰ পৰিৱেশত কাম কৰি তেওঁলোকে সহজেই মদ খোৱা, জুৱা খেলা আৰু অন্যান্য বেয়া কামৰ প্ৰতি আৰ্কষিত হৈ পৰে যাৰ ফলত ক্ৰমান্বয়ে নৈতিক অধঃপতন ঘটাই জীৱন ধ্বংসৰ পথলৈ ঠেলি দিয়ে। ভাৰতবৰ্ষৰ শ্ৰমিকসকলে ঔদ্যোগিক প্ৰতিষ্ঠানত নিযুক্তি পোৱাটো এটা অতি শীঘ্ৰে পৰিত্ৰাণ পাবলৈ অশেষ চেষ্টা কৰে। গতিকে শ্ৰমিকসকলৰ জীৱনৰ

কৰ্মাৱস্থা আৰু ঔদ্যোগিক কেন্দ্ৰসমূহৰ পৰিৱেশৰ উন্নতি নকৰিলে এক সন্তোষজনক, সুস্থ আৰু এক দক্ষ শ্ৰমিক গোট প্ৰস্তুত বা গঠন কৰিব নোৱাৰে। ইয়াৰ পৰাই অনুমান কৰিব পাৰি যে পশ্চিমীয়া দেশসমূহৰ তুলনাত আমাৰ ভাৰতবৰ্ষত শ্ৰমিক কল্যাণৰ গুৰুত্ব অধিক। ভাৰতবৰ্ষত শ্ৰমিক কল্যাণৰ কিয় প্ৰয়োজনীয়তা আছে এই সম্পৰ্কে কেইটামান গুৰুত্বপূৰ্ণ বিষয় তলত চমুকৈ বৰ্ণনা কৰা হৈছে।

**(১) শক্তিশালী শ্ৰমিক আন্দোলনৰ অভাৱ (Lack of Strong Labour Union Movement) ঃ**

বিশ্বৰ অন্যান্য আগশাৰী দেশসমূহৰ তুলনাত ভাৰতবৰ্ষত শ্ৰমিক আন্দোলনৰ অভাৱ অতি কম। দুই এটি বা মাজে সময়ে গঢ়ি উঠা শ্ৰমিক আন্দোলনৰ বাহিৰে এক শক্তিশালী শ্ৰমিক আন্দোলন জাগ্ৰিত হোৱা দেখা নাযায়। কিয়নো শ্ৰমিকসকল একেটা শ্ৰেণীতে বা একগোট হৈ সু-সংঘবদ্ধ হৈ গঠন হ'ব নোৱাৰে। তাৰোপৰি বিভিন্ন সাংগঠনিক, সমস্যা আৰু মতানৈক্য থকাৰ বাবে তেওঁলোকে একে লগে বা সু-সংঘবদ্ধ হৈ তাৰ কাৰণে দাবী জনোৱাত ব্যৰ্থ হয়। বহু শ্ৰমিকে যেনে অশিক্ষিত, দৰিদ্ৰ আদি শ্ৰমিক সকলে নিয়োগকৰ্তাসকলক তেওঁলোকৰ সমস্যা বা অসুবিধাসমূহৰ বিষয়ে দৃঢ়তাৰে আৰু সাহসিকতাৰে দাবী জনাব নোৱাৰে। সেই কাৰণে নিয়োগৰ্ত্তাই তথা চৰকাৰে শ্ৰমিকসকলৰ সামগ্ৰীক কল্যাণৰ স্বাৰ্থত কল্যাণমূলক পদক্ষেপ গ্ৰহণ কৰা উচিত।

**(২) নিৰক্ষৰতা (Illiteracy) ঃ**

বিশ্বৰ অন্যান্য দেশৰ তুলনাত ভাৰতবৰ্ষৰ অধিকাংশই শ্ৰমিক নিৰক্ষৰ। সেই কাৰণে ভাৰতবৰ্ষৰ শ্ৰমিকসকলে নিজৰ সমস্যা বা অসুবিধাসমূহক সহজে উপলব্ধি কৰিব নোৱাৰে আৰু সেই বাবেই সুবিধাবাদী কিছুমান নিয়োগকৰ্মীয়ে বিভিন্ন দিশৰ পৰা শ্ৰমিকসকলক শোষণ, উৎপীড়ণ, অন্যায় অত্যাচাৰ কৰিবলৈ সুবিধা পায়। ইয়াৰোপৰি ভাৰতবৰ্ষৰ শ্ৰমিকসকল কম শিক্ষিত হোৱা বাবে কিছুমান উন্নত ধৰণৰ প্ৰযুক্তিগত প্ৰশিক্ষণ (Training)ৰ পৰা বঞ্চিত হ'বলগীয়া হয় যাৰ ফলত অশিক্ষিত আৰু অল্পশিক্ষণ প্ৰাপ্ত শ্ৰমিকসকলে অন্যান্য সুযোগ-সুবিধাৰ পৰা বঞ্চিত থাকিবলগীয়া হয়। গতিকে এনেবো দিশৰ ওপৰত লক্ষ্য ৰাখি অজ্ঞ আৰু অসচেতন শ্ৰমিকসকলৰ উন্নয়ণৰ স্বাৰ্থত কল্যাণমূলক কাৰ্যসূচী হাতত লোৱাতোৰ প্ৰয়োজনীয়তা আছে।

**(৩) কৰ্ম বিৰতি আৰু প্ৰব্ৰজনৰ সমস্যা (Problem of Absenteeism and Migrations) ঃ**

বিভিন্ন ৰাষ্ট্ৰৰ তুলনাত আমাৰ ভাৰতবৰ্ষৰ শ্ৰমিকসকলে যিকোনো উদ্যোগ-প্ৰতিষ্ঠানত নিয়োগ কৰা পাছত বহুদিন ধৰি কৰ্মত নিয়োজিত হৈ থাকিব নিবিচাৰে। কৰ্ম অনুসন্ধানৰ বাবে সঘনাই ঠাই সলনি কৰাটো ভাৰতীয় শ্ৰমিকসকলৰ এক অন্যতম বৈশিষ্ট্য। অন্যহাতে নগৰীয়া পৰিৱেশৰ লগত নিজকে খাপ-খোৱাব নোৱাৰে তাৰ লগতে তেওঁলোকে নগৰ অঞ্চলত থাকি নিজৰ জীৱন নিৰ্বাহ প্ৰয়োজনীয়তাখিনি পূৰণ কৰিব নোৱাৰো বুলি ভাৱে। গতিকে এনে পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত শ্ৰমিকসকলে কৰ্মস্থলী সঘনাই ত্যাগ কৰে। এইটো উদ্যোগ প্ৰতিষ্ঠানৰ কাৰণে এক ডাঙৰ সমস্যা। গতিকে শ্ৰমিকসকলৰ এনেবোৰ সমস্যা নোহোৱা কৰিবৰ বাবে চৰকাৰে বা উদ্যোগ প্ৰতিষ্ঠানৰ কতৃপক্ষই শ্ৰমিকসকলৰ কল্যাণ বাবে উপযুক্ত কাৰ্য্যপন্থা গ্ৰহণ কৰাটোৰ বিশেষ প্ৰয়োজন আছে।

**(৪) স্বাস্থ্য আৰু পৰিপুষ্টিৰ সমস্যা (Problems of Health and Nutrition) ঃ**

ভাৰতীয় শ্ৰমিকসকলৰ অন্য এটা প্ৰধান সমস্যা হৈছে স্বাস্থ্য আৰু পৰিপুষ্টি। অন্যান্য দেশৰ তুলনাত আমাৰ ভাৰতীয় শ্ৰমিকসকলৰ স্বাস্থ্য আৰু পৰিপুষ্টি একেবাৰেই নিম্নমানৰ। এনে নিম্নমানৰ স্বাস্থ্য আৰু পৰিপুষ্টিহীনতাই উদ্যোগৰ উৎপাদন পদ্ধতিত বিশেষভাৱে বাধা প্ৰদান কৰে। গতিকে উদ্যোগৰ সকলো কাম-কাজ-ক্ষিপ্ৰগতিত হ'বলৈ হ'লে শ্ৰমিকসকলৰ উপযুক্তভাৱে স্বাস্থ্য যত্ন লোৱাৰ লগতে তেওঁলোকক পুষ্টিকৰ আহাৰ যোগান ধৰাতো চৰকাৰ বা উদ্যোগ কৰ্তৃপক্ষৰ এটা প্ৰধান কৰ্তব্য। গতিকে এনেবোৰ দিশৰ ওপৰত ভিত্তি কৰি ভাৰতীয় শ্ৰমিক সকলক উপযুক্ত ভাৱে স্বাস্থ্য আৰু পুষ্টিকৰ আহাৰ যোগান ধৰাতো এক প্ৰয়োজনীয় দিশ হিচাপে বিবেচনা কৰা হৈছে।

**(৫) অত্যাধিক দৰিদ্ৰতা (Extreme Poverty) ঃ**

ভাৰতীয় অধিকাংশ শ্ৰমিকেই হৈছে দৰিদ্ৰ আৰু এই দৰিদ্ৰতাই হৈছে ভাৰতীয় শ্ৰমিকসকলৰ এক সাধাৰণ বৈশিষ্ট্য। দৰিদ্ৰতাই সমাজৰ উন্নয়ণৰ ক্ষেত্ৰত বিশেষভাৱে বাধা জন্মায় আৰু অৰ্থনৈতিক দিশত বেয়াকৈ প্ৰভাৱ পেলায়। উদ্যোগৰ উন্নয়ণৰ ক্ষেত্ৰতো দৰিদ্ৰতাই অতি বেয়াকৈ প্ৰভাৱ পেলায় যাৰ বাবে উদ্যোগ উন্নয়ণৰ কাম-কাজ বিলাক মন্থৰ গতিত চলিবলৈ ধৰে। গতিকে ভাৰতীয় শ্ৰমিকসকলৰ দৰিদ্ৰতা কমাবলৈ বা হ্ৰাস কৰিবৰ বাবে তেওঁলোকৰ উন্নয়ণৰ হ'কে কিছুমান নিৰাপত্তামূলক ব্যৱস্থা গ্ৰহণ কৰিব লাগিব যেনে, মজুৰি বৃদ্ধি, উন্নত কৰ্ম অৱস্থা, স্বাস্থ্যৰ প্ৰতি যত্ন লোৱা, পৰিপুষ্টিকৰ

ব্যৱস্থা কৰা, ভৱিষ্যতনিধি, পেঞ্চন ব্যৱস্থা কৰা, শ্ৰমিকসকলৰ ল'ৰা-ছোৱালীক বিনামূলীয়াকৈ শিক্ষা দিয়াৰ ব্যৱস্থা আদি কৰিব লাগিব।

**(৬) উপযুক্ত অৱসৰৰ অভাৱ (Lack of S. efficient Recreation) ঃ**

উপযুক্ত কৰ্ম অৱসৰৰ ব্যৱস্থা ভাৰতীয় শ্ৰমিকসকলৰ বাবে এক প্ৰধান সমস্যা। বহু সময় ধৰি কৰ্ম কৰাৰ পাছত কিছু সময় ভাগৰ বা জিৰণি লোৱাৰ সুবিধা শ্ৰমিকসকলৰ নাই। মানুহে বহু সময় কাম কৰাৰ পাছত কিছু সময়ৰ বাবে জিৰণি লোৱাটো অতি প্ৰয়োজন। অলপ সময় জিৰণি লোৱাৰ পাছতহে একোজন শ্ৰমিকে পুনৰ, উদ্যমেৰে কাম কৰিব পাৰে। গতিকে শ্ৰমিকসকলৰ কামৰ মাজত কিছু সময় জিৰণি বা, অৱসৰ দিয়াটো বাধ্যতামূলক এই ক্ষেত্ৰত নিয়োগকৰ্ত্তা বা উদ্যোগ পৰিচালনা কৰ্তৃপক্ষই এক সু-ব্যৱস্থা কৰাটো অতি প্ৰয়োজনীয় বিষয়। কিন্তু আমাৰ ভাৰতবৰ্ষত এই বিলাক দিশৰ প্ৰতি কোনো গুৰুত্ব নাই।

ওপৰৰ আলোচনাৰ পৰা দেখা গ'ল যে বিশ্বৰ উন্নত দেশৰ তুলনাত আমাৰ ভাৰতবৰ্ষত শ্ৰমিকসকলে বিভিন্ন সমস্যাৰ সন্মুখীন হয়। সাধাৰণ জীৱন নিৰ্বাহৰ প্ৰয়োজনীয়তাখিনিৰ পৰাও তেওঁলোক বঞ্চিত থাকিবলগীয়া হয়। গতিকে ভাৰতবৰ্ষৰ শ্ৰমিকসকলৰ কল্যাণ আৰু উন্নতিৰ বাবে বিভিন্ন কল্যাণমূলক আঁচনি গ্ৰহণ কৰা উচিত। এনে কল্যাণমূলক আঁচনি প্ৰয়োগ কৰাৰ ক্ষেত্ৰত নিয়োগকৰ্তা আৰু চৰকাৰে এক উল্লেখনীয় ভূমিকা গ্ৰহণ কৰিব পাৰে আৰু এনে ভূমিকাই শ্ৰমিকসকলক অধিক উপকৃত কৰাব লগতে উদ্যোগ উৎপাদন পদ্ধতিৰ দিশত সফল হ'ব পাৰিব।

**৪.২.৩ শ্ৰমিক কল্যাণৰ পৰিসৰ (Scope of Labour Welfare) ঃ**

আমি তোমালোকক ইতিপূৰ্বে ভাৰতবৰ্ষত শ্ৰমিক কল্যাণৰ আৱশ্যকতা বা প্ৰয়োজনীয়তা সম্পৰ্কে কিছু কথা অৱগত কৰিলোঁ। এতিয়া এইখিনিতে তোমালোকক শ্ৰমিক কল্যাণৰ পৰিসৰৰ বিষয়ে অৱগত কৰিম।

ঔদ্যোগিক সমাজতত্ত্ব আৰু শ্ৰমিক কল্যাণ পাঠ্যক্ৰমখনি আলোচনাৰ এক অন্যতম বিষয় হৈছে শ্ৰমিক কল্যাণৰ পৰিসৰ। যিহেতুকে শ্ৰমিক কল্যাণ পৰিসৰৰ বিষয়ে আলোচনা কৰাটো ঔদ্যোগিক সমাজতত্ত্বৰ এক উল্লেখনীয় বিষয়। শ্ৰমিক কল্যাণ পৰিসৰ বা পৰিধি বুলিলে এই পৰিসৰৰ অধ্যয়নৰ জৰিয়তে শ্ৰমিক কল্যাণ কাৰ্য্যসমূহক কিমানখিনি বিষয় সাঙুৰি লোৱা হৈছে তাক জানিব পৰা যায়। কিন্তু শ্ৰমিক কল্যাণ পৰিসৰ বা পৰিধিৰ ওপৰত এক সম্যক ধাৰণা দিয়াটো ইমান সহজলভ্য নহয়। তথাপিতো তোমালোকক এই শ্ৰমিক কল্যাণৰ পৰিসৰ তথা পৰিধিৰ সম্পৰ্কত এটি থুলমূল আভাস দাঙি ধৰিব বিচাৰিছোঁ।

ভাৰতবৰ্ষৰ ক্ষেত্ৰত ১৯৪৩ চনত গঠন হোৱা শ্ৰমিক অনুসন্ধান সমিতিয়ে শ্ৰমিক কল্যাণ কৰ্মৰাজিৰ অধ্যয়ন ক্ষেত্ৰখনক এনেদৰে নিৰূপণ কৰিছে যে — এই সমিতিয়ে সেইবিলাক কৰ্মক্ষেত্ৰখনকেই শ্ৰমিক কল্যাণ পৰিসৰৰ ভিতৰত অন্তভুক্ত কৰিছে — "যিবিলাক নিয়োগকৰ্তাই বা চৰকাৰেই হওক বা অন্যান্য ব্যক্তিগত অনুষ্ঠানেই হওক, শ্ৰমিকৰ বৌদ্ধিক, শাৰীৰিক, মানসিক বা নৈতিক আৰু অৰ্থনৈতিক উন্নতিৰ কাৰণেই কাম কৰে।" চমু অৰ্থত আইনে শ্ৰমিকসকলৰ কাৰণে যিবিলাক নীতি নিৰ্দেশনা জাৰি কৰিছে যিবিলাক সাধাৰণতে চুক্তিকৰণৰ লাভৰ এক অংশ আৰু যিবিলাকৰ কাৰণে শ্ৰমিক নিজেই দৰ দাম কৰিব পাৰিব বুলি ধাৰণা কৰিব পাৰি সেই সকলো বিষয় সাঙুৰি লোৱা হৈছে। গতিকে এই কেইটা বিষয়ৰ ওপৰত ভিত্তি কৰি ক'ব পাৰি যে শ্ৰমিকৰ বাসস্থান, চিকিৎসা আৰু শিক্ষা সম্বন্ধীয় সুবিধাসমূহ, পৰিপুষ্টিৰ ব্যৱস্থা, বিশ্ৰাম আৰু আমোদ প্ৰমোদৰ সা সুবিধা, সমবায় সমিতি, প্ৰসূঁতি আৰু শিশু যত্ন লোৱা, স্বাস্থ্য সম্বন্ধীয় ব্যৱস্থা, উচিত মজুৰি, বেতনসহ ছুটী মঞ্জুৰী, নিয়োগকৰ্তাই স্বেচ্ছাকৃতভাৱেই হওক নাইবা শ্ৰমিকৰ লগত যৌথভাৱে হওক বেমাৰ আৰু প্ৰসূতি আঁচনিসমূহ, ভৱিষ্যৎনিধি (Provident Fund) আনুতোষিক (Gratuties) আৰু অৱসৰ বৃত্তি (Pension) আদি সামাজিক বীমা (Social Insurance) আদি অন্তৰ্ভুক্ত কৰিব পাৰে।' সামগ্ৰীকভাৱে শ্ৰমিক কল্যাণ পৰিধি বা পৰিসৰৰ বিষয়ে তলত কেইটামান গুৰুত্বপূৰ্ণ কাৰ্যসমূহৰ সম্পৰ্কে চমুকৈ বৰ্ণনা কৰা হৈছে।

**(১) শ্ৰমিকৰ স্বাস্থ্য সেৱা (Worker Health Services) ঃ**

শ্ৰমিক কল্যাণৰ পৰিসৰৰ ভিতৰত অন্তৰ্ভুক্ত হোৱা এটা প্ৰধান দিশ হৈছে শ্ৰমিকসকলৰ প্ৰতি লোৱা স্বাস্থ্য সেৱা। এই স্বাস্থ্য সম্বন্ধীয় সেৱাৰ ভিতৰত স্বাস্থ্য শিক্ষা, স্বাস্থ্য পৰীক্ষা, স্বাস্থ্য গৱেষণা দুৰ্ঘটনাত আহত ব্যক্তিক চিকিৎসা প্ৰদান কৰা, মহিলা শ্ৰমিকসকলৰ বা গৰ্ভনিৰোধিক আৰু প্ৰাক্-গৰ্ভাৱতী মহিলাক স্বাস্থ্য পৰীক্ষা কৰাৰ ব্যৱস্থা কৰা, প্ৰসূতি সাহাৰ্য্য প্ৰদান কৰা, স্বাস্থ্য আৰু যৌণ সম্পৰ্কীয় শিক্ষা দিয়াৰ ব্যৱস্থা কৰা।

**(২) কৰ্মৰস্থাৰ উন্নতি কৰা (Development of Working Condition) ঃ**

শ্ৰমিক কল্যাণ পৰিসৰৰ অন্য এটা প্ৰধান দিশ হৈছে শ্ৰমিকসকলৰ কাম কৰা পৰিৱেশসমূহক উন্নতি সাধন কৰা। যিহেতু ভাৰতবৰ্ষৰ শ্ৰমিকসকলে অতি দুখলগা আৰু এটা অস্বাস্থ্যকৰ পৰিৱেশত কাম কৰিবলগীয়া হয়। শ্ৰমিকসকলৰ শ্ৰম বা কাম কৰা পৰিৱেশসমূহ উন্নতিৰ বাবে বিভিন্ন কল্যাণমূলক কাৰ্যসূচী গ্ৰহণ কৰা

হয় আৰু সেইবোৰৰ ভিতৰত কৰ্মস্থানত অধিক শীত-তাপ কমোৱাৰ ব্যৱস্থা কৰা, ধূলি বালি, সেমেকা অৱস্থা, গেছ-ধোঁৱা ইত্যাদি নিৰাময় কৰা, উপযুক্ত পোহৰ, বায়ু চলাচল আদি ব্যৱস্থা কৰা, হাত ধোৱা আৰু খোৱা পানী ব্যৱস্থা কৰা, জাৱৰ জোঁঠৰ ৰখা আৰু পিক্‌দানৰ সু-ব্যৱস্থা কৰা, আহাৰ খাবৰ বাবে ভোজনালয়ৰ ব্যৱস্থা কৰা আৰু জিৰণি বা বিশ্ৰামৰ বাবে সুবিধা প্ৰদান কৰা।

**(৩) শ্ৰমিকৰ অৰ্থনৈতিক কল্যাণৰ কাৰ্যসূচী (Economic Welfare Programme of Labour) ঃ**

শ্ৰমিক কল্যাণৰ পৰিসৰৰ ভিতৰত লেখত লবলগীয়া অন্য এটা উল্লেখযোগ্য পৰিধি হৈছে শ্ৰমিকসকলৰ কাৰণে লোৱা কিছুমান অৰ্থনৈতিক পদক্ষেপ। এই অৰ্থনৈতিক কল্যাণকাৰ্য্যসূচীৰ ভিতৰত লেখত ল'বলগীয়া কেইটামান প্ৰধান পদক্ষেপ হৈছে (১) শ্ৰমিকসকলে ৰেহাই মূল্যত দ্ৰব্য-সামগ্ৰী কিনিব পৰাকৈ সুলভ মূল্যৰ দোকান বা সমবায় স্থাপন কৰা (২) ৰেহাই ভিত্তিত ঋণৰ ব্যৱস্থা কৰা (৩) নিযুক্তি বিভাগ স্থাপন কৰা (৪) জীৱন বীমা ব্যৱস্থা কৰা (৫) উপযুক্ত মজুৰি দিয়াৰ ব্যৱস্থা কৰা আৰু (৬) শ্ৰমিকৰ ভবিষ্যত নিধিৰ ব্যৱস্থা কৰা। এই সকলো বিলাক কাৰ্যসূচী শ্ৰমিক কল্যাণৰ পৰিসৰৰ ভিতৰত অন্তৰ্ভুক্ত কৰা হৈছে।

**(৪) সাধাৰণ কল্যাণমূলক আঁচনি (General Welfare Programme) ঃ**

শ্ৰমিক কল্যাণৰ বাবে হাতত লোৱা অন্য কিছুমান সাধাৰণ কল্যাণমূলক ব্যৱস্থাৱলীৰ ভিতৰত গৃহনিৰ্মাণ আৰু পৰিয়াল পৰিকল্পনা আঁচনিক বিশেষভাৱে প্ৰাধান্য দিয়া হৈছে। সাধাৰণতে শ্ৰমিকসকলে এক অস্বাস্থ্যকৰ বা কদৰ্য্য পৰিৱেশত আৰু অতি দুৰ্গম বা বস্তি অঞ্চলত ভগা-ছিগা আৰু নিৰাপত্তাহীন ঘৰ দুৱাৰত বাস কৰিলবলগীয়া হয়। গতিকে শ্ৰমিকসকলক থকা মেলাৰ সুবিধাৰ্থে উপযুক্ত তথা ভালকৈ থাকিবৰ বাবে বা গৃহসমূহ সুন্দৰকৈ নিৰ্মাণ কৰি দিয়াতো চৰকাৰ বা উদ্যোগ প্ৰতিষ্ঠান কৰ্তৃপক্ষৰ এক প্ৰধান কৰ্তব্য।

গতিকে ওপৰৰ আলোচনাৰ পৰা দেখা গ'ল যে শ্ৰমিকসকলৰ সামগ্ৰিক জীৱন নিৰ্বাহৰ সকলো প্ৰয়োজনীয়তাৰ সমলসমূহৰ সুবিধা কৰি দিয়াতো শ্ৰমিক কল্যাণৰ পৰিসৰৰ এক প্ৰধান কাৰ্য্যসূচী। অৱশ্যে সময় পৰিবৰ্তনৰ লগে লগে শ্ৰমিক কল্যাণৰ পৰিসৰ বা শ্ৰমিকসকলৰ বাবে গ্ৰহণ কৰা কল্যাণমূলক আঁচনিসমূহৰ পৰিধিৰ আৰু অধিক সংযোজন হৈ আহিছে।

**আত্মমূল্যায়নৰ প্ৰশ্ন**

১) "শ্ৰমিক কল্যাণ হৈছে নিজৰ উদ্যোগত শ্ৰমিকসকলৰ ঔদ্যোগিক পদ্ধতি আৰু নিয়োগ ব্যৱস্থাৰ উন্নতিৰ কাৰণে কৰা স্বেচ্ছামূলক প্ৰচেষ্টা।" এই সংজ্ঞাটি কোনে আগবঢ়াইছিল?

২) শ্ৰমিক কল্যাণৰ যিকোনো এটা উদ্দেশ্য উল্লেখ কৰা?

৩) নিৰক্ষৰতাক শ্ৰমিকৰ বাবে কিয় এক প্ৰধান সমস্যা হিচাপে গণ্য কৰা হয়? এটি যুক্তি দৰ্শোৱা।

৪) শ্ৰমিক অনুসন্ধান সমিতি কোন চনত গঠন হৈছিল?

৫) শ্ৰমিক কল্যাণৰ যিকোনো এটা পৰিধি উল্লেখ কৰা।

**৪.৩ সামৰণি (Conclusion) ঃ**

আমি এই গোটটিত শ্ৰমিক কল্যাণৰ অৰ্থ, সংজ্ঞা, উদ্দেশ্য, আৱশ্যকতা আৰু পৰিধি সম্পৰ্কে আলোচনা কৰিলো। এই গোটটিৰ জৰিয়তে তোমালোকে শ্ৰমিক কল্যাণৰ ওপৰত থকা বিভিন্ন দিশসমূহৰ বিষয়ে এটি থূলমূল আভাস সম্পৰ্কে জানিব পাৰিলা। যিহেতু সমাজতত্ত্বৰ ছাত্ৰ-ছাত্ৰী হিচাবে উদ্যোগত নিয়োজিত হৈ থকা শ্ৰমিকসকলৰ বাবে লোৱা বিভিন্ন কল্যাণমূলক আঁচনিৰ বিষয়ে জনাটো অতি প্ৰয়োজনীয় বিষয়। উল্লেখযোগ্য যে সাম্প্ৰতিক সময়ত বিভিন্ন চৰকাৰী উদ্যোগ প্ৰতিষ্ঠানৰ লগতে ব্যক্তিগত উদ্যোগ প্ৰতিষ্ঠানসমূহৰ কৰ্তৃপক্ষয়েও শ্ৰমিকসকলৰ বাবে বিভিন্ন কল্যাণমূলক আঁচনি গ্ৰহণ কৰিছে।

**প্ৰধান শব্দসমূহ (Key Words) ঃ**

শ্ৰমিক কল্যাণ, কলকাৰখানা, উদ্যোগ প্ৰতিষ্ঠান, ভৱিষ্যত নিধি, কল্যাণমূলক আঁচনি, পদক্ষেপ গুৰুত্বপূৰ্ণ উল্লেখযোগ্য, সামাজিক বীমা, মজুৰি, প্ৰসূঁতি আঁচনি।

**পাঠ্য নিৰ্দেশনা (Suggested Readings) ঃ**

ড° বীৰেন্দ্ৰনাথ বৰঠাকুৰ, ড° ৰূপৰেখা বৰদলৈ (২০০৮-২০০৯), ঔদ্যোগিক সমাজতত্ত্ব আৰু শ্ৰমিক কল্যাণ, বনলতা, বিদ্যাভৱন, যোৰহাট

ড° পিয়াচউদ্দিন আহমেদ, হিমান্ত বৰগোহাঁই, দীলিপ চুতীয়া (২০০৪), ঔদ্যোগিক সমাজতত্ত্ব, বনলতা, গুৱাহাটী ডিব্ৰুগড়।

ড° জয়ন্ত দুৱৰা, (২০১৪), উদ্যোগৰ সমাজতত্ত্ব, দত্ত প্ৰকাশন উত্তৰ লক্ষীমপুৰ।

ড° ৰাজেন বৰা, অখিল বৰা, (২০১৪) উদ্যোগৰ সমাজতত্ত্ব, বিদ্যাভৱন, যোৰহাট।

**আত্মমূল্যায়ণ প্ৰশ্নৰ উত্তৰ (........)**

(১) উত্তৰ ঃ উক্ত সংজ্ঞাটি ই.এচ.প্ৰাউদ (E.S. Proud) য়ে আগবঢ়াইছিল।

(২) উত্তৰ ঃ শ্ৰমিক কল্যাণৰ এটা উদ্দেশ্য হৈছে -আংশিকভাৱে আৰ্থিক উদ্দেশ্য।

(৩) উত্তৰ ঃ নিৰক্ষৰতাক শ্ৰমিকৰ বাবে এক প্ৰধান সমস্যা হিচাবে এই কাৰণেই কোৱা হয় যে নিৰক্ষৰ শ্ৰমিকে উদ্যোগৰ কৰ্তৃপক্ষ বা মালিকসকলক কোনো কথা নিজৰ সাহসিকতাৰে ব্যক্ত কৰিব নোৱাৰো যাৰ বাবে নিৰক্ষৰ শ্ৰমিকসকলে কিছুমান সুবিধাৰ পৰা বঞ্চিত হৈ থাকে।

(৪) উত্তৰ ঃ ১৯৪৩ চনত শ্ৰমিক অনুসন্ধান সমিতি গঠন হৈছিল।

(৫ ) উত্তৰ ঃ শ্ৰমিক কল্যাণৰ এটা পৰিধি হ'ল শ্ৰমিকৰ অৰ্থনৈতিক কল্যাণ কাৰ্যসূচীৰ ব্যৱস্থা কৰা।

**আৰ্হি প্ৰশ্ন (Model Questions) ঃ**

(ক) শ্ৰমিক কল্যাণৰ সংজ্ঞা দিয়া

(খ) শ্ৰমিক কল্যাণৰ উদ্দেশ্যসমূহ বৰ্ণনা কৰা।

(গ) ভাৰতবৰ্ষত শ্ৰমিক কল্যাণৰ প্ৰয়োজনীয়তা সম্পৰ্কে আলোচনা কৰা।

(ঘ) শ্ৰমিক কল্যাণৰ পৰিধিৰ ওপৰত এটি চমু টোকা লিখা।

**প্ৰসঙ্গ পুথি (References) ঃ**

G.S bert, S.J. Pascual, (1972), Fundamentals of Industrial Sociology, Tate McGraw, Hill Publication Company Ltd., New Delhi .

Moore, W.E., (1969), The Impact of Industry, Prentice Hall of India, New Delhi.

Parker, S.R. Brown. R.K. B, (1967), The Sociology of Industry, Allen & Unwin, London.

Saxena, R.C., Sexena, S.R., (1947), Labour Problems and Social Welfare, Prokashan Kendra, Lucknow.

# খণ্ড - ৪ (Block -4)
# গোট - ২ (Unit -2)
# কল্যাণমূলক কাৰ্য্যৱলীৰ প্ৰকাৰ
# (Types of Welfare Works)

**বিন্যাস ঃ**

২.০ উদ্দেশ্য
২.১ প্ৰস্তাৱনা
২.২ কল্যাণমূলক কাৰ্য্যাৱলীৰ প্ৰকাৰ

আত্মমূল্যায়ণৰ প্ৰশ্ন

২.৩ সামৰণি
১. প্ৰধান শব্দসমূহ
২. পাঠ্য নিদেৰ্শনা
৩. আত্ম মূল্যায়ণ প্ৰশ্নৰ উত্তৰ
৪. আৰ্হি প্ৰশ্ন
৫. প্ৰসঙ্গ পুথি

**২.০ উদ্দেশ্য (Objectives) ঃ**

খণ্ড নম্বৰ ৪ ২ ৰ গোটটিত শ্ৰমিক কল্যাণৰ কল্যাণমূলক কাৰ্য্যাৱলীৰ বিভিন্ন প্ৰকাৰ সম্পৰ্কে আলোচনা কৰা হৈছে। এই গোটটি পঢ়াৰ পাছত তোমালোকে —

১) আইন (statutory) ৰ দ্বাৰা নিৰূপিত কাৰ্য্যাৱলী সম্পৰ্কে বৰ্ণনা কৰিব পাৰিবা।

২) স্বেচ্ছাধান ভাৱে গ্ৰহণ কৰা কাৰ্য্যাৱলী আৰু পৰস্পৰ বা উভয়ৰ দ্বাৰা নিদ্ধাৰণ কৰা কায্যাৱলী সম্পৰ্কে বিশ্লেষণ কৰিব পাৰিবা।

৩) শ্ৰমিকসকলৰ প্ৰতিষ্ঠানৰ চাৰিবেৰৰ ভিতৰত আৰু প্ৰতিষ্ঠানৰ চাৰি বেৰৰ বাহিৰত থকা কল্যাণমূলক সেৱাৰ বিষয়ে আলোচনা কৰিব পাৰিবা।

**২.১ প্ৰস্তাৱনা (Introducation) ঃ**

তোমালোকক আগৰ পাঠত শ্ৰমিককল্যাৰ সংজ্ঞা, উদ্দেশ্য, প্ৰয়োজনীয়তা আৰু পৰিধিৰ সম্পৰ্কে কৈ অহা হৈছে। এতিয়া আমি তোমালোকক এই গোটটিত শ্ৰমিকসকলৰ বাবে হাতত লোৱা বিভিন্ন কল্যাণমূলক কাৰ্য্যাৱলীৰ সম্পৰ্কে অৱগত কৰিম। শ্ৰমিকসকল হৈছে যিকোনো উৎপাদন ক্ষেত্ৰৰ এক ধৰণী স্বৰূপ। শ্ৰমিকসকলে যিকোনো উৎপাদনীয় সা-সামগ্ৰী বা বয়-বস্তু উৎপাদনৰ ক্ষেত্ৰত এক বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰে। উপযুক্ত আৰু দক্ষ শ্ৰমিকৰ অবিহনে যিকোনো উদ্যোগ বা কলকাৰখানাৰ উৎপাদনৰ কথা ভাৱিব নোৱাৰি। গতিকে তেওঁলোকৰ সৰ্বাঙ্গীন কল্যাণ সাধন কৰিবৰ বাবে কিছুমান কল্যাণমূলক কাৰ্য্যাৱলী হাতত লোৱা হৈছে। কল্যাণমূলক কাৰ্য্যাৱলী সমূহক বিভিন্ন প্ৰকাৰত বিভক্ত কৰিছে। তলত কেইটামান প্ৰধান প্ৰকাৰ সম্পৰ্কে চমুকৈ বৰ্ণনা কৰা হৈছে।

**(১) আইনৰ দ্বাৰা নিৰূপিত কাৰ্য্যাৱলী (Statutory Welfare Works) ঃ**

আইনৰ দ্বাৰা নিৰূপিত শ্ৰমিক কল্যাণ কাৰ্য্যাৱলীসমূহ হৈছে কোনো ঔদ্যোগিক প্ৰতিষ্ঠানক শ্ৰমিকসকলৰ কল্যাণৰ কাৰণে চৰকাৰে যেতিয়া কিছুমান বিশেষ কাৰ্য্যাৱলী গ্ৰহণ কৰিবৰ বাবে বাধ্যতা কৰোৱাই আৰু চৰকাৰৰ নীতি নিৰ্দেশনা অনুসৰি যিকোনো ঔদ্যোগিক প্ৰতিষ্ঠানে শ্ৰমিকৰ কল্যাণৰহকে যিবিলাক কাৰ্য্যাৱলী ৰূপায়ণ কৰে সেই বিলাকেই আইনৰ দ্বাৰা নিৰূপিত কল্যাণমূলক কাৰ্য্যাৱলীৰ ভিতৰত অন্তৰ্ভূক্ত কৰা হয়। শ্ৰমিকসকলৰ নিম্ন স্বাস্থ্যৰ মানদণ্ড উন্নীতকৰণ কৰাৰ লগতে তেওঁলোকৰ জীৱন সুৰক্ষাৰ বাবে চৰকাৰে যিবিলাক নীতি নিৰ্দেশনা বা আইন প্ৰণয়ন কৰে সেইবিলাক নিয়োগকৰ্তাসকলে মানি চলিব লাগে। এই নীতি নিৰ্দেশনা অনুসৰি শ্ৰমিকসকলৰ বাবে ঘন্টাৰ হিচাপত কাম কৰা সময় নিৰ্দ্ধাৰণ, কৰ্মস্থলীত পোহৰ আৰু স্বাস্থ্য প্ৰণালীৰ বাবে সু-ব্যৱস্থা কৰা ইত্যাদি।

**(২) স্বেচ্ছাধীন কল্যাণমূলক কাৰ্য্যাৱলী (Voluntary Welfare Activities) ঃ**

শ্ৰমিক কল্যাণৰ বাবে পদক্ষেপ লোৱা এক প্ৰকাৰৰ কল্যাণমূলক কাৰ্য্যাৱলী হৈছে স্বেচ্ছাকাল কাৰ্য্যাৱলী। এই কাৰ্য্যাৱলীৰ অনুসৰি যিবিলাক কাৰ্য্যাৱলী নিয়োগকৰ্তাই শ্ৰমিকৰ কল্যাণৰ বাবে ইচ্ছাকৃতভাৱে হাতত লয় সেই বিলাক কাৰ্য্যাৱলীকেই স্বেচ্ছাধীন কল্যাণমূলক কাৰ্য্যাৱলী বুলি কোৱা হয়। এনে কাৰ্য্যাৱলীৰ জৰিয়তে যেতিয়া নিয়োগ কৰ্তাই নিজেই শ্ৰমিকসকলৰ বাবে কাৰ্য পন্থা হাতত লয় তেতিয়া এই কাৰ্য্যাৱলীয়ে শ্ৰমিকৰ দক্ষতা বৃদ্ধি কৰাৰ লগতে নিয়োগকৰ্তা আৰু শ্ৰমিকৰ মাজত সংঘাত বা বিবাদৰ সম্ভাৱনা কম কৰে।

**(৩) পৰস্পৰ বা উভয় কল্যাণমূলক কাৰ্য্যাৱলী (Mutual Welfare Activities) ঃ**

এই প্ৰকাৰৰ শ্ৰমিক কল্যাণ কাৰ্য্যাৱলীৰ অনুসৰি শ্ৰমিক আৰু শ্ৰমিক সংগই যুটীয়াভাৱে গ্ৰহণ কৰা কাৰ্য্যাৱলী সমূহকেই বুজাই। শ্ৰমিকসকলে সহযোগিতাৰ যোগেদি নিজৰ কল্যাণ সাধনৰ বাবে গ্ৰহণ কৰা কাৰ্যসূচীয়েই হ'ল এই প্ৰকাৰৰ কাৰ্য্যাৱলী। শ্ৰমিকসকলৰ বাবে শ্ৰমিক সংঘই (Labour Union) লোৱা বিভিন্ন কল্যাণমূলক কাৰ্য্যাৱলীবোৰ হৈছে এই প্ৰকাৰ কল্যাণমূলক কাৰ্য।

**(৪) প্ৰতিষ্ঠানৰ চাৰি বেৰৰ ভিতৰৰ কাৰ্য (Intra-Mural Activities) ঃ**

শ্ৰমিক কল্যাণৰ কল্যাণমূলক কাৰ্য্যাৱলীৰ অন্য এক প্ৰকাৰ হৈ প্ৰতিষ্ঠানৰ চাৰিবেৰৰ ভিতৰত কাৰ্য যাক আন্তঃ গাঠনিমূলক কাৰ্য বুলিও ক'ব পাৰি। এই কাৰ্য্যাৱলীসমূহ সাধাৰণতে উদ্যোগ বা কল কাৰখানা (Factory) ৰ ভিতৰত নিয়োগকৰ্তাই শ্ৰমিকসকলৰ কল্যাণৰহকে হাতত ল'ব লাগে। এই কল্যাণমূলক কাৰ্য্যাৱলীসমূহ হৈছে — স্বাস্থ্য সম্বন্ধীয় সেৱা, পৰিস্কাৰ-পৰিচ্ছন্নতা সজাই ৰখা, বিশুদ্ধ খোৱাপানী ব্যৱস্থা কৰা বা যোগান ধৰা, চিকিৎসা সুবিধা প্ৰদান কৰা, খোৱা-বোৱাৰ বাবে ভোজনালয়ৰ (Canten) ব্যৱস্থা কৰা, কৰ্ম ভাগৰ নিৰাময়ৰ বাবে সঙ্গাত নৃত্য আদি আয়োজন কৰা ইত্যাদি। ইয়াৰো পৰি নিৰাপত্তা সম্পৰ্কীয় সেৱা যেনে — যন্ত্ৰ চালিত সামগ্ৰীসমূহক বেৰ দি ৰখা, মেছিন আৰু প্ৰতিষ্ঠানক সুন্দৰ ভাৱে প্ৰতিফল ঘটোৱা পযাপ্ত পোহৰৰ যোগান ধৰা, প্ৰাথমিক চিকিৎসাৰ সামগ্ৰীসমূহ আৰু অগ্নি নিৰ্বাপনৰ ব্যৱস্থা কৰা, শ্ৰমিক বিভিন্ন কল্যাণমূলক কাৰ্য্যাৱলী এই প্ৰকাৰ কাৰ্য্যাৱলীত অন্তভুক্ত কৰা হৈছে।

**(৫) প্ৰতিষ্ঠানৰ চাৰিবেৰৰ বাহিৰৰ কাৰ্য্যাৱলী (Extra-Mural Activities) ঃ**

শ্ৰমিক কল্যাণৰ অন্য এক প্ৰকাৰ কাৰ্য্যাৱলী হ'ল প্ৰতিষ্ঠানৰ চাৰিবেৰৰ বাহিৰৰ যাক বহিঃ গাঠনিমূলক কাৰ্য বুলিও কোৱা হয়। এই কৰ্য্যাৱলীত কাৰখানা বা ঔদ্যোগিক প্ৰতিষ্ঠানৰ চাৰিবেৰ বাহিৰত লবলগীয়া ব্যৱস্থা সমূহ। এই কাৰ্যসমূহৰ ভিতৰত প্ৰধান কাৰ্যবোৰ হৈছে — শ্ৰমিকৰ বাবে উপযুক্ত বাসস্থানৰ ব্যৱস্থা কৰা, চিকিৎসা সুবিধা কৰা, আমোদ প্ৰমোদৰ ব্যৱস্থা কৰা, খেলা-ধূলা, শিক্ষা, ক্লাব (Club) আদি সু-ব্যৱস্থা কৰা যাতে এই বিলাকৰ জৰিয়তে শ্ৰমিকসকলৰ লগতে তেওঁলোকৰ ল'ৰা-ছোৱালী বিলাকে উপযুক্তভাৱে সকলো দিশত আগবাঢ়ি যাব পাৰে তাৰ প্ৰতি লক্ষ্য ৰাখি এই সকলো ব্যৱস্থা গ্ৰহণ কৰা। এই কাৰ্যবোৰৰ উপৰিও কোনো শ্ৰমিক গুৰুত্বৰ ভাবে বেমাৰত পৰিলে, নিয়োগহীনতাত ভুগিলে আৰু বৃদ্ধ অৱস্থাত আৰ্থিক অভাৱ হ'লে আৰ্থিক সাহায্য আগবঢ়াব লাগে।

ওপৰৰ আলোচনাৰ পৰা এইটো স্পষ্ট হ'লে যে শ্ৰমিক কল্যাণৰ বাবে গ্ৰহণ কৰা কাৰ্যসমূহ ভিন ভিন ধৰণৰ হ'ব পাৰে। তথাপিও সাম্প্ৰতিক সময়ত শ্ৰমিক সকলৰ কল্যাণৰ বাবে বিভিন্ন ধৰণৰ কল্যাণকামী কাৰ্য্য চৰকাৰে বা অন্যান্য ব্যক্তিগত উদ্যোগ প্ৰতিষ্ঠানে হাতত লোৱা, দেখা গৈছে যাৰ ফলত শ্ৰমিকসকলৰ জীৱন নিৰ্বাসৰ ক্ষেত্ৰত আগৰ তুলনাত কিছু পৰিমানে উন্নতি সাধন হৈছে।

**আত্মমূল্যায়নৰ প্ৰশ্ন (Self Explanation Question) ঃ**

(১) আইনৰ দ্বাৰা নিৰূপিত এটি কাৰ্য উল্লেখ কৰা।

(২) এটা স্বোচ্ছাধীন কল্যাণমূলক কাৰ্য উল্লেখ কৰা।

(৩) প্ৰতিষ্ঠানৰ চাৰিবেৰৰ ভিতৰৰ এটি কল্যাণমূলক কাৰ্য লিখা।

(৪) প্ৰতিষ্ঠানৰ চাৰিবেৰৰ বাহিৰৰ এটি কল্যাণমূলক কাৰ্য লিখা।

**২.৩ সামৰণি (Conclusion) ঃ**

৪ নম্বৰ খণ্ডৰ ২ নম্বৰ গোটটিত তোমালোকক ভাৰতবৰ্ষত শ্ৰমিকসকলৰ বাবে হাতত লোৱা বিভিন্ন প্ৰকাৰৰ কল্যাণমূলক কাৰ্য্যাৱলী সম্পৰ্কে অৱগত কৰা হৈছে। এই পাঠটিৰ জৰিয়তে তোমালোকে শ্ৰমিকসকলৰ বাবে হাতত লোৱা বিভিন্ন কল্যাণমূলক কাৰ্য্যাৱলীসমূহৰ বিষয়ে সুন্দকৈ বৰ্ণনা কৰিব পাৰিবা।

**ঘাই শব্দসমূহ (Key Words) ঃ**

শ্ৰমিক কল্যাণ, কাৰ্য্যাৱলী, কল-কাৰখানা, আন্তঃ গাঠনিমূলক কাৰ্য, বহিঃ গাঠনিমূলক কাৰ্য, স্বেচ্ছাধীন কল্যাণমূলক কাৰ্য, পৰস্পৰ কল্যাণমূলক কাৰ্য, স্বাস্থ্য, বীমা, নিযুক্তি, নিৰ্বাচন, আমোদ প্ৰমোদ, শিক্ষা।

**পাঠ্য নিৰ্দেশনা (Suggested Readings) ঃ**

বিঃদ্ৰ ঃ (আগত উল্লেখ কৰি অহা পাঠ্যপুথি কেইখন সন্নিবিষ্ট কৰিব)

**আত্মমূল্যায়ন প্ৰশ্নৰ উত্তৰ (Self Explanatory Question Answer) ঃ**

১) উত্তৰ ঃ আইনৰ দ্বাৰা নিৰূপিত এটি কল্যাণমূলক কাৰ্য হৈছে শ্ৰমিকসকলৰ বাবে ঘন্টাৰ হিচাপত কাম কৰা সময় নিৰ্দ্ধাৰণ কৰা।

২) উত্তৰ ঃ এটা স্বেচ্ছাধীন কল্যাণমূলক কাৰ্য হৈছে নিয়োগকৰ্ত্তাই নিজেই শ্ৰমিকৰ সুবিধাৰ্থে কাৰ্য পন্থা অৱলম্বন কৰা।

৩) উত্তৰ ঃ প্ৰতিষ্ঠানৰ চাৰিবেৰৰ ভিতৰত লোৱা এটি কল্যাণমূলক কাৰ্য হৈছে — বিশুদ্ধ খোৱা পানী যোগান ধৰা।

৪) প্ৰতিষ্ঠানৰ চাৰিবেৰ বাহিৰৰ এটি কল্যাণমূলক কাৰ্য হ'ল — শ্ৰমিকৰ বাবে উপযুক্ত বাসস্থানৰ ব্যৱস্থা কৰা।

**আৰ্হি প্ৰশ্ন (Model Question) ঃ**

১) শ্ৰমিক কল্যাণৰ বা আন্তঃ গাঠনি মূলক কাৰ্য্যাৱলীসমূহৰ বিষয়ে বৰ্ণনা কৰা।

২) শ্ৰমিক কল্যাণৰ প্ৰতিষ্ঠানৰ চাৰিবেৰৰ বাহিৰৰ বা বহিঃ গাঠনিমূলক কাৰ্যসমূহৰ সম্পৰ্কে আলোচনা কৰা।

৩) শ্ৰমিক কল্যাণৰ পৰস্পৰৰ বা উভয় কল্যাণমূলক কাৰ্য্যাৱলীৰ ওপৰত এটি টোকা যুগুত কৰা।

৪) শ্ৰমিক কল্যাণৰ স্বেচ্ছাধীন কল্যাণমূলক কাৰ্য্যাৱলীৰ বিষয়ে আলোচনা কৰা।

৫) শ্ৰমিক কল্যাণৰ আইনৰ দ্বাৰা নিৰ্দ্ধপিত কল্যাণমূলক কাৰ্যসমূহৰ ওপৰত চমুকৈ বৰ্ণনা কৰা।

**প্ৰসঙ্গ পুথি (References) ঃ**

বিঃদ্ৰঃ (আগৰ গোটসমূহত লিখা গ্ৰন্থ কেইখনক ইয়াত সন্নিবিষ্ট কৰক)

# খণ্ড - ৪ (Block -4)
# গোট - ৩ (Unit -3)
# ভাৰতবৰ্ষত শ্ৰমিক কল্যাণৰ অনুশীলনসমূহ
# (Labour Welfare Practices in India)

**গঠন বিন্যাস ঃ**

৩.০ উদ্দেশ্য

৩.১ প্ৰস্তাৱনা

৩.১.১ ভাৰতবৰ্ষত শ্ৰমিক কল্যাণৰ অনুশীলন সমূহ

আত্মমূল্যায়নৰ প্ৰশ্ন

৩.২ সামৰণি

১. প্ৰধান শব্দসমূহ

২. পাঠ্য নিৰ্দেশনা

৩. আত্মমূল্যায়ণ প্ৰশ্নৰ উত্তৰ

৪. আৰ্হি প্ৰশ্ন

৫. প্ৰসঙ্গ পুথি

## ৩.০ উদ্দেশ্য (Objectives) ঃ

৪ নম্বৰ খণ্ডৰ ৩ নম্বৰ গোটটিত ভাৰতবৰ্ষত শ্ৰমিক কল্যাণ অনুশীলনী সম্পৰ্কে আলোচনা কৰা হৈছে। এই গোটটি অধ্যয়ন কৰাৰ পাছত তোমালোকে-

(১) ভাৰতবৰ্ষত শ্ৰমিকসকলৰ বাবে কি কি ব্যৱস্থা গ্ৰহণ কৰা হৈছে সেই সম্পৰ্কে বৰ্ণনা কৰিব পাৰিবা।

(২) ভাৰতবৰ্ষত শ্ৰমিকসকলৰ কল্যাণৰ বাবে স্বাস্থ্য, শিক্ষা, আমোদ-প্ৰমোদ আদি দিশত কেনেদৰে সহায় কৰিছে এই বিষয়ে বিশ্লেষণ কৰিব পাৰিবা।

(৩) শ্ৰমিকসকলৰ কৰ্মৰত সময়ত কেনেধৰণৰ সা-সুবিধা প্ৰদান কৰিছে এই সম্পৰ্কে বহলাই আলোচনা কৰিব পাৰিবা।

## ৩.১ প্ৰস্তাৱনা (Introduction) ঃ

ঔদ্যোগিক সমাজতত্ত্ব আৰু শ্ৰমিক কল্যাণ পাঠ্যক্ৰমখনিৰ ছ্ৰ নম্বৰ, নম্বৰ গোটটিত ভাৰতবৰ্ষত শ্ৰমিক কল্যাণৰ অনুশীলন সম্পৰ্কে আলোচনা কৰা হৈছে।

কাৰণ ভাৰতবৰ্ষত প্ৰথম বিশ্বযুদ্ধৰ আগলৈকে শ্ৰমিক সকলৰ কল্যাণৰ বাবে কোনো ব্যৱস্থা নাছিল। সেই সময়ত ভাৰতবৰ্ষৰ শ্ৰমিকসকল নিৰক্ষৰতা, অজ্ঞতা, নিয়োগকৰ্তাৰ অ-দুৰদৰ্শিতা, চৰকাৰৰ অমনোযোগিতা আৰু সাধাৰণ জনতাৰ উদাহীনতা আছিল আৰু সেই কাৰণেই শ্ৰমিকসকলৰ কল্যাণৰ বিষয়ে কোনেও চিন্তা কৰা নাছিল। কিন্তু স্বাধীনতাৰ পাছত ভাৰতবৰ্ষত শ্ৰমিক কল্যাণ বিষয়টোৱে অধিক গুৰুত্ব প্ৰদান কৰিবলৈ আৰম্ভ কৰিলে। স্বাধীনতাৰ পূৰ্বে ঔদ্যোগিক শ্ৰমিকসকলৰ মাজত এক অসন্তুষ্টি আৰু অৰাজকতাই উশৃংখলতাৰ পৰিৱেশে দেখা দিছিল।

সেয়ে, এনেবোৰ সমস্যা দুৰীকৰণৰ অৰ্থে উদ্যোগপতি আৰু চৰকাৰে শ্ৰমিক কল্যাণৰ বাবে কিছুমান গুৰুত্বপূৰ্ণ আঁচনি বা অনুশীলন লবলৈ বাধ্য কৰালে। এই ক্ষেত্ৰত অৱশ্যে আন্তৰ্জাতিক শ্ৰম কাৰ্যালয়ে (International Labour Office) ও শ্ৰমিকসকলৰ কল্যাণৰ কাৰণে চিন্তা কৰিবলৈ প্ৰেৰণা যোগালে।

### ৩.১.১ ভাৰতবৰ্ষত শ্ৰমিক কল্যাণৰ অনুশীলনসমূহ (Labour Welfare Practices in India) ঃ

আমি ইতিপূৰ্বে এই গোটটিৰ প্ৰস্তাৱনাত ভাৰতবৰ্ষত শ্ৰমিক কল্যাণৰ অনুশীলনীৰ ধাৰণা সম্পৰ্কে কিছু কথা অৱগত কৰি আহিছোঁ। এতিয়া তোমালোকক ভাৰতবৰ্ষৰ শ্ৰমিকসকলৰ বাবে হাতত লোৱা বিভিন্ন কল্যাণমূলক অনুশীলনীসমূহৰ বিষয়ে অৱগত কৰিম। শ্ৰমিক কৰ্মচাৰীৰ কল্যাণ বিষয়টোক নিয়োগকৰ্তাই বা ???? চৰকাৰে কলকাৰখানা বা ঔদ্যোগিক প্ৰতিষ্ঠানত কাম কৰা শ্ৰমিকসকলৰ কল্যাণৰ বাবে বিভিন্ন সুবিধা আগবঢ়াইছে। তলত এই অনুশীলনসমূহ চমুকৈ আলোচনা কৰা হৈছে।

### (১) খোৱা বোৱা বা কেন্টিনৰ সুবিধা (Feeding or Conteen Facilities) ঃ

ভাৰতবৰ্ষত শ্ৰমিক কল্যাণৰ অনুশীলনসমূহৰ ভিতৰত এক লেখত লবলগীয়া দিশ হৈছে শ্ৰমিসকলৰ বাবে খোৱা-বোৱা বা কেন্টিনৰ সুবিধা কৰা। উদ্যোগৰ কাম-কাজসমূহ ক্ষিপ্ৰগতিত আৰু সুচাৰুৰূপে পৰিচালনা কৰিবৰ বাবে শ্ৰমিক সকলক উপযুক্ত সময়ত খাদ্য যোগান ধৰাতো এক প্ৰধান কৰ্তব্য। কল-কাৰখানাত কাম কৰি থকা সময়ত বা কৰ্মৰত অৱস্থাত উপযুক্ত সময়ত খাদ্য যোগানৰ ব্যৱস্থা কৰা বা উপযুক্ত ঠাইত কেন্টিন স্থাপন কৰি শ্ৰমিকসকলক খোৱাৰ সুবিধা কৰিব লাগে। শ্ৰমিকসকলে যাতে কামৰ মাজত ঘৰলৈ নোযোৱাকৈ খাদ্য যোগান কৰ্মস্থলীতে পায় তাৰ প্ৰতি লক্ষ্য ৰাখি ভোজনালয়ৰ ব্যৱস্থা কৰিব লাগে। আমাৰ ভাৰতবৰ্ষত ঔদ্যোগিক বিকাশৰ প্ৰথম অৱস্থাত বা পৰ্য্যায়ত কেন্টিনৰ ওপৰত বিশেষভাৱে গুৰুত্ব দিয়া নাছিল।

দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত ভাৰত চৰকাৰে ৰাজ্য, চৰকাৰসমূহক বিভিন্ন উদ্যোগ প্ৰতিষ্ঠানৰ নিয়োগকৰ্ত্তাসকলক কেন্টিন স্থাপন বা খুলিবলৈ নিৰ্দেশ জাৰি কৰে। কিন্তু ভাৰত চৰকাৰে দিয়া এই নিৰ্দেশক কোনো নিয়োগকৰ্ত্তাই গুৰুত্ব আৰোপ নকৰাত শেষত ১৯৪৮ চনত কাৰখানা আইন (Factory Act. 1948) ৰ যোগেদি ২৫০ তকৈ অধিক শ্ৰমিক নিয়োগ হৈ থকা উদ্যোগ প্ৰতিষ্ঠানত খোৱা-বোৱাৰ বাবে কেন্টিনৰ ব্যৱস্থা কৰাটো নিশ্চিত বা বাধ্যতামূলক কৰিলে।

**(২) শিশু সদন বা গৃহ (creches) ঃ**

ভাৰতবৰ্ষত শ্ৰমিক কল্যাণৰ অনুশীলনসমূহৰ অন্তৰ্গত অন্য এটা প্ৰধান বিভাগ হৈছে শিশু সদন বা গৃহ স্থাপন কৰা। কেন্টিনৰ দৰে শিশু সদনো এটা উল্লেখযোগ্য বিষয়। উদ্যোগ প্ৰতিষ্ঠানসমূহত শিশু সদনৰ সুবিধা থাকিলে শ্ৰমিকসকলৰ দক্ষতা বাঢ়ে আৰু নিশ্চিত মনে তেওঁলোকে নিজৰ কৰ্মত ব্যস্ত থাকিবলৈ সুবিধা পায়। কিয়নো শিশু থকা মহিলাসকলে শিশু বিলাকক ঘৰৰ মানুহৰ লগত এৰি কাম কৰিবলৈ আহিবলগীয়াত পৰে যাৰ বাবে মহিলাসকলে কামত মনোনিবেশ কৰিব নোৱাৰে। অন্যহাতে কাম কৰা সময়ত মহিলাসকলে শিশুসকলক লগত লৈ কাম কৰাটো সম্ভৱসকলে শিশুসকলক লগত লৈ কাম কৰাটো সম্ভৱপৰ নহয়। সেয়ে, কৰ্মস্থানত শিশুসকলক ৰাখিবলৈ বাবে চোৱা চিতা বা লালন-পালন কৰিবৰ বাবে এনে গৃহ নিৰ্মাণ কৰা হয়। এনে দিশবোৰৰ প্ৰতি লক্ষ্য ৰাখি ১৯৩৪ চনৰ কাৰখানা আইন অনুসৰি ভাৰত চৰকাৰে ৰাজ্যচৰকাৰসমূহক শিশু সদন স্থাপন কৰিবলৈ নিৰ্দেশনা জাৰি কৰে। এই নিৰ্দেশনা অনুসৰি ৰাজ্য চৰকাৰসমূহে ৫০ গৰাকী বা ততোধিক মহিলা শ্ৰমিক নিয়োজিতহৈ থকা উদ্যোগ বা কাৰখানাত মহিলা শ্ৰমিকসকলৰ ছ বছৰৰ তলৰ শিশুক ৰাখিবৰ বাবে এটি কোঠাৰ ব্যৱস্থা কৰিব লাগে। এই নিৰ্দেশনা মৰ্মে সেই সময়ত মধ্যপ্ৰদেশ, উত্তৰ প্ৰদেশ, মুম্বাই, বেংগল আৰু মাদ্ৰাজত শিশুসদন স্থাপনৰ কাম আৰম্ভ কৰে। ঠিক একেদৰে ১৯৫১ চনৰ বাগিছা শ্ৰমিক আইন (The Plantation of Labour Act, 1951) য়েত ৫০ গৰাকী ওপৰত মহিলা শ্ৰমিক থকা কাৰখানাসমূহত ৬ বছৰৰ তলৰ শিশুক ৰাখিবৰ পৰাকৈ শিশুগৃহ বা সদন নিৰ্মাণৰ বাবে নিৰ্দেশ দিয়ে।

**(৩) খোৱা পানীৰ সুবিধা (Facilities of Drinking Water) ঃ**

ভাৰতবৰ্ষৰ শ্ৰমিক কল্যাণৰ অনুশীলনৰ অন্য এটা উল্লেখনীয় দিশ হৈছে শ্ৰমিকসকলৰ বাবে খোৱা পানীৰ সুবিধা প্ৰদান কৰা। ভাৰতবৰ্ষত কল-কাৰখানা সমূহত

শ্ৰমিকসকলৰ বাবে যি পৰিমাণে খোৱা পানী যোগান ধৰিব লাগে সেই পৰিমানে, যোগানৰ ব্যৱস্থা নাই। উদ্যোগৰ কিছুমান কৰ্মস্থলীত যেনে — বোৱা কটা উদ্যোগ, চামৰা কাৰখানা, ছপাশাল, গ্লাচ আৰু শ্ৰেণী তৈয়াৰ কৰা কাৰখানাখনি আৰু বাগিছা সমূহত শ্ৰমিক সকলৰ বাবে বিশুদ্ধ খোৱা পানীৰ সুবিধা দিয়া নাই আৰু য'ত পানীৰ ব্যৱস্থা কৰা হৈছে সেয়াও যথেষ্ট নহয়।

বৰ্তমান সময়ত নিয়োগকৰ্ত্তা বা শ্ৰমিকসকলৰ বাবে বিশুদ্ধ খোৱা পানী সুবিধা প্ৰদান কৰাটো এক বাধ্যতামূলক কাৰ্য হিচাপে বিবেচনা কৰা হৈছে। এই ক্ষেত্ৰত কেইখনমান ঔদ্যোগিক আইনে শ্ৰমিকৰ খোৱা পানীৰ সুবিধাৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। এই আইন কেইখন হৈছে ১৯৪৮ চনৰ কাৰখানা আইন (Factory Act, 1948), ১৯৫২ চনৰ কয়লাখনি অধিনিয়ম (Coal Mines Act, 1952) ১৯৫২ চনৰ বাগিছা শ্ৰমিক আইন (Plantation Labour Act, 1952) আই আইনসমূহে উদ্যোগৰ নিয়োগকৰ্তাই আইনগতভাৱে সকলো শ্ৰমিকৰ বাবে খোৱা পানী যোগানৰ ব্যৱস্থা কৰিছে।

**(৪) আমোদ-প্ৰমোদৰ সুবিধা (Recreational Facilities) ঃ**

ঔদ্যোগিক শ্ৰমিকসকলৰ কৰ্ম বিৰতিৰ পাছত শাৰীৰিক আৰু মানসিক অৱসাদ দূৰ কৰিবৰ বাবে উদ্যোগ বা কলকাৰখানা চৌহদত আমোদ-প্ৰমোদৰ ব্যৱস্থা বা সুবিধা কৰিব লাগে যেনে — চলচিত্ৰ প্ৰদৰ্শন, ৰেডিঅ, বিভিন্ন সাংস্কৃতিক অনুষ্ঠান, নৃত্য-গীত, খেলা-ধূলা আদিৰ ব্যৱস্থা কৰাটো অতি প্ৰয়োজনীয় বিষয়। এনেবোৰ ব্যৱস্থা কৰিলে শ্ৰমিকসকলে মানসিক অৱসাদ দূৰ কৰাৰ লগতে কিছুমান অসামাজিক কাম কাজৰ পৰাও বিৰত হৈ থাকিব যেনে — জুৱা খেলা, মদ খোৱা, আৰু বেশ্যাবৃত্তি আদি কু-কৰ্মৰ পৰা আঁতৰি থাকিব। বৰ্তমান সময়ত ভাৰত চৰকাৰ আৰু ৰাজ্য চৰকাৰ সমূহেও এনেবোৰ কাৰ্যৰ প্ৰতি গুৰুত্ব আৰোপ কৰিছে আৰু বিভিন্ন চৰকাৰী বা বেচ-চৰকাৰী উদ্যোগসমূহৰ চৌহদত একো-একোখন সাংস্কৃতিক ভৱন স্থাপন কৰা দেখা গৈছে।

**(৫) স্বাস্থ্য আৰু চিকিৎসা বিষয়ৰ সুবিধা (Health and Treatment Facilities) ঃ**

ভাৰতবৰ্যত শ্ৰমিক কল্যাণ অনুশীলনীৰ ভিতৰত স্বাস্থ্য আৰু চিকিৎসা সম্পৰ্কীয় সুবিধা প্ৰদান কৰাটো এক প্ৰধান দিশ। শ্ৰমিকসকলৰ কাৰণে স্বাস্থ্য আৰু চিকিৎসা প্ৰদান কৰাটো এক গুৰুত্বপূৰ্ণ পদক্ষেপ। যিহেতু স্বাস্থ্যই সম্পদ। সু-স্বাস্থ্য নহ'লে মানুহে কোনো কৰ্ম সু-কলমে পৰিচালিত কৰিব নোৱাৰে। সেয়েহে ঔদ্যোগিক প্ৰতিষ্ঠানসমূহত শ্ৰমিকসকলৰ বাবে উপযুক্ত স্বাস্থ্য আৰু চিকিৎসা সেৱাক অধিক গুৰুত্ব আৰোপ কৰা হয়।

## গোট নম্বৰ ঃ - ২
## ঔদ্যোগিক পৰিকল্পনা আৰু সামাজিক পৰিবৰ্ত্তন

**গঠন বিন্যাস ঃ**

২.০ উদ্দেশ্য
২.১ প্ৰস্তাৱনা
২.২ ঔদ্যোগিক পৰিকল্পনা
২.২.১ ঔদ্যোগিক পৰিকল্পনাৰ বৈশিষ্ট্য
২.২.২ ঔদ্যোগিক পৰিকল্পনাৰ লক্ষ্য
অগ্ৰগতি নিৰীক্ষণ
২.৩ শ্ৰমিক আইন
২.৩.১. কাৰখানা আইন, ১৯৪৮
২.৩.২. বাগিচা শ্ৰমিক আইন, ১৯৫১
অগ্ৰগতি নিৰীক্ষণ
২.৪. সামৰণি
১. ঘাই শব্দসমূহ
২. পাঠ্য নিৰ্দেশনা
৩. আৰ্হি প্ৰশ্ন
৪. প্ৰসংগ পুথি

**২.০ উদ্দেশ্য ঃ**

- এই গোটটি পঢ়িলে তোমালোকে ঔদ্যোগিক পৰিকল্পনাৰ অৰ্থৰ বিষয়ে জানিব পাৰিবা।
- ঔদ্যোগিক পৰিকল্পনাৰ লক্ষ্য আৰু বৈশিষ্ট্য সমূহৰ বিষয়ে জানিব পাৰিবা।
- শ্ৰমিক আইন কি আৰু ইয়াৰ প্ৰয়োজনীয়তা সম্পৰ্কে কিছু আভাস লাভ কৰিব পাৰিবা।
- ১৯৪৮ চনৰ কাৰখানা আইনৰ লক্ষ্য, বৈশিষ্ট্য আৰু ধাৰাসমূহ জানিব পাৰিবা।

- ১৯৫১ চনৰ বাগিচা শ্ৰমিক আইনৰ লক্ষ্য, বৈশিষ্ট্য আৰু ধাৰা সমূহৰ বিষয়ে জানিব পাৰিবা।

**২.২. প্ৰস্তাৱনা ঃ**

ইতিমধ্যে তোমালোকে গোট নম্বৰ ১ ত ঔদ্যোগীকৰণৰ অৰ্থ আৰু মানৰ সমাজত ইয়াৰ বহুমূখী অভাৱ সম্পৰ্কে অধ্যয়ন কৰিলা। ঔদ্যোগিক সমাজতত্ত্বৰ পৰিসৰৰ অন্তৰ্গত আলেনচনা কৰিব লগা আন এটা প্ৰধান বিষয়বস্তু হ'ল ঔদ্যোগিক পৰিকল্পনা। ঔদ্যোগিক পৰিকল্পনা অবিহনে এখন দেশ বা সমাজৰ ঔদ্যোগীকৰণ প্ৰক্ৰিয়া কেতিয়াও সুস্থ আৰু গতিশীল হ'ব নোৱাৰে। গতিকে, ঔদ্যোগিক পৰিকল্পনা ঔদ্যোগীকৰণৰ বাবে অতিশয় প্ৰয়োজনীয়।

ঔদ্যোগিক সমাজতত্ত্বৰ এই গোটটিত ঔদ্যোগিক পৰিকল্পনা কি, ইয়াৰ লক্ষ্য আৰু বৈশিষ্ট্য সমূহ আলোচনা কৰিবলৈ লোৱা হৈছে। সেইদৰে, ঔদ্যোগিক সমাজত প্ৰভাৱ বিস্তাৰ কৰা আন এটা প্ৰধান দিশ ঔদ্যোগিক আইনৰ বিষয়েও এই গোটটিত আলোচনা কৰা হয়। এই ক্ষেত্ৰত বিশেষকৈ কাৰখানা আইন, ১৯৪৮ আৰু বাগিচা শ্ৰমিক আইন, ১৯৫১ আইন দুখন গুৰুত্ব দিয়া হ'ব। গতিকে, এই গোটটি অধ্যয়নৰ অন্তত তোমালোকে ঔদ্যোগিক পৰিকল্পনাৰ বিষয়ে জনাৰ লগতে ঔদ্যোগিক আইনৰ বিষয়েও জানিব পাৰিবা।

**২.২. ঔদ্যোগিক পৰিকল্পনা ঃ**

ঔদ্যোগিক পৰিকল্পনা সম্পৰ্কে আলোচনা কৰা পূৰ্বে পৰিকল্পনা সম্পৰ্কে কিছু জনাটো প্ৰয়োজন। অন্যথা ঔদ্যোগিক পৰিকল্পনাৰ অৰ্থ বুজাত কিছু অসুবিধা হ'ব। সাধাৰণ অৰ্থত পৰিকল্পনাৰ অৰ্থ বিচাৰ কৰিলে দেখা যায় যে নিৰ্ধাৰিত আঁচনিৰ জৰিয়তে গ্ৰহণ কৰা পদক্ষেপেই হৈছে পৰিকল্পনা। অৰ্থাৎ, পৰিকল্পনাৰ দ্বাৰা সংগঠিতভাৱে বিভিন্ন দিশৰ কাম হাতত লোৱা হয় যাৰ যোগেদি সমাজ বা ইয়াৰ বিভিন্ন বস্তুগত দিশ নাইবা মানৰ সম্পদৰ পূৰ্ণ বিকাশ বা পৰিৱৰ্ত্তন কৰিবলৈ যত্ন কৰা হয়। উদাহৰণস্বৰূপে, আমি ভাৰতবৰ্ষৰ অৰ্থনৈতিক পৰিকল্পনাৰ যোগেদি অৰ্থনৈতিক দিশত উন্নয়ন তথা পৰিবৰ্ত্তনৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে।

অৰ্থনৈতিক পৰিকল্পনাৰ দৰে ঔদ্যোগিক পৰিকল্পনাত এক পূৰ্বকল্পিত আঁচনি যাৰ জৰিয়তে পৰ্য্যাপ্ত সম্পদৰ পূৰ্ণ ব্যৱহাৰৰ বাবে যত্ন কৰা হৈছে। সেইবাবে, সমগ্ৰ বিশ্বতে ঔদ্যোগিক পৰিকল্পনা দেখা যায়। ঔদ্যোগ ক্ষেত্ৰত ঔদ্যোগিক পৰিকল্পনা হ'ল এক সংগঠিত আৰু পৰিকল্পিত প্ৰচেষ্টা। গতিকে ঔদ্যোগিক পৰিকল্পনা বুলিলে ঔদ্যোগ ক্ষেত্ৰৰ উন্নয়ন বা পৰিৱৰ্ত্তনৰ বাবে গ্ৰহণ কৰা পৰিকল্পিত প্ৰচেষ্টাকেই বুজায়। কোনো ঔদ্যোগৰ অগ্ৰগতি পৰিকল্পনা অবিহনে সম্ভৱ নহয়। কিয়নো ঔদ্যোগ সমূহ প্ৰকৃতি প্ৰদত্ত নহয় বা স্বাভাৱিকভাৱে গঢ়ি নুঠে। সেইকাৰণে

ঔদ্যোগসমূহৰ পৰিবৰ্ত্তন আৰু প্ৰগতিৰ বাবে পৰিকল্পিত প্ৰচেষ্টা আৰু আঁচনিৰ খুবেই প্ৰয়োজন। গতিকে, কোনো ঔদ্যোগৰ মানৱ আৰু বস্তুগত সম্পদৰ পূৰ্ণ আৰু সংগঠিত ব্যৱহাৰৰ বাবে প্ৰস্তুত কৰা আঁচনিকেই ঔদ্যোগিক পৰিকল্পনা বুলিব পাৰি।

মুঠৰ ওপৰত এখন সমাজ বা দেশৰ বিভিন্ন প্ৰাকৃতিক সম্পদ তথা মানৱ সম্পদৰ পূৰ্ণ প্ৰয়োগৰ বাবে পৰিকল্পনা অতি প্ৰয়োজন। ঠিক একেদৰে একো একোটা ঔদ্যোগ উন্নতি বা প্ৰগতিৰ দিশত অগ্ৰসৰ হ'বলৈ হ'লে ঔদ্যোগিক পৰিকল্পনাৰ যোগেদি মানৱ আৰু বস্তুগত সম্পদৰ পূৰ্ণ আৰু সঠিক প্ৰয়োগ সম্ভৱ হৈ পৰে।

**২.২.১. ঔদ্যোগিক পৰিকল্পনাৰ বৈশিষ্ট্য ঃ**

ঔদ্যোগিক পৰিকল্পনাৰ কিছুমান বিশেষ বৈশিষ্ট্য দেখা যায়। এই বৈশিষ্ট্যসমূহ তলত আলোচনা কৰা হ'ল -

**অবিৰত প্ৰক্ৰিয়া** ঃ- ঔদ্যোগিক পৰিকল্পনা হ'ল এক অবিৰত প্ৰক্ৰিয়া, যি ধাৰাবাহিকভাৱে চলি থাকে। যেতিয়ালৈকে মানৱ সমাজৰ অস্তিত্ব অক্ষুণ্ণ থাকিব তেতিয়ালৈকে ঔদ্যোগসমূহ বৰ্ত্তি থাকিব আৰু এই ঔদ্যোগসমূহ জীয়াই থকা ক্ষেত্ৰত ঔদ্যোগ সম্বন্ধীয় পৰিকল্পনাসমূহৰো প্ৰস্তুতি বৰ্তি থাকিব। সেইকাৰণে ঔদ্যোগিক পৰিকল্পনাক এক ধাৰাবাহিক বা অবিৰত প্ৰক্ৰিয়া হিচাপে অভিহিত কৰিব পৰা যায়।

**২) অৰ্থনৈতিক আহিলাৰ পূৰ্ণ প্ৰয়োগ ঃ**

ঔদ্যোগিক পৰিকল্পনা এনে এক প্ৰক্ৰিয়া যাৰ যোগেদি অৰ্থনৈতিক আহিলাসমূহৰ পূৰ্ণ প্ৰয়োগ কৰিবলৈ চেষ্টা যত্ন কৰা হয়। আমাৰ দেশৰ অৰ্থনৈতিক আহিলাসমূহ এতিয়াও পূৰ্ণ প্ৰয়োগ হৈছে বুলিব নোৱাৰি। সেয়ে, পৰিকল্পনাৰদ্বাৰা ঔদ্যোগসমূহৰ যোগেদি এই সম্পদসমূহৰ পূৰ্ণ প্ৰয়োগ সম্ভৱ কৰি তুলিবলৈ  চেষ্টা চলোৱা হয়।

**মানৱীয় দিশৰ সমন্বয় ঃ** এখন সফল ঔদ্যোগিক পৰিকল্পনাৰ পূৰ্বচৰ্ত্ত হ'ল ঔদ্যোগিক কাম কৰা শ্ৰমিকসকলৰ মাজত  সহযোগিতা, আন্তৰিকতা আৰু সংঘবদ্ধতা গঢ়ি তোলা। এইদৰে মানৱ প্ৰচেষ্টাৰ সমন্বয় সাধন হ'ল ঔদ্যোগিক পৰিকল্পনাৰ চূড়ান্ত আহিলা।

**৩) সৰ্বদিশৰ প্ৰগতি ঃ** ঔদ্যোগ কেন্দ্ৰ সমূহত গ্ৰহণ কৰা পৰিকল্পিত প্ৰচেষ্টাসমূহে সংগঠিতভাৱে বস্তুগত আৰু মানৱ সম্পদক পূৰ্ণ প্ৰয়োগ কৰিবলৈ যত্ন কৰিছে, যিটোৰ ফলত সমাজ তথা দেশৰ সকলোবিলাক দিশত ইতিবাচক প্ৰভাৱ পৰিছে। সাধাৰণতে, এখন দেশ বা সমাজত অৰ্থনৈতিক উন্নয়নৰ বুনিয়াদ ৰচনা হোৱা মানেই সেই দেশ বা সমাজৰ সৰ্বদিশত পৰিবৰ্ত্তন বা উন্নয়ন সাধন হোৱা। গতিকে এই পৰিবৰ্ত্তন বা উন্নয়নো সম্ভৱ হৈ উঠে ঔদ্যোগিক পৰিকল্পনাৰ যোগেদি।

**৫) ঔদ্যোগিক ব্যৱস্থাপনাৰ লগত সম্বন্ধ স্থাপন ঃ**

ঔদ্যোগিক পৰিকল্পনা ঔদ্যোগিক ব্যৱস্থাপনাৰ লগত ওতঃপ্ৰোত সম্বন্ধ আছে। যিহেতু, ঔদ্যোগিক পৰিকল্পনা সমূহৰ সফল প্ৰয়োগৰ লগত ব্যৱস্থাপনা বা পৰিচালনা কৰ্তৃপক্ষ সাঙুৰ খাই আছে। এক কথাত পৰিকল্পনাৰ দ্বাৰাহে ঔদ্যোগৰ সঠিক ব্যৱস্থাপনা বা পৰিচালনা কাৰ্য্যকৰী কৰা হয়।

**৬) বিশেষজ্ঞৰ প্ৰয়োজন ঃ** ঔদ্যোগিক পৰিকল্পনা বৈজ্ঞানিক আৰু প্ৰযুক্তিগত কৌশলৰ ওপৰত ভিত্তি কৰে। সেইবাবে এনে পৰিকল্পনাই বিশেষজ্ঞৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব প্ৰদান কৰে।

**৭) প্ৰাথমিক পদক্ষেপ ঃ** সকলো ধৰণৰ পৰিকল্পনাৰে কিছুমান প্ৰাথমিক পদক্ষেপ থকা দেখা যায়। ঔদ্যোগিক পৰিকল্পনাৰ ক্ষেত্ৰতো ইয়াৰ ব্যতিক্ৰম নহয়। ঔদ্যোগিক পৰিকল্পনাৰ বিভিন্ন পদক্ষেপবোৰ হ'ল - আঞ্চলিক প্ৰাধান্যতাৰ বাছনি, ঔদ্যোগৰ স্থান বাছনি, ঔদ্যোগৰ প্ৰকাৰ বাছনি, ব্যক্তিগত আৰু ৰাজহুৱা খণ্ডত আনুষংগিক উৎপাদন বাছনি আৰু শেষত প্ৰযুক্তিগত কৌশল নিৰ্বাচন ইত্যাদি।

**৮) ৰাষ্ট্ৰৰ বৰঙণি ঃ** ৰাষ্ট্ৰীয় আইনক উলংঘা কৰি কেতিয়াও কোনো পৰিকল্পনা হ'ব নোৱাৰে। গতিকে, কোনো ঔদ্যোগিক পৰিকল্পনাই ঔদ্যোগিক পৰিকল্পনা হিচাপে বিবেচনা কৰিব নোৱাৰি যদিহে ই ৰাষ্ট্ৰৰ ঔদ্যোগ নীতিৰ পৰিধিৰ ভিতৰত নপৰে। সেয়েহে ঔদ্যোগিক পৰিকল্পনাৰ ক্ষেত্ৰত চৰকাৰ আৰু ঔদ্যোগপতি উভয়ৰে সহযোগিতাৰ প্ৰয়োজন আছে।

**৯) প্ৰতিযোগিতাৰ নিয়ন্ত্ৰণ ঃ** ঔদ্যোগিক পৰিকল্পনাৰ প্ৰয়োগে দেশৰ উদ্যোগ ক্ষেত্ৰত অবাঞ্চিত প্ৰতিযোগিতা নিয়ন্ত্ৰণ কৰে। ফলত, প্ৰতিযোগিতাৰ ফলত হ'ব পৰা মানৱ শক্তি আৰু সম্পদৰ অপচয় ৰোধ কৰাত ঔদ্যোগিক পৰিকল্পনাই ভূমিকা গ্ৰহণ কৰে।

**১০) সিদ্ধান্ত আৰু ব্যৱহাৰিক দিশৰ সমন্বয় ঃ**

পৰিকল্পনাত কিছুমান নীতি অনুসৰণ কৰা হয়। কিন্তু এই নীতিসমূহ কোনো অৱস্থাৰ ব্যৱহাৰিক আৱশ্যকতাৰ ওপৰত গুৰুত্ব দিহে প্ৰয়োগ কৰা হয়। সেই কাৰণে, পৰিকল্পনাত সিদ্ধান্ত আৰু ব্যৱহাৰিক দিশৰ সমন্বয় জড়িত হৈ থাকে।

**২.২.২. ঔদ্যোগিক পৰিকল্পনাৰ লক্ষ্য ঃ**

পৰিকল্পনা মানেই কিছুমান লক্ষ্য জড়িত হৈ থাকে। ঔদ্যোগিক পৰিকল্পনাত ইয়াৰ ব্যতিক্রম নহয়। ঔদ্যোগিক পৰিকল্পনাৰ লক্ষ্যসমূহ তলত দিয়াৰ দৰে আলোচনা কৰিব পাৰি।

**১) দেশৰ অৰ্থনৈতিক উন্নয়ন সাধন ঃ** ঔদ্যোগিক পৰিকল্পনাৰ প্ৰধান লক্ষ্য হ'ল দেশৰ অৰ্থনৈতিক উন্নয়ন সাধন কৰা। এক কথাত, ঔদ্যোগিক পৰিকল্পনাৰ দেশৰ অৰ্থনৈতিক উন্নয়নৰ এক প্ৰধান আহিলা হিচাপে গ্ৰহণ কৰা হয়।

**২) ক্ষীপ্ৰ ঔদ্যোগিক উন্নয়ন ঃ** ঔদ্যোগিক উন্নয়ন ক্ষীপ্ৰ কৰাটো ঔদ্যোগিক পৰিকল্পনাৰ এক অন্যতম লক্ষ্য বুলিব পাৰি। কিয়নো পৰিকল্পনা বিহীন ঔদ্যোগীকৰণ প্ৰক্ৰিয়া কেতিয়াবা সম্পদৰ অপচয়ৰ কাৰণ হ'ব পাৰে।

**৩) উৎপাদন বৃদ্ধি ঃ** উৎপাদন বৃদ্ধি কৰাটো ঔদ্যোগিক পৰিকল্পনাৰ আন এটা প্ৰধান লক্ষ্য। এক কথাত উৎপাদন বৃদ্ধি কৰাই হ'ল পৰিকল্পনাৰ ঘাই লক্ষ্য।

**৪) নিয়োগ বৃদ্ধি ঃ** ঔদ্যোগিকৰণ মানেই হ'ল ন ন বৃত্তি বা নিয়োগ সৃষ্টি কৰা। গতিকে, পৰিকল্পিত ঔদ্যোগীকৰণৰ জৰিয়তে অধিক নিয়োগ সৃষ্টি কৰাটো ঔদ্যোগিক পৰিকল্পনাৰ আন এটা প্ৰধান লক্ষ্য।

**৫) ঔদ্যোগৰ ভাৰসাম্যতা ঃ** আগতেই উল্লেক কৰা হৈছে যে পৰিকল্পনা অবিহনে ঔদ্যোগীকৰণ অথবা ঔদ্যোগিক বিকাশ কেতিয়াও স্থায়ী হ'ব নোৱাৰে। এই ক্ষেত্ৰত ঔদ্যোগিক পৰিকল্পনাই ঔদ্যোগৰ ভাৰসাম্যতা ৰক্ষা কৰি সুনিৰ্দ্দিষ্ট পথৰ সন্ধান দিয়াত সহায় কৰে।

**৬) প্ৰতিযোগিতা নিয়ন্ত্ৰণ ঃ** ঔদ্যোগ ক্ষেত্ৰত অবাঞ্চিত প্ৰতিযোগিতা ৰোধ কৰি এই ক্ষেত্ৰত সুস্থিৰতা ৰক্ষা কৰাটো ঔদ্যোগিক পৰিকল্পনাৰ এটা প্ৰধান লক্ষ্য।

**৭) প্ৰাকৃতিক সম্পদৰ পৰ্য্যাপ্ত ব্যৱহাৰ ঃ** দেশৰ প্ৰাকৃতিক সম্পদ পৰ্য্যাপ্ত ব্যৱহাৰ কৰিব পাৰিলেহে ঔদ্যোগ ক্ষেত্ৰৰ সম্প্ৰসাৰণ সম্ভৱ। গতিকে, দেশৰ সম্পদৰ পৰ্য্যাপ্ত আৰু সদ্ব্যৱহাৰ দ্বাৰা অৰ্থনৈতিক উন্নয়ন সাধন কৰিবলৈ উপযুক্ত নীতি প্ৰস্তুত কৰাটো ঔদ্যোগিক পৰিকল্পনাৰ এটা প্ৰধান লক্ষ্য।

**৮) ৰপ্তানী ব্যৱস্থাক উদ্‌গনি দিয়া ঃ** ঔদ্যোগিক পৰিকল্পনাৰ জৰিয়তে উৎপাদন বৃদ্ধি কৰি দেশৰ উৎপাদিত সামগ্ৰী ৰপ্তানী কৰিবৰ বাবে উদ্‌গনি যোগোৱা হয়।

**৯) শ্ৰমিক পৰিকল্পনা ঃ** ঔদ্যোগিক উৎপাদন বৃদ্ধি কৰিবৰ বাবে শ্ৰমিক শক্তিক সঠিকভাৱে প্ৰয়োগ কৰিব লাগিব। সেইদৰে, ঔদ্যোগিক পৰিকল্পনা সঠিক প্ৰয়োগৰ বাবেও শ্ৰমিক শক্তিক সদ্‌ব্যৱহাৰ কৰাটো প্ৰয়োজন। গতিকে, ঔদ্যোগিক পৰিকল্পনাই শ্ৰমিক পৰিকল্পনাৰ ওপৰতো গুৰুত্ব প্ৰদান কৰে।

**১০) ৰাষ্ট্ৰীয় আয় বৃদ্ধি ঃ** ঔদ্যোগিক পৰিকল্পনাৰ মূল লক্ষ্য হ'ল ৰাষ্ট্ৰীয় আয় বৃদ্ধি। ইতিমধ্যে যিকেইটা লক্ষ্য আলোচনা কৰা হ'ল সেই সকলোবোৰ লক্ষ্য সাধন কৰি ৰাষ্ট্ৰীয় আয় বৃদ্ধি কৰিবলৈ চেষ্টা কৰা হয়। গতিকে, ঔদ্যোগিক পৰিকল্পনাৰ মূলমন্ত্ৰ হ'ল ৰাষ্ট্ৰীয় আয় বৃদ্ধি।

**অগ্ৰগতি নিৰীক্ষণ ঃ**

১) ঔদ্যোগিক পৰিকল্পনাৰ অৰ্থ প্ৰকাশ কৰা?
২) ঔদ্যোগিক পৰিকল্পনাৰ বৈশিষ্ট্যসমূহ কি কি?
৩) কি কি প্ৰধান লক্ষ্য আগত ৰাখি ঔদ্যোগিক পৰিকল্পনা প্ৰস্তুত কৰা হয়?
৪) ঔদ্যোগিক পৰিকল্পনাৰ প্ৰয়োজনীয়তা আছেনে? আলোচনা কৰা।

**২.৩. শ্ৰমিক আইন ঃ**

শ্ৰমিক আইন ঔদ্যোগিক সমাজৰ এটা প্ৰধান বৈশিষ্ট্য। ঔদ্যোগিকৰণৰ ফলত যিদৰে ঔদ্যোগৰ সংখ্যা বৃদ্ধি হ'ল সেইদৰে উদ্যোগত কৰ্মৰত শ্ৰমিকসকলক লৈ এটা নতুন শ্ৰেণীৰ সৃষ্টি হ'ল। কিন্তু এই শ্ৰমিক শ্ৰেণী বিভিন্ন সময়ত বিভিন্ন ধৰণৰ শোষণৰ সন্মুখীন হৈ আহিছে। কেৱল ভাৰতবৰ্ষতে নহয় সমগ্ৰ বিশ্বতে যিবোৰ কল-কাৰখানাত শ্ৰমিকসকলে কাম কৰি আছে তেওঁলোকৰ কাম কৰাৰ অৱস্থা সমানুপাতে সন্তোষজনক নহয়। তথাপি, পাশ্চাত্যৰ আন আন দেশসমূহৰ তুলনাত ভাৰতৰ শ্ৰমিকসকলৰ অৱস্থা একেবাৰে শোচনীয়। ইয়াৰ মূল কাৰণ হ'ল পাশ্চাত্যৰ দেশ সমূহত শ্ৰমিক শ্ৰেণীৰ কল্যাণৰ বাবে যি ব্যৱস্থা গ্ৰহণ কৰা হৈছে ভাৰতবৰ্ষত তেনে ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই। গতিকে, শ্ৰমিক সকলৰ এনে দুখজনক অৱস্থাৰ প্ৰতি লক্ষ্য ৰাখি বিধিগতভাৱে তেওঁলোকৰ পৰিচালনা বা নিৰাপত্তাৰ বাবে যি ব্যৱস্থা গ্ৰহণ কৰা হৈছে সেয়ে শ্ৰমিক আইন।

ঔদ্যোগিকৰণৰ প্ৰাক কালত শ্ৰমিকসকলক নিয়োগকৰ্তাৰ শোষণৰ কবলৰ পৰা সুৰক্ষা দিয়াতকৈ প্ৰচলিত সামাজিক পদ্ধতি বৰ্তাই ৰখাৰ ওপৰতহে গুৰুত্ব দিয়া হৈছিল। সেই সময়ত চৰকাৰে যিবোৰ শ্ৰমিক আইন গ্ৰহণ কৰিছিল সেইসমূহ বিশেষ কিছুমান ঔদ্যোগৰ

লগতহে জড়িত আছিল। কিন্তু ক্ৰমান্বয়ে ঔদ্যোগিকৰণ সম্প্ৰসাৰণ হোৱাৰ লগে লগে দেশৰ চৰকাৰৰ মধ্যস্থতা ঔদ্যোগিক সম্পৰ্কৰ ক্ষেত্ৰত প্ৰয়োজনীয় বুলি বিবেচিত হ'ল। ইয়াৰ উপৰিও শ্ৰমিকসকলৰ সচেতনতা, শ্ৰমিকসংঘৰ বিকাশ আৰু আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক সংঘৰ প্ৰতিষ্ঠাই ভাৰতবৰ্ষত শ্ৰমিক আইনৰ বিকাশত অৰিহণা যোগালে। আনহাতে, স্বাধীনোত্তৰ কালছোৱাত ব্যক্তিগত কল্যাণতকৈ সামূহিক কল্যাণৰ হকে চৰকাৰে বিশেষ গুৰুত্ব আৰোপ কৰিলে। তদুপৰি, নিয়োগকৰ্তাই শ্ৰমিকসকলক শোষণ কৰা কাৰ্য্যক বাধা দি কল্যাণমূলক কাৰ্যসূচীত মনোনিৱেশ কৰাত গুৰুত্ব আৰোপ কৰিলে। ফলস্বৰূপে, শ্ৰমিকৰ কৰ্ম অৱস্থাৰ উন্নতিৰ বাবে ব্যৱস্থা গ্ৰহণাৰ্থে বিভিন্ন শ্ৰমিক আইন প্ৰণয়ন কৰা হৈছে। ইয়াৰ ভিতৰত ১৮৮১ চনত পোনপ্ৰথমবাৰৰ বাবে শ্ৰমিকৰ কল্যাণৰ হকে কাৰখানা আইন প্ৰণয়ন কৰা হৈছিল। পৰৱৰ্ত্তী পৰ্য্যায়ত ১৯১১, ১৯২২, ১৯৩৪ চনত কাৰখানা আইন প্ৰণয়ন কৰা হৈছিল। স্বাধীনতাৰ পাছত ১৯৪৮ চনত ভাৰতত কাৰখানা আইন প্ৰণয়ন কৰা হৈছিল।

গতিকে দেখা গ'ল যে, শ্ৰমিক আইন হ'ল এক বিধি, যাৰ জৰিয়তে বাধ্যতামূলকভাৱে শ্ৰমিক শ্ৰেণীৰ কল্যাণৰ বাবে কিছুমান কল্যাণমূলক আঁচনি গ্ৰহণ কৰিবলৈ নিয়োগকৰ্তা সকলক বাধ্য কৰোৱা হয়। অৰ্থাৎ শ্ৰমিক আইনৰ জৰিয়তে শ্ৰমিকসকলৰ আৰ্থিক, সামাজিক আদি দিশৰ উন্নতি সাধিবলৈ চেষ্টা কৰা হয়।

**২.৩.১. কাৰখানা আইন ১৯৪৮ ঃ**

কাৰখানা আইন, ১৯৪৮ নে কাৰখানা সম্বন্ধীয় পূৰ্বৰ সকলো আইন বাতিল কৰি কাৰখানা শ্ৰমিক সকলৰ বাবে কিছুমান বোধগম্য সুবিধা আগবঢ়াইছে। ১৯৪৮ চনৰ পূৰ্বে ১৯৩৪ চনত ভাৰতবৰ্ষত এখন কাৰখানা আইন প্ৰণয়ন কৰা হৈছিল যিখন ১৯৩৬, ১৯৪০, ১৯৪১, ১৯৪৪, ১৯৪৫, ১৯৪৬ আৰু ১৯৪৭ চনত সংশোধন কৰা হয় আৰু অৱশেষত ১৯৪৮ চনত ইয়াৰ পৰিবৰ্ত্তন সাধন কৰা হয়। উল্লেখযোগ্য যে, ১৯৩৪ চনৰ কাৰখানা আইনত শ্ৰমিক সম্বন্ধীয় বহুতো আৱশ্যকীয় বিষয় উল্লেখ নাছিল? সেইসমূহৰ ভিতৰত শ্ৰমিকৰ স্বাস্থ্য আৰু নিৰাপত্তা, ৰাষ্ট্ৰীয় চৰকাৰৰ আইন প্ৰস্তুত কৰিব পৰা ক্ষমতা ,সম্বন্ধে একো উল্লেখ কৰা নাছিল। কিন্তু ১৯৪৮ চনৰ কাৰখানা আইন এই বিষয়সমূহ অৰ্ন্তভূক্ত কৰি পূৰ্বৰ কাৰখানা আইন সমূহৰ তুলনাত ইয়াক অধিক উন্নত কৰিবলৈ চেষ্টা কৰা হয়। এইখিনিতে উল্লেখ কৰিব লাগিব যে ১৯৪৭ চনত ভাৰত চৰকাৰে পূৰ্বতে থকা কাৰখানা আইন সমূহৰ ওপৰত পৰীক্ষামূলকভাৱে এখন খচৰা (বিল) গৃহীত কৰে আৰু এই খচৰা (বিল)খনেই ১৯৪৮ চনৰ ২৩ চেপ্তেম্বৰত আইনলৈ ৰূপান্তৰিত হয়। এই নতুন আইনখনকে কাৰখানা আইন ১৯৪৮ বুলি কোৱা হয়। অৱশ্যে, এই আইনখন ১৯৪৯ চনৰ ১ এপ্ৰিলৰ পৰাহে কাযকৰী কৰা হয়। এই আইনখনে শ্ৰমিকশ্ৰেণীৰ লগতে

ঔদ্যোগ খণ্ডলৈ বহুতো দিশত পৰিবৰ্তন আনিবলৈ সক্ষম হৈছিল। তৎস্বত্বেও, ১৯৫৬ চনত এই আইনখন পুনৰ সংশোধন কৰা হয়। যি কি নহওঁক ১৯৪৮ চনৰ কাৰখানা আইনৰ মূল দিশসমূহ তলত আলোচনা কৰা হ'ল।

**১) উদ্দেশ্য আৰু পৰিসৰ ঃ** ১৯৪৮ চনৰ কাৰখানা আইনৰ মূল উদ্দেশ্য হ'ল ভাৰতবৰ্ষৰ বিভিন্ন কাৰখানাত কৰ্মৰত শ্ৰমিকসকলৰ অৰ্থনৈতিক আৰু সামাজিক উন্নয়ন আৰু নিৰাপত্তা প্ৰদান কৰা। গতিকে, এই আইনখনে শ্ৰমিকসকলৰ স্বাস্থ্য আৰু নিৰাপত্তাৰ ওপৰত বিশেষভাৱে গুৰুত্ব দিছে। আনহাতে, পৰিসৰৰ ফালে লক্ষ্য কৰিলে দেখা যায় যে, জমু আৰু কাশ্মীৰৰ বাদে সমগ্ৰ ভাৰতবৰ্ষতে এই আইনখন প্ৰযোজ্য হয়। সেইদৰে যিবিলাক ঔদ্যোগত বৈদ্যুতিক শক্তিৰ ব্যৱহাৰ আছে বা য'ত দহজন বা তাতোধিক শ্ৰমিক নিয়োজিত হৈ আছে বা বৈদ্যুকশক্তি ব্যৱহাৰ নকৰা কিন্তু বিশজনৰ অধিক শ্ৰমিক নিয়োগ কৰা ঔদ্যোগ প্ৰতিষ্ঠানসমূহৰ ক্ষেত্ৰত এই আইন প্ৰযোজ্য হয়।

**২) শ্ৰমিকৰ স্বাস্থ্য আৰু নিৰাপত্তা ঃ** কাৰখানা আইন ১৯৪৮ য়ে শ্ৰমিক শ্ৰেণীৰ স্বাস্থ্য সম্পৰ্কীয় কিছুমান গুৰুত্বপূৰ্ণ ব্যৱস্থা গ্ৰহণ কৰিছে। সেইসমূহৰ ভিতৰত পৰিস্কাৰ পৰিচন্নতা, শীত-তাপ নিয়ন্ত্ৰীত ব্যৱস্থা, পোহৰৰ ব্যৱস্থা, অধিক মানুহৰ ভিৰ নাইকীয়া কৰা, পায়খানাগাৰ, প্ৰাস্ৰাৱগাৰ, খোৱাপানীৰ ব্যৱস্থা কৰা ইত্যাদি। ইয়াৰ উপৰি ২৫০ জন বা অধিক শ্ৰমিকে কাম কৰা কাৰখানাত অতি গৰম বতৰত শীতল খোৱা পানীৰ ব্যৱস্থা কৰা, কাৰখানাসমূহত অধিক ভীৰ কমাবৰ বাবে এই আইখনে একো একোজন শ্ৰমিকৰ বাবে ৫০০ ঘনক্ষেত্ৰ ঠাই ৰাখিব লাগে বুলি উল্লেখ কৰিছে।

আনহাতে, শ্ৰমিকৰ নিৰাপত্তাৰ ক্ষেত্ৰতো এই আইনখনে কিছুমান ব্যৱস্থা গ্ৰহণ কৰিছে। এইক্ষেত্ৰত বিশেষকৈ পুৰুষ আৰু মহিলা উভয়ৰ বাবে ওজন কঢ়িওৱাৰ ক্ষেত্ৰত সীমা নিৰ্ধাৰণ কৰা হৈছে। ইয়াৰ উপৰি এই আইনৰ যোগেদি শ্ৰমিকসকলৰ নিৰাপত্তাৰ বাবে বিপদজনক যন্ত্ৰপাতিবোৰ বেৰ দি ৰখা, বিভিন্ন যন্ত্ৰপাতিবোৰ সঘনাই পৰীক্ষা কৰা, অতি লেতেৰা ধোৱাৰ পৰা শ্ৰমিকসকলক নিৰাপদে ৰখা ইত্যাদি ব্যৱস্থাসমূহ গ্ৰহণ কৰাৰ নিৰ্দেশ দিয়া হৈছে।

**৩) কল্যানমূলক সুবিধা ঃ** এই আইনে শ্ৰমিকৰ বাবে কিছুমান কল্যাণমূলক আঁচনি গ্ৰহণৰ কথা উল্লেখ কৰিছে। সেইসমূহৰ ভিতৰত কানিকাপোৰ ধোৱাৰ সুবিধা, কৰ্মক্ষেত্ৰত শ্ৰমিকসকলৰ বহাৰ সুবিধা, ২৫০ জনৰ অধিক শ্ৰমিকে কাম কৰা কাৰখানত

কেন্টিনৰ ব্যৱস্থা, জিৰণিৰ ব্যৱস্থা, ১৫০ জন শ্ৰমিকে কাম কৰা কাৰখানাত মধ্যাহ্ন ভোজনৰ কোঠা, ৫০০ জনৰ অধিক শ্ৰমিকে কাম কৰা কাৰখানাত এজন শ্ৰমিক কল্যান বিষয়া নিযুক্তি দিয়া, ইত্যাদিসমূহ প্ৰধান।

**৪) শিশু / যুৱক আৰু নাৰী নিযুক্তি সম্পৰ্কত ব্যৱস্থা ঃ** ১৯৪৮ চনৰ কাৰখানা আইনে কাৰখানত ১৪ বছৰ তলৰ ল'ৰা-ছোৱালীক নিয়োগৰ ক্ষেত্ৰত বাধা প্ৰধান কৰিছে। এই আইনে ১৫ ৰ পৰা ১৮ বছৰৰ ভিতৰৰ ল'ৰা-ছোৱালীক কিশোৰ বুলি বিবেচনা কৰিছে আৰু এনে কিশোৰসকলক প্ৰমাণ পত্ৰ অবিহনে কোনো কাৰখানাত নিযুক্তি দিয়াত বাধা প্ৰদান কৰিছে। আনহাতে, এই আইনে কৰ্মৰ সময়ৰ ক্ষেত্ৰতো কিছুমান ব্যৱস্থা গ্ৰহণ কৰিছে। যেনে — নাৰীসকলৰ ক্ষেত্ৰত পুৱা ৬ বজাৰ আগত আৰু সন্ধিয়া ৭ বজাৰ পাছত বাহিৰত কাম কৰাৰ ক্ষেত্ৰত বাধা প্ৰদান কৰিছে। একেদৰে, ১৭ বছৰ তলৰ শিশুসকলক কাৰখানাত ৰাতি কাম কৰাৰ ক্ষেত্ৰত বাধা প্ৰদান কৰিছে।

**৫) কৰ্মৰ সময় ঃ** কৰ্মৰ সময় সম্পৰ্কত এই আইনে প্ৰাপ্তবয়স্ক শ্ৰমিকসকলৰ বাবে সপ্তাহত ৪৮ ঘন্টা আৰু প্ৰতিদিনে ৯ ঘন্টাকৈ নিৰ্ধাৰণ কৰিছে। তাৰোপৰি প্ৰাপ্তবয়স্ক শ্ৰমিকসকলক কমেও আধা ঘন্টা সময় বিশ্ৰাম অবিহনে একেৰাহে ৫ ঘন্টাতকৈ অধিক সময় কাম কৰাত বাধা আৰূপ কৰিছে। সেইদৰে, শিশু বা কিশোৰ সকলৰ ক্ষেত্ৰত কৰ্মৰ সময় প্ৰতিদিনত ৪ ১...২ ঘন্টাৰ পৰা ৫ ঘন্টাৰ অধিক হ'ব নোৱাৰিব। কৰ্মৰ সময়ৰ ক্ষেত্ৰত এই আইনে গ্ৰহণ কৰা মূল ব্যৱস্থাসমূহ হ'ল —

১) কৰ্মৰ সময় এটা দিনত ১০ ঘন্টা আৰু সপ্তাহত ৫০ ঘন্টাৰ অধিক হ'ব নোৱাৰিব।
২) প্ৰতিদিনে কৰ্মবিস্তাৰিত সময় ১২ ঘন্টাৰ অধিক হ'ব নোৱাৰিব।
৩) অতিৰিক্ত সময় কাম কৰা শ্ৰমিকসকলক প্ৰতি দুগুন মজুৰিৰ ব্যৱস্থা।
৪) নাৰীসকলৰ কৰ্মৰ সময় পুৱা ৬ বজাৰ পৰা সন্ধিয়া ৭ বজাৰ অধিক হ'ব নোৱাৰিব।
৫) ১৭ বছৰ তলৰ শিশুৱে ৰাতি কাম কৰিব নোৱাৰিব, ইত্যাদি।

**৬) মজুৰীৰ সৈতে ছুটী ঃ** ১৯৪৮ চনৰ কাৰখানা আইনে শ্ৰমিকসকলৰ বাবে মজুৰীসহ ছুটীৰ ব্যৱস্থা কৰিছে। পূৰ্বে '......'ৰ যি ব্যৱস্থা সেয়া এই আইনৰ জৰিয়তে বিলোপ কৰা হৈছে। এই আইন মতে, শ্ৰমিকসকলে প্ৰতি সপ্তাহত এটা দিন ছুটি

পোৱাৰ উপৰিও বছৰত ২৪০ দিন কাম কৰা শ্ৰমিকসকলৰ মজুৰিৰ ক্ষেত্ৰত বিশেষ সুবিধা প্ৰদান কৰিছে। সেই অনুযায়ী বছৰত ২৪০ দিন কাম কৰা শ্ৰমিকসকলৰ মজুৰিৰ ক্ষেত্ৰত বিশেষ সুবিধা প্ৰদান কৰিছে। সেই অনুযায়ী বছৰত ২৪০ দিন কৰ্মত নিয়োজিত প্ৰাপ্তবয়স্ক শ্ৰমিকে প্ৰতি ২০ দিনত ১ দিন আৰু শিশু শ্ৰমিকে প্ৰতি ৰপ্ত দিনত ১ দিন ছুটি পোৱাৰ ব্যৱস্থা কৰা হৈছে।

**৭) বৃত্তিগত অসুখ ঃ** ১৯৪৮ চনৰ কাৰখানা আইনে কৰ্মৰত শ্ৰমিকসকলৰ দুৰ্ঘটনা, বৃত্তিগত অসুখ, আঘাট পোৱা ইত্যাদি ক্ষেত্ৰত চিকিৎসা আৰু ক্ষতিপূৰণৰ ব্যৱস্থাৰ নিৰ্দেশ দিছে।

**৮) প্ৰশাসন ঃ** এই আইনে কাৰখানা প্ৰশাসনৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰসমূহক দায়িত্ব অৰ্পণ কৰিছে। সেই অনুযায়ী ৰাজ্য চৰকাৰ সমূহে কাৰখানাসমূহৰ পৰিদৰ্শনসকলৰ যোগেদি এই প্ৰশাসন অটুট ৰাখে।

**৯) অপৰাধৰ বাবে শাস্তিৰ ব্যৱস্থা ঃ** ১৯৪৮ চনৰ কাৰখানা আইনে প্ৰদান কৰা ব্যৱস্থাসমূহ বলবৎ নকৰিলে নিৰ্দিষ্ট বিষয়াসকলৰ শাস্তিৰ ব্যৱস্থাও এই আইনে কৰিছে। সেইমতে, বিষয়াসকলক জৰিমনা বিহাৰ লগতে কাৰগাৰলৈ প্ৰেৰণৰ ব্যৱস্থাও কৰিছে।

গতিকে দেখা গ'ল যে, ১৯৪৮ চনৰ কাৰখানা আইনে শ্ৰমিকসকলৰ বাবে বিশেষ কিছুমান ব্যৱস্থা গ্ৰহণ কৰিছে। পূৰ্বৰ কাৰখানা আইনসমূহৰ তুলনাত এই আইনক গতিশীল আৰু উন্নত বুলিব পাৰি। অৱশ্যে, এইখন আইনকো একেবাৰে ত্ৰুটিহীন বুলি ক'ব নোৱাৰি। যাৰবাবে, ১৯৫৬ চনতে এই আইনখন পুনৰ সংশোধন কৰা হৈছিল। শেষতীয়াকৈ ২০০৫ চনত এই আইনখন পুনৰ সংশোধন কৰা হয়।

**২.৩.২ বাগিছা শ্ৰমিক আইন, ১৯৫১ ঃ**

বাগিছা শ্ৰমিক আইনখন ১৯৫১ চনৰ অ'ৌবৰ মাহত গৃহীত কৰা হৈছিল। অৱশ্যে বাগিছাসমূহৰ হোৱা কিছুমান অভাৱনীয় পৰিস্থিৰ বাবে এই আইনখন ১৯৫৪ চনৰ ১ এপ্ৰিলৰ পৰাহে কাৰ্যকৰী কৰা হয়। আনহাতে, আইনখনৰ কিছুমান আসোঁৱাহৰ বাবে ১৯৮১ চনত ইয়াক সংশোধন কৰা হয় আৰু ১৯৮২ চনৰ ২৬ জানুৱাৰীৰ পৰা এই আইনখন কাৰ্যকৰী কৰা হয়। শেহতীয়াকৈ ২০০৮ চনত এই আইনখন পুনৰ সংশোধন কৰা হয়। যি কি নহওঁক বাগিছা শ্ৰমিক আইন, ১৯৫১ ৰ মূল দিশসমূহ তলত দিয়াৰ দৰে আলোচনা কৰিব পাৰি।

**১) উদ্দেশ্য আৰু পৰিসৰ ঃ** বাগিছাসমূহত কাম কৰা শ্ৰমিকসকলৰ কাম কৰা আৰু আৰ্থ-সামাজিক অৱস্থা উন্নত কৰাটোৱেই হ'ল ১৯৫১ চনৰ বাগিছা শ্ৰমিক আইনৰ মূল উদ্দেশ্য। প্ৰথম অৱস্থাত এই আইখন চাহ, কফি, ৰবৰ আদি বাগিছা সমূহতে সীমাবদ্ধ আছিল যদিও পৰবৰ্তী পৰ্যায়ত কেন্দ্ৰীয় চৰকাৰৰ অনুমোদন ক্ৰমে অন্যান্য বাগিছা সমূহৰ ক্ষেত্ৰতো প্ৰয়োগ হৈছিল। আনহাতে, এই আইনখন জম্মু আৰু কাশ্মীৰৰ বাদে সমগ্ৰ ভাৰতবৰ্ষতে সাঙৰি লৈছে।

**২) স্বাস্থ্য আৰু কল্যাণ ঃ** এই আইনখনে শ্ৰমিক সকলৰ বাবে স্বাস্থ্য আৰু কল্যাণ সম্বন্ধীয় কিছুমান সুবিধা আগবঢ়াইছে। এনে ব্যৱস্থাসমূহৰ ভিতৰত পৰিস্কাৰ খোৱা পানীৰ ব্যৱস্থা, পুৰুষ আৰু মহিলা উভয়ৰ বাবে পৃথক অস্ৰাৱগাৰ আৰু পায়খানাগাৰৰ ব্যৱস্থা আদিয়েই প্ৰধান। আনহাতে, ১৯৫১ চনৰ বাগিছা শ্ৰমিক আইন স্বাস্থ্য আৰু কল্যাণ, শ্ৰমিক কল্যাণ বিষয়াৰ নিয়োগ পদ্ধতি ইত্যাদিৰ ক্ষেত্ৰত ১৯৪৮ চনৰ কাৰখানা আইনৰ সৈতে একে ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ আছে।

**৩) কৰ্মৰ সময় ঃ** এই আইখনে শ্ৰমিকৰ কামৰ সময় নিৰ্ধাৰণ কৰিছে। সেইমতে প্ৰতিসপ্তাহত প্ৰাপ্তবয়স্ক শ্ৰমিকৰ বাবে ৫৪ ঘন্টা আৰু কৈশোৰসকলৰ বাবে ৪০ ঘন্টাৰ কৰ্মৰ সময় নিৰ্ধাৰণ কৰিছে। এই আইনে ৰচ বছৰ তলৰ শিশুৰ নিযুক্তি বন্ধৰ লগতে ৰাজ্যিক চৰকাৰৰ অনুমতি অবিহনে কোনো শিশু আৰু মহিলা শ্ৰমিকক পুৱা ৬ বজাৰ পৰা সন্ধ্যা ৭ বজালৈকে একেৰাহে কাম কৰাত বাধা প্ৰদান কৰিছে। আনহাতে, একেৰাহে প্ৰতি ৫ ঘন্টা কামৰ অন্তত আধাঘন্টা জিৰণিৰ ব্যৱস্থাত এই আইনে কৰিছে। এই আইন মতে ৰাজ্য চৰকাৰসমূহে শ্ৰমিকৰ বাবে কিছুমান ব্যৱস্থা গ্ৰহণ কৰিব পাৰে। সেইবোৰ হ'ল—

১) শ্ৰমিকৰ বাবে সাপ্তাৰহিক বন্ধৰ ব্যৱস্থা কৰা।

২) বন্ধৰ দিন নাথাকিলে যিকোনো জিৰণি দিনত প্ৰয়োজন সাপেক্ষে শ্ৰমিকক কাম কৰিবলৈ সুবিধা প্ৰদান কৰা।

৩) কোনো শ্ৰমিককে বিৰতি নোহোৱাকৈ একেৰাহে ১০ দিন কাম কৰিবলৈ দিব নোৱাৰে।

৪) যদি কোনো শ্ৰমিক সপ্তাহত ৬ দিনতকৈ কম উপস্থিত থাকে তেন্তে সাপ্তাহিক বন্ধ উপভোগ বন্ধ কৰা ইত্যাদি।

**৪) মজুৰিসহ ছুটী ঃ** ১৯৫১ চনৰ বাগিছা শ্ৰমিক আইনে মজুৰিসহ ছুটীৰ ব্যৱস্থা কৰিছে। এই আইনৰ মতে এজন শ্ৰমিক যদি শিশু বা কৈশোৰ হয় তেন্তে

তেওঁ প্ৰতি ১৫ দিনত এদিনকৈ ছুটী উপভোগ কৰিব পাৰিব। আনহাতে এজন প্ৰাপ্তবয়স্ক শ্ৰমিকৰ ক্ষেত্ৰত প্ৰতি ২০ দিনৰ অন্তত এদিনৰ ছুটীৰ ব্যৱস্থা এই আইনে কৰিছে। এনে ছুটীৰ ক্ষেত্ৰত শ্ৰমিকসকলে প্ৰতিদিনে পোৱা মজুৰীৰ হিচাপত দৰমহা লাভৰ ব্যৱস্থা এই আইনে কৰিছে।

**৫) অসুস্থতা আৰু প্ৰসুতি সম্বন্ধীয় সুবিধা ঃ** এই আইনখনে অসুস্থ আৰু প্ৰসুতি সম্বন্ধীয় দিশবিলাকৰ ওপৰত লক্ষ্য ৰাখিছে। অসুস্থ আৰু প্ৰসুতি শ্ৰমিকসকলৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰ সমূহে তলত ব্যৱস্থাসমূহ গ্ৰহণ কৰিব পাৰে।

ক) শ্ৰমিকসকলে কোনো চিকিৎসকৰ পৰা অসুস্থতাৰ প্ৰমাণ পত্ৰ লাভ কৰিলে সেই প্ৰমাণপত্ৰ অনুসৰি অসুস্থতাৰ ভাট্টা লাভ কৰিব পাৰে।

খ) এই আইনমতে মহিলা শ্ৰমিকসকলে গৰ্ভধাৰণৰ সময়ত পাব লগা সুবিধাসমূহ নিশ্চিত কৰিছে। অৱশ্যে এনে সুবিধাসমূহ ৰাজ্য চৰকাৰে নিৰ্ধাৰণ কৰি দিয়া নীতি অনুসৰিহে লাভ কৰিব পাৰিব।

গতিকে, দেখা গ'ল যে বাগিছা শ্ৰমিক আইন ১৯৫১ য়ে বাগিছাত কাম কৰা শ্ৰমিকসকলৰ বাবে স্বাস্থ্য আৰু সামাজিক কল্যাণ, অসুস্থতা আৰু প্ৰসুতি ভাট্টা, মজুৰীসহ ছুটীৰ ব্যৱস্থা, ইত্যাদি বিভিন্ন সুবিধাসমূহ প্ৰদান কৰিছে। গতিকে, বাগিছা শ্ৰমিকসকলৰ অৱস্থা উন্নয়নৰ ক্ষেত্ৰত এই আইনক এক গুৰুত্বপূৰ্ণ আইন বুলি বিবেচনা কৰিব পাৰি।

**অগ্ৰগতি নিৰীক্ষণ ঃ**

১) শ্ৰমিক আইন কি? শ্ৰমিক আইনৰ মূল উদ্দেশ্যসমূহ কেনেধৰণৰ?

২) কাৰখানা আইন ১৯৪৬ ৰ মূল উদ্দেশ্যসমূহ কি কি?

৩) ১৯৪৮ চনৰ কাৰখানা আইনৰ মূল দিশসমূহ কেনেধৰণৰ।

৪) বাগিছা শ্ৰমিক আইন ১৯৫১ ৰ মূল উদ্দেশ্যসমূহ কি কি ?

৫) ১৯৫১ চনৰ বাগিছা শ্ৰমিক আইনৰ মূল দিশসমূহ কেনেধৰণৰ।

**২.৪ সামৰণি ঃ**

এই গোটটিত ঔদ্যোগিক পৰিকল্পনা আৰু শ্ৰমিক আইনৰ বিষয়ে আলোচনা কৰা হল। এখন দেশৰ ঔদ্যোগিক উন্নয়ন আৰু অৰ্থনৈতিক উন্নয়নৰ বাবে ঔদ্যোগিক পৰিকল্পনাৰ ভূমিকা কি এই সম্পৰ্কে এই গোটটিত আলোচনা কৰাৰ লগতে ঔদ্যোগিক পৰিকল্পনাৰ বৈশিষ্ট আৰু লক্ষ্যসমূহো অতি সহজভাৱে আলোচনা কৰা হ'ল। আনহাতে, ঔদ্যোগিক উন্নয়নৰ বাবে শ্ৰমিক আইনৰো যে যথেষ্ট গুৰুত্ব আছে সেই

বিষয়ে এই গোটটিত আলোচনা কৰা হৈছে। শ্ৰমিক শ্ৰেণীৰ আৰ্থ-সামাজিক উন্নয়ন অবিহনে এখন দেশৰ অৰ্থনৈতিক আৰু ঔদ্যোগিক উন্নয়ন যে সম্ভৱ নহয় সেয়া এই গোটটি অধ্যয়নৰ পৰা প্ৰতিয়মান হ'ব। আনহাতে, কাৰখানা আইন, ১৯৪৮ আৰু বাগিছা শ্ৰমিক আইন ১৯৫১ ৰ বিষয়েও এই গোটটিৰ পৰা জানিব পৰা যাব।

**১) ঘাই শব্দসমূহ ঃ**

ঔদ্যোগিকৰণ, পৰিকল্পনা, ঔদ্যোগিক ব্যৱস্থাপনা, উৎপাদন, ভাৰসাম্যতা, প্ৰতিযোগিতা, ৰাষ্ট্ৰীয় আয়, শ্ৰমিক, কাৰখানা, মজুৰী, স্বাস্থ্য, বৃত্তিগত অসুখ, প্ৰকাশন, অপৰাধ, বাগিছা, প্ৰসুতি ইত্যাদি।

**২)পাঠ্য নিৰ্দেশনা ঃ**

1) Gisbert, Fundamentals of Industrial Sociology, Tata Mc Graw-Hill publishing Co.Ltd., New Delhi, 1978
2) J.H. Smith, Industrial Sociology, UNESCO, Publication, 1961
3) Sharma and Pandey, Industrial Sociology, Surajeet publications, New Delhi, 2005
4) V.V. Giri, Labour problems in Indian Industry, Asia publishing house, 1962
5) Yogendra Singh, Modernization of Indian Tradition, Rawat publications, Jaipur, 1986

**৩) আৰ্হি প্ৰশ্ন ঃ**

১) ঔদ্যোগিক পৰিকল্পনাৰ অৰ্থ প্ৰকাশ কৰা। ঔদ্যোগিক পৰিকল্পনাৰ বৈশিষ্ট্যসমূহ আলোচনা কৰা।

২) অৰ্থনৈতিক উন্নয়নত ঔদ্যোগিক পৰিকল্পনাৰ গুৰুত্ব কি? ঔদ্যোগিক পৰিকল্পনাৰ লক্ষ্যসমূহ আলোচনা কৰা।

৩) শ্ৰমিক আইন কি? শ্ৰমিক আইনৰ গুৰুত্ব আলোচনা কৰা।

৪) কাৰখানা আইন, ১৯৪৮ ৰ মূল দিশসমূহ আলোচনা কৰা।

৫) বাগিছা শ্ৰমিক আইন, ৰজ্ঞাপ্তৰ ৰ মূল দিশসমূহ আলোচনা কৰা।

**৪) প্ৰসংগ পুথি ঃ**

১) বৰা ৰাজেন আৰু অখিল বৰা, "উদ্যোগৰ সমাজতত্ত্ব", বিদ্যাভৱন, যোৰহাট, ২০১৪

২) বৰঠাকুৰ, বি.এন. আৰু ৰূপৰেখা বৰদলৈ, "ঔদ্যোগিক সমাজতত্ত্ব আৰু শ্ৰমিক কল্যাণ", বিদ্যাভৱন, যোৰহাট, ২০০৮

৩) দলে, দুৰ্গেশ্বৰ, "ঔদ্যোগিক সমাজতত্ত্ব" ষ্টুডেন্টচ এম্পৰিয়াম, ডিব্ৰুগড়, ২০০৮

৪) R.N. Sharma and R.K. Sharma, "Introductory Industrial Sociology" Media Promoters and poblishers pvt. Ltd., Bombay.

সমাজতত্ত্ব সন্মান বিষয় - ৩০৫

**(SOCM - 305)**

**BA 3rd year**

স্নাতক মহলাৰ তৃতীয় বৰ্ষ

# ঔদ্যোগিক সমাজতত্ত্ব আৰু শ্ৰমিক কল্যাণ

# (Industrial Sociology and Labour Welfare)

খণ্ড - ২ (**Block – 2**)

গোট - ১ আৰু - ২ **(Unit- 1 and 2)**

## উদ্যোগৰ সামাজিক সংৰচনা

## (Social Structure of Industry)

দূৰ শিক্ষা সঞ্চালকালয়

**(Directorate Distance Education)**

ডিব্ৰুগড় বিশ্ববিদ্যালয়

**(Dibrugarh University)**

ডিব্ৰুগড়- ৭৮৬০০৪

**Dibrugarh- 786004**

**সমাজতত্ত্ব সন্মান বিষয় - ৩০৫**

**(SOCM - 305)**

**BA 3rd year**

**স্নাতক মহলাৰ তৃতীয় বৰ্ষ**

**ঔদ্যোগিক সমাজতত্ত্ব আৰু শ্ৰমিক কল্যাণ**

**(Industrial Sociology and Labour Welfare)**

**বিষয়সূচী (Content)**

খণ্ড - ২ **(Block - 2)** উদ্যোগৰ সামাজিক সংৰচনা **(Social Structure of Industry)**

**গোট - ১** **(Unit - 1)** সংগঠনৰ ধাৰণা, আনুষ্ঠানিক আৰু অনানুষ্ঠানিক সংগঠন।

উদ্দেশ্য, প্ৰস্তাৱনা, সংগঠনৰ ধাৰণা, আনুষ্ঠানিক সংগঠনৰ অৰ্থ, সংজ্ঞা, বৈশিষ্ট্য আৰু গুৰুত্ব, অনানুষ্ঠানিক সংগঠনৰ ধাৰণা, অৰ্থ, সংজ্ঞা, বৈশিষ্ট্য আৰু গুৰুত্ব, আত্মমূল্যায়নৰ প্ৰশ্ন, সামৰণি প্ৰধান শব্দসমূহ, পাঠ্য নিৰ্দেশনা, আত্মমূল্যায়ন প্ৰশ্নৰ উত্তৰ, আৰ্হি প্ৰশ্ন, প্ৰসঙ্গ পুথি।

**গোট - ২** (Unit - 2) সংগঠনৰ স্তৰসমূহ (উৰ্ধতম মহল বা স্তৰ নিম্নতম মহল বা স্তৰ)

উদ্দেশ্য, প্ৰস্তাৱনা, উৰ্ধতম মহল আৰু নিম্নতম মহল, আত্মমূল্যায়নৰ প্ৰশ্ন, সামৰণি, প্ৰধান শব্দ সমূহ, পাঠ্য নিৰ্দেশনা, আত্মমূল্যায়ন প্ৰশ্নৰ উত্তৰ, আৰ্হি প্ৰশ্ন, প্ৰসঙ্গ পুথি।

**গোট - ৩** (Unit - 3) ঔদ্যোগিক সংগঠনৰ নীতিসমূহ

উদ্দেশ্য, প্ৰস্তাৱনা, সংগঠনৰ নীতিসমূহ, আত্মমূল্যায়নৰ প্ৰশ্ন, সামৰণি, প্ৰধান শব্দসমূহ, পাঠ্য নিৰ্দেশনা, আত্মমূল্যায়ন প্ৰশ্নৰ উত্তৰ, আৰ্হি প্ৰশ্ন, প্ৰসঙ্গ পুথি।

**গোট - ৪** (Unit - 4) ঔদ্যোগিক আমোলাতন্ত্ৰ

উদ্দেশ্য, প্ৰস্তাৱনা, ঔদ্যোগিক আমোলাতন্ত্ৰৰ অৰ্থ, বৈশিষ্ট্য আৰু গুৰুত্ব, আত্ম মূল্যায়নৰ প্ৰশ্ন, সামৰণি, প্ৰধান শব্দসমূহ, পাঠ্য নিৰ্দেশনা, আত্মমূল্যায়ন প্ৰশ্নৰ উত্তৰ, আৰ্হি প্ৰশ্ন, প্ৰসঙ্গ পুথি।

# সমাজতত্ত্ব সন্মান বিষয় - ৩০৫

**(SOCM - 305)**

**BA 3rd year**

**স্নাতক মহলাৰ তৃতীয় বৰ্ষ**

# ঔদ্যোগিক সমাজতত্ত্ব আৰু শ্ৰমিক কল্যাণ

**(Industrial Sociology and Labour Welfare)**

**পাঠ্যপুথিৰ পৰিচয় (Course Introduction) ঃ**

সমাজতত্ত্বৰ এই পুথিখনি ডিব্ৰুগড় বিশ্ববিদ্যালয় দূৰ শিক্ষা সঞ্চালকালয়ৰ অন্তৰ্গত স্নাতক মহলাৰ তৃতীয় বৰ্ষৰ সন্মান বিষয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে প্ৰস্তুত কৰা হৈছে। এই পুথিখনত ঔদ্যোগিক সামাজিক সংগঠনৰ বিষয়ে আলোচনা কৰা হৈছে। তাৰোপৰি ঔদ্যোগিক সমাজ ব্যৱস্থাত ঔদ্যোগিক সংগঠন, ঔদ্যোগিক নীতি, শ্ৰমিক সকলৰ কল্যাণ, শ্ৰমিক সকলৰ সমস্যা, ঔদ্যোগিক সংগঠনত প্ৰশাসনিক ব্যৱস্থা, ঔদ্যোগিক আমোলাতন্ত্ৰৰ আদিৰ সম্পৰ্কে আলোচনা কৰা হৈছে যাতে শিক্ষকৰ পৰা মুখামুখি পাঠদান গ্ৰহণ নকৰাকৈ ছাত্ৰ-ছাত্ৰীসকলে এই আটাইকেইটা বিষয়ৰ ওপৰত সুন্দৰকৈ জ্ঞান লাভ কৰিব পাৰে।

পুথিখনি .... খণ্ডত ভাগ কৰি প্ৰতিটো খণ্ডত বিভিন্ন অৱধাৰণাৰ সম্পৰ্কে আলোচনা কৰিবলৈ যত্ন কৰা হৈছে। এই পাঠ্যপুথিখনৰ ক্ৰম অনুসাৰে গোটসমূহৰ শিৰোনাম বিলাক এনেধৰণৰ -

১) ঔদ্যোগিক সংগঠনৰ ধাৰণা, আনুষ্ঠানিক আৰু অনানুষ্ঠানিক সংগঠন

২) সংগঠনৰ মহল বা স্তৰসমূহ

৩) সংগঠনৰ নীতিসমূহ

৪) ঔদ্যোগিক আমোলাতন্ত্ৰ

**সমাজতত্ত্ব সন্মান বিষয় - ৩০৫**

**(SOCM - 305)**

**BA 3rd year**

**স্নাতক মহলাৰ তৃতীয় বৰ্ষ**

**ঔদ্যোগিক সমাজতত্ত্ব আৰু শ্ৰমিক কল্যাণ**

**(Industrial Sociology and Labour Welfare)**

**খণ্ড - ২ (Block - 2)**

**পাঠ্যগোট - ১ (Unit - 1)**

**গঠন বিন্যাস (Unit Structure)**


১.০ উদ্দেশ্য

১.১ প্ৰস্তাৱনা

১.২ সংগঠনৰ ধাৰণা

১.২.১ আনুষ্ঠানিক সংগঠনৰ অৰ্থ

১.২.২ আনুষ্ঠানিক সংগঠনৰ সংজ্ঞা

১.২.৩ আনুষ্ঠানিক সংগঠনৰ বৈশিষ্ট্য

১.২.৪ আনুষ্ঠানিক সংগঠনৰ গুৰুত্ব

১.৩ অনানুষ্ঠানিক সংগঠনৰ অৰ্থ

১.৩.১ অনানুষ্ঠানিক সংগঠনৰ সংজ্ঞা

১.৩.২ অনানুষ্ঠানিক সংগঠনৰ বৈশিষ্ট্য

১.৩.৩ অনানুষ্ঠানিক সংগঠনৰ গুৰুত্ব

আত্মমূল্যায়নৰ প্ৰশ্ন

১.৪ সামৰণি

১. প্ৰধান শব্দসমূহ

২. পাঠ্য নিৰ্দেশনা

৩. আত্ম মূল্যায়ন প্ৰশ্নৰ উত্তৰ

৪. আৰ্হি প্ৰশ্ন

৫. প্ৰসঙ্গ পুথি

**১.০ উদ্দেশ্য (Objectives) ঃ-**

ঔদ্যোদিক সমাজতত্ত্ব আৰু শ্ৰমিক কল্যাণ পাঠ্যক্ৰমখনিৰ খণ্ড নং ২ ৰ প্ৰথম গোটটিত ঔদ্যোগিক সংগঠনৰ বিষয়ে আলোচনা কৰা হৈছে। এই গোটটি অধ্যয়ন কৰাৰ পাছত তোমালোকে

(ক) সংগঠনৰ ধাৰণা সম্পৰ্কে ব্যাখ্যা কৰিব পাৰিবা।

(খ) আনুষ্ঠানিক সংগঠনৰ অৰ্থ আৰু সংজ্ঞা বিষয়ে বিশ্লেষণ কৰিব পাৰিবা।

(গ) আনুষ্ঠানিক সংগঠনৰ বৈশিষ্ট্যসমূহক বৰ্ণনা কৰিব পাৰিবা।

(ঘ) অনানুষ্ঠানিক সংগঠনৰ অৰ্থ আৰু সংজ্ঞা সম্পৰ্কে পৰ্য্যালোচনা কৰিব পাৰিবা।

(ঙ) অনানুষ্ঠানিক সংগঠনৰ বৈশিষ্ট্য আৰু গুৰুত্ব সম্পৰ্কে বিশ্লেষণ কৰিব পাৰিবা।

**১.১ প্ৰস্তাৱনা (Introduction) ঃ**

'ঔদ্যোগিক সমাজতত্ত্ব আৰু শ্ৰমিক কল্যাণ' শীৰ্ষক পাঠ্যক্ৰমখনিৰ ২ নম্বৰ খণ্ডৰ ১ ম গোটটিত ঔদ্যোগিক সমাজৰ বিভিন্ন সংগঠনসমূহৰ বিষয়ে আলোচনা কৰা হৈছে। এই পাঠ্যক্ৰমখনৰ ২ নম্বৰ খণ্ডৰ প্ৰথম গোটটিৰ জৰিয়তে উদ্যোগৰ বিভিন্ন সংগঠনসমূহৰ লগতে শ্ৰমিক সকলৰ কল্যাণ, শ্ৰমিকসকলৰ উদ্যোগত ভূমিকা, আনুষ্ঠানিক সংগঠন অৰ্থ, সংজ্ঞা, বৈশিষ্ট্য আৰু গুৰুত্বৰ সম্পৰ্কে আলোচনা কৰা হ'ব। তদুপৰি এই গোটটিত উদ্যোগত অনানুষ্ঠানিক সংগঠনৰ অৰ্থ, সংজ্ঞা, বৈশিষ্ট্য আৰু গুৰুত্ব সম্পৰ্কেও ব্যাখ্যা কৰা হ'ব। যিহেতু একোটা উদ্যোগত বিভিন্ন সংগঠন বা গোট থাকে যি সংগঠনে উদ্যোগবিলাকক পৰিচালিত কৰাৰ লগতে উদ্যোগৰ কামবিলাক শৃংখলাবদ্ধভাৱে চলাই নিয়াত সহায় কৰে। তাৰোপৰি এনেবোৰ সংগঠনৰ যোগেদি উদ্যোগৰ বিভিন্ন অংশবোৰৰ লগত পাৰস্পৰিক সম্পৰ্ক থাকে। তাৰোপৰি অংশবোৰৰ লগত পাৰস্পৰিক সম্পৰ্ক থাকে। তাৰোপৰি সাম্প্ৰতিক কালত এনে সাংগঠনিক ব্যৱস্থাই উদ্যোগ বিকাশত সহায় কৰাৰ লগতে অৰ্থনীতিৰ ভেঁটিকো সুদৃঢ় কৰিবলৈ সক্ষম হৈছে। সেয়ে ঔদ্যোগিক সমাজতত্ত্বত সংগঠনসমূহৰ বিষয়ে আলোচনা কৰাটো অতি বিচাৰ্য বিষয় বুলি গণ্য কৰা হৈছে।

**১.২ সংগঠনৰ ধাৰণা (Concept of organization) ঃ-**

ঔদ্যোগিক সমাজতত্ত্ব আৰু শ্ৰমিক কল্যাণ শীৰ্ষক পাঠ্যক্ৰমখনিত অৰ্ন্তভূক্ত থকা সংগঠনৰ সম্পৰ্কে আলোচনা কৰিবলৈ যাওঁতে প্ৰকৃততে সংগঠন বুলিলে

ঔদ্যোগিক সংগঠনকেই বুজোৱা হৈছে। একোটা উদ্যোগত বিভিন্ন অংশ অৰ্ন্তভূক্ত হৈ থাকে। এনে অংশসমূহে একেলগে সংযোগ ঘটি একোটা উদ্যোগ গঢ় লৈ উঠে। সেয়েহে ঔদ্যোগিক সংগঠন হৈছে ঔদ্যোগিক সমাজতত্ত্বৰ এটা অবিচ্ছেদ্য অংশ বা গোট যিবিলাক গোটৰ দ্বাৰাই এটা উদ্যোগ জীয়াই থাকে।

সংগঠন হ'ল কিছুমান বস্তু বা ব্যক্তি বিশেষ শৃংখলাবদ্ধ সামাজিক গোট। ঔদ্যোগিক সমাজতত্ত্বত সংগঠন অৱধাৰণাটোৱে ঔদ্যোগিক সংগঠনকেই বুজায়। যেতিয়া কিছুমান ব্যক্তিয়ে নিৰ্দ্দিষ্ট এক বা একাধিক লক্ষ্য আৰু উদ্দেশ্যেৰে একত্ৰিত হৈ পাৰস্পৰিক সহায় সহযোগিতাৰে কাৰ্য্য সম্পাদন কৰিবলৈ সংঘবদ্ধ হয়, তেনে সংঘবদ্ধ গোটকে সংগঠন বোলে। ঔদ্যোগিক সমাজ ব্যৱস্থাত সকলো ব্যক্তিয়ে একত্ৰিত হৈ তেওঁলোকৰ কাৰ্য সম্পাদনৰ উদ্দেশ্যেৰে সংঘবদ্ধ হয়। কোনো এক ঔদ্যোগিক উৎপাদনৰ বাবে কিছুমান ব্যক্তিসমূহে একোটা নিৰ্দ্দিষ্ট উদ্দেশ্য সাধন কৰিবৰ বাবে একেলগে তথা পাৰস্পৰিকভাৱে সহায় সহযোগিতা আগবঢ়োৱা ব্যক্তিৰ সমষ্টিকে সংগঠন বোলা হয়।

এমিটই এটজিয়ন (Amitoi Etxione) এ সংগঠনৰ সম্পৰ্কে এনেদৰে মন্তব্য প্ৰকাশ কৰিছে যে "সংগঠন সমূহ হ'ল বিশেষ লক্ষ্য সাধনৰ বাবে ইচ্ছাকৃতভাৱে গঠন বা পুনঃ গঠন কৰা কিছুমান সামাজিক গোট।"

ইলিয়ট আৰু মেৰিল (Eliot and Merril) ৰ মতে "সামাজিক সংগঠন হ'ল এনে ধৰণৰ এক ব্যৱস্থা য'ত সমাজৰ বিভিন্ন সংস্থাসমূহে নিজস্ব উদ্দেশ্য আৰু লক্ষ্য সাধনৰ বাবে কাৰ্য সম্পাদন কৰে।"

গতিকে ওপৰৰ সংজ্ঞা কেইটাৰ পৰা দেখা গ'ল যে এটা নিৰ্দ্দিষ্ট উমৈহতীয়া লক্ষ্যৰে সংগঠিত হোৱা ব্যক্তিসমূহ, য'ত পাৰস্পৰিকতা আৰু একত্ৰিকৰণেৰে বান্ধ খোৱা যিকোনো ঔদ্যোগিক উৎপাদনৰ গোট সমূহকেই ঔদ্যোগিক সংগঠন বোলে। (The mutuality and togetherness found in a group of persons engaged in industrial production is called industrial organization).

**১.২.১. আনুষ্ঠানিক সংগঠনৰ অৰ্থ (Meaning of formal organization) ঃ**

আনুষ্ঠানিক সংগঠন ঔদ্যোগিক সংগঠনৰ এক প্ৰধান সংগঠন। আনুষ্ঠানিক সংগঠনসমূহ ইচ্ছাকৃত প্ৰচেষ্টা আৰু বিশেষ কিছুমান উদ্দেশ্য পূৰণৰ অৰ্থে গঠিত হয়। আনুষ্ঠানিক সংগঠন হ'ল ব্যক্তিৰ ইচ্ছাকৃত প্ৰচেষ্টা আৰু কিছুমান বিশেষ উদ্দেশ্য পূৰণৰ বাবে প্ৰণালীবদ্ধ নীতি-নিয়মৰ দ্বাৰা গঠিত হোৱা সংগঠন য'ত সংগঠনসমূহৰ লিখিত বিধিৰ দ্বাৰা পৰিচালিত হয় আৰু বৈজ্ঞানিক পদ্ধতি অৱলম্বন কৰা হয় তেনে

সংগঠনকেই আনুষ্ঠানিক সংগঠন (Formal organization) বুলি কোৱা হয়। এই প্ৰকাৰ সংগঠনৰ মূল নীতি হ'ল - এনে সংগঠন বৈজ্ঞানিক নীতিৰ ওপৰত প্ৰতিষ্ঠিত। সাধাৰণতে এনে সংগঠনৰ কিছুমান নিৰ্দ্ধাৰিত শৃংখলাবদ্ধ আৰু বিশেষ কিছুমান নীতি নিয়মৰ মাজেদি পৰিচালিত হয়। চমুকৈ ক'বলৈ গ'লে এটা নিৰ্দ্দিষ্ট লক্ষ্য সাধনৰ বাবে কিছুমান লিখিত নীতি-নিয়মৰ মাজেদি যি সংগঠন গঠিত হয় বা স্থাপন কৰা হয় তেনে সংগঠনকেই আনুষ্ঠানিক সংগঠন বোলে। সাধাৰণতে আনুষ্ঠানিক বা ঔপচাৰিক সংগঠনসমূহ ব্যক্তিসকলৰ সম্পৰ্ক সমূহীয়া, আনুষ্ঠানিক, বিজ্ঞানসন্মত, প্ৰণালীবদ্ধ আৰু কিছুমান নিৰ্দ্দিষ্ট নীতি-নিয়মৰ মাজেদি পৰিচালিত হয়। যেনে - মহাবিদ্যালয়, বিশ্ববিদ্যালয়, ঔদ্যোগিক সংগঠন, ৰাজনৈতিক দল, শ্ৰমিক সংঘ ইত্যাদি।

**১.২.২. আনুষ্ঠানিক সংগঠনৰ সংজ্ঞা (Definition of Formal organization) ঃ**
আনুষ্ঠানিক সংগঠনৰ দুটামান সংজ্ঞা তলত উল্লেখ কৰা হ'ল -

চি.আই বাৰ্ণাড (C.I. Barnard) - এ তেখেতৰ 'The Function of Executive' নামৰ গ্ৰন্থখনত এনেদৰে উল্লেখ কৰিছে যে "আনুষ্ঠানিক সংগঠন হ'ল দুজন বা ততোধিক ব্যক্তিয়ে সচেতনভাৱে সংগঠিত কাৰ্য প্ৰণালীৰে গঠন কৰা এক ব্যৱস্থা।"

মে' ৱেবাৰ (Max Weber) - ৰ মতে "আনুষ্ঠানিক সংগঠনবোৰ এনে এক ব্যৱস্থা য'ত সংগঠনটোৰ উচ্চ পদৰ পৰা নিম্ন পদলৈ ক্ৰমান্বয়ে এডাল শিকলিৰ দ্বাৰা সম্পৰ্কযুক্ত হৈ থকা এক পদ্ধতি।" ড° কুমাৰ (Dr. Kumar) -এ তেখেতৰ গ্ৰন্থ Industrial Sociology - ত এনেদৰে মন্তব্য প্ৰকাশ কৰিছে যে আনুষ্ঠানিক সংগঠন হ'ল এনে এটা সংগঠন য'ত ভূমিকা, প্ৰস্থিতি আৰু সকলো কৰ্মসংস্থাপনক গুৰুত্বপূৰ্ণভাৱে নিৰ্ণয় কৰা থাকে আৰু ই সদায়েই বিজ্ঞানসন্মত আৰু প্ৰণালীবদ্ধ।"

**১.২.২. আনুষ্ঠানিক সংগঠনৰ বৈশিষ্ট্যসমূহ** (Characteristics of Formal organization) ঃ-
আনুষ্ঠানিক সংগঠনৰ কিছুমান বৈশিষ্ট্য পৰিলক্ষিত হয়। তলত আনুষ্ঠানিক সংগঠনৰ কেইটামান গুৰুত্বপূৰ্ণ বৈশিষ্ট্য চমুকৈ উল্লেখ কৰা হৈছে।

**১) নিৰ্দ্দিষ্ট লক্ষ্য (Definit objective) ঃ** প্ৰত্যেক আনুষ্ঠানিক সংগঠনৰ একোটা নিৰ্দ্দিষ্ট লক্ষ্য বা উদ্দেশ্য নিহিত হৈ থাকে। এই নিৰ্দ্দিষ্ট লক্ষ্য বা উদ্দেশ্যত উপনীত হ'বৰ বাবে সংগঠনটোৱে কাৰ্য সম্পাদন কৰে।

**২) সংস্তৰণৰ ব্যৱস্থা (Hierarchical Order) ঃ**

আনুষ্ঠানিক সংগঠনসমূহত নিম্নৰ পৰা উচ্চলৈ পদসমূহ ক্ৰমান্বয়ে এক সংস্তৰণত বিভক্ত কৰা থাকে। ইয়াত উচ্চতনৰ পৰা নিম্নতমৰ পৰা উচ্চলৈ পদসমূহ নিৰ্ণয় কৰা থাকে আৰু সেই অনুসৰি প্ৰতিটো পদৰৰ প্ৰস্থিতি মান নিৰ্ণয় কৰা থাকে। এনে সংস্তৰণগত ব্যৱস্থাত কাৰ্যালয়ত বিভিন্ন নথি-পত্ৰ সমূহক নিম্নৰ পৰা উচ্চলৈ প্ৰেৰণ কৰা হয় আৰু কাৰ্যালয়ৰ সকলো নীতি-নিৰ্দেশনাসমূহ উচ্চৰ পৰা নিম্ন পদলৈ গতি কৰে।

**৩) জ্ঞানৰ ওপৰত প্ৰতিষ্ঠিত (Based on knowledge) ঃ** আনুষ্ঠানিক সংগঠনৰ অন্য এটা গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হ'ল ইয়াত সদায় জ্ঞানৰ ওপৰত কাৰ্য্য প্ৰণালী প্ৰস্তুত কৰা হয় আৰু সকলো কাম-কাজ অভিজ্ঞ ব্যক্তিৰ দ্বাৰা সম্পন্ন কৰা হয়। এনে সংগঠনৰ বিশেষ এটা বিষয়ৰ ওপৰত জ্ঞান থকাটো বাঞ্ছনীয় আৰু শিক্ষাগত অৰ্হতা অনুযায়ী ব্যক্তিক একো একোটা কৰ্মত নিযুক্তি প্ৰদান কৰা হয়। এনে ধৰণৰ সংগঠনত কাৰিকৰী বিশেষজ্ঞ, বৈজ্ঞানিক, অভিযন্তা, আইনজ্ঞ আদি বিভিন্ন বিভাগৰ বিশেষজ্ঞ লোকসকলৰ কাৰ্য্যদক্ষতাৰ ওপৰতেই সংগঠনৰ উন্নয়ন বা কৃতকাৰ্যতা নিৰ্ভৰ কৰে।

**৪) লিখিত নথি-পত্ৰ (Written Documents) ঃ**

লিখিত নথি-পত্ৰ আনুষ্ঠানিক সংগঠনৰ অন্য এটা প্ৰধান বৈশিষ্ট্য। এনে সংগঠনসমূহে লিখিত নথি-পত্ৰৰ ওপৰত অধিক গুৰুত্ব দিয়ে আৰু কাৰ্যালয়ৰ সকলো প্ৰশাসনীয় কাম-কাজ লিখিত নথি-পত্ৰৰ যোগেদি সম্পাদন কৰে। এইনথি-পত্ৰসমূহৰ জৰিয়তে তথ্য পাতি বহুদিনলৈকে সংৰক্ষণ কৰিব পাৰি। এনে নথি পত্ৰসমূহে প্ৰশাসনৰ ধাৰাবাহিকতা ৰক্ষা কৰাত সহায় কৰে।

**৫) আইন আৰু নীতি-নিয়মৰ মাজেৰে কাৰ্যনিৰ্বাহ কৰা প্ৰশাসনীয় ব্যৱস্থা (Administration According to law and Rule Regulation) ঃ**

সাধাৰণতে আনুষ্ঠানিক সংগঠনৰ প্ৰশাসনৰ সকলো কাম-কাজ আইন আৰু কিছুমান নিৰ্দিষ্ট নীতি নিয়মৰ মাজেৰে সম্পাদন কৰা হয়। এই নীতি-নিয়ম বিলাকক সংগঠনৰ সকলো সদস্যই মানি চলিব লাগে আৰু ইয়াৰ লগতে প্ৰশাসনযন্ত্ৰ সুকলমে পৰিচালিত হোৱাত সহায় কৰে।

**৬) বৈজ্ঞানিক ভিত্তিত প্ৰতিষ্ঠিত (Based on Scientific) ঃ**

আনুষ্ঠানিক সংগঠনৰ অন্য এটা প্ৰধান বৈশিষ্ট্য হৈছে সংগঠনৰ সকলো কাম-কাজ বিজ্ঞানসন্মতভাবে পৰিচালনা কৰা হয়। যেনে - প্ৰণালীবদ্ধ, বিশেষীকৰণ, পৰিকলন (Computer) ৰ ব্যৱস্থাৰ নীতি-নিৰ্দেশনা, কলা-কৌশল ব্যৱহাৰ ইত্যাদি।

**৭) কৰ্মৰ গোপনীয়তা (Secrecy of Functions) ঃ**

কৰ্মৰ গোপনীয়তা হ'ল আনুষ্ঠানিক সংগঠনৰ এটা উল্লেখযোগ্য বৈশিষ্ট্য। এনে সংগঠনৰ প্ৰতিজন নিয়োগকৰ্মীয়ে সংগঠনৰ কৰ্মৰ গোপনীয়তা ৰক্ষা কৰি চলিব লগা হয়। কাৰ্যালয়ৰ কিছুমান আভ্যন্তৰীণ খা-খবৰ বা যিকোনো তথ্য সংগঠনটোৰ বাহিৰত প্ৰকাশ কৰাত বাধা থাকে।

**৮) দায়িত্ব আৰু কৰ্তব্যৰ নিৰ্দ্ধাৰণ (Fixation of Duties and Responsibility) ঃ**

আনুষ্ঠানিক বা ঔপচাৰিক সংগঠনৰ এটা বৈশিষ্ট্য হ'ল সংগঠনৰ সকলো নিয়োগকৰ্মীৰ বাবে দায়িত্ব আৰু কৰ্তব্য নিৰ্দ্ধাৰণ কৰা থাকে। কৰ্মৰ বিভাজন অনুসৰি সংগঠনটোত ব্যক্তিসকলে কৰ্তৃত্ব আৰু ক্ষমতা লাভ কৰে আৰু সেইমতেই নিজৰ নিজৰ দায়িত্ব পালন কৰে।

**৯) নিযুক্তি পদ্ধতি (Recruitment Method) ঃ**

আনুষ্ঠানিক সংগঠনৰ এটা প্ৰধান বৈশিষ্ট্য হৈছে নিযুক্তি পদ্ধতি, যি পদ্ধতিৰ যোগেদি কিছুমান নিৰ্দ্দিষ্ট বিধি অনুযায়ী ব্যক্তিসকলক কৰ্ম সংস্থাপনৰ ব্যৱস্থা কৰা হয়। এই নিযুক্তিৰ বাবে বিজ্ঞাপন প্ৰকাশ কৰা হয় আৰু প্ৰাৰ্থীৰ যোগান বা অৰ্হতা ভিত্তিত একো একোটা পদত নিযুক্তি দিয়া হয়। নিযুক্তিৰ ক্ষেত্ৰত সংগঠনত লিখিত পৰীক্ষা আৰু সাক্ষাৎকাৰ (Interview) লোৱা হয়।

**১০) আনুষ্ঠানিক সম্পৰ্কৰ ওপৰত গুৰুত্ব (Emphasis on formal Relation) ঃ**

সাধাৰণতে এটা সংগঠনত তাত নিয়োজিত হৈ থকা ব্যক্তিসকলৰ মাজত কিছুমান নিৰ্দ্দিষ্ট নীতি-নিয়মৰ মাজেদিহে সম্পৰ্ক বা আদান-প্ৰদান কৰা হয়। এনে সংগঠনৰ কাৰ্যালয় চলি থকাৰ সময়ত নিয়োগকৰ্মী বা অন্যান্য ব্যক্তিসকলে নিৰ্দ্দিষ্ট কিছুমান নিয়ম-নীতি ৰক্ষা কৰিহে কাম-কাজ পৰিচালনা কৰিব লাগে।

**১১) কৰ্মসূচীৰ ওপৰত গুৰুত্ব (Importance on Routine) ঃ**

আনুষ্ঠানিক সংগঠনৰ এটা অপৰিহাৰ্য আৰু প্ৰধান বৈশিষ্ট্য হ'ল সংগঠনৰ সকলো কাম-কাজ সময়সূচীৰ ওপৰত পৰিচালনা কৰা হয়। সংগঠনত নিয়োজিত হৈ থকা প্ৰত্যেকজন কৰ্মীয়ে নিৰ্দ্দিষ্ট সময়ত আহে আৰু একোটা নিৰ্দ্দিষ্ট সময়লৈ থাকি কাৰ্যালয়ৰ সকলো কাম শেষ কৰে। এনে নিৰ্দ্ধাৰিত সময়সূচীয়ে সংগঠনটোৰ শৃংখলাবদ্ধ আৰু কাৰ্যক্ষেত্ৰত বিশেষভাৱে সহায় কৰে।

**১৩) প্ৰশিক্ষণৰ ব্যৱস্থা (Training Facilities) ঃ**

আনুষ্ঠানিক বা ঔপচাৰিক সংগঠনত কৰ্মচাৰী সকলৰ কৰ্মদক্ষতা বৃদ্ধিৰ বাবে প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা আছে। এই প্ৰশিক্ষণৰ যোগেদি সকলো কৰ্মী বা বিষয়াসকলে সকলো দিশত যাতে দক্ষতা আৰু পাৰ্গত হ'ব লাগে তাৰ বাবে এই প্ৰশিক্ষণ দিয়া হয়।

**১.২.৪. আনুষ্ঠানিক সংগঠনৰ গুৰুত্ব (Importance of Formal Organization) ঃ**

ঔদ্যোগিক ব্যৱস্থাত আনুষ্ঠানিক সংগঠনসমূহৰ গুৰুত্ব অপৰিসীম। আনুষ্ঠানিক সংগঠন হৈছে কোনো এটা প্ৰশাসনিক ব্যৱস্থাৰ গুৰি ধৰোঁতা। এনে সংগঠনৰ জৰিয়তে যিকোনো প্ৰশাসনিক কাম-কাজ বিলাক কিছুমান নিৰ্দ্ধাৰিত নীতি-নিয়ম মানি চলাৰ বাবে সংগঠনটো পৰিচালনাৰ ক্ষেত্ৰত কোনো বিশৃংখলতাই দেখা নিদিয়ে। আচলতে ঔদ্যোগিক সমাজতত্ত্ব আনুষ্ঠানিক সংগঠনৰ গুৰুত্ব সম্পৰ্কে আলোচনা কৰোঁতে আমি এটা উদ্যোগ বা কল-কাৰখানাত আনুষ্ঠানিক সংগঠনৰ গুৰুত্ব সম্পৰ্কেই আলোচনা কৰিব লাগিব। সেয়ে উদ্যোগ ক্ষেত্ৰত আনুষ্ঠানিক সংগঠনৰ গুৰুত্ব সম্পৰ্কে তলৰ বিষয় কেইটাক প্ৰধানকৈ গুৰুত্ব দিব লাগিব।

প্ৰথমতে, এটা ঔদ্যোগিক সংগঠনৰ প্ৰথম আৰু প্ৰধান লক্ষ্য হ'ল অৰ্থ উপাৰ্জন আৰু লাভ অৰ্জন কৰা। এনে ক্ষেত্ৰত এটা উদ্যোগত অধিক অৰ্থ উপাৰ্জন কৰিবলৈ হ'লে তাৰ উৎপাদন প্ৰক্ৰিয়া আৰু পৰিচালনাৰ পদ্ধতি বিজ্ঞানসন্মত হ'ব লাগিব। আনুষ্ঠানিক সংগঠনে প্ৰশাসনীয় সকলো কাম-কাজবিলাক বিজ্ঞানসন্মত আৰু প্ৰণালীবদ্ধভাৱে সম্পাদন কৰে য'ত অন্য কোনো ঔপচাৰিক সংগঠনে এনে কাৰ্য্যবিলাক নিয়াৰিকৈ সম্পন্ন কৰিব নোৱাৰে।

দ্বিতীয়তে, আনুষ্ঠানিক সংগঠনত ব্যক্তিৰ বা তাত নিয়োজিত হৈ থকা কৰ্মী সকলৰ পদ বিলাক সংস্তৰণত বিভক্ত হৈ থাকে আৰু সেইকাৰণে উদ্যোগৰ বিভিন্ন বিভাগসমূহৰ কাম-কাজবিলাক সুকলমে চলাই নিয়াত বিশেষভাৱে সহায় কৰে।

তৃতীয়তে, এনে সংগঠনত কিছুমান নিৰ্দ্ধাৰিত নীতি-নিয়ম, আইন-কানুন,

সাংগঠনিক প্ৰতিমান থকা বাবে সংগঠনটোৰ কৰ্মী সকলৰ মাজত থকা সম্পৰ্ক বিলাক এক নিৰ্দ্দিষ্ট আৰু প্ৰণালীবদ্ধভাবে পৰিচালিত হয়। এনে ক্ষেত্ৰত সংগঠনটোৱে উদ্যোগটোৰ কাৰ্যক্ষম আৰু সফলতাৰ ক্ষেত্ৰত বিশেষভাৱে সহায় কৰে।

চতুৰ্থতে, উদ্যোগত আনুষ্ঠানিক সংগঠনৰ অন্য এটা গুৰুত্ব হ'ল - এনে সংগঠনত কৰ্মকৰ্তা বা বিষয়ববীয়া সকলৰ মাজত শ্ৰম বিভাজন (Division of Labour) বা বিশেষীকৰণ (Specialization) কৰা থাকে, যাৰ সহায়ত কৰ্মৰত থকা ব্যক্তিসকলে নিজৰ নিজৰ বিষয়ত কাৰ্য সম্পাদন কৰাৰ উপৰিও একোটা নিৰ্দ্দিষ্ট সময়ৰ ভিতৰত প্ৰত্যেকেই নিজৰ নিজৰ কাম-কাজ শেষ কৰিবলৈ সুবিধা পায়। সেইবাবে উদ্যোগসমূহত শ্ৰমৰ সময় অপব্যয় হোৱাৰ কোনো আশংকা নাথাকে। সেয়ে উদ্যোগত এনে সংগঠনৰ প্ৰয়োজনীয়তা আছে।

পঞ্চমতে, আনুষ্ঠানিক সংগঠনৰ অন্য এটা উল্লেখযোগ্য গুৰুত্ব হ'ল এই সংগঠনত প্ৰতিজন কৰ্মীক দায়িত্ব আৰু কৰ্তব্য প্ৰদান কৰা থাকে। তাৰোপৰি এই সংগঠনৰ সকলো কৰ্মকৰ্তাই নিয়মানুবৰ্তি নিৰ্দ্দিষ্ট কৰ্মৰ সময়সূচী আদি নিয়মিতভাৱে পালন কৰাৰ বাবে উদ্যোগটি পৰিচালনাৰ ক্ষেত্ৰত কোনো বেমেজালিৰ সৃষ্টি নহয়।

**১.৩ অনানুষ্ঠানিক সংগঠনৰ অৰ্থ (Meaning of informal organization) ঃ**

সংগঠনৰ অন্য এক প্ৰকাৰ সংগঠন হ'ল অনানুষ্ঠানিক সংগঠন। আনুষ্ঠানিক সংগঠনৰ বাহিৰেও অনানুষ্ঠানিক সংগঠন উদ্যোগসমূহত দেখা পোৱা যায়, যিবিলাক সংগঠন স্বতঃস্ফূৰ্তভাৱে গঠন হয়। অনানুষ্ঠানিক সংগঠনবিলাক হ'ল প্ৰকৃততে আনুষ্ঠানিক সংগঠনৰ মূল প্ৰতিলিপি। ই হৈছে মুখ্য আনুষ্ঠানিক সংগঠনত সহায় কৰা কিছুমান উপৰুৱা সংগঠন। অনানুষ্ঠানিক সংগঠনবোৰ হ'ল স্বতঃস্ফূট আৰু স্বাভাৱিক, এইবোৰ কোনো বিশেষ উদ্দেশ্য পূৰণৰ বাবে গঠিত নহয়। এনে সংগঠনবিলাক ব্যক্তিগত সম্পৰ্কৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠে। অনানুষ্ঠানিক সংগঠনবোৰে ইচ্ছাকৃত বা শৃংখলাবদ্ধভাৱে গঠিত নহয়। যি সংগঠনত ব্যক্তিসকলে স্বতঃস্ফূট ভাৱে একগোট হয়, য'ত সংগঠনসমূহৰ সদস্যসকলৰ মাজত কিছুমান ব্যক্তিগত সম্বন্ধৰ দ্বাৰা সংঘবদ্ধ হয়, যি সংগঠনত কোনো আনুষ্ঠানিক নীতি-নিয়ম, আইন-কানুন আৰু কোনো কাৰ্যৰ সময়সূচী মানি চলা নহয় তেনে সংগঠনকেই অনানুষ্ঠানিক সংগঠন বোলে। যেনে - একোটা উদ্যোগৰ সম্প্ৰদায়ৰ মাজত নাট্য সংঘ, সাংস্কৃতিক সংঘ, খেলা-ধূলাৰ সংঘ, ধৰ্মীয় গোট ইত্যাদি। অনানুষ্ঠানিক সংগঠনৰ কোনো ধাৰাবাহিকতা নাথাকে আৰু ইয়াৰ গঠনৰ সু-সংহত সংজ্ঞাও আগবঢ়াব নোৱাৰি। অনানুষ্ঠানিক সংগঠন বিলাক সাধাৰণতে প্ৰাকৃতিকভাৱে পূৰ্ণতাপ্ৰাপ্ত আৰু মুখ্য। ই আনুষ্ঠানিক সংগঠনৰ সহায়কৰ ভুমিকাত অৱতীৰ্ণ হয়।

**অনানুষ্ঠানিক সংগঠনৰ বৈশিষ্ট্যসমূহ (Features of Non formal organization) ঃ**

অনানুষ্ঠানিক সংগঠনৰ কিছুমান বৈশিষ্ট্য পৰিলক্ষিত হয়। এই সংগঠনৰ কেইটামান গুৰুত্বপূৰ্ণ বৈশিষ্ট্য তলত চমুকৈ আলোচনা কৰা হৈছে।

**১) স্বতঃস্ফূট সংগঠন (Sponteneous organization) ঃ**

অনানুষ্ঠানিক সংগঠনৰ এটা বৈশিষ্ট্য হ'ল ই আকস্মিক বা স্বতঃস্ফূটভাৱে গঢ় লৈ উঠে। ইয়াৰ কোনো বিশেষ বা নিৰ্দ্দিষ্ট লক্ষ্য নাথাকে। তথাপিতো কিছুমান সীমিত লক্ষ্যৰে এনে সংগঠনবিলাক গঠিত হয়।

**২) সীমিত সংস্তৰণ (Limited Hierarchy) ঃ**

অনানুষ্ঠানিক সংগঠনৰ অন্য এটা প্ৰধান বৈশিষ্ট্য হ'ল ইয়াত ব্যক্তিৰ পদবিলাক একেবাৰে সীমিত সংস্তৰণত বিভক্ত কৰা থাকে আৰু কোনো বাধ্যতামূলক ব্যৱস্থা নহয়।

**৩) কম জ্ঞানৰ প্ৰয়োজন (Need of less knowledge) ঃ**

আচলতে অনানুষ্ঠানিক সংগঠনত নিয়োজিত হৈ থকা কৰ্মী বা ব্যক্তিসকল জ্ঞানৰ ওপৰত বিশেষ গুৰুত্ব দিয়া নহয়। এনে সংগঠনত বিশেষ শিক্ষাগত বা অন্যান্য যোগ্যতাৰ ওপৰত প্ৰাধান্য দিয়া নহয়।

**৪) অলিখিত নথি-পত্ৰ (Unwritten Documents) ঃ-**

প্ৰকৃততে অনানুষ্ঠানিক সংগঠন বিলাকৰ লিখিত নথি পত্ৰ নাথাকে। লিখিত নথি-পত্ৰ থাকিলেও খুব কম পৰিমাণে থকা দেখা যায় আৰু সংগঠনৰ কাৰ্যক্ৰমণিকাসমূহ লিখিত নথি পত্ৰৰ ওপৰত গুৰুত্ব দিয়া নহয়।

**৫) নিযুক্তি পদ্ধতিৰ অভাৱ (Lack of Appointment system) ঃ**

সাধাৰণতে এনে সংগঠনত নিযুক্তি পদ্ধতি নাথাকে। যিহেতু এনে সংগঠনত কোনো বিশেষ উচ্চ পদস্থ বিষয়া বা অৰ্হতাপূৰ্ণ কৰ্মী নিযুক্তিৰ প্ৰয়োজন নহয়। ইয়াত মাত্ৰ উদ্দেশ্য সাধনৰ বাবে সামূহিকতাৰ প্ৰচেষ্টা অব্যাহত থাকে। নিযুক্তিৰ বাবে কোনো বিজ্ঞাপন বা সাক্ষাৎকাৰৰ ব্যৱস্থা নাথাকে।

**৬) কৰ্মসূচী আৰু আইন কানুনৰ ওপৰত কম গুৰুত্ব (Less importance on work scheduled and Rule Regulation) ঃ-**

অনানুষ্ঠানিক সংগঠন বিলাকৰ অন্য এটা প্ৰধান বিশেষত্ব হ'ল ইয়াত কোনো কৰ্মসূচী বিষয়ে লিপিবদ্ধ নাথাকে আৰু এনে সংগঠনৰ পদত অধিষ্ঠিত হৈ থকা কোনো ব্যক্তিসকলে কৰ্মসূচী মানি চলিবলগীয়া নহয়। যদিও কোনো ক্ষেত্ৰত মানি চলিবলগীয়া হ'লেও তাত কোনো বাধ্যতামূলক নীতি-নিয়ম বন্ধা নাথাকে। অন্যহাতে এই সংগঠনত আইন কানুনৰ কোনো ব্যৱস্থা নাথাকে।

**৭) প্ৰশিক্ষণৰ অভাৱ (Lock of Training) ঃ**

এনে সংগঠনৰ এটা মুখ্য বৈশিষ্ট্য হ'ল ইয়াত কোনো প্ৰশিক্ষণৰ ব্যৱস্থা বা সুবিধা নাথাকে। কাৰণ ইয়াত কোনো অৰ্হতা নাইবা দক্ষ কৰ্মীৰ আৱশ্যক নহয়।

**৮) সীমিত আকাৰ (Limited Size) ঃ**

অনানুষ্ঠানিক সংগঠনৰ অন্য এক বিশেষত্ব হৈছে ই সাধাৰণতে সৰু আকাৰৰ আৰু ইয়াৰ সদস্য সংখ্যা অতি কম। কম সদস্যৰে গঠিত হোৱাৰ বাবে এনে সংগঠনৰ সদস্যবিলাকৰ মাজত অধিক মৰম চেনেহ, মিলাপ্ৰীতি, একতা আদি বিৰাজমান হৈ থাকে।

উদ্যোগত অনানুষ্ঠানিক সংগঠনৰ গুৰুত্ব (Importance of informal organization in Industry)

উদ্যোগ প্ৰতিষ্ঠানসমূহত বিভিন্ন দিশ চালি জাৰি চালে যেনেকৈ আনুষ্ঠানিক সংগঠনৰ আৱশ্যকতা উপলব্ধি কৰিব পাৰি ঠিক তেনেকৈ কোনো কোনো ক্ষেত্ৰত অনানুষ্ঠানিক সংগঠনৰো প্ৰয়োজনীয়তা আছে যিবিলাৰৰ আনুষ্ঠানিক সংগঠনে পূৰণ কৰিব নোৱাৰে। তলত উদ্যোগ ব্যৱস্থাত অনানুষ্ঠানিক সংগঠনৰ গুৰুত্ব সম্পৰ্কে চমুকৈ আলোচনা কৰা হৈছে।

প্ৰথমতে, উদ্যোগ প্ৰতিষ্ঠানসমূহত আনুষ্ঠানিক সংগঠনবিলাকে কিছু কিছু ক্ষেত্ৰত উদ্যোগ সমাজৰ কিছুমান অভাৱ পূৰণ কৰিব নোৱাৰে। তেনে ক্ষেত্ৰত অনানুষ্ঠানিক সংগঠন বিলাকে সহায় কৰে।

দ্বিতীয়, কিছুমান অনানুষ্ঠানিক সংগঠনে এনে কিছুমান আমোদ-প্ৰমোদৰ কাৰ্যসূচী গ্ৰহণ কৰে যিবিলাকক আনুষ্ঠানিক সংগঠনৰ কৰ্মচাৰী সকলেও আগভাগ লয়। যিহেতু আনুষ্ঠানিক সংগঠনৰ কৰ্মচাৰীসকলে প্ৰায়বোৰ সময়েই কেৱল কাম কৰিয়েই পাৰ কৰিবলগীয়া হয়। গতিকে অনানুষ্ঠানিক সংগঠনৰ ধাৰা আয়োজিত বিভিন্ন আমোদ-প্ৰমোদৰ কাৰ্যসূচী ৰং-ধেমালি, গীত-মাত আদিত অংশগ্ৰহণ কৰিব পাৰে।

তৃতীয়তে, উদ্যোগত আনুষ্ঠানিক সংগঠনৰ সদস্যসকলে কেতিয়াবা নিজকে নিৰাপত্তা, অকলশৰীয়া অনুভৱ কৰে। এনে ক্ষেত্ৰত অনানুষ্ঠানিক বা স্বেচ্ছাসেৱী সংগঠনসমূহে তেওঁলোকক এই সমস্যা বিলাকৰ পৰা মুক্ত কৰি ৰাখে।

চতুৰ্থতে, উদ্যোগসমূহত কোনো কোনো ক্ষেত্ৰত আনুষ্ঠানিক সংগঠনৰ কৰ্মীসকল আৰু উচ্চপদস্থ বিষয়াসকলৰ মাজত সংঘাত হ'ব পাৰে। গতিকে এনে ক্ষেত্ৰত এই সংঘাত বিলাকক অনানুষ্ঠানিক সংগঠনসমূহে দুয়োপক্ষৰ মাজত মিলা-মিচা বা আলোচনা-বিলোচনা কৰি তেনে সমস্যাক সমাধান কৰাত সহায় কৰে।

পঞ্চমতে, কোনো এটা উদ্যোগত কেতিয়াবা আনুষ্ঠানিক সংগঠনৰ সদস্যসকলে যিকোনো দুৰ্ঘটনা, বা সময়মতে দৰমহা নাপালে তেনে ক্ষেত্ৰত কিছুমান অনানুষ্ঠানিক সংগঠনে দুৰ্ঘটনাত পতিত হ'লে সহায় বা উদ্ধাৰ কৰে আৰু আৰ্থিক সাহাৰ্য প্ৰদান কৰে।

**আত্মমূল্যায়নৰ প্ৰশ্ন (Check your progress) ঃ**

১) "The Function of Executive" নামৰ গ্ৰন্থখন কোনে লিখিছিল?

২) "সংগঠনসমূহ হ'ল বিশেষ লক্ষ্য সাধনৰ বাবে ইচ্ছাকৃতভাৱে গঠন বা পুনঃগঠন কৰা কিছুমান সামাজিক গোট" এই সংজ্ঞাটি কোনে আগবঢ়াইছিল?

৩) আনুষ্ঠানিক সংগঠনৰ এটা বৈশিষ্ট্য উল্লেখ কৰা।

৪) 'উদ্যোগ পৰিচালনা সমিতি' হৈছে এটা আনুষ্ঠানিক সংগঠন অনানুষ্ঠানিক সংগঠন।

৫) 'নাট্য সংঘ' হৈছে এটা অনানুষ্ঠানিক সংগঠন আনুষ্ঠানিক সংগঠন।

**সামৰণি (Conclusion)**

খণ্ড নম্বৰ ২ ৰ ১ নম্বৰ গোটৰ অন্তৰ্গত ঔদ্যোগিক সংগঠন আনুষ্ঠানিক আৰু অনানুষ্ঠানিক সংগঠনৰ প্ৰত্যেককে অৰ্থ, সংজ্ঞা বৈশিষ্ট্য আৰু গুৰুত্বৰ সম্পৰ্কে এই গোটটিত বহলাই আলোচনা কৰা হৈছে। তোমালোকৰ জ্ঞাতাৰ্থে উদ্যোগ ব্যৱস্থাত সংগঠনৰ প্ৰকাৰ সম্পৰ্কে আৰু সংগঠন বিলাকৰ মূল বিষয়সমূহ দাঙি ধৰি সহজ-সৰল ভাষাত তোমালোকে বুজিব পৰাকৈ প্ৰস্তুত কৰা হৈছে। এই গোটটিৰ বিষয়সমূহ পঢ়িলে তোমালোকৰ মনত উদ্যোগ ব্যৱস্থাত সংগঠনৰ বিভিন্ন প্ৰকাৰ আৰু অন্যান্য সম্পৰ্কত উদয় হোৱা প্ৰশ্নসমূহৰ যুক্তিযুক্ত সমাধান বিচাৰি পাবা।

**ঘাই শব্দ সমূহ (Key words) ঃ**

আনুষ্ঠানিক সংগঠন অনানুষ্ঠানিক সংগঠন শ্ৰমিক কল্যাণ, প্ৰণালীবদ্ধ, বিজ্ঞানসন্মত, সংস্তৰণ, শ্ৰম বিভাজন, বিশেষীকণ, নথি-পত্ৰ।

**পাঠ্য নিৰ্দেশনা (Suggested Readings) ঃ**

ড° বীৰেন্দ্ৰ নাথ বৰঠাকুৰ আৰু ড° ৰূপৰেখা বৰদলৈ, (২০১০-১১ সংশোধিত), ঔদ্যোগিক সমাজতত্ত্ব আৰু শ্ৰমিক কল্যাণ, বিদ্যা ভৱন, যোৰহাট।

ড° গিয়াচুদ্দিন আহমদ, হিমান্ত বৰগোহাঁই, দিলীপ চুতীয়া, (২০০৪), ঔদ্যোগিক সমাজতত্ত্ব, বনলতা, ডিব্ৰুগড়।

ড° জয়ন্ত দুৱৰা, (২০১৪) উদ্যোগৰ সমাজতত্ত্ব, দত্ত প্ৰকাশন, উত্তৰ লক্ষীমপুৰ

ড° ৰাজেন বৰা, অখিল বৰা, (২০১৪), উদ্যোগৰ সমাজতত্ত্ব, বিদ্যাভৱন, যোৰহাট।

**আত্মমূল্যায়ন প্ৰশ্নৰ উত্তৰ (Answer to CYP) ঃ**

১) উত্তৰ ঃ- 'The Function of Executive' নামৰ গ্ৰন্থখনি চি.আই. বাৰ্ণাডে লিখিছিল।

২) উত্তৰ ঃ- উক্ত সংজ্ঞাটি 'এমিটই এটজিয়নে' আগবঢ়াইছিল।

৩) উত্তৰ ঃ- আনুষ্ঠানিক সংগঠনৰ এটা বৈশিষ্ট্য হ'ল - লিখিত নথিপত্ৰ।

৪) উত্তৰ ঃ- 'উদ্যোগ পৰিচালনা সমিতি' হ'ল এটা আনুষ্ঠানিক সংগঠন।

৫) উত্তৰ ঃ- 'নাট্য সংঘ' হৈছে এটা অনানুষ্ঠানিক' সংগঠন।

**আৰ্হি প্ৰশ্ন (Model Question) ঃ**

১) সংগঠন বুলিলে কি বুজা?

What do you mean by organization.

২) আনুষ্ঠানিক সংগঠনৰ সংজ্ঞা দিয়া। আনুষ্ঠানিক সংগঠনৰ বৈশিষ্ট্যসমূহ আলোচনা কৰা।

Define formal organization. Discuss the features of formal organization.

৩) ঔদ্যোগিক ব্যৱস্থাত আনুষ্ঠানিক সংগঠনৰ গুৰুত্ব সম্পৰ্কে চমুকৈ আলোচনা কৰা।

Discuss briefly about the importance of Formal organization in Industrial systems.

৪) অনানুষ্ঠানিক সংগঠনৰ অৰ্থ প্ৰকাশ কৰা আৰু ইয়াৰ বৈশিষ্ট্যসমূহ লিখা।

Express meaning of informal organization and writes its characteristics.

৫) ঔদ্যোগিক ব্যৱস্থাত অনানুষ্ঠানিক সংগঠনৰ গুৰুত্ব সম্পৰ্কে বৰ্ণনা কৰা।

Describe about the importance of informal organization in industrial systems.

**প্ৰসংগ পুথি (References) ঃ**

**ইংৰাজী গ্ৰন্থ ঃ-**

Archana Deshpande, (2010), Industrial Sociology Sun Publication, New Delhi.

Amitoi - Atzioni, (1965), Modern organizations, Prentice Hall of India, New Delhi.

Dr. Kumar, (2005 2nd Edi), Industrial Sociology, Educational Publishers. Agra.

R.C. Sexena, S.R. Saxena, (1997), Labour Problems and Social Welfare, Prakashan Kendra, Lucknow.

E.V. Schneider, (1979), Industrial Sociology, MC Graw Hill, Publishing, New Delhi.

**খণ্ড - (Block No-2)**

**গোট - (Unit - 2)**

**সংগঠনৰ স্তৰসমূহ - (Organizational Levels)**

গঠন বিন্যাস ঃ

২.০ উদ্দেশ্য
২.১ প্ৰস্তাৱনা
২.২ সংগঠনৰ স্তৰ ধাৰণা
২.২.১. উৰ্ধতম স্তৰ বা মহল
২.২.২. নিম্নতম স্তৰ বা মহল
আত্মমূল্যায়নৰ প্ৰশ্ন
২.৩. সামৰণি
১. প্ৰধান শব্দ সমূহ
২. পাঠ্য নিৰ্দেশনা
৩. আত্মমূল্যায়ন প্ৰশ্নৰ উত্তৰ
৪. আৰ্হি প্ৰশ্ন
৫. প্ৰসংগ পুথি

**২.০ উদ্দেশ্য (Objectives) ঃ-**

'ঔদ্যোগিক সমাজতত্ত্ব আৰু শ্ৰমিক' শীৰ্ষক পাঠ্যক্ৰমখনিৰ ২ নম্বৰ খণ্ডৰ ২ ৰ গোটত সন্নিৱিষ্ট কৰা ঔদ্যোগিক সংগঠনৰ বিভিন্ন স্তৰ বা মহলৰ বিষয়ে আলোচনা কৰা হ'ব। এই গোটটি পঢ়িলে তোমালোকে

(১) এটা উদ্যোগত থকা উৰ্ধতম স্তৰ বা মহলৰ কৰ্মীসকলৰ বিভিন্ন প্ৰস্থিতি আৰু তেওঁলোক ক্ষমতা আৰু কাৰ্যাৱলীৰ বিষয়ে বৰ্ণনা কৰিব পাৰিব।

(২) উদ্যোগত থকা নিম্নতম স্তৰ বা মহলৰ কৰ্মী সকলৰ প্ৰস্থিতি, ক্ষমতা আৰু তেওঁলোকৰ কাৰ্যাৱলীৰ সম্পৰ্কে ব্যাখ্যা কৰিব পাৰিবা।

**২.১ প্ৰস্তাৱনা (Introduction) ঃ-**

'ঔদ্যোগিক সমাজতত্ত্ব আৰু শ্ৰমিক কল্যাণ' শীৰ্ষক সন্মান বিষয়ৰ ২ নম্বৰ খণ্ডৰ ২ নম্বৰ গোটৰ অন্তৰ্ভুক্ত ঔদ্যোগিক ব্যৱস্থাত বিভিন্ন সংগঠনৰ স্তৰ বা মহলৰ

সম্পৰ্কে সন্নিৱিষ্ট কৰা হৈছে। সাধাৰণতে যিকোনো অনুষ্ঠান প্ৰতিষ্ঠান সমূহত সেই প্ৰতিষ্ঠানবিলাক যিবিলাক স্তৰৰ যোগেদি প্ৰতিষ্ঠানটোক চোৱাচিতা, কাম-কাজসমূহক পৰিচালনা কৰা হয়। ঠিক তেনেদৰে উদ্যোগ ব্যৱস্থাত উদ্যোগসমূহক পৰিচালনা কৰিবৰ বাবে বিভিন্ন স্তৰ বা মহল থাকে যাৰ জৰিয়তে উদ্যোগসমূহৰ কাম-কাজসমূহ পৰিচালনা কৰা হয়। উদ্যোগৰ এই স্তৰসমূহে উদ্যোগটোক জীয়াই ৰখাৰ লগতে উদ্যোগৰ লগত জড়িত হৈ থকা নানা ধৰণৰ বিষয়সমূহক চোৱাচিতা কৰাত সহায় কৰে। সেয়ে আমি এই গোটটিৰ যোগেদি এটা উদ্যোগত থকা বিভিন্ন ধৰণৰ স্তৰ বা মহলৰ সম্পৰ্কে আলোচনা কৰিম।

**২.২ সংগঠনৰ স্তৰ বা মহলৰ ধাৰণা (Concept of organizational levels) ঃ**

আমি ইতিপূৰ্বে প্ৰস্তাৱনাত উল্লেখ কৰি আহিছো যে প্ৰত্যেক সংগঠনত কিছুমান স্তৰ বা মহল থাকে যাৰ জৰিয়তে সংগঠনটো পৰিচালিত হৈ থাকে। এনে স্তৰ বা ভাগ নাথাকিলে এটা সংগঠন জীয়াই থাকিব নোৱাৰে আৰু সংগঠনটো কাম-কাজসমূহ সুচাৰুৰূপে পৰিচালনা কৰাত বিশেষ সমস্যাই দেখা দিব। সাধাৰণতে সংগঠনবোৰত এনে কিছুমান কৰ্মী বিষয়া নিযুক্তি হৈ থাকে যিসকলে উদ্যোগটো পৰিচালনা কৰাত সহায় কৰে আৰু তেওঁলোকক দায়িত্ব আৰু কৰ্তব্যৰ ওপৰত ভিত্তি কৰি প্ৰস্থিতি আৰু ভূমিকা প্ৰদান কৰা হয়। সেয়ে দায়িত্ব আৰু কৰ্তব্যৰ ওপৰত ভিত্তি কৰি কৰ্মী বিষয়াসকলৰ মাজত বিভিন্ন স্তৰ বা মহল বিলাকক উৰ্ধতম বা উচ্চ, মধ্যম আৰু নিম্নতম বা তলৰ স্তৰ আদিত বিভক্ত কৰা হয়। এই স্তৰসমূহত থকা কৰ্মীসকল এজনৰ লগত আন এজনৰ যোগসূত্ৰ থাকে, যি যোগসূত্ৰই উদ্যোগটোৰ কাম-কাজ পৰিচালনা কৰাত সহায় কৰে। এই স্তৰ অনুসৰি, উচ্চ বৰ্গৰ বিষয়া যেনে মেনেজাৰ বা প্ৰৱন্ধক, পৰিচালনা বিষয়া, কেৰাণী আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী সকলক এনে স্তৰ সমূহৰ কৰ্মী হিচাবে ধৰি লোৱা হয়। গতিকে ঔদ্যোগিক সংগঠন সমূহত প্ৰস্থিতি ভূমিকা, দক্ষতা, অৰ্হতা বা অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰি বিষয়া, পৰিচালক আৰু শ্ৰমিক কৰ্মচাৰী সকলৰ মাজত যি স্তৰ বা মহল ভাগ কৰি দিয়া থাকে তেনে স্তৰেই হৈছে উদ্যোগৰ সাংগঠনিক স্তৰ (Organizational level of industry)।

**২.২.১. উৰ্ধতম স্তৰ (Top Level) ঃ**

ঔদ্যোগিক সংগঠনৰ প্ৰথমটো অৰ্থাৎ একেবাৰে ওপৰত নিয়োজিত হৈ থকা বিষয়াসকলক উৰ্ধতম স্তৰ বা মহল হিচাবে গণ্য কৰা হয়। এই স্তৰ গঠন হয় অৰ্হতাসম্পন্ন , অভিজ্ঞতাসম্পন্ন আৰু দক্ষতাসম্পন্ন বিষয়া, সঞ্চালক আৰু পৰিচালক

সকলৰ দ্বাৰা। অৱশ্যে সকলো ধৰণৰ উদ্যোগ প্ৰতিষ্ঠানত সকলোতকৈ উচ্চ স্থান লাভ কৰে উদ্যোগ প্ৰতিষ্ঠাপকসকলে, কাৰণ এওঁলোকে উদ্যোগৰ সকলোবোৰ দায়িত্ব আৰু কৰ্তব্য গ্ৰহণ কৰাৰ লগতে অন্যান্য দিশবিলাকক গুৰি ধৰে। এই উৰ্ধতম মহলৰ পদবীসমূহ এনেধৰণৰ -

১) সভাপতি বা অধ্যক্ষ (Chairman)

২) পৰিচালন সঞ্চালক (Managing Director)

৩) কাৰ্যবাহী পৰিচালক (Executive Director)

৪) মুখ্য পৰিচালক (Chief or General Manager)

৫) কৰ্ম পৰিচালক (Work Manager)

৬) আঞ্চলিক বিক্ৰী পৰিচালক (Regional Sales Manager)

ওপৰৰ এই আটাইকেইটা পদবী এটা উদ্যোগ সংগঠনৰ উৰ্ধতম কৰ্তৃপক্ষ বা স্তৰ বুলি গণ্য কৰা হয়। কাৰণ এটা উদ্যোগৰ কিছুমান গুৰুত্বপূৰ্ণ দায়িত্ব বা গধুৰ দায়িত্ব পোনপ্ৰথমে এই স্তৰৰ বিষয়ববীয়া সকলেই সম্পাদন কৰিব লাগে। তাৰোপৰি এই স্তৰৰ বিষয়া সকলে উদ্যোগ পৰিচালনাৰ নীতি, আৰ্থিক ব্যৱস্থাপনা, আদি দিশসমূহক পৰিচালনা কৰিব লাগে। উদ্যোগৰ সকলো নিয়মাৱলী, আদেশ, নিৰ্দেশ, বা নীতি নিৰ্দেশনা আদি পোনপ্ৰথমে এই স্তৰৰ পৰা নিম্নত্তম স্তৰলৈ গতি কৰে বা পৰ্যবসিত হয়।

**২.২.২. নিম্নতম স্তৰ বা মহল (Bottom or Labour Level) ঃ**

ঔদ্যোগিক সংগঠনৰ অন্য এটা স্তৰ বা মহল হৈছে নিম্ন স্তৰ। এই স্তৰৰ পদবীসমূহ কৰ্ম পৰিচালনা কৰা কৰ্মচাৰীসকলৰ দ্বাৰা পূৰণ কৰা হয়। এই শ্ৰেণীৰ পদসমূহত পৰ্যবেক্ষক বা পৰিদৰ্শকসকলৰ লগতে নিম্নবৰ্গৰ সহায়কাৰী সকল থাকে। এই স্তৰৰ লোকসকলে উদ্যোগটোৰ বিভিন্ন কাম-কাজ পৰিচালনা কৰে পৰিদৰ্শকসকলে উদ্যোগৰ বিভিন্ন ধৰণৰ কৰ্মসমূহ পৰিচালনা আৰু পৰিদৰ্শন কৰি সময়ে সময়ে পৰিদৰ্শন কৰি কামৰ খতিয়ানসমূহ উৰ্ধতম কৰ্তৃপক্ষলৈ প্ৰতিবেদন পঠিয়ায়।

এইদৰে একোটা উদ্যোগ প্ৰতিষ্ঠানত বিভিন্ন বিষয়া, কৰ্মচাৰী আদি নিয়োজিত হৈ থাকে, যিসকলে উদ্যোগটোৰ তলৰ মহল বা স্তৰৰ সৰু-সুৰা কাম কাজ সমূহ পৰিচালনা কৰিব লাগে। এই শ্ৰেণীৰ কৰ্মচাৰীসকলে ঔদ্যোগিক সংস্তৰণৰ বিভিন্ন স্থানত থাকি তেওঁলোকৰ দায়িত্ব,কৰ্ত্তব্য, অধিকাৰ বা কৰ্তৃত্বসমূহ সুচাৰুৰূপে আৰু প্ৰণালীবদ্ধভাবে পালন কৰিলে এটা উদ্যোগ সফল হ'ব পাৰে। ওপৰৰ পৰা তললৈকে

এটা উদ্যোগ সংগঠনত যি অনুক্ৰম থাকে সেই অনুসৰি তেওঁলোকে নিজৰ নিজৰ কাৰ্য সম্পাদন কৰে। এই স্তৰত উদ্যোগ সংহগঠনৰ যাৱতীয় নথি-পত্ৰ সমূহ নিম্ন স্তৰৰ পৰা উচ্চ স্তৰ বা উৰ্ধতম মহললৈ পঠিওৱা হয়। উদাহৰণস্বৰূপে কোনো এটা উদ্যোগৰ নথি পত্ৰবিলাক যিকোনো চহী বা অনুমোদনৰ বাবে উৰ্ধতম তথা উচ্চপদস্থ বিষয়াসকললৈ প্ৰেৰণ কৰা হয়। উদ্যোগৰ সকলো কাম-কাজৰ খতিয়ান বা অন্যান্য নথি-পত্ৰৰ প্ৰস্তুতকৰণ এই প্ৰাথমিক স্তৰতেই পুনৰীক্ষণ কৰা হয় আৰু ইয়াক উৰ্ধতম কৰ্তৃপক্ষলৈ প্ৰেৰণ কৰা হয়। এনেদৰে একোটা উদ্যোগৰ সংগঠনত বিভিন্ন স্তৰৰ যোগেদি উদ্যোগটোৰ কাম-কাজ পৰিচালনা কৰা হয়।

**আত্ম মূল্যায়নৰ প্ৰশ্ন (Check your progress) ঃ**

১) ঔদ্যোগিক সংগঠনৰ এটা স্তৰৰ নাম উল্লেখ কৰা।

২) এটা উদ্যোগৰ কেৰাণী পদবীটো উৰ্ধতম নিম্নতম স্তৰৰ এটা পদ।

৩) পৰিচালন সঞ্চালক পদবীটো এটা নিম্নতম স্তৰৰ পদ কথাষাৰ সত্য নে অসত্য?

৪) এটা উদ্যোগ সংগঠনৰ নীতি-নিৰ্দেশনা, আদেশ কোনটো স্তৰৰ পৰা আহে?

**২.৩. সামৰণি (Conclusion) ঃ**

খণ্ড নম্বৰ ২ ৰ ২ নম্বৰ গোটটিত সন্নিৱিষ্ট থকা সংগঠনৰ উৰ্ধতম আৰু নিম্নতম স্তৰৰ সম্পৰ্কে ইতিমধ্যে তোমালোকক কৈ আহিছো। উদ্যোগ সংগঠনৰ এই কেইটা স্তৰ বা মহলৰ যোগেদি সংগঠনটোৰ বিভিন্ন কাৰ্য প্ৰণালী সম্পৰ্কে কিছু কথা উপলব্ধি কৰিব পাৰিবা আৰু এই গোটটো বিষয়সমূহ পঢ়িলে তোমালোকৰ মনত উদ্যোগ ব্যৱস্থাত সংগঠনৰ বিভিন্ন স্তৰসমূহৰ সম্পৰ্কত উদয় হোৱা প্ৰশ্ন সমূহৰ যুক্তিযুক্ত সমাধান বিচাৰি পাবা।

**প্ৰধান শব্দসমূহ (Key Words) ঃ**

উৰ্ধতম স্তৰ, নিম্নতম স্তৰ, পৰিচালনা, সঞ্চালক, পৰিদৰ্শন, নীতি-নিৰ্দেশনা, আদেশ, কৰ্তৃত্ব, সংগঠন, নিয়মাৱলী, ব্যৱস্থাপনা

পাঠ্য নিৰ্দেশনা ঃ- এই পাঠ্যক্ৰমখনিৰ ১ নং গোটৰ পাঠ্য নিৰ্দেশনাত উল্লেখ কৰা গ্ৰন্থকেইখন তুলি আনি ইয়াত বহুৱাই দিব।)

**আত্ম মূল্যায়ন প্ৰশ্নৰ উত্তৰ (Answer to CYP) ঃ**

১) উত্তৰ ঃ- উৰ্ধতম স্তৰ

২) উত্তৰ ঃ- কেৰাণী পদবীটো এটা নিম্নতম পদ।

৩) উত্তৰ ঃ- পৰিচালন সঞ্চালক পদবীটো উৰ্ধতম স্তৰ কথাষাৰ অসত্য।

৪) উত্তৰ ঃ- উৰ্ধতম স্তৰৰ পৰা আহে।

**আৰ্হি প্ৰশ্ন (Model Question) ঃ**

১) ঔদ্যোগিক সংগঠনৰ উৰ্ধতম স্তৰৰ সম্পৰ্কে আলোচনা কৰা।

Discuss about the Top level of Industrial organization.

২) ঔদ্যোগিক সংগঠনৰ নিম্নতম স্তৰৰ বিষয়ে এটি টোকা লিখা।

Writes about a note on Bottom level of Industrial Organization.

**প্ৰসঙ্গ পুথি (References) ঃ**

**ইংৰাজী গ্ৰন্থ ঃ**

Atzioni.A., (1965), Modern organizations, Prentice Hall of India, New Delhi.

Ganguli, H.C., (1964), Structure and Processes of organization, Asia publishing House.

Miller. Delbert.C., (1967), Sociology of work organization, Row publishers, New York.

## খণ্ড - ২ (Block - 2)
## গোট - ৩ (Unit - 3)
## সংগঠনৰ নীতিসমূহ (Principles of organization)

**পাঠ বিন্যাস ঃ**

৩.০ উদ্দেশ্য
৩.১ প্ৰস্তাৱনা
৩.২ সংগঠনৰ নীতিৰ ধাৰণা
৩.২.১ সংগঠনৰ মূল নীতিসমূহ
আত্ম মূল্যায়নৰ প্ৰশ্ন

৩.৩ সামৰণি
১. প্ৰধান শব্দসমূহ
২. পাঠ্য নিৰ্দেশনা
৩. আত্ম মূল্যায়ন প্ৰশ্নৰ উত্তৰ
৪. আৰ্হি প্ৰশ্ন
৫. প্ৰসঙ্গ পুথি

**৩.০. উদ্দেশ্য (Objectives) ঃ**

'ঔদ্যোগিক সমাজতত্ত্ব আৰু শ্ৰমিক কল্যাণ' শীৰ্ষক বিষয়ৰ পাঠ্যক্ৰমখনিত ঔদ্যোগিক সংগঠন সমূহৰ কিছুমান মূল নীতিসমূহৰ বিষয়ে উল্লেখ কৰা হৈছে। এই পাঠ্যটি তথা গোটটি পঢ়িলে তোমালোকে

১) ঔদ্যোগিক সংগঠনৰ মূলনীতি ধাৰণা সম্পৰ্কে বুজিব পাৰিবা।
২) ঔদ্যোগিক সংগঠনৰ মূলনীতি সমূহক ব্যাখ্যা কৰিব পাৰিবা।
৩) ঔদ্যোগিক সংগঠনৰ নীতি সমূহৰ গুৰুত্ব সম্পৰ্কে বিশ্লেষণ কৰিব পাৰিবা।

**৩.১. প্ৰস্তাৱনা (Introduction) ঃ**

'ঔদ্যোগিক সমাজতত্ত্ব আৰু শ্ৰমিক কল্যাণ শীৰ্ষক বিষয়ৰ পাঠ্যক্ৰমখনিৰ ২ নম্বৰ খণ্ডৰ ৩ নম্বৰ গোটটিত ঔদ্যোগিক সংগঠন সমূহৰ কিছুমান মূল নীতিৰ

সম্পৰ্কে উল্লেখ কৰা হৈছে। প্ৰত্যেক উদ্যোগ প্ৰতিষ্ঠান সমূহত উদ্যোগটি পৰিচালনা কৰিবৰ বাবে কিছুমান নীতি আদৰ্শ থাকে যিবিলাকে উদ্যোগৰ কাম-কাজ বিলাক পৰিচালনা কৰাত সহায় কৰে। এটা সংগঠনে নীতি-আদৰ্শৰ অবিহনে কোনো কাম-কাজত আগবাঢ়ি যাব নোৱাৰে। নীতি আদৰ্শই সংগঠনটোৰ শৃংখলাবদ্ধতা, নীতি-নিয়ম, আইন-কানুন, কাৰ্যদক্ষতা আদিত বিশেষভাৱে সহায় কৰে। তাৰোপৰি এই নীতিসমূহে উদ্যোগ পৰিচালনাৰ সকলো ধৰণৰ কাৰ্য প্ৰণালীবিলাকক নিয়াৰিকৈ পৰিচালনা কৰাত সহায় কৰে।

**৩.২. ঔদ্যোগিক সংগঠনৰ নীতিৰ ধাৰণা (Concept of principles of Industrial organization) ঃ**

প্ৰত্যেক ঔদ্যোগিক সংগঠনসমূহত কিছুমান নীতি প্ৰস্তুত কৰা হয়, যিবিলাক নীতিয়ে ঔদ্যোগিক সংগঠন সমূহক কাৰ্য পৰিচালনাৰ ক্ষেত্ৰত সহায় কৰে। এনে নীতিৰ অবিহনে সংগঠনবিলাক সুচাৰুৰূপে আৰু প্ৰণালীবদ্ধভাৱে পৰিচালনা কৰিব নোৱাৰি। এনে নীতি আদৰ্শৰ জৰিয়তে উদ্যোগৰ বিকাশ, সফলতা অধিক উৎপাদন কাৰ্য সম্ভৱ হয়। তাৰোপৰি এই নীতিসমূহে উদ্যোগ সংগঠনত নিয়োজিত হৈ থকা কৰ্মচাৰীসকলৰ মাজত নিয়মানুৱৰ্তিতা, পাৰস্পৰিক সম্পৰ্ক, কাৰ্যদক্ষতা,, মনোবল, একতা, শৃংখলাবদ্ধতা আদি বজাই ৰখাত বিশেষভাৱে সহায় কৰে। সেয়েহে প্ৰত্যেক ঔদ্যোগিক সংগঠনত এনে নীতি প্ৰয়োগ কৰা আৰু কাৰ্যকৰী কৰাটো বাধ্যতামূলক আৰু অপৰিহাৰ্য, যিবিলাকৰ যোগেদি উদ্যোগৰ বাণিজ্যিক ব্যৱস্থাপনা সুন্দৰভাৱে সম্পাদন হয়। গতিকে ঔদ্যোগিক সংগঠনত কাৰ্য্য প্ৰণালী পৰিচালনাৰ বাবে যি নীতি, আদৰ্শ, আইন, পৰিকল্পনা প্ৰস্তুত কৰা হয় তেনে ব্যৱস্থাকেই ঔদ্যোগিক সংগঠনৰ নীতি হিচাবে গণ্য কৰা হয়।

**৩.২.১. ঔদ্যোগিক সংগঠনৰ মূলনীতিসমূহ (Principles of Industrial Organizations) ঃ**

ঔদ্যোগিক সংগঠনৰ বিভিন্ন নীতিসমূহৰ বিষয়ে বিভিন্ন সমাজ দাৰ্শনিক সকলে বিভিন্ন ধৰণেৰে উল্লেখ কৰিছে। এই সমাজ দাৰ্শনিক সকলৰ ভিতৰত ই.ডব্লিউ.টাইলৰ (E.W. Tylor), এইচ.ফেয়ল (Heury Fayal), চি.এল.বানাৰ্ড (C.I. Barnard), এন, ৰিক (L.Vrwick) আৰু পি.চাৰ্জেণ্ট (P.Sargent) আদিয়েই প্ৰধান। এই সমাজ দাৰ্শনিকসকলৰ ভিতৰত ফ্ৰান্স দাৰ্শনিক হেন ৰি ফয়েল (Henry Fayal)

অন্যতম। তেওঁ ফ্ৰান্সৰ 'খনি' আৰু 'ধাতু' শিল্পৰ এগৰাকী মুখ্য কাৰ্যবাহী বিষয়া আছিল। হেনৰি ফয়েলে ঔদ্যোগিক সংগঠনৰ ১৪ টা নীতিৰ বিষয়ে উল্লেখ কৰিছে। এই ১৪ টা নীতসমূহৰ বিষয়ে তলত চমুকৈ বৰ্ণনা কৰা হৈছে।

**১) কামৰ বিভাজন (Division of Work) ঃ**

ঔদ্যোগিক সংগঠনৰ মূলনীতি হৈছে উদ্যোগৰ কৰ্মচাৰী সকলৰ মাজত ভাগ বিতৰণ কৰা থাকে। অভিজ্ঞতা, দক্ষতা, অৰ্হতা, ওপৰত নিৰ্ভৰ কৰি একো একোজন ব্যক্তিক কাম সম্পন্ন কৰিবলৈ দিয়া হয়। এনে কামৰ বিভাজনে উদ্যোগটোৰ কাম-কাজ কম সময়ত সম্পাদন কৰাৰ লগতে অধিক উন্নতিৰ পথত আগবাঢ়ে।

**২) কৰ্তৃত্ব আৰু দায়িত্বশীলতা (Authority and Responsibility) ঃ**

ঔদ্যোগিক সংগঠনৰ অন্য এটা নীতি হৈছে কৰ্মচাৰী সকলৰ মাজত কৰ্তৃত্ব প্ৰদান কৰা হয় আৰু এই কৰ্তৃত্বৰ ওপৰত ভিত্তি কৰি কৰ্মচাৰী বা বিষয়ববীয়া সকলে দায়িত্ব পালন কৰে। দায়িত্ব আৰু কৰ্তব্যৰ ওপৰত ভিত্তি কৰি একো একোজন ব্যক্তিৰ উদ্যোগৰ কৰ্তৃত্ব প্ৰদান কৰা হয়। প্ৰস্থিতি আৰু ভূমিকাৰ ওপৰতো কৰ্তৃত্ব প্ৰদান কৰা হয়। উদাহৰণস্বৰূপে উদ্যোগৰ উৰ্ধতম বিষয়াসকলক সৰ্বোচ্চ ক্ষমতা আৰু কৰ্তৃত্ব প্ৰদান কৰা হয়। প্ৰত্যেক কৰ্মচাৰীয়ে উদ্যোগটোৰ উন্নতিৰ বাবে দায়িত্বসহকাৰে নিজৰ নিজৰ কৰ্তব্য পালন কৰে।

**৩) নিয়মানুৰৰ্তিতা (Discipline) ঃ**

নিয়মানুৰৰ্তিতা হ'ল প্ৰত্যেক সংগঠনৰেই এটা প্ৰধান নীতি। নিয়মানুৰৰ্তিতাৰ অবিহনে মানুহে কেতিয়াও জীৱনত উন্নতি কৰিব নোৱাৰে, যাৰ কাৰণে মানুহে বিভিন্ন কাম-কাজ সমূহক শৃংখলাবদ্ধভাৱে সম্পাদন কৰিব নোৱাৰে। উদ্যোগসমূহত নিয়মানুৰৰ্তিতাই উদ্যোগৰ প্ৰতিটো কাম-কাজ, আইন-কানুন, কৰ্মচাৰী সকলৰ মাজত সম্পৰ্ক, পৰিকল্পনা আদিক সূচাৰুৰূপে পৰিচালনা কৰাত সহায় কৰে, যাৰ জৰিয়তে উদ্যোগৰ সকলো কাৰ্য প্ৰণালী শৃংখলাবদ্ধভাৱে পৰিচালিত হয়।

**৪) নিৰ্দেশৰ একতা (Unity of Direction) ঃ**

সাধাৰণতে সকলো সামাজিক সংগঠনত কিছুমান নীতি-নিৰ্দেশনা থাকে, যি নিৰ্দেশনাৰ জৰিয়তে সংগঠনৰ বিভিন্ন কাম-কাজ পৰিচালিত হয়। ঠিক তেনেদৰে ঔদ্যোগিক সংগঠনৰো কিছুমান নিৰ্দ্দিষ্ট নীতি-নিৰ্দেশনা আছে আৰু এই নীতি নিৰ্দেশনা

সকলো কৰ্মচাৰীয়ে মানি চলাতো বাধ্যতামূলক। উদ্যোগৰ যিকোনো আদেশ, নির্দেশ সকলো কৰ্মচাৰীয়ে একতাৰে মানি চলাতো এটা প্ৰধান নীতি। উৰ্ধতম কর্তৃপক্ষৰ পৰা যি নির্দেশ আছে সেই নির্দেশবিলাক সকলো কৰ্মচাৰীয়ে মানি চলে।

**৫) আদেশৰ একতা (Unity of Command) ঃ-**

নির্দেশৰ একতাৰ দৰে আদেশৰ একতাও উদ্যোগ সংগঠনৰ অন্য এটা প্ৰধান নীতি। উদ্যোগ পৰিচালনাৰ ক্ষেত্ৰত উৰ্ধতম কর্তৃপক্ষই যি আদেশ প্ৰদান কৰে সেই আদেশসমূহ প্ৰত্যেক কৰ্মচাৰীয়ে মানি চলিব লাগে। উদাহৰণস্বৰূপে সকলো কৰ্মচাৰীয়ে পুৱা ৯.০০ বজাত কৰ্ম স্থানত উপস্থিত হ'ব লাগিব আৰু বিয়লি ৪.০০ বজাত ছুটী হ'ব এই আদেশটো উৰ্ধতম কর্তৃপক্ষই জাননী জাৰি কৰাৰ পাছত ইয়াক সকলো কৰ্মচাৰীয়ে আদেশ মানি চলিব লাগিব আৰু এনে ধৰণৰ বিভিন্ন প্ৰশাসনিক আদেশসমূহক একতাৰে পালন কৰাটো সকলোৰে দায়িত্ব।

**৬) উমৈহতীয়া মনোভাৱ (Common Attitudes) ঃ**

প্ৰত্যেক সংগঠনৰ কৰ্মচাৰীসকলে সংগঠনটো উন্নতি আৰু সুচাৰুৰূপে পৰিচালিত হ'বলৈ কৰ্মচাৰীসকলৰ মাজত উমৈহতীয়া মনোভাৱ থাকিব লাগিব। কৰ্মৰত অৱস্থাত কৰ্মচাৰীসকলে উমৈহতীয়া মনোভাৱেৰে কাম কৰিলে সংগঠনটো সকলো দিশৰপৰা উন্নতি সাধন হ'ব। ইয়াত ব্যক্তিগত স্বাৰ্থ বা মনোভাৱ থকাটো উচিত নহয়। কাৰণ উদ্যোগৰ উন্নতি হ'লেই সকলোৰে উন্নতি হ'ব।

**৭) বিভাগীয় লোকসকলৰ পাৰিতোষিক (Remuneration of Authorities) ঃ**

সংগঠনৰ অন্য এটা প্ৰধান দিশ হ'ল উদ্যোগত নিয়োজিত হৈ থকা উচ্চপদস্থ বিষয়াসকলৰ লগতে অন্যান্য নিম্নবৰ্গৰ কৰ্মচাৰীসকলৰো মজুৰিৰ ব্যৱস্থা থাকে। এই মজুৰি প্ৰস্থিতি বা পদবীৰ ভিত্তিত নিৰিখ কৰা হয়। উচ্চপদস্থ বিষয়া সকলৰ বাবে অধিক মজুৰি, মধ্য কৰ্মচাৰীসকলৰ বাবে উচ্চপদস্থ বিষয়াসকলতকৈ কিছু কম আৰু নিম্নস্তৰৰ কৰ্মচাৰীসকলৰ মজুৰি নিম্নমানৰ হয়। গতিকে দায়িত্ব আৰু পদবীৰ অনুসৰি কৰ্মৰত ব্যক্তি সকলক মজুৰি দিয়াৰ ব্যৱস্থা থাকে।

**৮) কেন্দ্ৰীভূতকৰণ (Centralization) ঃ**

সাধাৰণতে সংগঠনৰ কাম-কাজ বিলাক পৰিচালনাৰ বাবে বিভিন্ন অঞ্চলত উদ্যোগ সংগঠনৰ বিভাগবিলাক কেন্দ্ৰীভূত হৈ থাকে আৰু এই বিভাগ বিলাকত

প্ৰতিটো অঞ্চলত ব্যক্তি নিযুক্তি দিয়া হয়। এই সংগঠন বিলাকৰ কেন্দ্ৰীভূত ভাগ অনুসৰি মুখ্য কেন্দ্ৰ, উপকেন্দ্ৰ, আঞ্চলিক কেন্দ্ৰ আৰু ৱাৰ্ড কেন্দ্ৰ আদিত বিভক্ত কৰা থাকে আৰু এই কেন্দ্ৰ অনুসৰি ব্যক্তি সকলক কেন্দ্ৰ পৰিচালনাৰ বাবে নিযুক্তি দিয়া হয়।

**৯) আদৰ্শ শিকলি (Chain system) ঃ**

ঔদ্যোগিক সংগঠনৰ অন্য এটা প্ৰধান নীতি হ'ল কৰ্মৰত নিযুক্তি হৈ থকা কৰ্মচাৰী সকলৰ মাজত এটা যোগসূত্ৰ সম্পৰ্ক থাকে, যি সম্পৰ্কৰ জৰিয়তে এজন ব্যক্তিৰ লগত অন্য এজন ব্যক্তিৰ সম্পৰ্ক থাকে অথবা এটা বিভাগৰ লগত অন্য এটা বিভাগ জড়িত হৈ থাকে।

**১০) সমতা (Equiality) ঃ**

সমতা ৰক্ষা কৰাটো প্ৰত্যেক ঔদ্যোগিক সংগঠনৰ এটা প্ৰধান নীতি। সংগঠন এটাত নিয়োজিত হৈ থকা কৰ্মচাৰী সকলৰ মাজত সমতাৰ মনোভাৱ থকাটো অতি আৱশ্যকীয় দিশ। কোনো কৰ্মচাৰীসকলৰ মাজত উচ্চ-নীচ, জাতি-ভেদ, উৎকৃষ্ট-নিকৃষ্ট আদি মনোভাৱ থাকিলে উদ্যোগটোৰ পৰিচালনাৰ ক্ষেত্ৰত বিশৃংখলতা আহি পৰিব। উদ্যোগৰ সকলো সা-সুবিধা, আমোদ-প্ৰমোদ ব্যৱস্থা, বা বানচ সম্পৰ্কীয় বিষয়সমূহ উচ্চপদস্থ বিষয়া সকলে লাভ কৰিলে নিম্ন পদৰ কৰ্মচাৰী সকলেও লাভ কৰিব পাৰিব। গতিকে সমতা ৰক্ষা কৰাটো প্ৰত্যেক ঔদ্যোগিক সংগঠনৰ এটা প্ৰধান নীতি।

**১১) বিভাগীয় লোকৰ পট্টাৰ স্থায়ীত্বতা (Stability of tenure of authorities) ঃ**

ঔদ্যোগিক সংগঠনৰ অন্য এটা বিশেষ নীতি হৈছে তাত নিয়োজিত হৈ থকা ব্যক্তিসকলক স্থায়ী বাসস্থানৰ বাবে পট্টা দিয়া ব্যৱস্থা থাকে। এই পট্টা অনুসৰি কৰ্মচাৰীসকলে উদ্যোগ কৰ্তৃপক্ষৰ যোগেদি ভূমি বা চৰকাৰী বাসস্থানৰ ঘৰ লাভ কৰে। তাৰোপৰি গৃহহীন বা দৰিদ্ৰ কৰ্মচাৰীসকলৰ বাবে ভূমি পট্টা দিয়াৰ ব্যৱস্থাত উদ্যোগ কৰ্তৃপক্ষই প্ৰদান কৰিব লাগে।

**১২) সক্ৰিয়তা (Initiative) ঃ**

সক্ৰিয়তা হৈছে সংগঠনসমূহৰ এটা প্ৰধান নীতি। সক্ৰিয়তাৰ অবিহনে কোনো সংগঠনে তেওঁলোকৰ লক্ষ্যত উপনীত হ'ব নোৱাৰে। যিকোনা কাৰ্যত কৰ্মৰত থকা কৰ্মচাৰীসকলে দেহে-কেহে বা মনৰ উৎসাহেৰে নিজৰ নিজৰ কৰ্তব্য পালন কৰিব লাগে। কেতিয়াবা উদ্যোগৰ স্বাৰ্থত বা কৰ্মচাৰীসকলৰ কল্যাণৰ বাবে সকলোৰে আন্দোলন, প্ৰতিবাদ, ধৰ্মঘট আদি কাৰ্যও কৰিবলগীয়া হয়।

**১৩) সামূহিক উদ্যম (Espirit de corps) ঃ**

সামূহিক উদ্যম হৈছে সংগঠনৰ প্ৰধান নীতি। একতা, ঐক্য, মিলাপ্ৰীতি আদিৰ যোগেদি উদ্যোগৰ কাম-কাজ বিলাক সম্পাদন হোৱাত সহায় কৰে। সকলো কৰ্মচাৰীয়ে উদ্যমেৰে নিজ নিজ কৰ্তব্য পালন কৰিলেহে উদ্যোগটো উন্নতিৰ দিশত আগবাঢ়িব পাৰিব।

**১৪) আদেশ পালন (Command Perform) ঃ**

আদেশ পালন কৰাটো প্ৰত্যেক সংগঠনৰ প্ৰত্যেকজন কৰ্মচাৰীৰ এটা প্ৰধান দায়িত্ব। সংগঠনৰ যিকোনো আদেশ, অনুৰোধ, অনুশাসন, আইন-কানুন আদি পালন কৰাটো অতি প্ৰয়োজন।

**আত্মমূল্যায়নৰ প্ৰশ্ন (Check your Progress) ঃ**

১) ঔদ্যোগিক সংগঠনৰ নীতিৰ লগত জড়িত থকা এজন সমাজ বিজ্ঞানীৰ নাম লিখা।

২) হেনৰি ফয়েল কোন দেশৰ সমাজ বিজ্ঞানী আছিল।

৩) ঔদ্যোগিক সংগঠনৰ এটা নীতি উল্লেখ কৰা।

৪) যিকোনা সংগঠনত নিয়োজিত হৈ থকা সদস্য সকলে অনুশাসন মানি চলিব নালাগে কথাষাৰ সত্যনে অসত্য?

**৩.৩ সামৰণি ঃ**

২ নম্বৰ খণ্ডৰ ৩ নম্বৰ গোটটিত আমি তোমালোকক এটা উদ্যোগ সংগঠনত থকা বিভিন্ন নীতি-নিৰ্দেশনা সম্পৰ্কে অৱগত কৰিলোঁ। এই নীতি সমূহৰ জৰিয়তে তোমালোকে ঔদ্যোগিক সংগঠন বিলাক কেনেদৰে পৰিচালিত হয় সেই বিষয়ে কিছু কথা বুজিব পাৰিলা আৰু এই নীতিসমূহৰ ওপৰত উদয় হোৱা প্ৰশ্ন সমূহক সুন্দৰভাৱে ব্যাখ্যা কৰিব পাৰিবা।

**প্ৰধান শব্দসমূহ (Key Words) ঃ**

সংগঠন, নীতি, আদৰ্শ, নিয়মানুবৰ্তিতা, অনুশাসন, সমতা, একতা, কৰ্তৃত্ব, নিৰ্দেশ, সক্ৰিয়তা, সামূহিক

**পাঠ্য নিৰ্দেশনা (Suggested Readings) ঃ**

ড° বীৰেন্দ্ৰনাথ বৰঠাকুৰ, ড° ৰূপৰেখা বৰদলৈ (২০১০-১১ সংশোধিত), ঔদ্যোগিক সমাজতত্ত্ব, বিদ্যা ভৱন, যোৰহাট

ড° জয়ন্ত দুৱৰা, উদ্যোগৰ সমাজতত্ত্ব, দত্ত প্ৰকাশন, উত্তৰ লক্ষীমপুৰ

ড° ৰাজেন বৰা, অখিল বৰা, (২০১৪) উদ্যোগৰ সমাজতত্ত্ব, বিদ্যাভৱন, যোৰহাট

ড° আহমেদ, বৰগোহাঁই, চুতীয়া, (২০০৪), ঔদ্যোগিক সমাজতত্ত্ব, বনলতা, ডিব্ৰুগড় ।

**আত্ম মূল্যায়ন প্ৰশ্নৰ উত্তৰ (Answer to CYP) ঃ**

১) উত্তৰ ঃ- ই. ডব্লিউ, টেইলৰ।

২) উত্তৰ ঃ- ফ্ৰান্সৰ সমাজ দাৰ্শনিক আছিল।

৩) উত্তৰ ঃ- কামৰ বিভাজন।

৪) উত্তৰ ঃ- অসত্য। যিহেতু অনুশাসন এটা সংগঠনৰ বাবে অতি প্ৰয়োজনীয় নীতি।

**আৰ্হি প্ৰশ্ন (Model Question) ঃ**

১) ঔদ্যোগিক সংগঠনৰ নীতিসমূহৰ বিষয়ে আলোচনা কৰা।

Discuss about the Principles of Industrial Organization.

২) ঔদ্যোগিক সংগঠনৰ যিকোনো এটা নীতিৰ সম্পৰ্কে চমুকৈ লিখা।

Write briefly about any one Principle of Industrial Organization.

৩) "আদেশৰ একতা" হৈছে সংগঠনৰ এটা প্ৰধান নীতি কথাষাৰ বহলাই লিখা।

'Unity of Command is a main Principle of organization' write elaborate this sentence.

**প্ৰসংগ পুথি (References)**

**ইংৰাজী গ্ৰন্থ ঃ**

Etzioni A. (1965) Modern Organizations, Prentice Hall of India, New Delhi.

Schneider E.V. (1979), Industrial Sociology

Ganguli, H.C., (1964), Structure and Processes of Organization, Asia Publishing House

Miller Delbert C (1967), Industrial Sociology of work organization, Row publishers New York.

# খণ্ড নং ৩

# ঔদ্যোগিক সমাজতত্ত্ব আৰু শ্ৰমিক কল্যাণ

## গোট নম্বৰ - ৩

## ভাৰতবৰ্ষত শ্ৰমিক সংঘৰ বিকাশ

**গঠন বিন্যাস ঃ**

৩.০ উদ্দেশ্য
৩.১ প্ৰস্তাৱনা
৩.২ ভাৰতবৰ্ষত শ্ৰমিক সংঘ
৩.৩ ভাৰতবৰ্ষত শ্ৰমিক সংঘৰ ইতিহাস আৰু বিকাশ অগ্ৰগতি নিৰীক্ষণ।
৩.৪. সামৰণি
১. ঘাই শব্দসমূহ
২. আৰ্হি প্ৰশ্ন
৩. পাঠ্য নিৰ্দেশনা
৪. প্ৰসঙ্গ পুথি

**৩.০ উদ্দেশ্য ঃ**

এই গোটটি পঢ়িলে তোমালোকে ভাৰতবৰ্ষত শ্ৰমিক সংঘৰ অৱস্থান সম্পৰ্কে জানিব পাৰিবা।

ভাৰতবৰ্ষত শ্ৰমিক সংঘৰ ইতিহাস সম্পৰ্কে জানিব পাৰিবা।

ভাৰতবৰ্ষত শ্ৰমিক সংঘৰ বিকাশ সম্পৰ্কে জানিব পাৰিবা।

ভাৰতবৰ্ষত শ্ৰমিক সংঘ বিকাশত অৰিহণা যোগোৱা কাৰক সমূহৰ বিষয়ে জানিব পাৰিবা।

**৩.১. প্ৰস্তাৱনা ঃ**

এই খণ্ডৰ দ্বিতীয় গোটটিত শ্ৰমিক সংঘৰ অৰ্থ,সংজ্ঞা, উদ্দেশ্য, প্ৰকাৰ আৰু কাৰ্য্যৱলীৰ সম্পৰ্কে বিস্তৃতভাৱে আলোচনা কৰা হ'ল। সেই আলোচনাৰ পৰা শ্ৰমিক সংঘৰ বিষয়ে ভালদৰে জানিব পৰা যাব। এই গোটটিত ভাৰতবৰ্ষত শ্ৰমিক সংঘ অৱস্থিতি সম্পৰ্কে আলোচনা কৰিবলৈ লোৱা হৈছে। ভাৰতবৰ্ষত শ্ৰমিক সংঘৰ আৰম্ভণি তথা ইতিহাস আৰু বিকাশ সম্পৰ্কে আলোচনা কৰাৰ লগতে এই শ্ৰমিক সংঘ বিকাশত কি কি কাৰকে অৰিহণা যোগাইছে সেই বিষয়েও আলোচনা কৰা হ'ল।

**৩.২. ভাৰতবৰ্ষত শ্ৰমিক সংঘ ঃ**

বিশ্বৰ আন আন দেশসমূহৰ দৰে ভাৰতবৰ্ষতো শ্ৰমিক সংঘৰ অৱস্থিতি দেখিবলৈ পোৱা যায়। মূলত শ্ৰমিকসকলৰ আৰ্থ সামাজিক স্বাৰ্থ নিশ্চিত কৰাৰ উদ্দেশ্যৰেই

ভাৰতবৰ্ষতো শ্ৰমিক সংঘ গঠন হয় বুলি ক'ব পৰা যায়। All India Trade Union Congress, Indian National Trade Union Congress, The Hind Mozdoor Sangh ইত্যাদিবোৰ ভাৰতবৰ্ষত দেখা পোৱা কেইটামান প্ৰধান শ্ৰমিক সংঘ। শ্ৰমিকৰ স্বাৰ্থ নিশ্চিত কৰাৰ উদ্দেশ্যেৰেই যিহেতু ভাৰতবৰ্ষতো শ্ৰমিক সংঘ সমূহ গঠন কৰা হৈছিল, গতিকে অন্যান্য দেশ সমূহৰ শ্ৰমিক সংগঠনৰ সৈতে ভাৰতবৰ্ষৰো শ্ৰমিক সংগঠন সমূহৰ গঠন, কাৰ্য্যপ্ৰণালী, উদ্দেশ্য আদিবোৰ একেধৰণৰ। এক কথাত, শ্ৰমিকক নিয়োগকৰ্তাৰ শোষণৰ পৰা মুক্ত কৰি যথোচিত মজুৰি, উপযুক্ত কৰ্ম পৰিৱেশ, কৰ্মস্থলীত অন্যান্য প্ৰয়োজনীয় সুবিধা সমূহৰ লগতে নিজৰ ৰাজনৈতিক অধিকাৰ সুনিশ্চিত কৰাৰ উদ্দেশ্যে ভাৰতবৰ্ষত শ্ৰমিক সংঘ গঠন কৰা হয় বুলিব পাৰি। যি কি নহওক পৰৱৰ্তী আলোচনাত ভাৰতবৰ্ষত শ্ৰমিক সংঘৰ ইতিহাসৰ বিষয়ে কৰা আলোচনাত ভাৰতবৰ্ষত শ্ৰমিক সংঘৰ আৰম্ভণি আৰু বিকাশ সম্পৰ্কে বিস্তৃতভাৱে জনাত সহায়ক হয়।

**৩.৩. ভাৰতবৰ্ষত শ্ৰমিক সংঘৰ ইতিহাস আৰু বিকাশ ঃ**

ইতিমধ্যে উল্লেখ কৰি অহা হৈছে যে ভাৰতবৰ্ষত শ্ৰমিক সংঘ বিকাশৰ এক ইতিহাস আছে। অৱশ্যে এই ইতিহাস বৰ বেছি পুৰণি নহয়। মাত্ৰ ১৯ শতিকাৰ মাজভাগৰ পৰাহে ভাৰতবৰ্ষত শ্ৰমিক সংগঠনৰ শ্ৰম আৰম্ভ হয়। আনহাতে ২০ শতিকাৰ প্ৰথমাৰ্ধত অৰ্থাৎ ১৯১৪-১৯২০ চনৰ ভিতৰত বিশ্বৰ সংঘটিত হোৱা তিনিটা প্ৰধান ঘটনাই ভাৰতবৰ্ষত শ্ৰমিক সংঘৰ অভ্যুত্থানৰ বৰঙণি যোগাইছিল বুলি কোৱা হয়। সেই তিনিটা প্ৰধান ঘটনা হ'ল -

১) প্ৰথম বিশ্বযুদ্ধ

২) ৰুছিয়া বিপ্লৱ

৩) আন্তঃৰ্জাতিক শ্ৰমিক সংঘৰ প্ৰতিষ্ঠা।

প্ৰথম বিশ্বযুদ্ধৰ ফলস্বৰূপে ভাৰতৰ অৰ্থনীতিত প্ৰভাৱ বিস্তাৰ কৰিলে আৰু নতুন ৰাজনৈতিক অভ্যুত্থানত ভাৰতীয় সকলৰ জীৱনত পৰা প্ৰভাৱে শ্ৰমিক সংঘ আন্দোলনত প্ৰভাৱ বিস্তাৰ কৰে।

ইতিমধ্যে উল্লেখ কৰি অহা হৈছে ১৯ শতিকাৰ মাজভাগৰ পৰা ভাৰতবৰ্ষত শ্ৰমিক সংঘ প্ৰতিষ্ঠাৰ সূচনা হয়। শ্ৰমিক সংঘ গঠনৰ সূচনা ১৮৭৫ চনত চৰাবজী শাপুৰজী বেঙ্গলীৰ নেতৃত্বতে আৰম্ভণি হয় বুলিব পাৰি। বেঙ্গলীৰ লগতে আন কেইগৰাকীমান সমাজ সেৱকে কাৰখানাত কাম কৰা শ্ৰমিক, বিশেষকৈ মহিলা আৰু শিশু সকলৰ অবৰ্ণনীয় অৱস্থাৰ প্ৰতি যেতিয়া চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ চেষ্টা কৰে তেতিয়াই শ্ৰমিক আন্দোলনৰ সূচনা হয় বুলিব পাৰি। সেইবাবে চৰাবজী শানুৰজী বেঙ্গলীক ভাৰতবৰ্ষৰ শ্ৰমিক সংঘ গঠনৰ পিতৃ বুলিব পাৰি। এই আন্দোলনৰ ফলস্বৰূপে ১৮৮১ চনত কাৰখানা আইন প্ৰৱৰ্তন কৰা হয়। কিন্তু এই আইনখনে শ্ৰমিক সকলৰ সকলো সমস্যা সমাধান কৰিবলৈ সক্ষম নহ'ল। অৱশ্যে, কিছুমান বিষয় যেনে নিম্ন বয়সৰ শ্ৰমিকৰ কামৰ সময় কমোৱাৰ লগতে সপ্তাহত এটা দিন মজুৰিসহ ছুটী আৰু বাকী দিনকেইটাৰ কামৰ মাজত আধা ঘণ্টা জিৰণিৰ ব্যৱস্থা এই আইনখনে কৰিছিল।

আনহাতে বেঙ্গলীৰ নেতৃত্বত হোৱা আন্দোলনৰ ফলস্বৰূপে চৰকাৰে গ্ৰহণ কৰা

এনে ব্যৱস্থাৰ প্ৰতি অনুপ্ৰাণিত হৈ সেই সময়ৰ বম্বেৰ এটা কাৰখানাত কাম কৰা মেঘজী লখান্দে নামৰ এজন শ্ৰমিকে ১৮৮৪ চনত সমগ্ৰ বম্বেৰ কাৰখানা সমূহত কাম কৰা শ্ৰমিক সকলৰ এখন জৰুৰী সভা আহ্বান কৰে আৰু শ্ৰমিক সকলৰ অভাৱ-অভিযোগ সমূহ উপস্থাপন কৰি শ্ৰমিক আয়োগলৈ প্ৰেৰণ কৰে। তদুপৰি লখান্দেৰ নেতৃত্বতে ১৮৯০ চনত 'The Bombay Mill hands Association' গঠন কৰা হয়। এই সংগঠনৰ প্ৰচেষ্টাত ১৮৯১ চনত আন এখন কাৰখানা আইন প্ৰৱৰ্তন কৰা হয়। পৰৱৰ্ত্তী পৰ্যায়ত ১৯০৫ চনত 'Printers Association, Calcutta', আৰু ১৮৯৭ চনত 'Amalgamated Society for Railway Servents of India and Burma' আৰু ১৯০৭ চনত 'Bombay Postal Union' গঠন কৰা হয়।

১৯১০ চনত বোম্বেৰ কাৰখানা সমূহত কাম কৰা শ্ৰমিক সকলে 'Workers Welfare Association' গঠন কৰে। এই সকলৰ যত্নত Labour News নামৰ এখন সাপ্তাহিক কাকত প্ৰকাশ হয়। তদুপৰি এই সংগঠনৰ আন্দোলনৰ ফলস্বৰূপে কাৰখানা আইন, ১৯১১ ৰচনা কৰা হয়। এই আইনে ১২ ঘণ্টাতকৈ বেছি সময় শ্ৰমিক সকলে কাম কৰা কাৰ্য্যক বাধা প্ৰদান কৰে।

১৯২০ চনতো ভাৰতবৰ্ষত শ্ৰমিক সংঘ বিকাশৰ এক মাইলৰ খুটি হিচাপে বিবেচনা কৰা হয়। কিয়নো ১৯২০ চনতে 'সৰ্বভাৰতীয় শ্ৰমিক মহাসংঘ' (All India Trade Union Congress) গঠন হয় আৰু শ্ৰমিক সংঘ গঠনৰ আইন ৰচনাৰ বাবে আন্দোলন আৰম্ভ হয়। ইয়াৰ পৰিণতিত শ্ৰমিক সংঘ গঠনৰ আন এজন অন্যতম পৃষ্ঠপোষক M.N. Joshi ৰ অশেষ প্ৰচেষ্টাত ১৯২৬ চনত Trade Union Act ৰচনা কৰা হ'ল। এই আইনৰ আগতে শ্ৰমিক সংঘ সমূহে আইনসংগত অধিকাৰ আৰু মৰ্যাদা পোৱা নাছিল। এই আইন প্ৰণয়নৰ পাছত শ্ৰমিক সকলে বিধিমতে সংঘ গঠন কৰিব পৰা হ'ল।

উল্লেখযোগ্য যে, ১৯২০ চনৰ আগতো ভাৰতবৰ্ষত বিভিন্ন অঞ্চলত বহু সংখ্যক শ্ৰমিক সংঘৰ প্ৰতিষ্ঠা হৈছিল। ১৯২০ চনত জামচেদপুৰৰ টাটা ষ্টীল কাৰখানাত শ্ৰমিকৰ এক আন্দোলন আৰম্ভ হৈছিল য'ত ৩০,০০০ শ্ৰমিকে অংশগ্ৰহণ কৰিছিল। এই সময়ছোৱাতে বহুবোৰ শ্ৰমিক সংগঠনে জন্ম লাভ কৰে। তাৰ ভিতৰত ভাৰতীয় কুলাৰী কৰ্মচাৰী সমিতি, ভাৰতীয় শ্ৰমিক সংঘ, সৰ্ব ভাৰতীয় শ্ৰমিক সংঘ, বাৰ্মা শ্ৰমিক সংঘ, বাৰ্মা শ্ৰমিক সংঘ, বম্বে বন্দৰ শ্ৰমিক সংঘ, ইত্যাদিৰ কথা উল্লেখ কৰিব পাৰি।

ইতিমধ্যে উল্লেখ কৰি অহা হৈছে যে ভাৰতবৰ্ষত আধুনিক শ্ৰমিক সংঘৰ আন্দোলন প্ৰথম বিশ্বযুদ্ধৰ পিছৰ পৰা আৰম্ভ হৈছিল। উল্লেখযোগ্য যে এই বিশ্বযুদ্ধই শ্ৰমিক সকলক তেওঁলোকৰ ভূমিকা সম্পৰ্কে সচেনতাৰ সৃষ্টি কৰিছিল। বহুকেইজন জাতীয় নেতাই ভাৰতবৰ্ষত শ্ৰমিক সকলৰ অৱস্থাৰ বিষয়ে আলোকপাত কৰিছিল। লোকমান্য তিলক, এনী বেচান্ত, মহাত্মা গান্ধী আদি লোকৰ প্ৰচেষ্টাত শ্ৰমিক শ্ৰেণী সংগঠিত হৈছিল। বিশেষকৈ, মহাত্মা গান্ধীৰ নেতৃত্বত আহ্বান জনোৱা অসহযোগ আন্দোলনৰ কথা এই প্ৰসংগত উল্লেখ কৰিব পাৰি। মহাত্মা গান্ধীৰ প্ৰচেষ্টাতেই "আহমেদাবাদ টেক্সটাইল শ্ৰমিক সমিতি' গঠন হয়। এই সময়ছোৱাতে International Labour Organization' ৰ এটা শাখাত ভাৰতবৰ্ষত স্থাপিত হয়। ইয়াৰ পিছৰ পৰাই ভাৰতবৰ্ষত ইয়াৰ অধিবেশন অনুষ্ঠিত হ'বলৈ আৰম্ভ কৰে।

১৯২৬ চনত শ্ৰমিক সংঘ সমূহৰ মাজত কিছু পৰিৱৰ্ত্তনে দেখা দিছিল। ইয়াৰ

মূলতে হ'ল শ্ৰমিক সংঘৰ নেতৃত্বৰ দিশত সাম্যবাদীৰ প্ৰভাৱ। ফলস্বৰূপে, শ্ৰমিক সংঘৰ নীতি আৰু সংগঠনত পৰিৱৰ্তনে দেখা দিয়ে আৰু ই দুভাগত বিভক্ত হৈ পৰে আৰু এইটো প্ৰকট হৈ পৰে ১৯২৯ চনত ভাৰতীয় ৰাষ্ট্ৰীয় শ্ৰমিক মহাসংঘৰ নাগপুৰত অনুষ্ঠিত দশম অধিৱেশনত। উল্লেখযোগ্য যে এই অধিবেশনত সভাপতিত্ব কৰিছিল জৱাহৰলাল নেহেৰুৱে। এই অধিৱেশনত শ্ৰমিক সংঘত অৰ্ন্তভূক্ত কিছুমান সংগঠনে মূল সংগঠনৰ পৰা পৃথক হ'বলৈ বিচাৰিলে আৰু তাৰ ফলস্বৰূপে আন এটা নতুন সংগঠন 'সৰ্বভাৰতীয় শ্ৰমিক সংঘ পৰিষদ' (All India Trade Union Federation) গঠন হ'ল। কিন্তু, শ্ৰমিক সকলৰ মাজৰ এই মনোমালিন্যৰ ফল নিয়োগকাৰী সকলে ভোগ কৰি শ্ৰমিক শ্ৰেণীক পুনৰ শোষণ কৰিবলৈ সুবিধা পালে। গতিকে, শ্ৰমিক সংঘ গঠনৰ উদ্দেশ্যত এটা ব্যাঘাত জন্মা পৰিলক্ষিত হ'ল। অৱশ্যে এই ব্যাঘাটৰ কথা লক্ষ্য কৰি ১৯৩৮ চনত 'সৰ্বভাৰতীয় শ্ৰমিক সংঘ পৰিষদ' পুনৰ 'ভাৰতীয় ৰাষ্ট্ৰীয় শ্ৰমিক মহাসংঘৰ লগত চামিল হয়। এই ক্ষেত্ৰত ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ভি.ভি. গিৰিৰ অৱদান উল্লেখযোগ্য আছিল।

দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত শ্ৰমিক সংঘ সমূহৰ এই মহামিলনক এম.এন. ৰয়ৰ দৰে নেতাসকলে পুনৰ বিৰোধিতা কৰিছিল। ফলস্বৰূপে তেওঁৰ নেতৃত্বতে 'ভাৰতীয় শ্ৰমিক সংঘ পৰিষদ' গঢ় লৈ উঠে আৰু বহুদিনলৈ দুয়োটা সংগঠন সমান্তৰালভাৱে কাৰ্য্যক্ষম হৈ থাকিল। আনহাতে, সাম্যবাদীসকলে 'হিন্দ মজদুৰ সভা' (Hind Mazdoor Sabha) নামৰ আন এক সংগঠনৰ জন্ম দিয়ে। কিন্তু ইয়ো পুনৰ দুটা ভাগত বিভক্ত হয়। অধ্যাপক K.T.Shah ৰ নেতৃত্বত United Trade Union Congress আৰু ১৯৫৫ চনত ... সংঘৰ প্ৰচেষ্টাত Bharatiya Mazdoor Sangha ৰ জন্ম হয়। সেইদৰে সমাজবাদী সকলৰ দ্বাৰা আন এটা শ্ৰমিক সংগঠন সৃষ্টি হৈছিল যাক Hind Mazdoor Panchayat বুলি কোৱা হৈছিল।

সাম্প্ৰতিক কালত ভাৰতবৰ্ষত প্ৰধানত চাৰিটা সৰ্বভাৰতীয় শ্ৰমিক সংগঠনে কাৰ্যনিৰ্বাহ কৰি আছে। সেইকেইটা হ'ল-

১) সৰ্বভাৰতীয় শ্ৰমিক মহাসংঘ (All India Trade Union Congress - AITUC)
২) ভাৰতীয় শ্ৰমিক মহাসংঘ (Indian National Trade Union Congress - INTUC)
৩) হিন্দ মজদুৰ সংঘ (The Hind Mazdoor Sangha - HMS)
৪) সংযুক্ত শ্ৰমিক মহাসংঘ (United Trade Union Congress - UTUC)

যি কি নহওঁক, ভাৰতবৰ্ষত শ্ৰমিক সংঘ সমূহ গঠন হোৱাৰ পাছত নিয়োগকাৰী আৰু শ্ৰমিকৰ মাজত চলি থকা সংঘাট আগতৈ বহু পৰিমাণে হ্ৰাস পোৱা পৰিলক্ষিত হৈছে। একেদৰে নিয়োগকাৰী সকলৰ দ্বাৰা শ্ৰমিকক কৰা শোষণৰ পৰিমাণো হ্ৰাস পোৱা দেখা গৈছে। ফলস্বৰূপে শ্ৰমিকৰ আৰ্থ-সামাজিক অৱস্থা উন্নীত হোৱাৰ লগতে নিয়োগকাৰী আৰু শ্ৰমিক মাজৰ সম্বন্ধও এক ইতিবাচক দিশ পৰিলক্ষিত হৈছে।

**অগ্ৰগতি নিৰীক্ষণ ঃ**

ভাৰতবৰ্ষত শ্ৰমিক সংঘৰ ইতিহাস সম্পৰ্কে আলোচনা কৰা।
ভাৰতবৰ্ষত শ্ৰমিক সংঘৰ বিকাশ সম্পৰ্কে আলোচনা কৰা।
INTUC ৰ সম্পূৰ্ণ নাম কি?
AITUC ৰ সম্পূৰ্ণ নাম লিখা?

UTUC ৰ সম্পূৰ্ণ নাম লিখা?

**সামৰণি ঃ**

ঔদ্যোগিক সমাজতত্ত্বৰ এই গোটটিত ভাৰতবৰ্ষৰ শ্ৰমিক সংঘৰ ইতিহাস আৰু বিকাশ সম্পৰ্কে আলোচনা কৰা হ'ল। আলোচনাৰ পৰা দেখা গ'ল যে বিভিন্ন ঘাট-প্ৰতিঘাটৰ মাজেৰে ভাৰতবৰ্ষত শ্ৰমিক সংঘই বিকাশ লাভ কৰিছে। অৱশ্যে সাম্প্ৰতিক কালত ভাৰতবৰ্ষত শ্ৰমিক সংঘৰ লগতে শ্ৰমিক সকলৰ অৱস্থা যথেষ্ট সন্তোষজনক বুলিব পাৰি।

**১) ঘাই শব্দসমূহ ঃ**

শ্ৰমিক সংঘ, নিয়োগকৰ্তা, মজদুৰ, মহাসংঘ

**২) আৰ্হি প্ৰশ্ন ঃ**

ভাৰতবৰ্ষত শ্ৰমিক সংঘৰ ইতিহাস সম্পৰ্কে আলোচনা কৰা।
ভাৰতবৰ্ষত শ্ৰমিক সংঘৰ বিকাশ সম্পৰ্কে আলোচনা কৰা।
শ্ৰমিক সংঘ বিকাশত অৰিহণা যোগোৱা কাৰকসমূহ কি কি ? আলোচনা কৰা।

**৩) পাঠ্য নিৰ্দেশনা ঃ**

1. Archana Despande, Industrial Sociology, Sun India Publication, New Delhi, 2010.
2. B.P. Tyagi, Labour Economics and Social Welfare, Jai Prakash Nath and Co., Meerut, 2000.
3. C.B. Manoria, Dynamics of Industrial Relations, Himalaya Publishing House, Mumbai and Delhi, 2010.
4. W.E. Moore, Industrial Relations and Social Ordea, Macmillan, New York, 1951.
1. Borthakur, B.N. and R. Bordoloi, "Udyogik Samajtatta Aru Sranik Kalyan, Bidya Bhaban, Jorhat, 2008-09.
2. Borah Rajen and A. Borah, "Udyogor Samajtatta", Bidya Bhaban, Jorhat, Assam, 2014.
3. Doles, D. "Udyogik Samajtatta' students Emperium, Dibrugarh, Assam, 2004.
4. Tragi, B.P. 'Labour Economics and Social Welfare', Jai Prakash Nath and Co. Meerut, 2000.

Despande, Archana, "Industrial Sociology", Son India Publication, New Delhi, 2010.

**SOCM - 602**

**আত্ম শিকন সামগ্ৰী**

**সমাজতত্ত্ব (সন্মান বিষয়)**

**Sociology - (Major Subject)**

**পাঠ্যক্ৰম - ৩০৫ (SOCM- 305)**

**তৃতীয় বৰ্ষ - (3rd Year)**

ঔদ্যোগিক সমাজতত্ত্ব আৰু শ্ৰমিক কল্যাণ

**Industrial Sociology And Labour Welfare**

**খণ্ড নং ১ (Block No-1)**

**গোট - ১ (Unit -1)**

# ঔদ্যোগিক সমাজতত্ত্বৰ প্ৰকৃতি, বিকাশ আৰু মূল অৱধাৰণাসমূহ

# (Nature, Growth and Basic Concepts of Industrial Sociology)

**গঠন বিন্যাস (Unit Structure) :**

১.০ উদ্দেশ্য

১.১ প্ৰস্তাৱনা

১.২ ঔদ্যোগিক সমাজতত্ত্বৰ প্ৰকৃতি

১.১.১ ঔদ্যোগিক সমাজতত্ত্বৰ বিকাশ

১.১.২ প্ৰাক্ ঔদ্যোগিক সমাজৰ প্ৰকৃতি

১.১.৩ ঔদ্যোগিক সমাজৰ প্ৰকৃতি

আত্মমূল্যায়ন প্ৰশ্ন

১.৩ সামৰণি (Conclusion) ঃ

১. প্ৰধান শব্দসমূহ

২. পাঠ্য নিৰ্দেশনা

৩. আত্ম মূল্যায়ন প্ৰশ্নৰ উত্তৰ

৪. আৰ্হি প্ৰশ্ন

৫. প্ৰসঙ্গ পুথি

**১.০ উদ্দেশ্য (Objectives) :**

১ নম্বৰ খণ্ডৰ ১ নম্বৰ গোটটিত ঔদ্যোগিক সমাজতত্ত্ব পাঠ্যক্ৰমখনিত অন্তৰ্ভূক্ত থকা ঔদ্যোগিক সমাজতত্ত্বৰ বিভিন্ন বিষয় সমূহৰ সম্পৰ্কে আলোচনা কৰা হৈছে। এই গোটটি পঢ়াৰ পাছত তোমালোকে -

(১) ঔদ্যোগিক সমাজতত্ত্বৰ প্ৰকৃতিৰ সম্পৰ্কে জানিব পাৰিবা।

(২) ঔদ্যোগিক সমাজতত্ত্বৰ বিকাশৰ বিষয়ে বৰ্ণনা কৰিব পাৰিবা।

(৩) প্ৰাক্-ঔদ্যোগিক সমাজৰ প্ৰকৃতিৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিবা।

(৪) ঔদ্যোগিক সমাজৰ প্ৰকৃতিৰ সম্পৰ্কে বিশ্লেষণ কৰিব পাৰিবা।

**১.১ প্ৰস্তাৱনা (Introductions) :**

ঔদ্যোগিক সমাজতত্ত্ব আৰু শ্ৰমিক কল্যাণ নামৰ পাঠ্যক্ৰমখনিত ১ নম্বৰ খণ্ডৰ ১ নম্বৰ গোটটিত অন্তৰ্ভূক্ত থকা কিছুমান গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত আলোচনা কৰিম। বৰ্তমান সময়ত ঔদ্যোগিক সমাজতত্ত্বৰ গুৰুত্ব অধিক বৃদ্ধি পাই অহাৰ লগে লগে মানৱ সমাজত ইয়াৰ অধ্যয়নৰ প্ৰয়োজনীয়তাও বৃদ্ধি পাই আহিছে। ঔদ্যোগিক সমাজতত্ত্বত উদ্যোগৰ লগত জড়িত সামাজিক সম্বন্ধ ৰ বিষয়ে অধ্যয়ন কৰা হয়। ঔদ্যোগিক সমাজতত্ত্ব বিষয়টো মানৱ সমাজৰ বিভিন্ন দিশৰ লগত জড়িত হৈ আছে। যিহেতু ঔদ্যোগিক সংগঠন সমূহত মানৱীয় কৰ্ম জড়িত হৈ আছে আৰু ইয়াৰ লগত আধুনিক ঔদ্যোগিক সম্প্ৰসাৰণ, কাৰিকৰী দিশৰ বিকাশ, শ্ৰমিক সংঘবাদ, (Trade unionism), গ্ৰাম্য অঞ্চলৰ পৰা নগৰীয়া অঞ্চলসমূহলৈ হোৱা জনসাধাৰণৰ ব্যাপক প্ৰব্ৰজন, নতুন প্ৰযুক্তিবিদ্যা, ধৰ্মঘট, হৰতাল আৰু বিভিন্ন শ্ৰমিক আইনসমূহ (Labour Act) জড়িত হৈ থাকে। এই ঔদ্যোগিক সমাজতত্ত্বৰ জৰিয়তে পাৰিশ্ৰমিক, জীৱন বীমা, শ্ৰমিকৰ জীৱন নিৰাপত্তা, শোষণ, উৎপীড়ন আদিৰ ওপৰত বা কল-কাৰখানাসমূহত শ্ৰমিক আৰু নিয়োগকাৰী সকলৰ বাবে বিভিন্ন কল্যাণমূলক কাৰ্যসমূহৰ বিষয়েও বিশদভাৱে আলোচনা কৰা হৈছে। এই সকলো বিষয়ৰ বিষয়ে জানিব পৰাকৈ এই পাঠ্যক্ৰমখনি তোমালোকৰ বাবে প্ৰস্তুত কৰা হৈছে।

**১.২ ঔদ্যোগিক সমাজতত্ত্বৰ ধাৰণা ঃ**

ঔদ্যোগিক সমাজতত্ত্ব হৈছে সমাজতত্ত্বৰ অন্তৰ্গত এক প্ৰধান বিষয়। 'ঔদ্যোগিক সমাজতত্ত্ব' হৈছে সমাজতত্ত্বৰ এটা বিশেষাত্মক শাখা, যিটোৱে ঔদ্যোগিক সমাজ জীৱনৰ লগতে ঔদ্যোগিক সংগঠন সমূহৰ বিষয়ে অধ্যয়ন কৰে। ঔদ্যোগিক সমাজতত্ত্বৰ প্ৰধান অধ্যয়নৰ বিষয়বস্তু হৈছে 'উদ্যোগ' (Industry)। এই বিভাগটোৱে

ঔদ্যোগিক সংগঠনৰ লগত জড়িত ব্যক্তি সকলৰ ভূমিকা আন্তঃক্ৰিয়াৰ (Role Interaction) বিষয়ে অধ্যয়ন কৰাৰ উপৰিও তেওঁলোকৰ কৰ্মৰ ভূমিকাৰ সমগ্ৰ দিশসমূহ আৰু আন কেতবোৰ আনুষংগিক দিশসমূহৰ সম্পৰ্কেও বিশদভাৱে অধ্যয়ন কৰে।

ঔদ্যোগিক সমাজতত্ত্বৰ ধাৰণাটোত প্ৰধানকৈ দুটা শব্দৰ সংযোজন হৈ আছে, 'উদ্যোগ' লাগি 'উদ্যোগ সমাজতত্ত্ব' গঠন হৈছে। সাধাৰণতে ঔদ্যোগিক সমাজতত্ত্বত উদ্যোগৰ লগত জড়িত বিভিন্ন বিষয়সমূহৰ বিষয়ে অধ্যয়ন কৰা হয়। যিহেতু ঔদ্যোগিক সমাজতত্ত্বত উদ্যোগত নিয়োজিত হৈ থকা কৰ্মচাৰী সকলৰ বিভিন্ন দিশৰ লগতে তেওঁলোকৰ আন্তঃক্ৰিয়া সমূহৰ ওপৰত অধ্যয়ন কৰা হয় আৰু লগতে উদ্যোগ সম্বন্ধীয় বিভিন্ন দিশ যেনে- পৰিচালনা, উৎপাদন, বিতৰণ, আমদানি, ৰপ্তানি, শ্ৰম, শ্ৰমবিভাজন, কাৰিকৰী কৌশল, যন্ত্ৰপাতি, প্ৰযুক্তি আদি বিষয়ৰ ওপৰত অধ্যয়ন কৰা হয়। অন্যহাতে উদ্যোগত নিয়োজিত হৈ থকা শ্ৰমিক সকলৰ বিভিন্ন দিশসমূহৰ লগত জড়িত হৈ থকা বিষয় যেনে - মজুৰি, কৰ্মাৱস্থা, স্বাস্থ্য, শিক্ষা, নিৰাপত্তা, জীৱন বীমা, ভৱিষ্য নিধি, শ্ৰমিক আইন (Labour Act) শ্ৰমিকৰ ধৰ্মঘট, বিবাদ, আন্দোলন আদি বিভিন্ন বিষয়ৰ ওপৰত অধ্যয়ন কৰা হয়। তাৰোপৰি উদ্যোগত নিয়োজিত হৈ থকা কৰ্মচাৰী সকলৰ লগত জড়িত হৈ থকা ঔদ্যোগিক সংগঠনসমূহ যেনে - কৰ্মচাৰী সন্থা, শ্ৰমিক সন্থা, শ্ৰমিক সংঘ বা বনুৱা সংঘ, সৰ্বভাৰতীয় শ্ৰমিক সংগঠন (All India Labour Organization) আদিৰ বিষয়ে অধ্যয়ন কৰা হয়। গতিকে এই সকলোবোৰ বিষয় জড়িত হৈ থকা ক্ষেত্ৰখনেই হৈছে উদ্যোগ। গতিকে ঔদ্যোগিক সমাজতত্ত্ব বুলিলে ঔদ্যোগিক সংগঠন, শ্ৰমিক কৰ্মচাৰী, নিয়োগকৰ্তা আৰু ইয়াৰ মাজত কৰ্মৰ জড়িয়তে উদ্ভৱ হোৱা সামাজিক ক্ৰিয়া বা আন্তঃক্ৰিয়া আদি সকলোবোৰকে সাঙুৰি লৈ অধ্যয়ন কৰা বিষয়টোৱেই হৈছে ঔদ্যোগিক সমাজতত্ত্ব।

### ১.২.১ ঔদ্যোগিক সমাজতত্ত্বৰ সংজ্ঞা (Definition of Industrial Sociology)

ইতিমধ্যে ওপৰত তোমালোকক ঔদ্যোগিক সমাজতত্ত্বৰ ধাৰণা সম্পৰ্কে কিছু কথা অৱগত কৰিলোঁ। এইখিনিতে তোমালোকক ঔদ্যোগিক সমাজতত্ত্ব সংজ্ঞাৰ বিষয়ে বিভিন্ন সমাজতত্ত্ববিদ সকলে আগবঢ়োৱা কেইটামান সংজ্ঞা আগবঢ়াইছো। কাৰণ ঔদ্যোগিক সমাজতত্ত্বৰ প্ৰকৃত সংজ্ঞাৰ বিষয়ে নাজানিলে ইয়াৰ আভ্যন্তৰীণ বিষয় সমূহক উপলব্ধি কৰিব পৰা নাযাব। তলত ঔদ্যোগিক সমাজতত্ত্বৰ কেইটামান সংজ্ঞা দাঙি ধৰা হৈছে।

চাৰ্লচ বি, স্পল্ডিঙ (Charles B. Spaulding) এ ঔদ্যোগিক সমাজতত্ত্বৰ সংজ্ঞা এনেদৰে আগবঢ়াইছে যে "ঔদ্যোগিক সমাজতত্ত্ববিদসকলে কৰ্মস্থানৰ সামাজিক সংগঠন আৰু কৰ্ম সংগঠনৰ লগত সম্পৰ্কিত ব্যক্তিসকলে কৰ্মৰ ভূমিকাৰ

ওপৰত ভিত্তি কৰি সম্পাদন কৰা আন্তঃক্ৰিয়াৰ আৰ্হিৰ বা তেওঁলোকৰ ভূমিকাৰ দ্বাৰা প্ৰভাৱিত হোৱা আচৰণৰ ওপৰত তেওঁলোকৰ অভিৰুচি কেন্দ্ৰীভূত কৰে।”

পাৰ্কাৰ, ব্ৰাউন আৰু অন্যান্য ৰ মতে “অৰ্থনৈতিক উপপদ্ধতি আন উপপদ্ধতিসমূহৰ লগত কেনেকৈ জড়িত, এই উপপদ্ধতি বিশেষ কৰ্ম সংগঠন আৰু ভূমিকা সমূহৰ লগত কেনেকৈ সংৰচিত আৰু কেনেকৈ ব্যক্তিসকল এই ভূমিকা সমূহৰ বাবে উপযুক্ত হয় আদি বিষয়সমূহৰ লগত ঔদ্যোগিক সমাজতত্ত্ব সম্পৰ্কিত।” (“Industrial subsystem is related with other sub-systems, how the subsystem is structured in terms of particular work organization and roles and how persons fit into these roles.”)

জে, এইচ, স্মিথ (J.H. Smith) এ উল্লেখ কৰিছে যে “এটা সামাজিক পদ্ধতি হিচাবে উদ্যোগ (বা যিকোনো কৰ্ম সংগঠন)ৰ লগত যিবোৰ কাৰকে (প্ৰযুক্তিগত অৰ্থনৈতিক, ৰাজনৈতিক) ইয়াৰ সংৰচনা কাৰ্য আৰু পৰিৱৰ্তনৰ দিশক প্ৰভাৱিত কৰে, সেই বিষয়সমূহৰ লগত “ঔদ্যোগিক সমাজতত্ত্ব” বিষয়টো জড়িত।” (Industrial Sociology is concerned with industry (or any form of work organization) as a social system, including those factors (technical , economic, political) which affect the structure, the functions and the change in that system”)

মিলাৰ আৰু ফৰ্ম (Miller and Form) - এ এনেদৰে মন্তব্য কৰিছে যে “ঔদ্যোগিক সমাজতত্ত্ব হ'ল সাধাৰণ সমাজতত্ত্বৰ এক মৌলিক এলেকা যাক যথাৰ্থতে কৰ্ম সংগঠনৰ সমাজতত্ত্ব বা অৰ্থনৈতিক সমাজতত্ত্ব” (“Industrial sociology is a substantive area of general sociology which might more accunately be termed the sociology of work organization or sociology of economy.”)

### ১.২.২ ঔদ্যোগিক সমাজতত্ত্বৰ প্ৰকৃতি (Nature of Industrial Sociology)

আমি ইতিপূৰ্বে প্ৰস্তাৱনাত উল্লেখ কৰি আহিছো যে বৰ্তমান সমাজতত্ত্বৰ বিষয়টিত ঔদ্যোগিক সমাজতত্ত্বক এক গুৰুত্বপূৰ্ণ বিষয় হিচাপে গণ্য কৰা হৈছে। যিহেতু ঔদ্যোগিক সমাজতত্ত্বই উদ্যোগৰ সকলোবোৰ দিশৰ সম্পৰ্কে বিজ্ঞানসন্মতভাৱে অধ্যয়ন কৰে। অন্যহাতে ‘ঔদ্যোগিক সমাজতত্ত্বক অৰ্থনৈতিক সমাজতত্ত্ব'ৰ এটা দিশ হিচাপে আখ্যা দিব পাৰি। অৰ্থনৈতিক সমাজত্ত্বই অৰ্থনৈতিক বিষয়ৰ লগত মানুহৰ সামাজিক সম্বন্ধৰ আৰ্হি আৰু প্ৰক্ৰিয়াক সমাজতাত্ত্বিকভাৱে প্ৰয়োগ কৰে। যেনেদৰে ব্যক্তিগত আন্তঃক্ৰিয়া, সম্বন্ধ আৰু বিভিন্ন অৰ্থনৈতিক সংস্থাই অৰ্থনৈতিক লেনদেনক প্ৰভাৱিত কৰে।

প্ৰত্যেক বিজ্ঞানৰে একো একোটা নিজস্ব চৰিত্ৰ বা প্ৰকৃতি আছে। এই প্ৰকৃতি বা চৰিত্ৰৰ দ্বাৰাই কোনটো বিজ্ঞানৰ কেনেধৰণৰ, চিনিব পাৰি। ঔদ্যোগিক সমাজতত্ত্বৰ মানৱ সমাজৰ এক গুৰুত্বপূৰ্ণ সমাজ বিজ্ঞান হিচাপে গণ্য কৰা হয় আৰু এই বিজ্ঞানৰো কিছুমান বিশেষ প্ৰকৃতি বা চৰিত্ৰ পৰিলক্ষিত হয়। তলত ঔদ্যোগিক সমাজতত্ত্বৰ কিছুমান বিশেষ প্ৰকৃতি বা চৰিত্ৰ সম্পৰ্কে চমুকৈ ব্যাখ্যা কৰা হৈছে।

প্ৰথমতে বহু সমাজতত্ত্ববিদে ঔদ্যোগিক সমাজতত্ত্বক এক বিজ্ঞানধৰ্মী সমাজতত্ত্ব বিষয় হিচাপে অভিহিত কৰিছে। যিহেতু বিজ্ঞানে যিকোনো এটা বিষয়ৰ ওপৰত বিজ্ঞানসন্মত পদ্ধতি, বিজ্ঞানসন্মত জ্ঞান, নতুন-নতুন কলা কৌশল উদ্ভাৱন কৰি তাক বাস্তৱত ৰূপায়িত কৰাই হৈছে বিজ্ঞানৰ প্ৰধান উদ্দেশ্য। এই দৃষ্টিকোণৰ পৰা ক'বলৈ গ'লে ঔদ্যোগিক সমাজতত্ত্বয়ো একেবোৰ পদ্ধতি অৱলম্বন কৰে।

দ্বিতীয়তে, ঔদ্যোগিক সমাজতত্ত্বৰ অন্য এটা প্ৰধান প্ৰকৃতি হৈছে ঔদ্যোগিক সমাজতত্ত্বই সাংগঠনিক তথা উদ্যোগসমূহৰ লগত জড়িত হৈ থকা বিভিন্ন সংগঠন যেনে - আনুষ্ঠানিক আৰু অনানুষ্ঠানিক এই দুয়োটা সংগঠনৰ সাংগঠনিক কাৰ্য্যসমূহৰ বিষয়ে আলোচনা কৰে।

তৃতীয়তে, ঔদ্যোগিক সমাজতত্ত্বৰ অন্য এটা উল্লেখনীয় প্ৰকৃতি বা বৈশিষ্ট্য হৈছে ঔদ্যোগিক সমাজতত্ত্বই উদ্যোগৰ আনুষ্ঠানিক সংৰচনাক আমোলাতান্ত্ৰিক সংগঠন হিচাপে অধ্যয়ন কৰে। এনে আমোলাতান্ত্ৰিক সংগঠন সমূহত উদ্যোগ পৰিচালনা কৰিবৰ বাবে কিছুমান প্ৰশাসনীয় গোট, নিৰ্দ্দিষ্ট কাৰ্যপন্থা, নীতি-নিয়মাৱলী, সময়সূচী (Time schedule) আদি সন্নিৱিষ্ট হৈ থাকে আৰু এইবিলাকৰ জৰিয়তেই একোটা উদ্যোগ পৰিচালিত হৈ থাকে।

চতুৰ্থতে, ঔদ্যোগিক সমাজতত্ত্বই উদ্যোগৰ লগত জড়িত ঔদ্যোগিক সংঘাত (Industrial Conflict), আন্দোলন, ধৰ্মঘট (Strike) শ্ৰমিক সংগঠনৰ এক সামাজিক প্ৰক্ৰিয়া হিচাপে অধ্যয়ন কৰে। তাৰোপৰি উদ্যোগ বা কল-কাৰখানা (Factory) ত পৰিচালক, শ্ৰমিক, কাৰিকৰী ব্যক্তি বা অন্যান্য অভিযন্তাই তেওঁলোকৰ উৰ্দ্ধতম ব্যক্তিৰ আদেশ-নিৰ্দেশক্ৰমে কাম কৰিব লাগে, কাৰই ই আনুষ্ঠানিক সংগঠনৰ এক আদৰ্শ নিয়মাৱলীৰ ভিতৰত পৰে। সেয়েহে এনে ক্ষেত্ৰত কেতিয়াবা উৰ্দ্ধতম বা উচ্চতম কৰ্তৃপক্ষৰ প্ৰতি নিয়োজিত হৈ থকা কৰ্মচাৰীসকলৰ ভয়, ঘৃণা বা ভাল পোৱাৰ ভাব উদয় হয়। আনহাতে এই ক্ষেত্ৰত এইটো যুক্তিসংগত কাৰ্য বুলি বিবেচিত হ'ব যেতিয়া কৰ্মচাৰী বা শ্ৰমিকসকলে উচিত হাৰত মজুৰি লাভ কৰিছেনে নাই, সেই বিষয়ে অনুসন্ধান কৰি অধ্যয়ন কৰাটো ঔদ্যোগিক সমাজতত্ত্বৰ বাবে এক গুৰুত্বপূৰ্ণ বিষয়। ঔদ্যোগিক সমাজতত্ত্বই যুক্তিমূলক অনুসন্ধান প্ৰক্ৰিয়া (Process of Rational enquiry) ৰ দ্বাৰা অধ্যয়ন কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

পঞ্চমতে, ঔদ্যোগিক সমাজতত্ত্বৰ অন্য প্ৰধান চৰিত্ৰ বা প্ৰকৃতি হ'ল ই সাংগঠনিক আচৰণ (organisational behaviour) ৰ ওপৰত প্ৰতিষ্ঠিত, সেয়ে উদ্যোগৰ লগত সমাজৰ সম্বন্ধ আৰু কিছুমান বিশেষ অৱস্থাত 'মধ্যপ্ৰসাৰ তত্ত্ব' (Middle Range Theory) ক প্ৰয়োগ সাধন কৰিলে।

মানৱ সভ্যতা ক্ৰমবিকাশৰ লগে লগে সহজ সৰল সমাজৰ পৰা জটিল সমাজলৈ মানৱীয় শক্তিৰ পৰা যান্ত্ৰিক শক্তিলৈ পৰিৱৰ্তন হোৱাৰ ফলত যিকোনো বস্তু উৎপাদন পদ্ধতিত ব্যাপকতা পৰিসৰ আহি পৰিল। উদ্যোগসমূহ বিকাশ হোৱাৰ লগে লগে সমাজতত্ত্ববিদ সকলে আধুনিক ঔদ্যোগিক (Modern Industrial) ক্ষেত্ৰত বিভিন্ন কাৰ্যপন্থাত প্ৰধান সংস্থা সমূহৰ ভূমিকাৰ বিষয়ে অধ্যয়ন কৰিবলৈ প্ৰয়াস কৰে। তাৰোপৰি অৰ্থনীতি বিজ্ঞান আৰু মনোবিজ্ঞানৰ অধ্যয়নেও ঔদ্যোগিক সমাজতত্ত্ব বিকাশত বিশেষভাৱে অৰিহণআ যোগালে। ঔদ্যোগিক বিকাশৰ লগে লগে সমাজতত্ত্ববিদসকলে আধুনিক ঔদ্যোগিক ক্ষেত্ৰৰ কাৰ্যকৰণত ঔদ্যোগিক সংস্থাসমূহৰ ভূমিকাৰ বিষয়ে অধ্যয়ন কৰিবলৈ আৰু আগ্ৰহী হয়। ঔদ্যোগিক সমাজতত্ত্বৰ বিকাশৰ বিষয়ে তলত কেইটামান বিশেষ দিশৰ সম্পৰ্কে চমুকৈ আলোচনা কৰা হৈছে।

ঔদ্যোগিক সমাজতত্ত্ব বিকাশৰ ক্ষেত্ৰত অৰিহণা যোগোৱা এটা প্ৰধান দিশ হৈছে অষ্টাদশ শতিকাৰ প্ৰায় মাজ ভাগত ইংলেণ্ডত উদ্ভৱ হোৱা শিল্প বিপ্লৱ। এই 'শিল্প বিপ্লৱ' অৱধাৰণাটো বিখ্যাত ইংৰাজ ঐতিহাসিক আনল্ড টয়নবী (Arnold Toyanbee) য়ে পোনপ্ৰথমে ব্যৱহাৰ কৰিছিল। শিল্প বিপ্লৱে মানৱ সভ্যতাক ক্ষিপ্ৰ গতিত আগবঢ়াই নিয়াত বিশেষ অৰিহণা যোগাইছিল। ঔদ্যোগিক বিপ্লৱ এই দুয়োটাই ঊনবিংশ শতিকাৰ দুৱাৰ মুকলি কৰি এক নতুন যুগৰ সূচনা কৰিলে। শিল্প বিপ্লৱৰ এটা বিশেষ বৈশিষ্ট্য হৈছে ই এক অৰ্থনৈতিক বিল্পৱ। এই বিপ্লৱে নতুন-নতুন কাৰিকৰী (Technical) যন্ত্ৰৰ উদ্ভাৱনে অৰ্থনৈতিক উৎপাদন ক্ষেত্ৰত এক যুগান্তকাৰী পৰিৱৰ্তনৰ সূচনা কৰিলে।

শিল্প বিপ্লৱ পোনপ্ৰথমে ইংলেণ্ডতেই আৰম্ভ হৈছিল আৰু সেয়েহে ইংলেণ্ডবাসীয়ে ইয়াৰ সুফল ভোগ কৰিবলৈ সক্ষম হৈছিল। এই শিল্প বিপ্লৱৰ জৰিয়তে অৰ্থনৈতিক উৎপাদন পদ্ধতিত খৰতকীয়া আৰু গুণগত পৰিৱৰ্তনৰ সূচনা কৰে। শিল্প বিপ্লৱ বা উদ্যোগ বিপ্লৱৰ ফলশ্ৰুতিতেই বস্ত্ৰ আৰু বয়ন শিল্প, কয়লা, লো, কৃষি, পৰিবহণ আদি বিভিন্ন দিশত নতুন নতুন বস্তু প্ৰয়োগ আৰু আৱিস্কাৰ কৰা হ'ল। এই উদ্ভাৱনবিলাকে অৰ্থনৈতিক আৰু ঔদ্যোগিক ক্ষেত্ৰখনক দ্ৰুত গতিত পৰিৱৰ্তনৰ সূচনা কৰিলে। ইংলেণ্ডত শিল্প বিপ্লৱৰ সূচনা হৈছিল বস্ত্ৰ আৰু বয়ন শিল্পৰ ওপৰত ভিত্তি

কৰি। এই বস্ত্ৰ আৰু বয়ন শিল্প সম্বন্ধীয় কেইজনমান বিখ্যাত আৱিস্কাৰকৰ নাম হৈছে - স্পিনিং জেনী, ৰিচার্ড আৰ্কৰাইট (Richard Arkwright), জেমছ হাৰগ্ৰীভ্‌ছ (James Hargreves), ৱাটাৰ ফ্ৰেম' ছেমুৱেল ক্ৰমটন (Samuel Crompton), স্পিনিং মিৰ্ডল, জন কেৰ (John Key), উৰণীয়া মাকো উদ্ভাৱক এডমাণ্ড কাৰ্টৰাইট (Edmund Cartwright) 'শক্তিশালী তাঁতশাল' (Power loom) আদি উল্লেখযোগ্য।

এইদৰে ঔদ্যোগিক বা শিল্প বিপ্লৱৰ ফলস্বৰূপে কিছুমান খনিজাত শিল্প উৎপাদনৰ ক্ষেত্ৰতো নতুন-নতুন যন্ত্ৰ (Machine) আৱিস্কাৰ হ'ল। এই ক্ষেত্ৰত ইংলেণ্ডৰ বিজ্ঞানীসকলে বা খৰিৰ পৰিৱৰ্তে ইন্ধন হিচাপে কয়লা আৱিস্কাৰ কৰি এক যুগান্তকাৰী পৰিৱৰ্তনৰ সূচনা কৰে।

ইয়োৰোপৰি জেমছ ৱাটে আৱিস্কাৰ কৰা 'ষ্টীম ইঞ্জিন'ৰ দ্বাৰা কয়লা উৎপাদন কৰাৰ ক্ষেত্ৰত বিশেষ সহায় কৰিলে।

হামফ্ৰি ডেভিয়ে আৱিস্কাৰ কৰা 'ছেফটি লেম্প (Safty Lamp) বা নিৰাপদ চাকিয়ে কয়লাখনিৰ গভীৰ আৰু অন্ধকাৰ নাদত সোমাই কাম সম্পাদন কৰাৰ ক্ষেত্ৰত বিশেষভাৱে সুবিধা প্ৰদান কৰিছিলে।

ঔদ্যোগিক শিল্প বিপ্লৱে যাতায়ত আৰু যোগাযোগ ক্ষেত্ৰতো পৰিৱৰ্তনৰ সূচনা কৰিলে যাৰ ফলত উন্নত ৰাস্তা-ঘাট আৰু দ্ৰুতগতিত চলা যান-বাহনৰ আৱিস্কাৰ হ'ল। এই ক্ষেত্ৰত বহু বিজ্ঞানীয়ে কিছুমান গুৰুত্বপূৰ্ণ যান-বাহন আৱিস্কাৰ কৰি ঔদ্যোগিক ক্ষেত্ৰখনক উন্নয়ন বা বিকাশৰ ক্ষেত্ৰত বিশেষ বৰঙণি আগবঢ়াইছিল। এই সকলৰ ভিতৰত জন মেকাডাম (John Macadam), আৰু টেলিফৰ্ড (Teleford) এ পকা আলি তৈয়াৰ কৰা কৌশল উদ্ভাৱন কৰিলে। খ্ৰীষ্টাব্দত বিখ্যাত বিজ্ঞানী ৰবাৰ্ট ফ্লুটনে (Robert Fluiton) 'ভাপ জাহাজ' আৱিস্কাৰ কৰিলে। ইয়াৰ উপৰিও যান-বাহন নিৰ্মাণৰ ক্ষেত্ৰত এক নতুন যুগৰ অধ্যায়ৰ পাতনি মেলা জৰ্জ ষ্টিফেনচ (George Stephenson) নামৰ বিজ্ঞানীজনে বাষ্পচালিত ৰেল ইঞ্জিন নিৰ্মাণ কৰি যাতায়ত আৰু যোগাযোগ ব্যৱস্থাক উন্নত কৰিলে। এইদৰে ইংলেণ্ডত উদ্ভৱ হোৱা শিল্প বিপ্লৱে সমগ্ৰ বিশ্বতেই বৃহৎ বৃহৎ উদ্যোগ স্থাপন কৰাত সহায় কৰিলে। বৃহৎ বৃহৎ উদ্যোগ জন্ম বা স্থাপন হোৱাৰ লগে লগে উদ্যোগ সমূহত বিভিন্ন দ্ৰব্য সামগ্ৰী উৎপাদন কৰা হ'ল। নতুন-নতুন উদ্যোগ স্থাপনে ঔদ্যোগিক সমাজ স্থাপন কৰাৰ পৰিপ্ৰেক্ষিতত উদ্যোগ আৰু ঔদ্যোগিক সমাজৰ সমস্যা সমূহৰ ওপৰত বিভিন্ন সমাজ দাৰ্শনিক আৰু অৰ্থনীতিবিদসকলে ঔদ্যোগিক সমাজৰ বিভিন্ন সমস্যাসমূহ সমাধান কৰিবৰ বাবে চিন্তা-চৰ্চা কৰিবলৈ ধৰিলে।

ঔদ্যোগিক সমাজতত্ত্ব বিকাশত বৰঙণি যোগোৱা মুখ্য ব্যক্তিজন হ'ল এলটন মেয় (Elton Mayo) যাক ঔদ্যোগিক সমাজতত্ত্বৰ পিতৃ হিচাবে গণ্য কৰা হয়। আচলতে এলটন মেয় এজন প্ৰকৃত সমাজতত্ত্ববিদ নাছিল যদিও তেওঁ ঔদ্যোগিক

সমাজতত্ত্বৰ ওপৰত অধ্যয়ন আৰু গৱেষণা কাৰ্য্য চলোৱাৰ বাবেই তেওঁক ঔদ্যোগিক সমাজতত্ত্বৰ (Father of Industrial Sociology) পিতৃ বুলি অভিহিত কৰা হয়। ঔদ্যেগিক সমাজতত্ত্বৰ জন্ম তথা বিকাশৰ ইতিহাসৰ পাতনি (Historical Background) এলটন মেয়ই তেওঁৰ সহকৰ্মী সকলৰ লগত ১৯২৪ চনৰ পৰা ১৯৩২ চনৰ সময়ছোৱাত চিকাগোত সমাপণ কৰা 'হথ্রন পৰীক্ষা বা 'Howthrone works of experiment' বুলি জনা যায়। এই হ'থ্রনৰ পৰীক্ষাই ঔদ্যোগৰ ক্ষেত্ৰত মানৰ সম্পৰ্কৰ অধ্যয়ন সম্পৰ্কীয় দিশ উন্মোচন কৰাত সহায় কৰিলে।

ঔদ্যোগিক সমাজতত্ত্ব বিকাশত অৰিহণা যোগোৱা অন্য এজন বিশিষ্ট সমাজতত্ত্ববিদ হৈছে জাৰ্মানীৰ মে' ৱেবাৰ। মে' ৱেবাৰে প্ৰধানকৈ "আমোলাতন্ত্ৰ"ৰ ওপৰত অধ্যয়ন কৰিছিল। তেওঁৰ মতে উদ্যোগ আৰু ঔদ্যোগিক সংগঠনৰ লগত আমোলাতন্ত্ৰ (Bureaucracy) ৰ এক নিবিড় সম্পৰ্ক জড়িত হৈ আছে। উদ্যোগসমূহৰ সৰ্বাঙ্গীন সফলতা তথা উন্নতি নিৰ্ভৰ কৰে আমোলাসকলৰ জ্ঞান বুদ্ধি আৰু পাৰদৰ্শিতাৰ ওপৰত। সেয়েহে ঔদ্যোগিক সমাজতত্ত্বৰ বাবে ঔদ্যোগিক আমোলাতন্ত্ৰৰ অধ্যয়নৰ বিশেষ প্ৰয়োজন আছে। ওপৰৰ আলোচনাৰ পৰা দেখা গ'ল যে বিশিষ্ট সমাজতত্ত্ববিদসকলৰ অনবদ্য অধ্যয়নৰ প্ৰচেষ্টা, বিভিন্ন সামাজিক সংগঠন, সামাজিক আন্দোলন, শিল্প বিপ্লৱ, বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ উন্নতিয়ে ঔদ্যোগিক সমাজতত্ত্ব বিকাশৰ ক্ষেত্ৰত এক অভূতপূৰ্ব বৰঙণি আগবঢ়ালে।

**১.২.৪ প্ৰাক-ঔদ্যোগিক সমাজৰ প্ৰকৃতি বা চৰিত্ৰ (Nature of Pre Industrial Society) :**

সময় আৰু উন্নতিৰ মাপৰ ওপৰত ভিত্তি কৰি সমাজক প্ৰধানকৈ দুটা ভাগত ভাগ কৰা হৈছে আৰু এই ভাগ দুটা হৈছে, প্ৰাক ঔদ্যোগিক আৰু ঔদ্যোগিক সমাজ। তোমালোকক এই গোটটিত প্ৰাক ঔদ্যোগিক সমাজ আৰু ঔদ্যোগিক সমাজৰ প্ৰকৃতি সম্পৰ্কে অৱগত কৰা হ'ব।

সাধাৰণতে আধুনিক উদ্যোগ বা কল কাৰখানা সৃষ্টিৰ পূৰ্বৰ অৱস্থাৰ সমাজখনকেই প্ৰাক্ ঔদ্যোগিক সমাজ বুলি কোৱা হয়। প্ৰাক্ ঔদ্যোগিক সমাজৰ অধিক সংখ্যক মানুহেই প্ৰধানকৈ প্ৰাথমিক উৎপাদন (Primary Production) আৰু প্ৰাথমিক বৃত্তিৰ লগত জড়িত হৈ থাকে। যেনে - কৃষি, বনানীকৰণ, মীন, শিল্প, পোহনীয়া জীৱ-জন্তু পোহপালন, ঘৰুৱা শিল্পৰ লগত জড়িত থকাৰ লগতে ব্যক্তিসকলে কৰ্ম সম্পাদনৰ বাবে ঘাইকৈ মানৱ শক্তিৰ ওপৰত অধিক নিৰ্ভৰশীল কৰে কিছুমান কাম বাঁহ-বেত আৰু জীৱ-জন্তুক কৃষি কৰ্মত নিয়োজিত কৰে। প্ৰাক ঔদ্যোগিক সমাজৰ প্ৰকৃতিৰ সম্পৰ্কে জানিবলৈ বা বুজিবলৈ হ'লে ইয়াৰ কিছুমান বৈশিষ্ট্য উল্লেখ কৰাতো অতি প্ৰয়োজন। এই বৈশিষ্ট্যসমূহ তলত চমুকৈ আলোচনা কৰা হৈছে।

**১) প্ৰাথমিক উৎপাদন ব্যৱস্থা (Primary Production System)**

প্ৰাক্ ঔদ্যোগিক সমাজৰ এটা প্ৰধান বৈশিষ্ট্য হ'ল সমাজৰ ব্যক্তিসকল প্ৰাথমিক উৎপাদন ব্যৱস্থাৰ লগত জড়িত থাকে, অৰ্থাৎ তেওঁলোকৰ জীৱন নিৰ্বাহৰ উপায় হৈছে কৃষিভিত্তিক অৰ্থনীতি। এই সমাজৰ ব্যক্তিসকলৰ অৰ্থনৈতিক জীৱন কৃষি, পশুপালন, চিকাৰ ইত্যাদিৰ ওপৰত নিৰ্ভৰশীল। অন্যহাতে ঘৰুৱা কুটীৰ শিল্পকো তেওঁলোকে বৃত্তি হিচাবে অৱলম্বন কৰে।

**২) সৰল জীৱন যাপন (Simple Living) ঃ**

প্ৰাক্ ঔদ্যোগিক সমাজৰ অন্য এটা বৈশিষ্ট্য হৈছে মানুহৰ জীৱন-যাপন পদ্ধতি অতি সহজ-সৰল আৰু কম বৈচিত্ৰতা। এনে সমাজৰ ব্যক্তিসকলে পুৱাৰ পৰা গধূলিলৈকে ঘৰুৱা কাম-কাজত ব্যস্ত হৈ পৰিয়ালৰ সদস্যসকলৰ সৈতে কেৱল খাই-বৈ জীয়াই থাকিবৰ বাবে শাৰিৰীক পৰিশ্ৰম কৰিবলগীয়া হয়। প্ৰকৃতিৰ বিভিন্ন অৱদানবিলাকৰ ওপৰত নিৰ্ভৰ কৰি এক সাধাৰণ জীৱন নিৰ্বাহৰ কথাহে চিন্তা কৰে।

**৩) উৎপাদন পদ্ধতিত মানৱীয় শক্তি ব্যৱহাৰ (Use of Mannual force in Production Systems) ঃ**

উৎপাদন পদ্ধতিত মানৱীয় শক্তি প্ৰয়োগ কৰাই হৈছে প্ৰাক্ ঔদ্যোগিক সমাজৰ এটা অন্যতম বৈশিষ্ট্য। এনে সমাজত আধুনিক যান্ত্ৰিক (Mechanical) শক্তি ব্যৱহাৰ নকৰি মানুহৰ শাৰীৰিক শক্তিৰে যিকোনো বস্তু উৎপাদন বা সম্পাদন কৰা হয়। যেনে- মানৱ দেহৰ বিভিন্ন অংগৰ দ্বাৰা তৈয়াৰ কৰা ব্যৱহৃত সঁজুলি আৰু সাধাৰণ সঁজুলি যেনে- দা, কুঠাৰ, কোৰ, নাঙল, জুঁৱলী, ধেনু-কাঁড়, জৱকা, মৈ ইত্যাদি। গতিকে প্ৰাক্ ঔদ্যোগিক সমাজত যন্ত্ৰচালিত শক্তি ব্যৱহাৰতকৈ মানৱীয় শক্তিৰ ওপৰত অধিক গুৰুত্ব দিয়া হয়।

**৪) প্ৰকৃতিৰ ওপৰত নিৰ্ভৰশীল (Depend upon on nature) ঃ**

প্ৰাক্ ঔদ্যোগিক সমাজৰ অন্য এটা প্ৰধান বৈশিষ্ট্য হৈছে যিকোনো ঘৰুৱা কাৰ্য্য উৎপাদন প্ৰক্ৰিয়া আৰু অৰ্থনৈতিক অৱস্থাসমূহ প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰে। মানুহে জীয়াই থাকিবৰ বাবে, ৰ'দ, বতাহ, বৰষুণ সূৰ্য্যৰ তাপ, শীত আদিৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়। অন্যহাতে অৰ্থনৈতিক অৱস্থা উন্নত হ'বলৈ হ'লে প্ৰাকৃতিক অৱস্থা অনুকূল হ'ব লাগিব। প্ৰাক্ ঔদ্যোগিক সমাজত মানুহে এই প্ৰাকৃতিক অৱস্থাৰ ওপৰতেই তেওঁলোকৰ কৃষি কাৰ্য্য আৰু ঘৰুৱা বিভিন্ন কাৰ্য সম্পাদন কৰিব লাগে।

উদাহৰণস্বৰূপে ধান ৰুবৰ কাৰণে প্ৰকৃতিৰ বৰষুণৰ ওপৰত নিৰ্ভৰ কৰিব লাগে বা ধান শস্য আৰু অন্যান্য অত্যাৱশ্যকীয় শস্য শুকোৱাবৰ বাবে এই সমাজত ব্যক্তি সকলক বয়স, ধৰ্মীয়, ভূমিপতি (Land-Lord), অৰ্থনৈতিকভাৱে ক্ষমতাশালী ব্যক্তিসকলৰ স্থান উচ্চ মৰ্যাদাসম্পন্ন প্ৰস্থিতি হিচাবে গণ্য কৰা হৈছিল। এনে ক্ষেত্ৰত এজন ব্যক্তিৰ প্ৰস্থিতি বা সামাজিক স্থান জন্মসূত্ৰে লাভ কৰে আৰু এই প্ৰস্থিতি মৃত্যু পৰ্যন্ত চলি থাকে।

**৫) সীমিত বৃত্তি গতিশীলতা (Limited occupation Mobility) ঃ** সীমিত বৃত্তি গতিশীলতা প্ৰাক ঔদ্যোগিক সমাজৰ অন্য এটা প্ৰধান বৈশিষ্ট্য। এনে সমাজত সাধাৰণতে ব্যক্তিয়ে কেৱল দুই এটা বৃত্তি অৱলম্বন কৰিবলগীয়া হয় আৰু তাতেই সন্তুষ্ট থাকিবলগীয়া হয়। এনে সমাজৰ প্ৰধান বৃত্তি হ'ল কৃষি। প্ৰাক ঔদ্যোগিক সমাজৰ ব্যক্তিসকলে তেওঁলোকৰ পৰম্পৰা অনুসৰি নিজস্ব বৃত্তিতেই সীমাবদ্ধ থাকিব লগা হয়। এটা জাতিয়ে নিজৰ জাতিৰ বৃত্তিৰ বাহিৰে অন্য বৃত্তি অৱলম্বন বা গ্ৰহণ কৰিব নোৱাৰে।

ওপৰত প্ৰাক ঔদ্যোগিক সমাজৰ বৈশিষ্ট্য বা প্ৰকৃতিৰ সম্পৰ্কে আলোচনা কৰিলোহঁক। এই প্ৰকৃতি বা চৰিত্ৰ বিলাকৰ উপৰিও অন্য কিছুমান বৈশিষ্ট্যও পৰিলক্ষিত হয় যেনে - নিম্ন স্বাস্থ্য, সীমিত নগৰীয়া জনসাধাৰণ, কাৰিকৰী শিক্ষাৰ অভাৱ, হস্তনিৰ্মিত উৎপাদন কেন্দ্ৰ, অধিক একতাৰ মনোভাৱ, সাদৃশ্যতা ইত্যাদি।

**১.২.৫. ঔদ্যোগিক সমাজৰ প্ৰকৃতি বা চৰিত্ৰ (Nature of Industrial Society) ঃ**

ঔদ্যোগিক সমাজতত্ত্বৰ পাঠ্যক্ৰমখনিত অৰ্ন্তভুক্ত থকা অন্য এটা গুৰুত্বপূৰ্ণ অধ্যয়নৰ বিষয়বস্তু হৈছে 'ঔদ্যোগিক সমাজ'। প্ৰকৃততে ক'বলৈ গ'লে প্ৰাক্ ঔদ্যোগিক সমাজৰ ৰূপান্তৰিত বা পৰিৱৰ্তিত সমাজখনেই হ'ল ঔদ্যোগিক সমাজ। অন্য কথাত ক'বলৈ গ'লে উদ্যোগীকৰণৰ ফলশ্ৰুতিত বা পৰিণতিত গঢ়ি উঠা আধুনিক সমাজখনেই হৈছে ঔদ্যোগিক সমাজ। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ফলস্বৰূপে বিভিন্ন কল-কাৰখানা, উৎপাদনত নতুন নতুন কলা কৌশলৰ ব্যৱহাৰ, শ্ৰম বিভাজন (Division of labour), উন্নত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ প্ৰয়োগ, বিভিন্ন ব্যৱসায়-বাণিজ্য,প্ৰতিষ্ঠান স্থাপন আৰু মানৱীয় শক্তি (Mannual Forces) ৰ পৰিৱৰ্তে যন্ত্ৰচালিত শক্তি ব্যৱহাৰ কৰা সমাজকেই ঔদ্যোগিক সমাজ বোলা হয়। ই এক জটিল সমাজ। তদুপৰি এনে সমাজত উৎপাদন কৰিবৰ বাবে বিশেষীকৰণ (Specialization) আৰু শ্ৰম বিভাজনৰ প্ৰয়োজন হয়। ঔদ্যোগিক সমাজৰ ব্যক্তিসকল যুক্তিবাদী চিন্তাধাৰা আৰু সামাজিক গতিশীলতাৰ দিশত প্ৰাক্ ঔদ্যোগিক সমাজতকৈ অধিক আগবঢ়া। এইখিনিতে তোমালোকক ঔদ্যোগিক সমাজৰ কিছুমান গুৰুত্বপূৰ্ণ প্ৰকৃতি বা বৈশিষ্ট্যৰ বিষয়ে অৱগত কৰিম।

**১) বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ প্ৰভাৰ (Impact of science and Technology) ঃ**

ঔদ্যোগিক সমাজৰ প্ৰথম আৰু প্ৰধান চৰিত্ৰ হৈছে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰা। যিহেতু যিকোনো উৎপাদন পদ্ধতিত মানৱীয় শক্তিৰ বিপৰীতে বা সলনি যান্ত্ৰিক শক্তি প্ৰয়োগ কৰা হয়। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা কৌশলগত পদ্ধতি অৱলম্বন কৰাৰ বাবে ইয়াত উন্নতমানৰ উৎপাদন আৰু যিকোনো কাম সহজেই সম্পন্ন কৰিব পাৰি।

ঔদ্যোগিক সমাজত সাধাৰণতে উৎপাদনৰ সকলো কাৰ্য্য বিজ্ঞান আৰু প্ৰযুক্তিগত সা-সৰঞ্জাম ব্যৱহাৰ কৰা হয়। এনে ক্ষেত্ৰত যন্ত্ৰচালিত শক্তি প্ৰয়োগ কৰাৰ লগে লগে এনে ক্ষেত্ৰত যন্ত্ৰচালিত শক্তি প্ৰয়োগ কৰাৰ লগে লগে কম সময়ৰ ভিতৰত অধিক সংখ্যক বস্তু বা সামগ্ৰী (Material) উৎপাদন কৰা হয় আৰু উৎপাদন বৃদ্ধি পোৱাৰ লগে লগেই ব্যক্তিৰ জীৱন ধাৰণৰ মানদণ্ডও উন্নত হয়। তদুপৰি মানুহৰ শাৰীৰিক পৰিশ্ৰম (Physical Labour) বহু পৰিমাণে লাঘৱ হয়।

**২) আধুনিক পৰিয়ালৰ ওপৰত গুৰুত্ব (Importance on Modern family) ঃ**

ঔদ্যোগিক সমাজৰ অন্য এটা গুৰুত্বপূৰ্ণ চৰিত্ৰ বা প্ৰকৃতি হৈছে, এই সমাজৰ ব্যক্তিসকলে আধুনিক তথা একক পৰিয়ালৰ ওপৰত গুৰুত্ব দিয়ে। ইয়াত যুটীয়া পৰিয়ালক গুৰুত্ব দিয়া নহয়। এনে পৰিয়ালে সমাজলৈ সুস্থিৰ পৰিৱেশ, শিক্ষা গ্ৰহণত, আয় বৃদ্ধি, সামাজিক বাতাবৰণ, সুস্থ স্বাস্থ্য কঢ়িয়াই অনাত বিশেষভাৱে সহায় কৰে। এনে সমাজত ব্যক্তিসকলে এক সুন্দৰ পৰিৱেশ গঢ়ি উঠাৰ লগতে পৰ্য্যাপ্ত পৰিমাণৰ অৰ্থ উপাৰ্জন আৰু ল'ৰা-ছোৱালীক পোহপাল দিয়াৰ কথা চিন্তা কৰে। সেয়েহে আধুনিক পৰিয়ালক ঔদ্যোগিক সমাজত এক আদৰ্শ পৰিয়াল হিচাপে গণ্য ৰৰা হয়।

**৩) বিভিন্ন বৃত্তিৰ ওপৰত নিৰ্ভৰ (Depend on different occupations) ঃ**

ঔদ্যোগিক সমাজৰ অন্য এটা প্ৰধান প্ৰকৃতি হ'ল ইয়াত ব্যক্তিসকলে বিভিন্ন বৃত্তিৰ ওপৰত ভিত্তি কৰি জীৱন নিৰ্বাহ কৰে। সাধাৰণতে এই সমাজত ব্যক্তিসকলে কৃষিৰ ওপৰত নিৰ্ভৰশীল নহয়। ইয়াত ব্যক্তিসকলে ভিন ভিন বৃত্তি অৱলম্বন কৰি কৰে আৰু অৰ্থ উপাৰ্জন কৰি জীৱন নিৰ্বাহ কৰে। সাধাৰণতে এনে সমাজত প্ৰধানকৈ দুটা বৃত্তিত নিয়োজিত হৈ থাকে যেনে - দ্বিতীয়ক বৃত্তি (Secondary occupation) , যিসকলে ব্যৱসায়-বাণিজ্য, মিস্ত্ৰী, দৰ্জী, দোকানী, গাড়ী চালক ইত্যাদি বৃত্তিত নিয়োজিত হৈ থাকে। অন্যহাতে তৃতীয় শ্ৰেণী বৃত্তি (Tertiarry occupation), যিসকলে চৰকাৰী বা অন্যান্য কোনো উচ্চপদস্থ অনুষ্ঠান-প্ৰতিষ্ঠান আদি পদত নিয়োজিত হৈ থাকে। গতিকে এনে প্ৰকাৰৰ সমাজত ব্যক্তিয়ে ভিন ভিন কৰ্মত বা বৃত্তিত জড়িত হৈ জীৱন নিৰ্বাহ কৰি থাকে।

**৪) স্ব-লব্ধ প্ৰস্থিতিৰ অগ্ৰাধিকাৰ (Preference of Achieved status) ঃ**

ঔদ্যোগিক সমাজত বিশেষকৈ ব্যক্তিৰ প্ৰস্থিতি জন্মৰ ওপৰত নিৰ্ধাৰিত বা প্ৰতিষ্ঠিত নহয়। এনে সমাজত ব্যক্তিয়ে প্ৰস্থিতি লাভ কৰে নিজৰ শিক্ষাগত যোগ্যতা, অৰ্হতা আৰু নিজৰ পাৰদৰ্শিতাৰ ওপৰত। এই সমাজৰ ব্যক্তিসকলে শিক্ষা আৰু কাৰিকৰী জ্ঞান Technical knowledge) ৰ দ্বাৰা নিজৰ প্ৰস্থিতি আহৰণ কৰে। উদাহৰণস্বৰূপে এজন দৰিদ্ৰ পৰিয়ালৰ ব্যক্তিয়ে নিজৰ শিক্ষাগত অৰ্হতা (Educational Qualification) , ব্যক্তিগত কৰ্মদক্ষতাৰ ওপৰত নিৰ্ভৰ কৰি এখন মহাবিদ্যালয়ৰ অধ্যক্ষ পদতো অধিষ্ঠিত হ'ব পাৰে বা অধ্যক্ষ পদ লাভ কৰিব পাৰে। এনেদৰে এখন নগৰ বা চহৰৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানসমূহত নিয়োজিত হৈ থকা কৰ্মচাৰীসকলে স্ব-লব্ধ প্ৰস্থিতিৰ জৰিয়তে যিকোনো প্ৰস্থিতি লাভ কৰিব পাৰে। ইয়াত বংশানুক্ৰমিক বা জন্ম-লব্ধ (Ascribed) প্ৰস্থিতিৰ দ্বাৰা সামাজিক প্ৰস্থিতি নিৰ্ণয় কৰা নহয়।

**৫) জটিল শ্ৰম বিভাজন (Complex Division of Labour) ঃ**

জটিল শ্ৰম বিভাজন হৈছে ঔদ্যোগিক সমাজৰ অন্য এটা উল্লেখযোগ্য বৈশিষ্ট্য। সাধাৰণতে এনে সমাজত বৃত্তি ভিন্নতা হোৱাৰ বাবে প্ৰতিটো কামতে বিশেষ

# গোট - ২ (Unit -2)

## ঔদ্যোগিকৰণ (Industrialization)

**গঠন বিন্যাস ঃ**

২.০ উদ্দেশ্য

২.১ প্ৰস্তাৱনা

২.২ উদ্যোগীকৰণৰ অৰ্থ

২.২.১ ঔদ্যোগীকৰণৰ সংজ্ঞা

২.২.২ ঔদ্যোগীকৰণৰ বৈশিষ্ট্যসমূহ

২.২.৩ ঔদ্যোগীকৰণৰ কাৰকসমূহ

২.২.৪ ঔদ্যোগীকৰণৰ পৰিণাম/ ফলাফল

আত্মমূল্যায়নৰ প্ৰশ্ন

২.৩ সামৰণি

১. প্ৰধান শব্দসমূহ

২. পাঠ্য নিৰ্দেশনা

৩. আত্ম মূল্যায়ন প্ৰশ্নৰ উত্তৰ

৪. আৰ্হি প্ৰশ্ন

৫. প্ৰসঙ্গ পুথি

**২.০ উদ্দেশ্য (Objectives) ঃ**

'ঔদ্যোগিক সমাজতত্ত্বৰ আৰু শ্ৰমিক কল্যাণ' পাঠ্যক্ৰমখনিত উদ্যোগীকৰণৰ লগত জড়িত হৈ থকা বিভিন্ন বিষয়সমূহৰ সম্পৰ্কে আলোচনা কৰা হৈছে। এই গোটটি পঢ়াৰ পাছত তোমালোকে -

১) ঔদ্যোগীকৰণৰ প্ৰাথমিক ধাৰণা আৰু অৰ্থ সম্পৰ্কে ব্যাখ্যা দাঙি ধৰিব পাৰিবা।

২) ঔদ্যোগীকৰণৰ সংজ্ঞা সম্পৰ্কত বিভিন্ন সমাজ দাৰ্শনিকসকলে আগবঢ়োৱা সংজ্ঞাসমূহক বিশ্লেষণ কৰিব পাৰিবা।

৩) উক্ত গোটটিৰ জৰিয়তে উদ্যোগীকৰণ গঢ় লৈ উঠা বা উদ্যোগীকৰণৰ ক্ষেত্ৰত সহায় কৰা বিভিন্ন কাৰকসমূহৰ বিষয়ে বৰ্ণনা কৰিব পাৰিবা।

৪) এই গোটটিৰ সহায়ত উদ্যোগীকৰণে মানৰ সমাজত কেনেদৰে পৰিৱৰ্তন আনিছে সেই বিষয়ে ব্যাখ্যা কৰিব পাৰিবা।

৫) এই পাঠটিত ঔদ্যোগীকৰণৰ বৈশিষ্ট্য সম্পৰ্কে বৰ্ণনা কৰিব পাৰিবা।

**২.১ প্ৰস্তাৱনা (Introduction) ঃ**

ঔদ্যোগিক সমাজতত্ত্বৰ ১ নম্বৰ খণ্ডৰ ২ ৰ গোটটিত অন্তৰ্ভূক্ত কৰা ঔদ্যোগীকৰণ' অৱধাৰণাটিৰ সম্পৰ্কে আলোচনা কৰাটো ‘ঔদ্যোগিক সমাজতত্ত্ব'ৰ বাবে এক প্ৰধান বিষয় হিচাবে গণ্য কৰা হৈছে। যিহেতু ঔদ্যোগীকৰণ প্ৰক্ৰিয়াৰ অবিহনে ঔদ্যোগিক সমাজতত্ত্বক অধ্যয়ন কৰাটো অসম্ভৱ। কাৰণ উদ্যোগীকৰণৰ ফলস্বৰূপেই ঔদ্যোগিক সমাজতত্ত্বৰ বিকাশ সাধন হয়। বৰ্তমান বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ উন্নতিৰ ফলতেই উদ্যোগীকৰণ প্ৰক্ৰিয়া গঢ়ি উঠিছে। তোমালোকে দৈনন্দিন জীৱনত যিবোৰ কাৰ্য সম্পাদন কৰিছা সেই সকলোবোৰ কাৰ্য্য সম্ভৱ হৈছে কেৱল ঔদ্যোগীকৰণ প্ৰক্ৰিয়াৰ জৰিয়তে। দোকান-বজাৰ, ৰাস্তা-ঘাট নিৰ্মাণ, ব্যৱসায়-বাণিজ্য , সুচল যোগাযোগ ব্যৱস্থা, লো-তীখাৰ কাৰখানা, বাণিজ্যিক অৰ্থনীতি, উৎপাদন পদ্ধতিৰ নতুনত্ব, উৎপাদিত খাদ্য সামগ্ৰী, বিভিন্ন যান্ত্ৰিক শক্তি ব্যৱহাৰৰ লগত যন্ত্ৰপাতি আৱিস্কাৰ আৰু প্ৰয়োগ এই সকলোবোৰ উদ্ভাৱন আৰু পৰিচালনাৰ গুৰিতেই আছে ঔদ্যোগীকৰণ প্ৰক্ৰিয়া। অন্যহাতে সামাজিক পৰিৱৰ্তনৰ ক্ষেত্ৰত ঔদ্যোগীকৰণক' এক শক্তিশালী কাৰক হিচাবেও গণ্য কৰা হয়। ঔদ্যোগীকৰণে মানুহৰ জীৱন-নিৰ্বাহৰ শৈলী পৰিৱৰ্তন কৰাৰ লগতে জীৱন যাপনৰ মানদণ্ডৰ ক্ষেত্ৰতো বিশেষ পৰিৱৰ্তন সাধন কৰে। ফলত মানুহৰ মানসিক দিশতো পৰিৱৰ্তন ঘটে। সেয়ে এই গোটটিত তোমালোকক ঔদ্যোগীকৰণৰ অৰ্থ, সংজ্ঞা, বৈশিষ্ট্য, কাৰক আৰু ইয়াৰ পৰিণাম তথা ফলাফল সম্পৰ্কে কিছু ব্যাখ্যা দাঙি ধৰিম যাৰ জৰিয়তে তোমালোকে ঔদ্যোগীকৰণৰ আটাইকেইটা বিষয় সম্পৰ্কে ভালকৈ জ্ঞান আহৰণ কৰিব পাৰিবা।

**২.২ ঔদ্যোগীকৰণৰ অৰ্থ (Meaning of Industrialization) ঃ**

ঔদ্যোগীকৰণক সামাজিক পৰিৱৰ্তনৰ এক শক্তিশালী কাৰক বুলি কোৱা হয়। ভাৰতীয় সমাজ পৰিৱৰ্তনৰ ক্ষেত্ৰত ঔদ্যোগীকৰণ প্ৰক্ৰিয়াই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। সাধাৰণতে উৎপাদন প্ৰক্ৰিয়াত ব্যৱস্থাত যান্ত্ৰিক শক্তিৰ সু-নিয়ন্ত্ৰিত ব্যৱহাৰ প্ৰক্ৰিয়াকে উদ্যোগীকৰণ হিচাবে গণ্য কৰা হয়। এই দৃষ্টিকোণৰ পৰা ক'বলৈ গ'লে, একোটা নিৰ্দিষ্ট অঞ্চলত ভিন্ন প্ৰকৃতিৰ সৰু ডাঙৰ কল-কাৰখানা প্ৰতিষ্ঠা কৰাৰ পৰিপ্ৰেক্ষিততেই ঔদ্যোগীকৰণৰ সূত্ৰপাত হয়। সাধাৰণ অৰ্থত উদ্যোগীকৰণ বুলিলে এখন ঠাইৰ উৎপাদন পদ্ধতিসমূহ সম্পূৰ্ণ ৰূপে কিছুমান উদ্যোগৰ ওপৰত নিৰ্ভৰশীল হোৱাকে বুজায়। অন্য ভাষাত ক'বলৈ গ'লে উদ্যোগ

ব্যৱস্থাৰ সম্প্ৰসাৰণ প্ৰক্ৰিয়াকেই উদ্যোগীকৰণ বোলা হয়। বিভিন্ন উদ্যোগ প্ৰতিষ্ঠান গঢ় লৈ উঠাৰ পৰিপ্ৰেক্ষিতত সমাজত বিভিন্ন দিশত পৰিৱৰ্তন হ'বলৈ আৰম্ভ কৰে আৰু সেই উদ্যোগসমূহক কেন্দ্ৰ কৰি বিভিন্ন নীতি-নিয়ম ইত্যাদিত পৰিৱৰ্তন সাধন হোৱা গোটেই প্ৰক্ৰিয়াটোকে উদ্যোগীকৰণ বুলি অভিহিত কৰিব পাৰি।

### ২.২.১ ঔদ্যোগীকৰণৰ সংজ্ঞা (Defination of Industrialization) ঃ

ঔদ্যোগীকৰণৰ সংজ্ঞা সম্পৰ্কত বিভিন্ন সমাজ দাৰ্শনিকে বিভিন্ন ধৰণেৰে মতামত আগবঢ়াইছে। তলত কেইজনমান সমাজ দাৰ্শনিকে আগবঢ়োৱা কেইটমান সংজ্ঞা উল্লেখ কৰা হ'ল-

বিশিষ্ট সমাজতত্ত্ববিদ ষ্টেন্‌লী (Stanley) এ ঔদ্যোগীকৰণৰ সম্পৰ্কত এনেদৰে মন্তব্য কৰিছে যে ঔদ্যোগীকৰণ আৰু উচ্চ উৎপাদিকা শক্তি পৰস্পৰে পৰস্পৰৰ লগত সম্পৰ্কযুক্ত। উচ্চ উৎপাদিকা শক্তিয়ে ঔদ্যোগীকৰণৰ সৃষ্টি কৰে আৰু ঔদ্যোগীকৰণে উচ্চ উৎপাদিকা শক্তিৰ সৃষ্টি কৰে।"

পাই কাং-চাং (Pai-Kang-Chang) ৰ মতে "ঔদ্যোগীকৰণ হৈছে এক প্ৰক্ৰিয়া য'ত ধাৰাবাহিকভাৱে কৌশলগত উৎপাদন ব্যৱস্থাৰ কাৰ্যসমূহৰ পৰিৱৰ্তন সাধন হয় আৰু এইবিলাকে প্ৰাথমিক পৰিৱৰ্তনকে বুজাইছে, যি উদ্যোগত যান্ত্ৰিককৰণ, এক নতুন উদ্যোগক গঢ় দিয়া, এখন নতুন বজাৰ প্ৰতিষ্ঠা কৰা আৰু এক নতুন ভৌগোলিক এলেকাত সফলৰূপে প্ৰয়োগ, উৎপাদন, কাৰ্যকৰণ কৰা ইত্যাদিক সাঙুৰি লয়।"

ৰাষ্ট্ৰসংঘ (UNESSCO) ই প্ৰকাশ কৰা মতে ঔদ্যোগীকৰণে কল-কাৰখানা (Factory) খনি, শক্তি, প্ৰকল্প, ৰেল সেৱা, উৎপাদন ব্যৱস্থাৰ লগত সম্পৰ্কযুক্ত আধুনিক অৰ্থনৈতিক আন্তঃগাথনিৰ চৰম আৰু আপেক্ষিক বিকাশক বুজায়।" ("Industrialization means an absolute and relative growth in the importance of factories, mills, mines, power plants, railways and so on, of mamufactering and closely related activities involved in the building and operation of modern economic unfrastructure.")

ওপৰোক্ত সংজ্ঞা সমূহৰ পৰা দেখা গ'ল যে ঔদ্যোগীকৰণ ব্যৱস্থাৰ যোগেদি যিকোনো উৎপাদনৰ ক্ষেত্ৰত যান্ত্ৰিক শক্তি আৰু আধুনিক কথা কৌশল ব্যৱহাৰৰ যোগেদি অধিক উৎপাদন কৰিবলৈ চেষ্টা কৰা হয়। ঔদ্যোগীকৰণৰ জৰিয়তে যিকোনো দিশত উৎপাদন বৃদ্ধি হোৱাৰ লগে লগে বজাৰৰ অৰ্থনীতি যেনে উৎপাদন বিতৰণ, আমদানি (Import) ৰপ্তানি বিতৰণ, নিবনুৱা নিযুক্তি সুবিধাৰ লগতে মানুহৰ জীৱন ধাৰণ প্ৰণালীত বিশেষভাৱে প্ৰভাৱ পৰিছে।

**২.২.২ ঔদ্যোগীকৰণৰ বৈশিষ্ট্য (Characteristics of Industrializarion) ঃ**

ঔদ্যোগীকৰণৰ অৰ্থ আৰু সংজ্ঞা আলোচনা কৰাৰ পাছত আমি এতিয়া ঔদ্যোগীকৰণৰ বৈশিষ্ট্যসমূহৰ বিষয়ে আলোচনা কৰোঁ আহঁা। ঔদ্যোগীকৰণৰ বৈশিষ্ট্যসমূহ তলত চমুকৈ আলোচনা কৰা হৈছে।

**(ক) যান্ত্রিক শক্তি ব্যৱহাৰ (Use of Machinary Force) ঃ**

ঔদ্যোগীকৰণৰ এটা প্ৰধান বৈশিষ্ট্য হৈছে ঔদ্যোগীকৰণ ব্যৱস্থাত বা যিকোনো উৎপাদন কাৰ্যত মানৱীয় শক্তিৰ পৰিৱৰ্তে সলনি যান্ত্রিক শক্তি ব্যৱহাৰ কৰা হয়। উৎপাদনৰ অন্যান্য কামবোৰো যান্ত্রিক শক্তিৰ দ্বাৰাই সম্পন্ন কৰা হয়। উদাহৰণস্বৰূপে বিস্কুট উৎপাদন বা তৈয়াৰ কৰা এটা কাৰখানাত বিস্কুট তৈয়াৰ কৰা বিভিন্ন অংশত যন্ত্রপাতি ব্যৱহাৰ কৰি বিস্কুট প্ৰস্তুত কৰা হয়। ইয়াত মানৱীয় শক্তি অধিক ব্যৱহাৰ কৰিব লগা নহয়। যান্ত্রিক শক্তি নিৰ্দ্দিষ্ট গতিৰে পৰিচালিত হয় আৰু সেয়ে উদ্যোগসমূহত কম সময়ৰ ভিতৰত অধিক উৎপাদনৰ আশা কৰিব পাৰি।

**(খ) অধিক উৎপাদন (More Production) ঃ**

ঔদ্যোগীকৰণৰ অন্য এটা বিশেষ বৈশিষ্ট্য হ'ল অধিক উৎপাদন। ক্ষুদ্ৰ ক্ষুদ্ৰ উদ্যোগৰ সলনি বৃহৎ বৃহৎ উদ্যোগ স্থাপন হোৱাৰ পৰিপ্রেক্ষিতত অধিক উৎপাদনৰ ওপৰত গুৰুত্ব দিয়া হয়। ঔদ্যোগীকৰণৰ মাত্রা বৃদ্ধি পোৱাত উৎপাদনৰো মাত্রা বৃদ্ধি হয় আৰু ক্ষুদ্ৰ উৎপাদন ব্যৱস্থাবোৰ বৃহৎ উৎপাদনলৈ পৰ্যবসিত হয়।

**(গ) ঔদ্যোগিক আইন (Industrial Act) ঃ**

ঔদ্যোগিক আইন প্ৰণয়ন হৈছে ঔদ্যোগীকৰণৰ আন এটা উল্লেখনীয় বৈশিষ্ট্য। উদ্যোগসমূহ সূচাৰুৰূপে পৰিচালনা কৰিবৰ বাবে বিভিন্ন ধৰণৰ আইন প্ৰস্তুত কৰা হয় আৰু উৎপাদনৰ লগত জড়িত হৈ থকা সাধাৰণ শ্ৰমিক সকলৰ জীৱন নিৰাপত্তাৰ লগতে শ্ৰমিক সকলৰ কল্যাণৰ অৰ্থে বিভিন্ন ধৰণৰ আইন প্ৰণয়ন কৰা হয়।

**(ঘ) কাৰিকৰী শিক্ষাৰ প্ৰসাৰ (Spread of Technical Education) ঃ**

কাৰিকৰী শিক্ষা প্ৰসাৰণ ঘটোৱাতো ঔদ্যোগীকৰণ প্ৰক্ৰিয়াৰ অন্য এটা গুৰুত্বপূৰ্ণ চৰিত্ৰ। সাধাৰণতে উদ্যোগসমূহ পৰিচালনা কৰিবৰ বাবে বিভিন্ন কাৰিকৰী শিক্ষা প্ৰয়োগ কৰা হয়।যিহেতু উদ্যোগসমূহৰ কাম-কাজ পৰিচালনা কৰিবৰ বাবে সাধাৰণ শ্ৰমিকৰ উপৰিও অন্যান্য দিশত পাৰদৰ্শিতা কাৰিকৰী, শিক্ষিত ব্যক্তি, অভিযন্তা, অৰ্দ্ধ কাৰিকৰী আদি বিভিন্ন লোকৰ প্ৰয়োজন হয়। উদাহৰণস্বৰূপে কাৰ্যালয়ৰ কাম-কাজ আৰু হিচাপ-নিকাচৰ তথ্য সংৰক্ষণৰ বাবে কম্পিউটাৰৰ ক্ষেত্ৰত জ্ঞান থকা ব্যক্তি, বিদ্যুৎ শক্তি পৰিচালনাৰ বাবে বিদ্যুৎৰ ক্ষেত্ৰত জ্ঞান বা অভিজ্ঞতা ব্যক্তি, বৃহৎ যন্ত্ৰ পাতি মেৰামতি কৰিবৰ বাবে অভিযন্তা আদি নানা অভিজ্ঞতাসম্পন্ন ব্যক্তিক নিয়োজিত কৰা হয়। গতিকে কাৰিকৰী জ্ঞান অৰ্জনৰ বাবে বিশেষ কাৰিকৰী শিক্ষাৰ আৱশ্যক হয়, ফলস্বৰূপে কাৰিকৰী শিক্ষাৰ প্ৰসাৰণ ঘটোৱা হয়।

**(ঙ) শ্ৰম বিভাজন আৰু বিশেষীকৰণ (Division of labour and Specialization) ঃ**

শ্ৰম বিভাজন আৰু বিশেষীকৰণ হৈছে অন্য এটা প্ৰধান বৈশিষ্ট্য। সাধাৰণতে ঔদ্যোগিক সমাজত শ্ৰম বা কাৰ্যবিলাকক দক্ষতা অনুসৰি তাত নিয়োজিত হৈ থকা শ্ৰমিক বা কৰ্মচাৰীসকলৰ মাজত ভাগ বিতৰণ কৰি দিয়া হয়। এনে সমাজত প্ৰতিজন কৰ্মচাৰীৰ বৃত্তি ভিন্নতা হোৱাৰ বাবে প্ৰতিটো কামতে বিশেষ কিছুমান ব্যক্তিক অৰ্হতা আৰু দক্ষতা ভিত্তিত একো একোজন ব্যক্তি কৰ্ম সম্পাদনৰ কাৰণে নিযুক্তি দিয়া হয়। গতিকে অৰ্হতা আৰু দক্ষতাৰ ভিত্তিত শ্ৰমসমূহ ভাগ বিতৰণ কৰা প্ৰক্ৰিয়াকে শ্ৰম বিভাজন বুলি কোৱা হয়। অন্যহাতে বিশেষীকৰণেও যিকোনো কৰ্মৰ বিশেষভাৱে ভাগ বিতৰণ কৰি তাক সম্প্ৰসাৰণ কৰাৰ ক্ষেত্ৰত বিশেষভাৱে সহায় কৰে। এই ক্ষেত্ৰত বিশিষ্ট সমাজ দাৰ্শনিক ইমাইল দুৰখেইম (Imile Durkheim - এ তেখেতৰ বিখ্যাত গ্ৰন্থ "The Division of Labour in Society" নামৰ গ্ৰন্থখনিত শ্ৰম বিভাজনৰ সম্পৰ্কে এক সুন্দৰ সমাজতত্ত্বীয় ব্যাখ্যা আগবঢ়াইছে। এই ক্ষেত্ৰত তেওঁ মন্তব্য প্ৰকাশ কৰে যে "শ্ৰম বিভাজনে যিকোনো উৎপাদনৰ ক্ষেত্ৰত কৰ্মসমূহ সুচাৰুৰূপে পালন

কৰাৰ ক্ষেত্ৰত সহায় কৰে আৰু শ্ৰম বিভাজনে গতিশীলতাৰ ক্ষেত্ৰত সহায় কৰে।

**২.২.৩ ঔদ্যোগীকৰণৰ কাৰকসমূহ (Factors of Industrialization) ঃ**

আমি ইতিপূৰ্বে তোমালোকক আগৰ পৃষ্ঠাত উল্লেখ কৰি আহিছো যে ঔদ্যোগীকৰণক সামাজিক পৰিৱৰ্তনৰ এক প্ৰধান কাৰক বুলি গণ্য কৰা হৈছে। ঔদ্যোগীকৰণৰ ফলত সমাজত বিভিন্ন দিশত এক যুগান্তকাৰী পৰিৱৰ্তনৰ সূচনা হৈছে। পৃথিৱীৰ যিকোনো এটা বস্তু সম্প্ৰসাৰণ বা উদ্ভাৱন অথবা গঢ় লৈ উঠাৰ ক্ষেত্ৰত কিছুমান বিশেষ কাৰকে সহায় কৰে। ঔদ্যোগীকৰণৰ ক্ষেত্ৰত কিছুমান গুৰুত্বপূৰ্ণ কাৰকে সহায় কৰিছে। তলত তোমালোকক কেইটামান কাৰকৰ বিষয়ে চমুকৈ বৰ্ণনা কৰা হৈছে।

বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ উন্নতি বা অগ্ৰগতি। বিজ্ঞান আৰু প্ৰযুক্তিগত বিভিন্ন কলা-কৌশলৰ প্ৰয়োগ ঔদ্যোগীকৰণ প্ৰক্ৰিয়াক অতি দ্ৰুত কৰি তুলিছে। বৰ্তমান সময়ত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ নানা যন্ত্ৰপাতি, কাৰিকৰী কলা কৌশল, বিভিন্ন সা-সৰঞ্জাম প্ৰস্তুত কৰি উদ্যোগ ক্ষেত্ৰখনক অধিক আগবঢ়াই নিয়াত সহজ কৰি তুলিছে। যান্ত্ৰিক প্ৰযুক্তিৰ অবিহনে ঔদ্যোগীকৰণ সম্ভৱ নহয়। বৰ্তমান সময়ত সমাজৰ ঔদ্যোগীকৰণৰ গতি খৰতকীয়া হোৱাৰ মূল কাৰণ হৈছে উৎপাদন কাৰ্যত অত্যাধুনিক যন্ত্ৰসমূহৰ প্ৰয়োগ। এনেবিলাক আধুনিক যন্ত্ৰপাতি সমূহ প্ৰয়োগে মানুহৰ শাৰিৰীক পৰিশ্ৰম হ্ৰাস কৰাই কম সময়ত অধিক উৎপাদন কৰিবলৈ সক্ষম হৈছে আৰু ইয়াৰ লগে লগে উদ্যোগ তথা কল-কাৰখানাৰ ক্ষেত্ৰখন সম্প্ৰসাৰণ হৈছে। এনেদৰেই বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা উদ্ভাৱন কৌশল প্ৰয়োগে ঔদ্যোগীকৰণ প্ৰক্ৰিয়া গঢ়ি উঠাত বিশেষভাৱে সহায় কৰিছে।

**২) আধুনিক শিক্ষা (Modern Education) ঃ**

ঔদ্যোগীকৰণ বিকাশ ঘটোৱা অন্য এটা প্ৰধান কাৰক হ'ল আধুনিক শিক্ষা সম্প্ৰসাৰণ। আধুনিক শিক্ষাই মানুহৰ ৰক্ষণশীল মনোভাৱৰ পৰিৱৰ্তন সাধন কৰি যুক্তিবাদী মনোভাৱৰ গঢ় লৈ উঠাত সহায় কৰিছে। আধুনিক শিক্ষাই মানুহৰ তাত্বিক আৰু ব্যৱহাৰিক দুই প্ৰকাৰৰ শিক্ষা প্ৰদান কৰে। যাৰ ফলত ব্যক্তিক বিভিন্ন প্ৰায়োগিক আৰু ব্যৱহাৰিক জ্ঞান প্ৰদান কৰি যিকোনো উৎপাদন কাৰ্য্যত জ্ঞান প্ৰয়োগ কৰাত সহায় কৰে। আধুনিক শিক্ষাৰ গতিশীল আদৰ্শই ঔদ্যোগীকৰণ প্ৰক্ৰিয়াত দ্ৰুত অৰিহণা যোগায়। আধুনিক শিক্ষাই সমাজ ব্যৱস্থাত কাৰিকৰী অভিজ্ঞতা আৰু দক্ষতাসম্পন্ন ব্যক্তি গঢ়ি তোলাত বিশেষভাৱে সহায় কৰিছে। বিভিন্ন উদ্যোগ

প্ৰতিষ্ঠান নাইবা কল-কাৰখানা, বৃহৎ বৃহৎ যন্ত্ৰপাতি পৰিচালনা কৰাত আধুনিক শিক্ষাই জ্ঞানপুষ্ট কৰি তোলাত জটিল কামবিলাক সহজ কৰি তুলিছে। এনে দক্ষ আৰু অভিজ্ঞতাসম্পন্ন কৰ্মীসকলৰ অৱিহণাই উদ্যোগ সম্প্ৰসাৰণত উল্লেখনীয় ভূমিকা পালন কৰাত সহায় কৰিছে।

**৩) মূলধন আৰু বিনিয়োগ (Capital and Investment) ঃ**

যিকোনো উদ্যোগ-প্ৰতিষ্ঠানসমূহ উন্নয়ণৰ ক্ষেত্ৰত মূলধন আৰু বিনিয়োগ অপৰিহাৰ্য্য। উদ্যোগ স্থাপনৰ বাবে মূলধন আৰু বিনিয়োগৰ বিশেষ প্ৰয়োজন, য'ত উৎপাদন প্ৰক্ৰিয়াত ইয়াক বিনিয়োগ কৰি ঔদ্যোগীকৰণ প্ৰক্ৰিয়া গঢ়ি তোলাত সহায় কৰে। বৰ্তমান সময়ত উন্নত দেশসমূহত পুঁজিপতি সকলে বহু পৰিমাণৰ মূলধন বিনিয়োগ কৰি বৃহৎ বৃহৎ উদ্যোগ (Industry) স্থাপন কৰি ঔদ্যোগীকৰণ প্ৰক্ৰিয়া ক্ষিপ্ৰ কৰি তুলিছে। বৰ্তমান সমাজত তোমোলোকে দেখিবলৈ পোৱা উদ্যোগসমূহ বৃহৎ অংকৰ মূলধন খটোৱাৰ ফলতেই ঔদ্যোগীকৰণৰ প্ৰক্ৰিয়া গঢ় লৈ উঠিছে। গতিকে দেখা গ'ল যে মূলধন আৰু বিনিয়োগৰ কাৰণেও ঔদ্যোগীকৰণৰ সূচনা হয় বুলি ক'ব পাৰি।

**৪) মানৱ সম্পদ (Human Resource) ঃ**

ঔদ্যোগীকৰণ বিকাশৰ ক্ষেত্ৰত সহায় কৰা অন্য এটা প্ৰধান কাৰক হ'ল মানৱ সম্পদ। উদ্যোগৰ বাবে অনেক ধৰণৰ ব্যক্তিৰ প্ৰয়োজন হয়, যেনে - কাৰিকৰী আৰু অনা কাৰিকৰী লোক। উদ্যোগ পৰিচালনা কৰিবৰ বাবে কাৰিকৰী বা অনা-কাৰিকৰী কামবিলাকত এনে বিষয়ত জ্ঞান থকা ব্যক্তিৰ প্ৰয়োজন হয়, যাক মানৱ সম্পদ বুলি ক'ব পাৰি। গতিকে উপযুক্ত মানৱ সম্পদৰ প্ৰাচুৰ্যতাই ঔদ্যোগীকৰণৰ ক্ষেত্ৰত বিশেষভাৱে সহায় কৰে।

**৫) যাতায়ত আৰু যোগাযোগৰ ব্যৱস্থাৰ উন্নতি (Development of Transport and Communication) ঃ**

ঔদ্যোগীকৰণৰ অন্য এটা শক্তিশালী কাৰক হ'ল যাতায়ত আৰু যোগাযোগ ব্যৱস্থাৰ উন্নতি। যাতায়ত আৰু যোগাযোগ ব্যৱস্থাৰ উন্নতিয়ে উদ্যোগবিলাকৰ দ্ৰব্য সামগ্ৰীসমূহ সৰবৰাহ বা আমদানি (Import) কৰাৰ ক্ষেত্ৰত সুবিধা হয়। যিবিলাক ঠাইত উদ্যোগ বা কল-কাৰখানা স্থাপিত বা অৱস্থিত তেনেবিলাক ঠাইলৈ বৃহৎ বৃহৎ

উদ্যোগৰ সামগ্ৰীসমূহ সৰবৰাহৰ বাবে যাতায়তৰ লগতে যোগাযোগৰো সুচলতা অতি প্ৰয়োজন। যেনে পকী ৰাস্তা, পকী দলং, পোহৰৰ ব্যৱস্থা। তাৰোপৰি যোগাযোগ ব্যৱস্থাৰ সুচলতায়ো ঔদ্যোগীকৰণৰ ক্ষেত্ৰত এক উল্লেখনীয় ভূমিকা গ্ৰহণ কৰে। বৰ্তমান সময়ত এখন দেশে আন এখন দেশৰ লগত বাণিজ্যিক সম্পৰ্ক ৰাখিবলৈ হ'লে বিভিন্ন যোগাযোগ মাধ্যম যেনে - টেলিফোন (Telephone), ম'বাইল, ফে' (Fax), ইণ্টাৰনেট (Internet) সেৱা, ই মেইল (E-mail) আদি দ্ৰুত বেগী যান্ত্ৰিক (Electronic) মাধ্যমসমূহে উদ্যোগ সমূহৰ যোগাযোগৰ দিশ সহজ কৰি তুলিছে। গতিকে দেখা যায় যে যাতায়ত আৰু যোগাযোগৰ ক্ষেত্ৰত এই দুয়োটা মাধ্যমেই ঔদ্যোগীকৰণৰ ক্ষেত্ৰত এক শক্তিশালী কাৰক হিচাবে ভূমিকা পালন কৰিছে।

**৬) প্ৰতিযোগিতামূলক মনোভাৱ (Competitive Outlook) ঃ**

ঔদ্যোগীকৰণ প্ৰক্ৰিয়া বিকাশৰ ক্ষেত্ৰত সহায় কৰা অন্য এটা গুৰুত্বপূৰ্ণ কাৰক হৈছে প্ৰতিযোগিতামূলক মনোভাৱ। যিকোনো উৎপাদন আৰু বাণিজ্যিক ক্ষেত্ৰত প্ৰতিযোগিতামূলক মনোভাৱে উৎপাদন বৃদ্ধি কৰাৰ লগতে উদ্যোগ ক্ষেত্ৰৰ পৰিৱৰ্তন তথা সম্প্ৰসাৰণ ঘটায়। ইয়াৰোপৰি দেশৰ বিভিন্ন উদ্যোগসমূহৰ মাজতো এক প্ৰতিযোগিতামূলক মনোভাৱৰ সৃষ্টি কৰে। উদাহৰণস্বৰূপে এটা উদ্যোগে অন্য এটা উদ্যোগৰ লগত ফেৰ মাৰে। এনে প্ৰতিযোগিতাই উদ্যোগত উৎপাদিত সামগ্ৰীৰ গুণগত মানদণ্ড উন্নত কৰে আৰু বজাৰত ইয়াৰ চাহিদা বৃদ্ধি কৰাত সহায় কৰে। উৎপাদিত সামগ্ৰীৰ চাহিদা বৃদ্ধিৰ লগে লগে লাভৰ পৰিমাণ বাঢ়ি যায় আৰু লাভৰ পৰিমাণ বা মাত্ৰা বৃদ্ধিৰ লগে লগে উদ্যোগৰ বিকাশ আৰু সম্প্ৰসাৰণ ঘটাত সহায় কৰে।

**৭) চৰকাৰী নীতি** (Adopted of Government Policy) ঃ

ঔদ্যোগীকৰণত সহায় কৰা অন্য এটা উল্লেখযোগ্য কাৰক হ'ল চৰকাৰী নীতি গ্ৰহণ। এখন দেশৰ চৰকাৰে উদ্যোগ বিকাশ বাবে গুৰুত্বপূৰ্ণ অৰ্থনৈতিক নীতি গ্ৰহণ কৰিলে ঔদ্যোগীকৰণ বৃদ্ধি হোৱাত যথেষ্টখিনি সহায় কৰে। এই নীতিসমূহৰ ভিতৰত উপযুক্ত পুঁজি যোগান ব্যৱস্থা, বিনিয়োগ নীতি (Investment Policy), বৈদেশিক বাণিজ্য নীতি (Foreign Trade Policy), কৰ নীতি (Tax Policy) আদি উদ্যোগমুখী আৰু জনকল্যাণমুখী নীতি গ্ৰহণ কৰিলে ঔদ্যোগীকৰণ ক্ষিপ্ৰ গতিত আগবাঢ়ে। চৰকাৰৰ আদৰ্শ বিনিয়োগ নীতি আদি গুৰুত্বপূৰ্ণ বিষয়সমূহৰ ওপৰত ঔদ্যোগীকৰণ নিৰ্ভৰ কৰে। তাৰোপৰি এখন দেশে সেই দেশখনৰ উপযুক্ত ঔদ্যোগিক পৰিকল্পনা আৰু অন্যান্য সু-নিশ্চিত আঁচনি গ্ৰহণ ও প্ৰস্তুতকৰণেও ঔদ্যোগীকৰণত

বিশেষভাৱে সহায় কৰে।

**৮) সামাজিক প্ৰমূল্যবোধ (Social Value) ঃ**

ঔদ্যোগীকৰণৰ লগত সামাজিক মূল্যবোধৰো বিশেষ সম্পৰ্ক আছে। যিবোৰ সমাজে উৎপাদন, ব্যৱসায়-বাণিজ্য, জনকল্যাণমুখী আঁচনিৰ ওপৰত গুৰুত্ব দিয়ে তেনেবোৰ সমাগত ঔদ্যোগীকৰণ প্ৰক্ৰিয়া ক্ষিপ্ৰ হোৱা দেখা যায়। কাম কৰা মানসিকতা, শ্ৰমিক শক্তি (Labour Force), উন্নত দৃষ্টিভঙ্গী ৰক্ষণশীল মনোভাৱ ত্যাগ, শুদ্ধতা, যুক্তিযুক্ত বিচাৰ (Logical judgement) ইত্যাদি বিষয়সমূহে ঔদ্যোগীকৰণ গঢ় দিয়াত যথেষ্ট সহায় কৰে।

ওপৰৰ আলোচনাৰ পৰা দেখা গ'ল যে ঔদ্যোগীকৰণ প্ৰক্ৰিয়াৰ লগত বিভিন্ন ধৰণৰ কাৰক জড়িত হৈয়ে আছে যি কাৰকসমূহৰ ফলত ঔদ্যোগীকৰণ প্ৰক্ৰিয়া গঢ়ি উঠে।

**২.২.৪ ঔদ্যোগীকৰণৰ পৰিণাম বা ফলাফল ঃ**

ওপৰত তোমালোকক ঔদ্যোগীকৰণত সহায় কৰা বিভিন্ন কাৰকৰ বিষয়ে অৱগত কৰিলোঁ। এতিয়া সমাজত ঔদ্যোগীকৰণে কেনেদৰে প্ৰভাৱ পেলাইছে বা ইয়াৰ প্ৰভাৱৰ ফলত কি পৰিণাম সংঘটিত হৈছে এই সম্পৰ্কে তোমালোকক কিছু কথা অৱগত কৰিম। সাধাৰণতে সমাজত যিকোনো এটা নতুন আৱিস্কাৰে বা উদ্ভাৱনে প্ৰধানকৈ দুটা দিশত প্ৰভাৱ পেলায় আৰু এই দুটা দিশ হৈছে সু-ফল আৰু কু-ফল অথবা ভাল ফলাফল আৰু বেয়া ফলাফল তলত ঔদ্যোগীকৰণৰ সু-ফল আৰু কু-ফল সমূহৰ বিষয়ে চমুকৈ ব্যাখ্যা কৰা হৈছে।

**১) ঔদ্যোগীকৰণৰ সুফলসমূহ (Good effects of Industrialization) ঃ**

প্ৰথমতে, ঔদ্যোগীকৰণৰ ফলত ভাৰতত বিভিন্ন স্থানত উদ্যোগ তথা কল-কাৰখানা স্থাপন কৰা হ'ল। বিভিন্ন আধুনিক যন্ত্ৰপাতি, সা-সৰঞ্জাম ব্যৱহাৰ কৰিবলৈ লোৱাৰ লগে লগে ভাৰতীয় লোকৰ কাৰিকৰী শিক্ষা আৰু জ্ঞান বৃদ্ধি হ'ল।

দ্বিতীয়তে, সমগ্ৰ দেশতে ঔদ্যোগীকৰণৰ ফলত ক্ষুদ্ৰ আৰু বৃহৎ উদ্যোগ প্ৰতিষ্ঠা হোৱাৰ ফলস্বৰূপে উদ্যোগ খণ্ডত কাম কৰিবৰ বাবে দেশৰ বিভিন্ন অঞ্চলৰ পৰা বহু জাতি-উপজাতি, জনজাতি আদি লোকৰ নগৰীয়া অঞ্চললৈ প্ৰব্ৰজন ঘটে। ইয়াৰ ফলস্বৰূপে নগৰীয়া সমাজৰ আচাৰ-ব্যৱহাৰ পৰিৱৰ্তন হয়।

তৃতীয়তে, ঔদ্যোগীকৰণৰ ফলত ভাৰতীয় সমাজত বহু নতুন বৃত্তিৰ সৃষ্টি কৰিছে। গ্ৰাম্য সমাজৰ পৰম্পৰাগত বৃত্তিৰ পৰিৱৰ্তে বিভিন্ন ধৰণৰ আধুনিক বৃত্তিৰ

সৃষ্টি হয়। এই নতুন বৃত্তিবোৰে সমাজৰ ব্যক্তি সকলৰ জীৱিকাৰ পথ মুকলি কৰিছে। ফলত পৰম্পৰাগত অৰ্থনৈতিক ব্যৱস্থাৰে পৰিৱৰ্তন ঘটিছে। ঔদ্যোগিক সমাজ ব্যৱস্থাত মানুহে কেৱল এটা বৃত্তিতেই নিয়োজিত নাথিকি বিভিন্ন বৃত্তিত আত্মনিয়োগ হৈ থকা দেখা যায়।

চতুৰ্থতে, ঔদ্যোগীকৰণে ভাৰতীয় পৰম্পৰাগত কৃষি পদ্ধতিতো এক আমূল পৰিৱৰ্তনৰ সূচনা কৰিছে। পৌৰাণিক কৃষি পদ্ধতিত নাঙল, যুঁৱলি, মৈ গৰু আৰু মানুহৰ শক্তি ব্যৱহাৰ কৰা হৈছিল। কিন্তু আধুনিক বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ উদ্ভাৱনৰ ফলত পাৱাৰ টিলাৰ (Power Tiller), টে”ৰ (Tractor), পানী পাইপ (Water Pump) আদি ন-ন সা-সৰঞ্জাম ব্যৱহাৰ কৰা হৈছে। তাৰোপৰি শস্যবিলাকৰ বৃদ্ধিৰ বাবে বিভিন্ন প্ৰকাৰৰ ৰাসায়নিক সাৰ, উন্নত বীজ, জলসিঞ্চন, কীটনাশক ঔষধ আদি প্ৰয়োগ কৰাৰ লগতে অধিক উৎপাদন কৰিবলৈ সমৰ্থ হৈছে। ইয়াৰ ফলত কৃষকসকলে তেওঁলোকৰ কৃষি কৰ্ম মনোনিৱেশ কৰি নিজকে অৰ্থনৈতিক দিশত আত্ম নিৰ্ভৰশীল হ'বলৈ সমৰ্থবান হৈছে। তদুপৰি যান্ত্ৰিক শক্তি ব্যৱহাৰ কৰা পৰিপ্ৰেক্ষিতত মানৱীয় শক্তি বহু পৰিমানে লাঘৱ হৈছে।

পঞ্চমতে, ঔদ্যোগীকৰণৰ অন্য এটা গুৰুত্বপূৰ্ণ ফলাফল হৈছে ঔদ্যোগীকৰণৰ ফলস্বৰূপে ভাৰতীয় সমাজ ব্যৱস্থাত বহু কাৰিকৰী শিক্ষা প্ৰতিষ্ঠান, বাণিজ্যিক কেন্দ্ৰ, বাণিজ্যিক প্ৰশিক্ষণ কেন্দ্ৰ (Commercial Training Centre), গৱেষণা কেন্দ্ৰ (Research Centre), দেশৰ প্ৰতিৰক্ষা ব্যৱস্থা, শাসন পদ্ধতি, বিভিন্ন চৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান, বৃহৎ বৃহৎ উৎপাদন ও বিক্ৰী কেন্দ্ৰ আদি গঢ়ি উঠিছে য'ত শিক্ষিত নিবনুৱা সকলে কৰ্ম সংস্থাপন লাভ কৰিবলৈ সুবিধা পাইছে।

তদুপৰি ঔদ্যোগীকৰণে ভাৰতীয় সমাজক বিশ্বৰ ঔদ্যোগীকৰণ প্ৰক্ৰিয়াৰ লগত বৈদেশিক বাণিজ্যিক ক্ষেত্ৰখনৰ লগত এক মধুৰ সম্পৰ্ক গঢ়াৰ ক্ষেত্ৰত বিশেষভাৱে সহায় কৰিছে।

ষষ্ঠতে, ঔদ্যোগীকৰণৰ ফলত বহুতো নতুন নতুন নগৰৰ সৃষ্টি হয়। যিহেতু উদ্যোগ প্ৰতিষ্ঠানসমূহ গঢ় লৈ উঠাৰ লগে লগে বিক্ৰী কেন্দ্ৰ, বজাৰ, ব্যৱসায়-বাণিজ্য, বিভিন্ন জীৱন-নিৰ্বাহৰ উপায় আদি উদ্ভাৱন হয় আৰু এনেদৰেই এখন নগৰ বা চহৰ গঢ়ি উঠে। তাৰোপৰি উদ্যোগসমূহলৈ বিভিন্ন আৱশ্যকীয় সামগ্ৰী আমদানি কৰিবৰ বাবে সুচল যাতায়ত আৰু যোগাযোগৰ ব্যৱস্থা উন্নত কৰাৰ লগে লগে নগৰ বা চহৰৰ উৎপত্তি হয়। নগৰ বা চহৰ স্থাপন হোৱাৰ লগে লগে কৰ্মসংস্থাপনৰ উদ্দেশ্যে বা উদ্যোগসমূহত কাম কৰাৰ বাবে গ্ৰাম্য মানুহবিলাকে নগৰ অঞ্চললৈ প্ৰব্ৰজন কৰে

ফলত গ্ৰাম্য বসতিত পৰিৱৰ্তনৰ সূচনা হয়।

**২) ঔদ্যোগীকৰণৰ কু-ফল সমূহ (Bad effect of Industrialization) ঃ**

ঔদ্যোগীকৰণে মানৱ সমাজলৈ যি যুগান্তকাৰী পৰিৱৰ্তন আনিছে ই এক প্ৰশংসনীয় বিষয়। সামাজিক, অৰ্থনৈতিক, সাংস্কৃতিক, শৈক্ষিক আদিৰ পৰিৱৰ্তনৰ ক্ষেত্ৰত ঔদ্যোগীকৰণে এক বিশেষ ভূমিকা পালন কৰাৰ লগতে সমাজলৈ বহু সু-ফল কঢ়িয়াই আনিছে। কিন্তু ঔদ্যোগীকৰণে মানৱ সমাজলৈ কিছুমান কু-ফলো অৰ্থাৎ কিছুমান বেয়া প্ৰভাৱো পেলোৱা পৰিলক্ষিত হৈছে। তলত ঔদ্যোগীকৰণৰ কু-ফলসমূহ চমুকৈ তোমালোকক অৱগত কৰিছোঁহঁক।

প্ৰথমতে, ঔদ্যোগীকৰণৰ ফলত যিকোনো উৎপাদন পদ্ধতি যি যান্ত্ৰিক শক্তি প্ৰয়োগ কৰা হৈছে ইয়াৰ ফলস্বৰূপে মানুহৰ শাৰীৰিক শক্তি প্ৰয়োগ কৰিবলৈ ইচ্ছা প্ৰকাশ নকৰে। তেওঁলোকে কেৱল যান্ত্ৰিক শক্তিৰ যোগেদিহে যিকোনো উৎপাদন কাৰ্য সম্পন্ন কৰিবলৈ বিচাৰে। যাৰ ফলত মানুহবিলাক এলেহুৱা, কৰ্মৰ প্ৰতি স্পৃহা নথকা আৰু সহজেই ভাগৰুৱা হৈ পৰে। তাৰোপৰি যান্ত্ৰিক শক্তি ব্যৱহাৰৰ ফলত উদ্যোগসমূহত আকস্মিকভাৱে বিভিন্ন ধৰণৰ ঘটনা সংঘটিত হয়। যেনে - মেচিনেৰে হাত কটা, বৈদ্যুতিক ক্ষেত্ৰত আকস্মিক দুৰ্ঘটনা উদ্ভৱ হোৱা, যান্ত্ৰিক বিজুতি সংঘটিত আদি বিভিন্ন ধৰণৰ ঘটনা সংঘটিত হয়।

দ্বিতীয়তে, ঔদ্যোগীকৰণ গঢ়ি উঠাৰ লগে লগে সেই উদ্যোগসমূহৰ দেশৰ বিভিন্ন প্ৰান্তৰ মানুহৰ বসতি স্থাপন হয়। বিভিন্ন জাতি, জনজাতি, জনগোষ্ঠী আদি একেখন নগৰত বা চহৰত বসতি স্থাপন কৰাৰ পৰিপ্ৰেক্ষিতত মানুহ বিলাকৰ মাজত কেতিয়াবা জাতি সংঘাত, জনগোষ্ঠী বা নৃ-গোষ্ঠীয় সংঘাতৰ সূত্ৰপাত হয় যাৰ কাৰণে সমাজৰ বাবে এক সামাজিক সমস্যাৰ সৃষ্টি হয়।

তৃতীয়তে, ঔদ্যোগীকৰণে সামাজিক সংৰচনাত অনা এটা পৰিৱৰ্তন হৈছে যে, ই পৰিয়াল আৰু স্ব-জনীয় সমূহ বোৰৰ মাজত নোহোৱা একতাৰ বান্ধোন কৰি দিয়ে। ঔদ্যোগীকৰণৰ ফলত পৰিয়ালৰ সদস্যসমূহে কৰ্মসংস্থানৰ বাবে ঘৰৰ পৰা অন্য ঠাইলৈ প্ৰব্ৰজন কৰাৰ পৰিপ্ৰেক্ষিতত পৰিয়ালৰ সদস্যসকলৰ মাজত মৰম-চেনেহ, মিলাপ্ৰীতি, একতা তথা আত্মীয় মনোভাৱ নোহোৱা বিলাক হৈ আহিব ধৰিছে।

চতুৰ্থতে, ঔদ্যোগীকৰণৰ আন এটা পৰিণাম বা ফলাফল হৈছে পৰিয়াল বিঘটন। সাধাৰণতে ঔদ্যোগিক সমাজ একো একোটা বৃহৎ আকাৰৰ যুটীয়া পৰিয়াল একেলগে থকাটো সম্ভৱ নহয়। এনে পৰিয়ালবোৰত সৰহ সংখ্যক সদস্য থকাৰ বাবে জীৱন-নিৰ্বাহৰ বিভিন্ন ক্ষেত্ৰত বেমেজালিয়ে দেখা দিয়ে যেনে - বাসস্থান,

খোৱা-বোৱা, পঢ়া-শুনা আদি। তাৰোপৰি পৰিয়ালৰ সদস্যসকলে কৰ্মসংস্থাপনৰ বাবে দেশৰ বিভিন্ন ঠাইলৈ প্ৰব্ৰজন বা যাব লগাত যুটীয়া পৰিয়াল বিলাক ভাঙোনমুখী অৱস্থালৈ গতি কৰে। যাৰ ফলত কিছুমান পৰিয়ালত বয়োবৃদ্ধ সকলক পোহপাল দিয়াত বিশেষ সমস্যাই দেখা দিয়ে।

পঞ্চমতে, ঔদ্যোগীকৰণৰ ফলস্বৰূপে উদ্যোগক সমাজত মানুহবোৰ অধিক ব্যক্তিবাদী হৈ পৰিছে। এনে সমাজত ব্যক্তিসকলে নিজৰ স্বাৰ্থ পূৰণৰ বাবেহে অধিক আগ্ৰহী হয়। টকা উপাৰ্জন ও সঞ্চিত ব্যৱস্থা, ল'ৰা-ছোৱালীক পঢ়া-শুনাত মনোনিৱেশ কৰা, নিজৰ উন্নতি চিন্তা কৰা, সা-সম্পত্তি নিজৰ নামত ক্ৰয় কৰা আদি নানা দিশত নিজকে ব্যস্ত কৰি ৰাখে। ইয়াত সামূহিক মনোভাৱৰ পৰিৱৰ্তে ব্যক্তিগত স্বাৰ্থৰ ওপৰতহে অধিক গুৰুত্ব দিয়ে। ইয়াৰ ফলস্বৰূপে পৰিয়ালৰ সদস্য সকলৰ মাজত ঐক্য, সম্প্ৰীতি লুপ্ত পাবলৈ ধৰিছে।

ষষ্ঠতে, ঔদ্যোগীকৰণৰ ফলস্বৰূপে উদ্যোগসমূহত কৰ্মসংস্থানৰ বাবে বিভিন্ন প্ৰান্তৰ বা দেশৰ পৰা বিভিন্ন মানুহ নগৰ-চহৰ সমূহত বসবাস কৰা পৰিপ্ৰেক্ষিতত নানা ধৰণৰ অসামাজিক কাৰ্য সংঘটিত হ'বলৈ ধৰিছে, যেনে - অপৰাধ (Crime), চুৰি-ডকাইটি, হত্যা, অপহৰণ ইত্যাদি যাৰ কাৰণে সমাজত নানা ধৰণৰ সমস্যা সৃষ্টি হৈছে।

সপ্তমতে, ঔদ্যোগীকৰণৰ অন্য এটা কু-প্ৰভাৱ বা কু-ফল হৈছে ই সামাজিক সংস্থা সমূহতো এক ব্যাপক প্ৰভাৱ পেলাইছে। ঔদ্যোগীকৰণৰ ফলস্বৰূপে উদ্যোগসমূহত একেলগে কাম কৰা যুৱক-যুৱতীসকলে বিবাহপাশত আৱদ্ধ হয় আৰু তেওঁলোকে নিজৰ পচন্দ মতে জীৱন সংগী (Life Partner) নিৰ্বাচন কৰে, যাৰ ফলত হয়তো তেওঁলোকৰ জীৱনলৈ এক অমানিশা নামি আহিবও পাৰে। তোমালোকে নিশ্চয় দূৰদৰ্শন আৰু বাতৰি কাকতত দৈনন্দিন জীৱনত প্ৰচাৰিত হৈ অহা বিভিন্ন ঘটনা যেনে বোৱাৰীক হত্যা, অপহৰণ, শাৰিৰীক ও মানসিক শাস্তি দিয়া প্ৰত্যক্ষ কৰিছা। এই সকলোবোৰ কাৰ্য ক্ষন্তেকীয়াভাৱে বিবাহপাশত আৱদ্ধ হোৱাৰ বাবে সংঘটিত হৈছে। অন্যহাতে, মানুহ বিলাসীপূৰ্ণ আৰু সম্প্ৰতি অভিলাসী শহুৰ-শাহুৱে যৌতুকৰ তাড়নাত বোৱাৰীসকলক হত্যা কৰা মানসিকতা দিনকদিনে বৃদ্ধি পাই আহিছে। যাৰ বাবে আজি সমাজত বহু বোৱাৰীয়ে যৌতুকৰ বাবে প্ৰাণ দিব লগা হৈছে। বিবাহ বিচ্ছেদো ঔদ্যোগীকৰণৰ অন্য এটা প্ৰধান কাৰণ। ঔদ্যোগীকৰণৰ বাবে দুখীয়া ছোৱালীৰ পিতৃ-মাতৃয়ে যৌতুক দিব নোৱাৰাৰ বাবেও বহু সম্ভ্ৰান্ত পৰিয়ালৰ দৰাই নিজৰ পত্নীক বিচ্ছেদ কৰা পৰিলক্ষিত হৈছে।

**আত্মমূল্যায়নৰ প্ৰশ্ন ঃ**

(ক) ঔদ্যোগীকৰণৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(খ) ঔদ্যোগীকৰণ গঢ়ি উঠা দুটা কাৰকৰ নাম লিখা।

(গ) যৌতুক আৰু বিবাহ বিচ্ছেদ ঔদ্যোগীকৰণ এটা সমাজৰ বাবে এক বেয়া প্ৰভাৱ বুলি ক'ব পাৰি কথাষাৰ সত্য নে অসত্য?

(ঘ) ঔদ্যোগীকৰণে যুটীয়া পৰিয়ালক এক ভাঙোনমুখী দিশলৈ পৰিৱৰ্তিত কৰিছে কথাষাৰ সঁচা নে মিছা?

**২.৩ সামৰণি (Conclusion)ঃ**

মানৱ সমাজত ঔদ্যোগীকৰণে সমাজ পৰিৱৰ্তনৰ ক্ষেত্ৰত এক উল্লেখযোগ্য ভূমিকা পালন কৰিছে। ঔদ্যোগীকৰণৰ ফলস্বৰূপে মানৱ সমাজৰ বিভিন্ন দিশত পৰিৱৰ্তন সাধন কৰিছে। ইয়াৰ ফলত মানুহৰ চিন্তা-চৰ্চা, ধ্যান-ধাৰণা, আশা-আকাংক্ষা, যুক্তি-যুক্ততা, কৰ্ম পদ্ধতি আদিত এক আমূল পৰিৱৰ্তন ঘটিছে। তোমালোকে তোমালোকৰ ঘৰখনতেই কিম্বা সমাজখনতেই দৈনন্দিন জীৱনত ব্যৱহাৰ্য্য বিভিন্ন সা-সঁজুলি, ঘৰুৱা আচ্‌বাব, গাড়ী মটৰ, আটকধুনীয়া অট্টালিকা এই সকলোবোৰ ঔদ্যোগীকৰণৰেই আৱিস্কাৰ ঔদ্যোগীকৰণৰ ফলস্বৰূপে মানৱ সমাজত সামাজিক, জনসাংখ্যিক, অৰ্থনৈতিক, ৰাজনৈতিক, শৈক্ষিক, সাংস্কৃতিক আৰু ধৰ্মীয় দিশত পৰিবৰ্তনৰ সূচনা হৈছে। ঔদ্যোগীকৰণৰ প্ৰভাৱ ভাৰতীয় সমাজৰ বাবে অতি গুৰুত্বপূৰ্ণ। ভাৰতীয় সমাজত সামাজিক পৰিৱৰ্তনৰ ক্ষেত্ৰত ঔদ্যোগীকৰণৰ বাহিৰেও আন কিছুমান গুৰুত্বপূৰ্ণ প্ৰক্ৰিয়া দেখা যায় আৰু সেইবোৰৰ ভিতৰত, বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা, আধুনিকীকৰণ (Modernization) , নগৰীকৰণ (Urbanization) আদি জড়িত হৈ আছে। এই সকলোবোৰ প্ৰক্ৰিয়া প্ৰত্যেকেই এটাৰ লগত অন্য এটা প্ৰক্ৰিয়া জড়িত হৈ আছে যাৰ কাৰণে সমাজত এক যুগান্তকাৰী পৰিৱৰ্তনৰ সূচনা কৰে। উদাহৰণস্বৰূপে আধুনিকীকৰণৰ লগত ঔদ্যোগীকৰণ বা ঔদ্যোগীকৰণৰ লগত নগৰীকৰণৰ বিশেষ সম্বন্ধ আছে। গতিকে দেখা যায় যে এই সকলোবোৰ কাৰকে সমাজ ব্যৱস্থাত, সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক, শিক্ষা, ধৰ্মীয়, সাংস্কৃতিক, পৰিয়াল পদ্ধতি, বিবাহ পদ্ধতি, স্বজন পদ্ধতি (Kinship System), সামাজিক ৰীতি-নীতি, চিন্তা-চৰ্চা, খাদ্য, সাজপাৰ ইত্যাদিৰ সকলো দিশত এক অভূতপূৰ্ব পৰিৱৰ্তনৰ সূচনা কৰিছে।

**ঘাই শব্দসমূহ (Key Words)ঃ**

নগৰীকৰণ, ঔদ্যোগীকৰণ, আধুনিকীকৰণ, বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা,

কাৰিকৰী শিক্ষা, সা-সৰঞ্জাম, যন্ত্ৰপাতি, যুগান্তকাৰী, অসামাজিক অভিলাসী, যান্ত্ৰিক শক্তি, মানৱীয় শক্তি, শ্ৰম বিভাজন, বিশেষীকৰণ।

**পাঠ্য নিৰ্দেশনা (Suggested Readings) ঃ**

ডº বীৰেন্দ্ৰনাথ বৰঠাকুৰ, ডº ৰূপৰেখা বৰদলৈ (২০০৮-০৯) 'ঔদ্যোগিক সমাজতত্ত্ব', বনলতা, বিদ্যাভৱন, যোৰহাট।

ডº গিয়াচউদ্দিন আহমেদ, হিমান্ত বৰগোহাঁই, দীলিপ চুতীয়া (২০০৪), 'ঔদ্যোগিক সমাজতত্ত্ব, বনলতা, গুৱাহাটী, ডিব্ৰুগড়।

ডº জয়ন্ত দুৱৰা, (২০১৪) 'উদ্যোগৰ সমাজতত্ত্ব', দত্ত প্ৰকাশন, উত্তৰ লক্ষীমপুৰ

ডº ৰাজেন বৰা, অখিল বৰা, (২০১৪) 'উদ্যোগৰ সমাজতত্ত্ব' বিদ্যাভৱন, যোৰহাট।

**আত্মমূল্যায়নৰ প্ৰশ্ন উত্তৰ**

(ক) উত্তৰ ঃ- ঔদ্যোগীকৰণৰ দুটা বৈশিষ্ট্য হ'ল যান্ত্ৰিক শক্তি ব্যৱহাৰ আৰু অধিক উৎপাদন।

(খ) উত্তৰ ঃ- ঔদ্যোগীকৰণ গঢ়ি উঠা দুটা কাৰক হৈছে - (১) বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ বিকাশ (২) আধুনিক শিক্ষা।

(গ) উত্তৰ ঃ- যৌতুক আৰু বিবাহ বিচ্ছেদক ঔদ্যোগীকৰণৰ এটা বেয়া প্ৰভাৱ বুলি ক'ব পাৰি কথাষাৰ সত্য।

(ঘ) উত্তৰ ঃ- ঔদ্যোগীকৰণে যুটীয়া পৰিয়ালক এক ভাঙোনমুখী দিশলৈ পৰিৱৰ্তিত কৰিছে কথাষাৰ সঁচা।

**আৰ্হি প্ৰশ্ন (Model Question) ঃ**

১) ঔদ্যোগীকৰণৰ অৰ্থ আৰু সংজ্ঞা লিখা।
২) ঔদ্যোগীকৰণৰ বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰা।
৩) ঔদ্যোগীকৰণ গঢ়ি উঠাৰ ক্ষেত্ৰত সহায় কৰা বিভিন্ন কাৰকসমূহৰ বিষয়ে বৰ্ণনা কৰা।
৪) ঔদ্যোগীকৰণৰ ফলাফল সমূহ বহলাই আলোচনা কৰা।

**প্ৰসঙ্গ পুথি (References) ঃ**

Charles, B.Spaulding, (1970), An Introduction to Industrial Sociology, D.B. Taraporevala Sons and Cp. Mumbai.

Miller, D.C. And Form, W.H., (1964 2nd Edition), Industrial Sociology, New York, Harper and Row.

Parker, S.R. Brown, R.K.and others, (1967), The Sociology of Industry, Allen & Unwin, London.

Schneider, E.V. (1979), Industrial Sociology, Mc Graw-Hill Publishing Co.Ltd, New Delhi.

S.J. Gisbert, P., (1978), Fundamentals of Industrial Sociology, Tata Mc Graw-ll Publishing Co. Ltd, New Delhi.

## খণ্ড নং ১ (Block-1)

## গোট - ৩ (Unit -3)

## শ্ৰম বিভাজন (Division of Labour)

**গঠন বিন্যাস ঃ**


৩.০ উদ্দেশ্য

৩.১ প্ৰস্তাৱনা

৩.২ শ্ৰম বিভাজনৰ অৰ্থ

৩.২.১ শ্ৰম বিভাজনৰ প্ৰকাৰ

৩.২.২ শ্ৰম বিভাজন আৰু উৎপাদনৰ মাজত সম্পৰ্ক

৩.২.৩ শ্ৰম বিভাজনৰ সুবিধাসমূহ

৩.২.৪ শ্ৰম বিভাজনৰ অসুবিধাসমূহ

আত্মমূল্যায়ন প্ৰশ্ন

৩.৩ সামৰণি

১) প্ৰধান শব্দসমূহ

২) পাঠ্য নিৰ্দেশনা

৩) আত্ম মূল্যায়ন প্ৰশ্নৰ উত্তৰ

৪) আৰ্হি প্ৰশ্ন

৫) প্ৰসঙ্গ পুথি


**৩.০ উদ্দেশ্য ঃ**

"ঔদ্যোগিক সমাজতত্ত্ব আৰু শ্ৰমিক কল্যাণ" নামৰ পাঠ্যপুথিখনৰ ১ নম্বৰ খণ্ডৰ ৩ নম্বৰ গোটটিত "শ্ৰম বিভাজন" বিষয়টিক এক গুৰুত্বপূৰ্ণ বিষয় হিচাবে অন্তৰ্ভূক্ত কৰা হৈছে। উদ্যোগ ব্যৱস্থাত শ্ৰম বিভাজনক এক অপৰিহাৰ্য্য অংশ হিচাবে গণ্য কৰা হয়। শ্ৰম বিভাজনৰ অবিহনে যিকোনো ঔদ্যোগিক প্ৰতিষ্ঠান বা উৎপাদন পদ্ধতিত ব্যক্তিয়ে সম্পাদন কৰা কাৰ্য্য সমূহক সুচাৰুৰূপে পালন কৰিব নোৱাৰে। এই পাঠ্যক্ৰমখনিৰ ১ নম্বৰ খণ্ডৰ ৩ নম্বৰ গোটটি পঢ়াৰ পাছত তোমালোকে -

১) শ্ৰম বিভাজনৰ অৰ্থ সম্পৰ্কে ব্যাখ্যা কৰিব পাৰিবা।

২) শ্ৰম বিভাজনৰ বৈশিষ্ট্য বিষয়ে বৰ্ণনা কৰিব পাৰিবা।

৩) উক্ত গোটটিৰ জৰিয়তে শ্ৰম বিভাজন আৰু উৎপাদনৰ মাজত থকা সম্পৰ্ক বিষয়ে বিশ্লেষণ কৰিব পাৰিবা।

৪) এই গোটটিৰ সহায়ত শ্ৰম বিভাজনৰ সুবিধা আৰু অসুবিধা বিলাকৰ বিষয়ে বহলাই আলোচনা কৰিব পাৰিবা।

**৩.১ প্ৰস্তাৱনা (Introduction) ঃ**

"ঔদ্যোগিক সমাজতত্ত্ব আৰু শ্ৰমিক কল্যাণ" নামৰ পাঠ্যক্ৰমখনিৰ ১ নম্বৰ খণ্ডৰ ৩ নম্বৰ গোটটিত শ্ৰম বিভাজনৰ ভিতৰত আলোচিত বিভিন্ন বিষয়সমূহ সামৰি লৈ তোমালোকে সহজ ভাষাত বুজিব পৰাকৈ লিখা হৈছে। যিহেতু উদ্যোগ সমূহত শ্ৰম বিভাজন বিষয়টো অতি নিবিড়ভাৱে জড়িত হৈ আছে। মানুহৰ দৈনন্দিন জীৱনত সম্পাদন কৰা বিভিন্ন কাৰ্যসমূহ সম্পাদন কৰোঁতে শ্ৰম বিভাজনৰ যোগেদি সম্পন্ন কৰা হয়। এনে শ্ৰম বিভাজনে কোনো উৎপাদন কাৰ্যত নিয়োগ হৈ থকা প্ৰত্যেক ব্যক্তিক নিজস্বভাৱে একো একোটা কাৰ্য্য সম্পাদন কৰাৰ ক্ষেত্ৰত বিশেষভাৱে সহায় কৰে।

**৩.২ শ্ৰম বিভাজনৰ অৰ্থ (Meaning of Division of Labour) ঃ**

আমি ইতিপূৰ্বে তোমালোকে শ্ৰম বিভাজনক সমাজ ব্যৱস্থাত এক গুৰুত্বপূৰ্ণ বিষয় হিচাবে গণ্য কৰা হৈছে বুলি কোৱা হৈছে। এতিয়া আমি তোমালোকক শ্ৰম বিভাজনৰ অৰ্থ সম্পৰ্কে অৱগত কৰিম। শ্ৰম বিভাজন আধুনিক অৰ্থনৈতিক ব্যৱস্থাৰ এক উল্লেখযোগ্য দিশ। সাধাৰণতে, কোনো এটা বস্তুৰ উৎপাদনৰ লগত জড়িত বিভিন্ন অংশৰ কাৰ্য্য সম্পাদনৰ দায়িত্ব বিভিন্ন ব্যক্তিৰ মাজত একো একোটা শ্ৰম ভাগ কৰি দিয়া বা ভাগ বিতৰণ কৰি দিয়া প্ৰক্ৰিয়াটোকে শ্ৰম বিভাজন বোলে। শ্ৰম বিভাজন বিশেষীকৰণৰে এক বিশেষ ৰূপ। ইয়াত উৎপাদন কৰা সকলো সামগ্ৰী এজন ব্যক্তিয়ে উৎপাদন নকৰি মাত্ৰ এবিধ সামগ্ৰীৰ অংশ বিশেষ উৎপাদন কৰা হয়। অৰ্থাৎ, শ্ৰম বিভাজন বুলি কওঁতে আমি উৎপাদনৰ কাৰ্য্যত ব্যক্তি বিশেষে বেলেগ বেলেগ দিশত শ্ৰম খটোৱাই সম্পাদন কৰা প্ৰক্ৰিয়াৰ কথাকেই ক'ব পাৰোঁ। শ্ৰম বিভাজন হৈছে এক বিশ্বজনীন প্ৰক্ৰিয়া। প্ৰাচীন কালৰে পৰা সমাজত এই শ্ৰম বিভাজন পদ্ধতি চলি আহিছে আৰু ই ভৱিষ্যতলৈকেও চলি থাকিব। অৱশ্যে, প্ৰাচীন কালত শ্ৰম বিভাজনৰ প্ৰকৃতি সৰল আছিল। সেই সময়ত লিঙ্গ আৰু বয়সৰ ওপৰত ভিত্তি কৰি শ্ৰম বিভাজন কৰা হৈছিল। সাধাৰণতে শ্ৰম বিভাজন বুলিলে শ্ৰম ব্যক্তি অনুসৰি বিতৰণ কৰা প্ৰক্ৰিয়াকেই বুজায়। অৱশ্যে সমাজতত্ত্ব আৰু অৰ্থনীতি বিজ্ঞানত শ্ৰম বিভাজনৰ অৰ্থ ইয়াতকৈ বেলেগ আৰু ব্যাপক পৰিধিৰ। কোনো ব্যক্তিক উৎপাদনৰ সকলো অংশৰ কামত নিয়োজিত কৰাৰ পৰিৱৰ্ত্তে কোনো নিৰ্দ্দিষ্ট অংশৰ

কাৰ্য্য সম্পাদনৰ দায়িত্ব অৰ্পণ কৰা হয়, তাকেই শ্ৰম বিভাজন বোলা হয়। অৰ্থাৎ দক্ষতা বা পাৰদৰ্শিতা বা অৰ্হতাৰ ওপৰত ভিত্তি কৰি যেতিয়া শ্ৰমিকক কোনো এক উৎপাদন ব্যৱস্থাৰ ক্ষুদ্ৰ ক্ষুদ্ৰ অংশ ভাগ কৰি তাৰ প্ৰতিটো ভাগৰ দায়িত্ব অৰ্পণ কৰা হয় সেয়ে হৈছে শ্ৰম বিভাজন। এনে শ্ৰম বিভাজন, প্ৰক্ৰিয়াত যিকোনো এবিধ বস্তু উৎপাদনৰ সকলো অংশত বা পৰ্যায়ত এজন ব্যক্তিয়ে সম্পাদন নকৰে। উদাহৰণস্বৰূপে আধুনিক জোতা তৈয়াৰ কৰা একোটা কাৰখানাত এক শ্ৰেণী শ্ৰমিকে চামৰা কাটে, এক শ্ৰেণীয়ে চামৰা সমান বা পিটে, এক শ্ৰেণীয়ে জোতা চিলাইৰ কাম কৰে, এক শ্ৰেণীয়ে গজাল মাৰে, এক শ্ৰেণীয়ে জোতাত ৰং লগায় আৰু এক শ্ৰেণীয়ে ডিজাইন অৰ্থাৎ ৰেহ ৰূপ দিয়ে। এনেদৰে যি বস্তু উৎপাদন বা তৈয়াৰ কৰাৰ ক্ষেত্ৰত একো একোজন ব্যক্তিক নিৰ্দ্দিষ্ট একো একোটা কামৰ বিভাজন কৰি দিয়া হয় তাকেই শ্ৰম বিভাজন (Division of Labour) বোলা হয়। বিশিষ্ট সমাজতত্ত্ববিদ ইমাইল দুৰখেইমে তেখেতৰ “The Division of Labour in Society” নামৰ গ্ৰন্থখনিত শ্ৰম বিভাজনৰ সম্পৰ্কে এক সুন্দৰ সমাজতত্ত্বীয় ব্যাখ্যা আগবঢ়াইছে। তেওঁৰ মতে সমাজে ক্ৰমাগতভাৱে যান্ত্ৰিক অৱস্থাৰ পৰা জৈৱিক (Organic) অৱস্থালৈ গতি কৰিব ধৰিছে যাৰ ফলত শ্ৰম বিভাজনো ক্ৰমাৎ সৰল অৱস্থাৰ পৰা জটিল অৱস্থালৈ ৰূপান্তৰিত হৈছে। গতিকে দুৰখেইমৰ শ্ৰম বিভাজনৰ ব্যাখ্যাৰ পৰা ক'ব পৰা যায় যে প্ৰাচীন সমাজৰ সৰল শ্ৰম বিভাজন (Simple Division of Labour) ক্ৰমাৎ পৰিৱৰ্তন হৈ বৰ্তমান সমাজত ই এক জটিল ৰূপত উপনীত হৈছে।

### ৩.২.১. শ্ৰম বিভাজনৰ প্ৰকাৰ (Types of Division of Labour) ঃ

শ্ৰম বিভাজনৰ কিছুমান নিৰ্দ্দিষ্ট প্ৰকাৰত ভাগ বিতৰণ কৰা হৈছে। তলত শ্ৰম বিভাজনৰ কেইটামান প্ৰকাৰৰ বিষয়ে চমুকৈ ব্যাখ্যা কৰা হৈছে।

### ১) সৰল শ্ৰম বিভাজন (Simple Division of Labour) ঃ

শ্ৰম বিভাজনৰ এটা প্ৰধান ভাগ হৈছে সৰল শ্ৰম বিভাজন। সৰল শ্ৰম বিভাজন ব্যৱস্থাত এজন শ্ৰমিকে এটা বস্তু বা সামগ্ৰী (Material) উৎপাদন প্ৰথম অৱস্থাৰ পৰা শেষলৈকে সকলো দায়িত্ব বহন তথা পালন কৰে। এনে শ্ৰম বিভাজনত এজন ব্যক্তিয়ে এটা কাম অকলে সম্পন্ন কৰিব নোৱাৰিলে অন্য এজন ব্যক্তিয়ে কামটো সম্পাদন কৰাত সহায় কৰে। এনে শ্ৰম বিভাজনত ব্যক্তি সকলৰ মাজত পাৰস্পৰিক সহযোগিতা (Mutual Cooperation) থাকে। এনে প্ৰকাৰ শ্ৰম বিভাজনত এজন ব্যক্তিয়ে কোনো এটা কাম সম্পাদন কৰিব নোৱাৰিলে অন্য এজন ব্যক্তিয়ে সেই

কামটো সম্পাদন কৰি দিয়ে। সৰল শ্ৰম বিভাজনৰ ক্ষেত্ৰত প্ৰতিজন শ্ৰমিকে নিজৰ প্ৰয়োজনতকৈ অতিৰিক্ত পৰিমাণে একো একোটা বস্তু উৎপাদন কৰে। উদাহৰণস্বৰূপে ভাত বনোৱা, মাটি ৰুৱা, ধান দোৱা আদি কামবিলাক মহিলাই কৰাৰ পৰিৱৰ্তেও এই কাম বিলাক পুৰুষেও সম্পাদন কৰিব পাৰে। গতিকে এনে শ্ৰম বিভাজনত একেটা কাম পুৰুষ-মহিলাই উভয়ে সম্পাদন কৰিব পাৰে।

**২) জটিল শ্ৰম বিভাজন (Complex Division of Labour) ঃ**

এনে শ্ৰম বিভাজন পদ্ধতিত উৎপাদনৰ একো একোটা অংশত কাৰ্য্য সম্পাদনৰ বাবে নিৰ্দ্দিষ্ট একো একোজন ব্যক্তিক নিযুক্তি দিয়া হয়। অৰ্থাৎ যি শ্ৰম বিভাজনত যিকোনো উৎপাদন ব্যৱস্থাত কাৰ্য্য সম্পাদনৰ বাবে ক্ষুদ্ৰ ক্ষুদ্ৰ অংশত ভাগ কৰি প্ৰতিটো ভাগৰ বা অংশৰ দায়িত্ব বিভিন্ন শ্ৰমিকক অৰ্পণ কৰাৰ ব্যৱস্থা থাকে তেনে শ্ৰম বিভাজনক জটিল শ্ৰম বিভাজন বোলে। এনে শ্ৰম বিভাজনত যিকোনো উৎপাদন কাৰ্য্যৰ ক্ষেত্ৰত বিভিন্ন অংশত ভাগ কৰি নিৰ্দ্দিষ্ট একো একোজন ব্যক্তিক নিযুক্তি দিয়া হয়। জটিল শ্ৰম বিভাজনৰ ক্ষেত্ৰত দেখা যায় যে এই ব্যৱস্থাত কোনো এটা দ্ৰব্য বা সামগ্ৰী তৈয়াৰ বা উৎপাদন কৰাৰ ক্ষেত্ৰত সকলো কাম একোজন ব্যক্তিৰ হাততে ন্যস্ত নাথাকে। ইয়াত একো একোটা দ্ৰব্য উৎপাদনৰ অংশবোৰ বিভিন্নজনৰ মাজত ভাগ বিতৰণ কৰি দিয়া হয়। বিখ্যাত অৰ্থনীতিবিদ আদাম স্মিথে এই জটিল শ্ৰম বিভাজনৰ ওপৰত এনেদৰে মন্তব্য প্ৰকাশ কৰিছে যে "এটা সামান্য দিন প্ৰস্তুত কৰা উদ্যোগত ওঠৰটা বিভাগ থাকে য'ত উৎপাদনৰ একো একোটা অংশত বিভিন্ন অংশ জড়িত হৈ থাকে।" গতিকে এনে কৰ্ম ক্ষেত্ৰত ওঠৰ জন শ্ৰমিকৰো প্ৰয়োজন হয়। এনে শ্ৰম বিভাজনত নিয়োজিত হৈ থকা শ্ৰমিকসকলক দক্ষতা অৰ্হতাৰ ওপৰত ভিত্তি কৰি নিযুক্তি দিয়া হয়। বৰ্তমান আধুনিক ঔদ্যোগিক ক্ষেত্ৰখনত ব্যাপক পৰিধিৰ হোৱাৰ বাবে জটিল শ্ৰম বিভাজনৰ মাত্ৰা অধিক বৃদ্ধি পাই অহা পৰিলক্ষিত হৈছে। অৰ্থাৎ বৃহৎ উদ্যোগ প্ৰতিষ্ঠানসমূহ পৰিচালনাৰ বাবে জটিল প্ৰকৃতিৰ শ্ৰম বিভাজনৰ প্ৰাধান্যতা বৃদ্ধি পাইছে।

**৩) সামাজিক শ্ৰম বিভাজন (Social Division of Labour) ঃ**

সামাজিক শ্ৰম বিভাজন ব্যক্তিৰ বৃত্তি অনুসৰি বা ব্যক্তিৰ ওপৰত ভিত্তি কৰি বিভাজন কৰা হয়। উদাহৰণস্বৰূপে কৃষক (Cultivator), বাঢ়ৈ, শিপিনী (Weavers), শিক্ষক, ধৰ্মগুৰু (Clergy/Priest), সৈনিক (Soldiers), অভিযন্তা ইত্যাদি।

**৪) প্ৰযুক্তিগত শ্ৰম বিভাজন (Technical Division of Labour) ঃ**

শ্ৰম বিভাজনৰ অন্য এক গুৰুত্বপূৰ্ণ প্ৰকাৰ হৈছে প্ৰযুক্তিগত শ্ৰম বিভাজন। এনে শ্ৰম বিভাজন সাধাৰণতে কোনো এটা উদ্যোগত দেখা পোৱা যায়। সাধাৰণতে উদ্যোগ প্ৰতিষ্ঠান সমূহত বিভিন্ন কাৰিকৰী কাৰ্য্য সম্পাদন কৰিবলগীয়া হোৱাত বিভিন্ন যন্ত্ৰপাতি, সা-সৰঞ্জাম, শিল্প বিদ্যা, কাৰিকৰী শিক্ষাৰ প্ৰয়োগ হয় আৰু সেয়ে ইয়াত আধুনিক যন্ত্ৰপাতি, বিভিন্ন কলা-কৌশল প্ৰয়োগ কৰাৰ ফলস্বৰূপে। উদ্যোগৰ বিভিন্ন অংশত একো-একোজন ব্যক্তি নিযুক্তি দিয়া হয়। উদাহৰণস্বৰূপে এটা কাৰখানাত থকা বিভিন্ন সা-সৰঞ্জাম (Instruments) পৰিচালনা কৰিবৰ বাবে বিভিন্ন ব্যক্তি নিয়োগ কৰিবলগীয়া হয় যেনে - কম্পিউটাৰ চালক, কম্পিউটাৰ মেৰামতি কৰা ব্যক্তি, বিদ্যুৎ পৰিচালনা কৰা ব্যক্তি, যন্ত্ৰ চালক, দৈনিক কাৰ্য্যসূচী প্ৰস্তুত কৰোঁতা, উদ্যোগ পৰিদৰ্শন কৰা পৰিদৰ্শক (Inspector) আদি নানা ব্যক্তিক নিজৰ নিজৰ দায়িত্ব পালন কৰিবৰ বাবে বিভাজন কৰি দিয়া হয়। আধুনিক যন্ত্ৰপাতিৰ যুগত প্ৰযুক্তিগত শ্ৰম বিভাজনক এটা উল্লেখনীয় বৈশিষ্ট্য বুলি গণ্য কৰা হয়।

**৫) অঞ্চল ভিত্তিক শ্ৰম বিভাজন (Territorial Division of Labour) ঃ**

অঞ্চল ভিত্তিক শ্ৰম বিভাজনক উদ্যোগৰ স্থায়ীকৰণ (Localization Industries) বুলিও জনা যায়। কোনো এক নিৰ্দ্দিষ্ট অঞ্চল কোনো বিশেষ উদ্যোগৰ লগত ওতঃপ্ৰোতভাৱে জড়িত শ্ৰমক অঞ্চলভিত্তিক শ্ৰম বিভাজন বুলি কোৱা হয়। উদাহৰণস্বৰূপে কিছুমান বস্তু বা সামগ্ৰী কোনো এটা বিশেষ অঞ্চলত উৎপাদন কৰা হয় আৰু সেই নিৰ্দ্দিষ্ট ঠাইডোখৰ সেই উৎপাদন ব্যৱস্থাৰ উপযুক্ত বা বিশেষ গুণসম্পন্ন বুলি জনা যায়। যেনে ভাৰতবৰ্ষৰ আহমেদাবাদ আৰু মুম্বাইৰ কপাহী কাপোৰৰ কাৰখানা কলকাতাৰ মৰাপাট শিল্প, আগ্ৰা আৰু কানপুৰৰ চামৰাৰ উদ্যোগ আদি।

**২.২ শ্ৰম বিভাজন আৰু উৎপাদনৰ মাজত সম্পৰ্ক (Relationship between Division of Labour and Production) ঃ**

তোমালোকক ইতিপূৰ্বে কৈ আহিছো যে যিকোনো উৎপাদনৰ কৰ্মক্ষেত্ৰত শ্ৰম বিভাজনক এক অপৰিহাৰ্য্য অংশ হিচাবে গণ্য কৰা হয়। শ্ৰম বিভাজনৰ অবিহনে কোনো উদ্যোগ প্ৰতিষ্ঠান নাইবা কোনো উৎপাদন কৰা ক্ষেত্ৰসমূহ সুচাৰুৰূপে পৰিচালনা কৰিব নোৱাৰে। শ্ৰম বিভাজনে উৎপাদনৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। এটা উদ্যোগ প্ৰতিষ্ঠানত শ্ৰম বিভাজনে উদ্যোগৰ প্ৰতিটো অংশ পৰিচালনা কৰাৰ ক্ষেত্ৰত বিশেষভাৱে সহায় কৰে। উৎপাদনৰ প্ৰতিটো অংশত নিৰ্দ্দিষ্ট একো-একোজন ব্যক্তিয়ে নিজৰ নিজৰ দায়িত্ব আৰু কৰ্তব্য পালন কৰাৰ পৰিপ্ৰেক্ষিতত খুব

কৰ্ম সময়ত অধিক বস্তু উৎপাদন কৰিব পাৰে যাৰ ফলত উৎপাদনৰ কাৰ্য্যবিলাক নিয়াৰিকৈ পৰিচালিত হৈ থাকে।

শ্ৰম বিভাজন আধুনিক ঔদ্যোগিক সমাজৰ এক উল্লেখযোগ্য বৈশিষ্ট্য। এখন দেশৰ অৰ্থনৈতিক, বাণিজ্যিক বিকাশ নিৰ্ভৰ কৰে সেই দেশৰ শ্ৰম শক্তিৰ ওপৰত। বিশিষ্ট অৰ্থনীতিবিদ আদাম স্মিথ (Adam Smith) ৰ মাতৃ এখন দেশৰ শ্ৰমিকৰ উৎপাদিকা শক্তি সেই দেশৰ প্ৰযুক্তিগত বিকাশৰ ওপৰত নিৰ্ভৰ কৰে, যিটো সম্পূৰ্ণৰূপে শ্ৰম বিভাজনৰ ওপৰত নিৰ্ভৰশীল। আদাম স্মিথৰ অৰ্থনৈতিক বিকাশৰ সিদ্ধান্তত (Theory of Economic Growth) শ্ৰম বিভাজনে প্ৰকৃত গতিশীল শক্তি হিচাবে কাম কৰে বুলি উল্লেখ কৰিছে।

যিকোনো উৎপাদন প্ৰক্ৰিয়াত শ্ৰম বিভাজনৰ পদ্ধতিটো অতি গুৰুত্বপূৰ্ণ। শ্ৰম বিভাজনে যিকোনো উৎপাদনৰ কৰ্ম ক্ষেত্ৰত নিয়োজিত হৈ থকা প্ৰতিজন শ্ৰমিকে নিজৰ নিজৰ দায়িত্ব পালন কৰাৰ ক্ষেত্ৰত বিশেষভাৱে আগ্ৰহী হয় যাৰ ফলত উৎপাদন প্ৰক্ৰিয়াটো পৰিচালনাৰ ক্ষেত্ৰত বিশেষভাৱে সহায় হয়।

### ৩.২.৩ শ্ৰম বিভাজনৰ সুবিধা (Advantages of Division of Labour) ঃ

তোমালোকক ইতিমধ্যে শ্ৰম বিভাজন আৰু উৎপাদনৰ মাজত থকা সম্পৰ্কৰ বিষয়ে কিছু কথা অৱগত কৰিলোঁ। এতিয়া তোমালোকক শ্ৰম বিভাজনৰ কিছুমান সুবিধাৰ বিষয়ে আঁৰতে জনাই দিয়া হৈছে। অৰ্থাৎ শ্ৰম বিভাজনে যিকোনো উৎপাদনৰ ক্ষেত্ৰত কিদৰে সহায় কৰে সেই সম্পৰ্কে আমি কিছু কথা আলোচনা কৰিম।

প্ৰথমতে, শ্ৰম বিভাজনে শ্ৰমিকৰ দক্ষতা (skill) বা কৰ্ম ক্ষমতা (Labour Force) বৃদ্ধি কৰে। শ্ৰম বিভাজনৰ ফলত শ্ৰমিকসকলে কম সময়ৰ ভিতৰত আৰু অধিক নিপুণতাৰে বা দক্ষতাৰে কামটো সম্পাদন কৰিবলৈ সুবিধা পায়।

দ্বিতীয়তে, শ্ৰম বিভাজনে শ্ৰমিকৰ স্বাভাৱিক আৰু মাৰ্জিত দক্ষতা বা যোগ্যতা অনুসৰি কাম কৰিবলৈ সুযোগ দিয়ে। যোগ্যতা ভিত্তিত কৰ্ম ভাগ বিতৰণ হ'লে শ্ৰমিকৰ উৎপাদন তথা আয়ৰ পৰিমাণ বৃদ্ধি হয়। ইয়াৰ ফলত উৎপাদন ব্যয় হ্ৰাস হয় আৰু উপভোক্তাই অধিক সামগ্ৰী কম দামত বা মূল্যত উপভোগ কৰিবলৈ সমৰ্থ হয়।

তৃতীয়তে, শ্ৰম বিভাজনে শ্ৰমিকৰ শাৰিৰীক বা মানসিক এই দুয়োটা শ্ৰম হ্ৰাস বা লাঘৱ কৰে। এজন শ্ৰমিকে কেৱল তেওঁৰ দায়িত্বত থকা শ্ৰমখিনিহে সম্পাদন কৰিব লাগে। এই শ্ৰম বিভাজনত এজন শ্ৰমিকে মাত্ৰ এটা অংশতহে শ্ৰম কৰিব লাগে। যাৰ ফলত শ্ৰমিকজনৰ বহুখিনি শাৰিৰীক বা মানসিক পৰিশ্ৰম লাঘৱ হয়।

চতুৰ্থতে, শ্ৰম বিভাজনৰ ফলত যন্ত্ৰপাতি আৰু সময়ৰ মিতব্যয়িতা হয়।

এনে প্ৰক্ৰিয়াত শ্ৰমিকসকলে উৎপাদনৰ ক্ষুদ্ৰ ক্ষুদ্ৰ অংশৰ লগত জড়িত হৈ থকাৰ বাবে একে ধৰণৰ কাম একেৰাহে কৰিব পৰাকৈ যন্ত্ৰপাতি অৰ্থাৎ যান্ত্ৰিক সা-সৰঞ্জাম ব্যৱহাৰ কৰিব পৰা যায়। আধুনিক যন্ত্ৰ-পাতিবোৰে সময়ৰ মিতব্যয়িতা ৰক্ষা কৰে।

পঞ্চমতে, শ্ৰম বিভাজনে শ্ৰমিকসকলৰ কৰ্মস্থানৰ গতিশীলতা (Mobility) বৃদ্ধি কৰে। এই ক্ষেত্ৰত একে ধৰণৰ উদ্যোগৰ বিভিন্ন প্ৰতিষ্ঠানসমূহৰ মাজত আৰু একেজাতীয় কামত নিয়োজিত শ্ৰমিকসকলে এটা উদ্যোগ প্ৰতিষ্ঠানৰ পৰা অন্য এটা উদ্যোগ প্ৰতিষ্ঠানলৈ গতি বা স্থানান্তৰ কৰিব পাৰে। শ্ৰমিকৰ এনে গতিশীলতাই অধিক মজুৰি আৰু অন্যান্য সা-সুবিধা লাভ কৰাত বিশেষভাৱে সহায় কৰে।

ষষ্ঠতে, শ্ৰম বিভাজনে উৎপাদন পদ্ধতিক বৃদ্ধি কৰাত সহায় কৰে। বৰ্তমান আধুনিক উদ্যোগ কৰ্ম ক্ষেত্ৰসমূহত শ্ৰম বিভাজনৰ ফলত বৃহৎ পৰিমাণৰ উৎপাদন কৰিব পৰা গৈছে। এনে পদ্ধতিয়ে শ্ৰমিকসকলৰ কৰ্মস্পৃহা বৃদ্ধি কৰাৰ লগতে গ্ৰাহকসকলকো সামগ্ৰী ক্ৰয় কৰাৰ ক্ষেত্ৰত অধিক উৎসাহিত কৰি তুলিছে। বৃহৎ মাত্ৰাৰ উৎপাদনৰ ফলত গড় উৎপাদন ব্যয় হ্ৰাস পায় আৰু গ্ৰাহকে কম মূল্যত সামগ্ৰী বা বস্তু ক্ৰয় কৰাৰ ক্ষেত্ৰত বিশেষ সুবিধা হয়।

সপ্তমতে, শ্ৰম বিভাজনৰ ফলত নতুন নতুন যন্ত্ৰপাতি আৱিস্কাৰ হয় আৰু উন্নত যন্ত্ৰপাতি, বিভিন্ন উৎপাদনৰ কলা-কৌশল ব্যৱহাৰ কৰাৰ সুযোগ ওলায়। শ্ৰম বিভাজনৰ ফলত একেটা কামত একেৰাহে লাগি থকা কাৰণে শ্ৰমিকসকলেও শাৰীৰিক কষ্ট কম কৰাকৈ উন্নত আৰু বেছি উৎপাদন ক্ষম আধুনিক যন্ত্ৰপাতি উদ্ভাৱন কৰিবলৈ সমৰ্থ /সক্ষম হয়।

অষ্টমতে, শ্ৰম বিভাজনৰ ফলত সঠিক মানুহ সঠিক স্থানত কাম কৰাৰ সুবিধা প্ৰদান কৰে। ইয়াত ব্যক্তিৰ যোগ্যতা ভিত্তিত কাম কৰিবলৈ সুবিধা দিয়াৰ বাবে উক্ত কামত সেই ব্যক্তিজনে আৰু অধিক পাৰদৰ্শিতা অৰ্জন কৰিবলৈ সুবিধা পায় আৰু নিজৰ পচন্দৰ মতে কামটো কৰি কৰ্ম সন্তুষ্টি (Job Satisfaction) লাভ কৰিবলৈ সুবিধা পায়।

নৱমতে, শ্ৰম বিভাজনে শ্ৰমিকসকলৰ মাজত সহযোগিতা আৰু শৃংখলা বজাই ৰাখে। কোনো এটা বস্তু উৎপাদন কৰোঁতে শ্ৰমিকসকলে নিজ নিজ বিভাগত বা অংশত নিজৰ কামবোৰ শৃংখলাবদ্ধভাৱে সম্পন্ন কৰিবলৈ সুবিধা পায়।

**৩.২.৪. শ্ৰম বিভাজনৰ অসুবিধা (Disadvantages of Division of Labour) ঃ**

ইতিমধ্যে তোমালোকক শ্ৰম বিভাজনৰ বিভিন্ন সুবিধা সমূহৰ বিষয়ে অৱগত কৰিলোঁ। কিন্তু শ্ৰম বিভাজনৰ কিছুমান অসুবিধাও পৰিলক্ষিত হয়। এইখিনিতে তোমালোকক শ্ৰম বিভাজনৰ কিছুমান অসুবিধাৰ বিষয়ে থোৰতে কৈ থওঁ।

প্ৰথমতে, শ্ৰম বিভাজনৰ এটা প্ৰধান অসুবিধা বা ত্ৰুটি হৈছে যে ইয়াত একেজন শ্ৰমিকে একেটা কামকে দিন, মাহ, বছৰ ধৰি একেৰাহে কামত ব্যস্ত হৈ থকাৰ বাবে শ্ৰমিকজনৰ কামটো আমনিদায়ক হৈ উঠে। এজন শ্ৰমিকে একেটা কামকে বহু দিন ধৰি কৰি থাকিলে সেই কামটো কৰি মানসিক আনন্দ নাপায় তাৰ পৰিৱৰ্তে এজন শ্ৰমিকে উৎপাদনৰ বিভিন্ন অংশত ভিন ভিন কাম কৰি যথেষ্ট মানসিক আনন্দ লাভ কৰে।

দ্বিতীয়তে, শ্ৰম বিভাজনৰ অন্য এটা অসুবিধা হৈছে ইয়াত এজন শ্ৰমিকে উৎপাদনৰ যিকোনো এটা অংশত নিয়োজিত হৈ থকাৰ বাবে অন্য এটা কামত মনোনিৱেশ কৰিব নোৱাৰাৰ ফলত অন্য কৰ্মৰ প্ৰতি নিজকে পাৰদৰ্শিতা বা যোগ্যতা কৰি তুলিবলৈ অসমৰ্থ হ'ল। ইয়াৰ পৰিপ্ৰেক্ষিতত অন্য বিষয়বস্তুৰ প্ৰতি জ্ঞান লাভ কৰিবলৈ সুবিধা নাপায়। ইয়াৰোপৰি জটিল শ্ৰম বিভাজনে শ্ৰমিকৰ সৃজনী প্ৰতিভা নষ্ট কৰে। কিছুমান শ্ৰমিকৰ বিভিন্ন প্ৰতিভা থকা স্বত্বেও একেবোৰ কামকে সদায় বা একেৰাহে কৰি থকাৰ বাবে শ্ৰমিক সকলৰ প্ৰতিভা নষ্ট হয়।

তৃতীয়তে, শ্ৰম বিভাজনৰ অন্য এক প্ৰধান অসুবিধা হ'ল ই সামাজিক বৈষম্য বা জাতিগত শ্ৰম বিভাজনত বাধাৰ সৃষ্টি কৰে। বিশেষকৈ বৃত্তিগত শ্ৰম বিভাজনে সামাজিক বৈষম্য সৃষ্টি কৰাত বিশেষভাৱে অৰিহণা যোগায়।

চতুৰ্থতে, অত্যধিক শ্ৰম বিভাজনৰ ফলস্বৰূপে সমাজত নিবনুৱা সমস্যাৰ সৃষ্টি কৰে। যিহেতু এজন শ্ৰমিকৰ যিটো বিষয়ৰ ওপৰত জ্ঞান বা অৰ্হতা থাকে যদি তেনে বিষয়ত বা বিভাগত কামৰ অভাৱ হ'ল সেই ক্ষেত্ৰত সেই শ্ৰমিকজন নিবনুৱা হৈ থাকিবলগীয়া হয়। অৰ্থাৎ কামসমূহ অংশবিলাকত জড়িত হৈ থকাৰ বাবে কামৰ পৰা কৰ্মচ্যুত হ'লে সেই অংশ কামৰ অৰ্হতা (Qualification) বা যোগ্যতা নথকাৰ বাবে শ্ৰমিকবিলাক কৰ্মবিহীন হ'ব পাৰে।

পঞ্চমতে, শ্ৰম বিভাজনৰ অন্য এটা অসুবিধা হৈছে ইয়াত বিশেষকৈ জটিল শ্ৰম বিভাজনক অধিক গুৰুত্ব দিয়া হয় য'ত অত্যাধুনিক যন্ত্ৰপাতি, বহুলভাৱে প্ৰয়োগ কৰাৰ পৰিপ্ৰেক্ষিতত এক হুলস্থূলীয়া আৰু অস্বাস্থ্যকৰ পৰিৱেশৰ সৃষ্টি কৰে।

**আত্মমূল্যায়ন প্ৰশ্ন ঃ**

(ক) "The Division of Labour in Society" নামৰ গ্ৰন্থখনি লেখক কোন?

(খ) শ্ৰম বিভাজনক কেই প্ৰকাৰত ভাগ কৰা হৈছে?

(গ) শ্ৰম বিভাজনে শ্ৰমিকৰ গতিশীলতা বৃদ্ধি কৰে কথাষাৰ সত্য নে /অসত্য?

(ঘ) আধুনিক ঔদ্যোগিক ব্যৱস্থাত শ্ৰম বিভাজনক এক অপৰিহাৰ্য্য অংশ হিচাবে গণ্য কৰা হয় /নহয়?

(ঙ) বৃত্তিগত শ্ৰম বিভাজনে শ্ৰেণী বৈষম্য বা সামাজিক বৈষম্য সৃষ্টি কৰে সত্য নে /অসত্য?

**৩.৩. সামৰণি (Conclusion) ঃ**

১ নম্বৰ খণ্ডৰ ৩-ৰ গোট নম্বৰ অন্তৰ্গত শ্ৰম বিভাজনৰ বিভিন্ন বিষয়সমূহৰ সম্পৰ্কে তোমালোকক অৱগত কৰিলোঁ। উক্ত আলোচনাৰ পৰা তোমালোকে শ্ৰম ঔদ্যোগিক ব্যৱস্থাত শ্ৰম বিভাজনৰ প্ৰকাৰ, শ্ৰম বিভাজন আৰু উৎপাদনৰ মাজৰ সম্পৰ্ক, শ্ৰম বিভাজনৰ সুবিধা আৰু অসুবিধা সম্পৰ্কে বুজিব পাৰিলা। যিকোনো উৎপাদন পদ্ধতিত শ্ৰম বিভাজনৰ গুৰুত্ব অপৰিসীম। শ্ৰম বিভাজনৰ অবিহনে যিকোনো উদ্যোগ-প্ৰতিষ্ঠান বা বিভিন্ন কল-কাৰখানা সমূহে উৎপাদনৰ বিভিন্ন অংশত নিয়োজিত শ্ৰমিকসকলে সূচাৰুৰূপে তেওঁলোকে নিজ নিজ কৰ্তব্য আৰু দায়িত্ব পালন কৰিব নোৱাৰিলেহেঁতেন। তাৰোপৰি খুব কম সময়ৰ ভিতৰত অধিক উৎপাদন আৰু কাৰ্যক্ষম কৰিবলৈ সক্ষম হয়। বিশেষকৈ আধুনিক ঔদ্যোগিক সমাজ ব্যৱস্থাত জটিল শ্ৰম বিভাজনে বিশেষ গুৰুত্ব লাভ কৰিছে। সাধাৰণতে উদ্যোগ প্ৰধান দেশসমূহ অৰ্থনৈতিকভাৱে উন্নত আৰু এনে দেশসমূহত শ্ৰমবিভাজনৰ মাত্ৰা অনুন্নত দেশতকৈ বেছি হোৱা দেখা যায়।

**প্ৰধান শব্দসমূহ (Key Words) ঃ**

শ্ৰম বিভাজন, সৰল শ্ৰম বিভাজন, জটিল শ্ৰম বিভাজন, অৰ্হতা, দক্ষতা, উৎপাদনক্ষম, যোগ্যতা, উৎপাদন দক্ষতা, নিবনুৱা, সামাজিক বৈষম্য, শ্ৰেণী বৈষম্য, যন্ত্ৰপাতি, উদ্ভাৱন, শ্ৰমিক।

**আত্মমূল্যায়ন প্ৰশ্নৰ উত্তৰ ঃ**

(ক) উত্তৰ ঃ- "The Division of Labour in society" নামৰ গ্ৰন্থখনিৰ লেখক হ'ল ইমাইল দুৰখেইম।

(খ) উত্তৰ ঃ- শ্ৰম বিভাজনক পাঁচ প্ৰকাৰত ভাগ কৰা হৈছে।

(গ) উত্তৰ ঃ- 'শ্ৰম বিভাজনে শ্ৰমিকৰ গতিশীলতা বৃদ্ধি কৰে' কথাষাৰ সত্য।

(ঘ) উত্তৰ ঃ- আধুনিক ঔদ্যোগিক ব্যৱস্থাত শ্ৰম বিভাজনক এক অপৰিহাৰ্য্য হিচাবে গণ্য কৰা হয়।

(ঙ) উত্তৰ ঃ- বৃত্তিগত শ্ৰম বিভাজনে শ্ৰেণী বৈষম্য বা সামাজিক বৈষম্যৰ সৃষ্টি কৰে কথাষাৰ সত্য।

**পাঠ্য নিৰ্দেশনা (Suggested Readings) ঃ**

ড° বীৰেন্দ্ৰ নাথ বৰঠাকুৰ, ড° ৰূপৰেখা বৰদলৈ(২০০৮-০৯), ঔদ্যোগিক সমাজতত্ত্ব আৰু শ্ৰমিক কল্যাণ, বনলতা, বিদ্যাভৱন, যোৰহাট।